GJMC S3 02 (M)

পৰম্পৰাগত লোক মাধ্যম

তৃতীয় ষাণ্মাসিক

সাংবাদিকতা আৰু গণসংযোগ

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

(১) অধ্যাপক কে.ভি. নাগৰাজ, প্ৰাক্তন অধ্যাপক, গণসংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
(২) অধ্যাপক অভিজিত বৰা, মুৰব্বী, গণসংযোগ আৰু সাংবাদিক বিভাগ,তেজপুৰ বিশ্ববিদ্যালয়
(৩) ড° অংকুৰণ দত্ত, সহযোগী অধ্যাপক তথা মুৰব্বী, সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
(৪) ড° কে. এইছ্ কাবি, সহযোগী অধ্যাপক তথা মুৰব্বী, গণসংযোগ বিভাগ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশ

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° তৃষা দুৱৰা বৰুৱা, আৰু ড° জুৰি হাজৰিকা, ভূপেন হাজৰিকা গণসংযোগ সত্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৮	ড° ৰশ্মি শর্মা প্রচাৰ মাধ্যম গৱেষক আৰু শিশু অধিকাৰ কর্মী	বিনোদ বৰা (অধ্যায় ৮)
৯	কৌশিক ভূঁঞা সহঃ সম্পাদক, ডি আই পি আৰ	মেঘনা চৌধুৰী (অধ্যায় ৯) তথ্য আৰু জনসংযোগ সঞ্চালকালয়,
১০	স্বর্গীয়া ড° অনামিকা ৰয় গুৱাহাটী বিশ্ববিদ্যালয়	প্রিয়ংকা ভূঁঞা (অধ্যায় ১০), অসমীয়া বিভাগ, বাপুজী মহাবিদ্যালয়
১১,১৪,১৫	ড° মাছুংৱাংলিউ কামেই য়ুনিভার্ছিটি অৱদ্য পীপল্ পাচাডেনা, আমেৰিকা যুক্তৰাষ্ট্র	ৰূপাঞ্জলি চেতিয়া (অধ্যায় ১১, ১৫), অসমীয়া বিভাগ, ইউনাইটেড ট্রাইবেল ডিগ্রী কলেজ, লখিমপুৰ বিজয় কৃষ্ণ কোঁচ (অধ্যায় ১২, ১৩)
১২,১৩	ড° মাছুংৱাংলিউ কামেই আৰু ড° তৃষা দুৱৰা বৰুৱা	গীতাঞ্জলি মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১৪)

সম্পাদক মণ্ডলী ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক কে. ভি. নগেৰাজ, গণ সংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ ড° তৃষা দুৱৰা বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° তৃষা দুৱৰা বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ মে', ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
নগৰ কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিস্তৃত পাঠ্যক্রম

স্নাতক কলা

সাংবাদিকতা আৰু গণসংযোগ

তৃতীয় ষাণ্মাসিক

খণ্ড - ২

পৰম্পৰাগত লোক মাধ্যম

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **লোকসংস্কৃতিৰ অধ্যয়ন** **৯৫ - ১০৯**

ভাৰতবৰ্ষত লোকসংস্কৃতিৰ গৱেষণা- ভাৰতীয় লোকসংস্কৃতিৰ দৃশ্যপট, ভাৰতবৰ্ষত গৱেষণাৰ কাম-কাজ, লোকসংস্কৃতি গৱেষণাৰ গুৰুত্ব- লোকসংস্কৃতিৰ অংশসমূহ, লোকসংস্কৃতি গৱেষণা- কেনেকৈ ই সহায় কৰে? লোকসংস্কৃতি অধ্যয়নৰ পর্যালোচনা- বিভিন্ন লোকসংস্কৃতি অধ্যয়নৰ বৈশিষ্ট্য- পর্যালোচনামূলক কার্যসমূহ, লোকসংস্কৃতি পর্যালোচনাৰ তাৎপর্য

অধ্যায় ৯ ঃ **অসমত জনপ্রিয় পৰম্পৰাগত যোগাযোগ ধাৰাসমূহ** **১১০ - ১২৩**

অসমৰ পৰম্পৰাগত লোককলা- বিহু গীত, আইনাম, নিচুকনি গীত, ওজাপালি, সত্রীয়া নৃত্য, ভাওনা, বৰগীত, লোকগীত

অধ্যায় ১০ ঃ **লোকমাধ্যমলৈ ড° ভূপেন হাজৰিকাৰ অৱদান** **১২৪ - ১৩৩**

গণসংযোগকাৰী ৰূপে ড° ভূপেন হাজৰিকা, লোকমাধ্যমলৈ ড° ভূপেন হাজৰিকাৰ অৱদান

অধ্যায় ১১ ঃ **লোকমাধ্যম আৰু বৈজ্ঞানিক মানসিকতা** **১৩৪ - ১৪৪**

লোকমাধ্যম আৰু বৈজ্ঞানিক মানসিকতা, লোক মাধ্যম সংযোগৰ ক্ষেত্রত থকা অসুবিধাসমূহ, সাংস্কৃতিক মঞ্চ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা লোকমাধ্যমৰ ব্যৱহাৰ

অধ্যায় ১২ ঃ **লোকমাধ্যম আৰু স্বাস্থ্য যোগাযোগ** **১৪৫ - ১৫৬**

লোকমাধ্যম আৰু স্বাস্থ্য যোগাযোগঃ প্রয়োজনীয়তা আৰু পৰিসৰ, পৰিস্থিতি অধ্যয়ন, ব্যৱহাৰিক দিশ

অধ্যায় ১৩ ঃ **লোকমাধ্যমক জীয়াই ৰখাত ইউনেস্ক'ৰ ভূমিকা** **১৫৭ - ১৬৯**

উন্নয়নশীল দেশবোৰত লোকমাধ্যমক জীয়াই ৰখাত ইউনেস্ক'ৰ ভূমিকা দক্ষিণ এচিয়াৰ লোকমাধ্যম

অধ্যায় ১৪ ঃ **লোকমাধ্যম সংযোগলৈ বিশিষ্ট ব্যক্তিৰ অৱদান** **১৭০ - ১৮২**

লোকমাধ্যম সংযোগলৈ বিশিষ্ট ব্যক্তিৰ অৱদানঃ গ্লোৰিয়া ফেলিচিয়ান', ৰিমল দিচানায়কে, শ্যাম পার্মাৰ, এইচ. কে. ৰংগনাথ

অধ্যায় ১৫ ঃ **লোকমাধ্যম বনাম গণমাধ্যম** **১৮৩ - ১৯৪**

লোকমাধ্যম বনাম গণমাধ্যম, ভাৰত আৰু অসমত লোকমাধ্যমৰ ভৱিষ্যৎ- প্রস্থাৱিত উপায়সমূহ

খণ্ড পৰিচয় ঃ

এইটো হ'ল 'পৰম্পৰাগত লোক মাধ্যম' শীৰ্ষক পাঠ্যবিষয়টোৰ এইটো হ'ল দ্বিতীয় খণ্ড। তলত খণ্ডটোত সন্নিৱিষ্ট অধ্যায় আঠটাৰ চমু পৰিচয় দাঙি ধৰা হ'ল-

অধ্যায় ৮ ঃ লোকসংস্কৃতিৰ অধ্যয়ন

'পৰম্পৰাগত লোক মাধ্যম' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো হ'ল অষ্টম অধ্যায়। এই অধ্যায়ত পঞ্চতন্ত্ৰ, হিতোপদেশ, জাতক আৰু কথাসৰিৎ সাগৰৰ কাহিনীবোৰৰ ওপৰত বিশেষভাৱে আলোকপাত কৰি ভাৰতীয় লোকসংস্কৃতিৰ দৃশ্যপট সম্পৰ্কে এটা চমু আভাস দাঙি ধৰা হৈছে। অধ্যায়টোত বিভিন্ন সময়ত চলা আৰু বিভিন্ন উপাদানক বিষয়বস্তু ৰূপে লৈ কৰা লোকসংস্কৃতি গৱেষণাৰ বিষয়েও আলোচনা কৰা হৈছে। অধ্যায়টো পঢ়ি আপুনি লোকসংস্কৃতি বিষয়ক অধ্যয়নবোৰৰ পুনৰীক্ষণৰ ধাৰণাটোৰ লগতে পুনৰীক্ষণৰ তাৎপর্য বুজি পাব।

অধ্যায় ৯ ঃ অসমত পৰম্পৰাগত সংযোগৰ জনপ্ৰিয় ৰূপবোৰ

এই অধ্যায়ত অসমৰ বিভিন্ন পৰম্পৰাগত লোককলা সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। এই আলোচনাত বিহু, আইনাম, নিচুকনি গীত, ওজাপালি, সত্ৰীয়া নৃত্য, ভাওনা, বৰগীত আৰু লোকগীতৰ বিষয়ে আলোচনা কৰা হৈছে। লোক কলাবোৰৰ বিষয়ে খৰছি মাৰি জনাৰ পাচত আপুনি অসমৰ সাংস্কৃতিক পৰিচয় সংৰক্ষণ কৰাত লোক মাধ্যমৰ ভূমিকা সম্পৰ্কেও অৱগত হ'ব।

অধ্যায় ১০ ঃ লোক মাধ্যমলৈ ড° ভূপেন হাজৰিকাৰ অৱদান

পাঠ্যবিষয়ৰ এইটো হ'ল দশম অধ্যায়। এই অধ্যায়টো পঢ়াৰ পাচত আপুনি গণ সংযোগ স্থাপনকাৰীৰূপে ড° ভূপেন হাজৰিকাই পালন কৰা সামাজিক ভূমিকাটো ব্যাখ্যা কৰিব পাৰিব। অধ্যায়টোৱে আপোনাক অসমত লোকমাধ্যমৰ বিকাশত হাজৰিকাৰ অৱদান বিশ্লেষণ কৰি চোৱাতো সহায় কৰিব।

অধ্যায় ১১ ঃ লোকমাধ্যম আৰু বৈজ্ঞানিক মানসিকতা

এই অধ্যায়টো আলোচনা কৰা বিষয়বোৰ হ'ল লোকমাধ্যমে কেনেদৰে বৈজ্ঞানিক মানসিকতা বৃদ্ধিত সহায় কৰে, লোকমাধ্যম সংযোগৰ ক্ষেত্ৰত সাধাৰণতে দেখা দিয়া সমস্যাবোৰ আৰু সাংস্কৃতিক সংগঠনৰ লগতে ৰাজ্য চৰকাৰবোৰৰ দ্বাৰা লোকমাধ্যমৰ প্ৰয়োগ।

অধ্যায় ১২ ঃ লোকমাধ্যম আৰু স্বাস্থ্য যোগাযোগ

এই অধ্যায়টোত স্বাস্থ্য যোগাযোগৰ পৃষ্ঠপোষকতাকাৰী মাধ্যমৰূপে পৰম্পৰাগত লোক মাধ্যমবোৰে কেনেদৰে সেৱা আগবঢ়াই আহিছে সেই বিষয়ে আলোচনা কৰা হৈছে। আলোচনাকালত স্বাস্থ্য যোগাযোগ স্থাপন কৰিবলৈ সমগ্ৰ বিশ্বতে হোৱা লোক মাধ্যমৰ বহুল প্ৰয়োগৰ দিশটো প্ৰতিপন্ন কৰিবলৈ কিছুমান সঁচা ঘটনাৰ অধ্যয়ন সন্নিৱিষ্ট কৰা হৈছে।

অধ্যায় ১৩ ঃ লোকমাধ্যম বৰ্তাই ৰখাত ইউনেস্ক'ৰ ভূমিকা

এই অধ্যায়ত আলোচনা কৰা মূল বিষয়টো হ'ল বিশ্বৰ উন্নয়নশীল দেশবোৰত লোকমাধ্যম বৰ্তাই ৰখাত ইউনেস্ক'ই

পালন কৰা ভূমিকা। সমাজত বিভিন্ন লোক মাধ্যমে পালন কৰা ভূমিকাটো বুজাত সহায়ক হোৱাকৈ অধ্যায়টোত দক্ষিণ এছিয়াৰ কেইটামান লোক কলাৰ ওপৰতো আলোকপাত কৰা হৈছে।

অধ্যায় ১৪ ঃ লোকমাধ্যম সংযোগলৈ বিশিষ্ট ব্যক্তিৰ অৱদান

এই অধ্যায়টোত লোকমাধ্যম সংযোগলৈ গ্লে'ৰিয়া ফেলিচিয়ান', ৰিমল দিচানায়কে, শ্যাম পার্মাৰ আৰু এইছ.কে. ৰংগনাথৰ দৰে বিশিষ্ট ব্যক্তিসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। আলোচনাকালত সমাজত পৰম্পৰাগত লোকমাধ্যমৰ মোল বৃদ্ধি কৰাত এই লোকসকলৰ অৱদানে কি বৰঙণি আগবঢ়াইছে তাৰ ওপৰত আলোকপাত কৰা হৈছে।

অধ্যায় ১৫ ঃ লোকমাধ্যম বানাম গণমাধ্যম

এই অধ্যায়টোত লোকমাধ্যম আৰু গণমাধ্যম উভয়ে উভয়ৰ ওপৰত পেলোৱা সুপ্রভাৱ আৰু কুপ্রভাৱৰ লগতে দুয়োটা মাধ্যমৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰা হৈছে। অধ্যায়টোত সাধাৰণভাৱে ভাৰতৰ আৰু বিশেষবাৱে অসমৰ কেইটামান গুৰুত্বপূর্ণ লোক কলাক পুনৰুজ্জীৱিত কৰাৰ বাবে ল'ব পৰা ব্যৱস্থা কিছুমানৰ বিষয়েও আলোচনা কৰা হৈছে।

অধ্যায় ৮ ঃ লোকসংস্কৃতিৰ অধ্যয়ন

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ভাৰতবৰ্ষত লোকসংস্কৃতিৰ গৱেষণা
৮.৩.১ ভাৰতীয় লোকসংস্কৃতিৰ দৃশ্যপট
৮.৩.২ ভাৰতবৰ্ষত গৱেষণাৰ কাম-কাজ
৮.৪ লোকসংস্কৃতি গৱেষণাৰ গুৰুত্ব
৮.৪.১ লোকসংস্কৃতিৰ অংশসমূহ
৮.৪.২ লোকসংস্কৃতিৰ গৱেষণা— কেনেকৈ ই সহায় কৰে?
৮.৫ লোকসংস্কৃতি অধ্যয়নৰ পৰ্যালোচনা— বিভিন্ন লোকসংস্কৃতি অধ্যয়নৰ বৈশিষ্ট্য
৮.৫.১ পৰ্যালোচনামূলক কাৰ্যসমূহ
৮.৫.২ লোকসংস্কৃতি পৰ্যালোচনাৰ তাৎপৰ্য
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- ভাৰতবৰ্ষত লোকসংস্কৃতিৰ গৱেষণাৰ ওপৰত আলোচনা কৰিব পাৰিব
- লোকসংস্কৃতিৰ গুৰুত্বসমূহৰ বিষয়ে জানিব পাৰিব
- লোকসংস্কৃতি অধ্যয়নৰ পৰ্যালোচনা আৰু তাৎপৰ্যৰ ওপৰত এক ধাৰণা লাভ কৰিব পাৰিব।

৮.২ পৰিচয়

লোকসংস্কৃতিৰ অধ্যয়ন এক আমোদজনক বিষয়। লোকসংস্কৃতিৰ অধ্যয়নে আমাক সংস্কৃতিৰ বৈচিত্ৰ্যতা প্ৰদান কৰাৰ লগতে, আমাক এখন অবিসম্বাদী জগতলৈ লৈ যায়। য'ত লিখিত আৰু কথিত দুয়োটা মাধ্যমত সৃষ্টিশীল কলা, সাহিত্যৰ লগত পৰিচয় কৰাৰ লগতে মানুহ জীৱনৰ বিভিন্ন ঘটনাৱলীসমূহ প্ৰকাশ কৰে। সেয়েহে লোকসংস্কৃতিৰ ওপৰত গৱেষণাৰ নিতান্তই প্ৰয়োজন। লোকসংস্কৃতিৰ কাম-কাজসমূহৰ পৰ্যালোচনাই বিষয়টো বুজাত সহায় কৰিব। এই অধ্যায়টোৱে ওপৰত উল্লেখ কৰা বিষয়সমূহৰ ওপৰত এক ধাৰণা দাঙি ধৰিব।

৮.৩ ভাৰতবৰ্ষত লোকসংস্কৃতিৰ গৱেষণা

৮.৩.১ ভাৰতীয় লোকসংস্কৃতিৰ দৃশ্যপট

লোকসংস্কৃতিয়ে মৌখিক আৰু প্ৰতীকধৰ্মী বিভিন্ন ব্যৱস্থাৰে, যেনে— সাধুকথা, প্ৰবচন, গীত, আখ্যানমূলক, সুকুমাৰ কলা আদিৰ জৰিয়তে সামাজিক পৰম্পৰাসমূহ ধৰি ৰাখিছে। সাধুকথাসমূহ স্থানীয় ভাষাৰ লগতে সংস্কৃতত সংৰক্ষিত।

পঞ্চতন্ত্ৰৰ সাধু, হিতোপদেশ, জাতক আৰু কথাচৰিত সাগৰৰ দৰে সৃষ্টিসমূহে আমাৰ সংস্কৃতিক প্ৰত্যেক প্ৰজন্মৰ বাবে থৈ যোৱাৰ লগতে অনুবাদৰ জৰিয়তে বিদেশতো জনপ্ৰিয়তা অৰ্জন কৰিছে। মৌখিক পৰম্পৰাই ভাৰতীয় উপমহাদেশসমূহক সমৃদ্ধ কৰাৰ লগতে বিশ্বৰ লোকসংস্কৃতিৰ জগতখনক সমগ্ৰ বিশ্বৰ হৈ ভাৰতে প্ৰতিনিধিত্ব কৰিছে। যাৰ বাবে পশ্চিমৰ বিদ্বান লোকসকল বৰ্তমানেও অধ্যয়ন আৰু লোকসংস্কৃতিৰ গৱেষণাৰ বাবে আহে।

পালি ভাষাত সৃষ্টি কৰা জাতকসমূহ খ্ৰীষ্টপূৰ্ব ৩০০ৰ পৰাই প্ৰচলিত আৰু 'জাতক' ভাৰতীয় লোকসাহিত্যৰ এক সুন্দৰ নিদৰ্শন। ইয়াৰ কাহিনীসমূহে ভগৱান বুদ্ধৰ বিষয়ে শিকায়। 'জাতক'ত তেওঁৰ মানুহ আৰু জন্তু হিচাপে বিভিন্ন অৱতাৰৰ কাহিনীসমূহ আছে। 'জাতক'ত উল্লিখিত কাহিনীসমূহ ধৰ্মনিৰপেক্ষ হোৱাৰ লগতে ভাৰতীয় সংস্কৃতিৰ সজীৱ ছবিসমূহ, আত্মত্যাগ, সত্য আৰু জ্ঞানৰ বিষয়ে কাহিনীসমূহত উপলব্ধ।

খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত বিষ্ণু শৰ্মাই 'পঞ্চতন্ত্ৰ' নামেৰে এখনি পৌৰাণিক সাধুকথাৰ সংকলন লিখি উলিয়াইছিল। মূলতঃ নৈতিক শিক্ষাৰ বিষয়ে উল্লিখিত কাহিনীসমূহ সংস্কৃতত গদ্য আৰু পদ্য আকাৰত ৰচনা কৰিছিল। পঞ্চতন্ত্ৰত কাল্পনিক আৰু জীৱ-জন্তু কাহিনীসমূহ অন্তৰ্ভুক্ত আছিল।

পণ্ডিত নাৰায়ণে বহু হাজাৰ বছৰ আগতেই 'হিতোপদেশ' নামেৰে গদ্য আৰু পদ্যৰ আকাৰত সাধাৰণ মানুহে জীৱনৰ বিষয়ে বুজি পোৱাকৈ এটি সংকলন ৰচনা কৰিছিল।

কথাচৰিত সাগৰৰ ক্ষেত্ৰতো সোমদেৱে একেধৰণৰ ভূমিকাই পালন কৰিছিল।

ঐপনিৱেশিক কালছোৱাত বহুতো ইংৰাজ আৰু ভাৰতীয় পণ্ডিতে সমগ্ৰ দেশত প্ৰচলিত সাধুকথাবোৰ অধ্যয়ন কৰিছিল, যাৰ বাবে ৰুডয়ার্ড কিপলিংয়ে ভাৰতীয় লোকসংস্কৃতিক এক নতুনত্ব প্ৰদান কৰিছিল। কিপলিংয়ে ভাৰতীয় গ্ৰাম্য জীৱন আৰু ইয়াৰ লগত জড়িত সাধুকথাবোৰৰ ওপৰত সূক্ষ্ম দৃষ্টিৰে পৰ্যবেক্ষণ কৰাৰ উপৰি তেখেত 'হিন্দী' ভাষাতো পাৰ্গত আছিল। তেখেতৰ 'জাংগল বুক' কিতাপখনে ভাৰতীয় লোকসংস্কৃতিৰ বিভিন্ন দিশসমূহ প্ৰকাশ কৰে। ঠিক একেদৰে চিত্ৰ শিল্পত মোগল স্কুল,

ৰাজস্থানী চিত্রশিল্প, বিহাৰৰ মধুবনী চিত্রশিল্প, মহাৰাষ্ট্রৰ ৰ্বলি, তানজোৰৰ চিত্রশিল আদিয়ে এটা শতিকাৰ কোনো এটা সম্প্রদায়ৰ লোকসংস্কৃতিৰ বিষয়ে প্রকাশ কৰিছিল। দক্ষিণ ভাৰতৰ তানজোৰৰ চিত্রশিল্পসমূহত সোণ ব্যৱহাৰ কৰিছিল। চিত্রশিল্পসমূহত স্থানীয়ভাৱে প্রচলিত সাধুকথা, উৎসৱ দেৱ-দেৱী আৰু যোদ্ধাৰ কাহিনীসমূহেই স্থান পাইছিল।

মহীশূৰস্থিত ভাৰতীয় ভাষাসমূহৰ কেন্দ্রীয় প্রতিষ্ঠানটোৱে ভাৰতত লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে প্রচাৰ কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। চেন্নাইস্থিত ৰাষ্ট্রীয় লোকসংস্কৃতি সহায়ক কেন্দ্রই যোৱা এটা দশকৰ পৰা যুৱ গৱেষকসকলক লোকসংস্কৃতিৰ বিষয়ে অধ্যয়ন, পর্যালোচনা আৰু গঠনমূলক সমালোচনাৰ বাবে এখন মঞ্চ প্রদান কৰি আহিছে।



জানি থোৱা ভাল

ৰাষ্ট্রীয় লোকসংস্কৃতি সহায়ক কেন্দ্র এটা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন। চেন্নাইত পঞ্জীয়ন কৰা এই সংগঠনটো ভাৰতীয় লোকসংস্কৃতিৰ গৱেষণা, শিক্ষা, প্রশিক্ষণ আৰু প্রকাশৰ প্রচাৰৰ বাবে উৎসর্গিত। সম্প্রদায়ৰ বিকাশৰ সৈতে কলাত্মক স্বীকৃতি, সাংস্কৃতিক বৈচিত্র্যতা আৰু পৰিচয়ৰ সৈতে লোকসংস্কৃতিৰ তুলনামূলক অধ্যয়ন, বহুমুখী সংভাষণৰ পদ্ধতিৰে তথ্যসমূহৰ প্রচাৰ, উন্নয়নৰ বিষয়সমূহৰ সৈতে লোকসংস্কৃতিৰ ক্ষেত্র অধ্যয়ন, ৰাইজৰ কার্যসূচীসমূহত লোকসংস্কৃতিৰ ওকালতি আদি বিষয়সমূহৰ জলপানি আগবঢ়াই কেন্দ্রটোৱে। ফ'র্ড ফাউণ্ডেশ্যন আৰু টাটা শৈক্ষিক ন্যাসে কেন্দ্রটোৰ কাম-কাজসমূহ সূচাৰুৰূপে চলিবলৈ পুঁজিৰ আবণ্টন কৰে।

ঔপনিৱেশিক কালছোৱাত গ্রামাঞ্চলৰ বিভিন্ন সাধুকথাসমূহ জীয়াই ৰাখিবলৈ ভাৰতীয় লোকসংস্কৃতিৰ সাধক ৰামগৰীব চোবেয়ে নিৰলস প্রচেষ্টাৰে কাম কৰি গৈছিল। আন এজন লোকসাংস্কৃতিকবিদ এ কে ৰামানুজনেও ভাৰতীয় লোকসংস্কৃতিৰ পেৰত বিশ্লেষণ কৰিছিল। তেখেতৰ দুখন গ্রন্থ 'হোৱেৰ ম'ৰৰছ আৰ উইনডোছ' আৰু 'থ্রি হানড্রেড ৰামায়ণে' ভাৰতীয় সাহিত্য আৰু লোকসংস্কৃতিৰ 'আভ্যন্তৰীণ সম্পর্ক'ৰ উদঘাটন কৰিছিল।

ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্রত কৃষ্ণদেৱ উপাধ্যায়, দেৱেন্দ্র সত্যার্থী, কুঞ্জ বিহাৰী দাস, প্রফুল্ল দত্ত গোস্বামীদেৱৰ দৰে লোকসংস্কৃতিৰ পণ্ডিতসকলৰ অৰিহণা আছিল অনবদ্য। বর্তমান সময়ত বীৰেন্দ্রনাথ দত্ত, জৱাহৰলাল হামেডা, বি ৰেড্ডি, পি চি পাটনায়ক, সাধনা নাইঠাইনি, চিত্রাচেন পাছায়ট, বিবেক ৰায়, এম ডি মুথুকুমাৰস্বামী, মৌলি কুশল, পি ছোবাছাৰী, শ্যামসুন্দৰ মহাপাত্র, আৰু ভবগিৰি মিশ্রৰ দৰে লোকসংস্কৃতিৰ সাধকসকল লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ প্রচাৰ তথা প্রসাৰতাৰ বাবে ব্রতী হৈ আহিছে।

ইউনেস্ক'ই ব্যৱহাৰ কৰা লোকসংস্কৃতিৰ এটা সংজ্ঞা হ'ল— লোকসংস্কৃতি হৈছে পৌৰাণিক পৰম্পৰাসমূহক মুখ্য কৰি কোনো এটা সম্প্রদায়ৰ সাংস্কৃতিক ভাব-ধাৰাসমূহ প্রকাশ কৰা আৰু ইয়াক মৌখিকভাৱে অনুসৰণ কৰি বা অন্য কোনো ব্যৱস্থাৰে প্রকাশ কৰা হয়। লোকসংস্কৃতিৰ বিভিন্ন ভাগসমূহ হ'ল— ভাষা, সাহিত্য, সংগীত, নৃত্য, খেল-ধেমালি, পৌৰাণিক কাহিনীসমূহ, শাস্ত্র সম্বন্ধীয়, ৰীতি-নীতি, হস্তশিল্প আদি।

৮.৩.২ ভাৰতবর্ষত গৱেষণাৰ কাম-কাজ

লোকসংস্কৃতিৰ গৱেষণাৰ জৰিয়তে এইটো পর্যবেক্ষণ কৰা হৈছিল যে ভাৰতীয় লোকসংস্কৃতিৰ পণ্ডিতসকলে তিনিটা পর্যায়ত আৰু তিনিটা গুৰুত্বপূর্ণ সময়ত ভাৰতত লোকসংস্কৃতিৰ অধ্যয়ন কৰিছিল।

ঔপনিৱেশিক কালৰ মিছনেৰী যুগ ঃ এই সময়খিনিত ইংৰাজ আমোলাসকলে ভাল প্রশাসন আৰু নতুন বিষয় এটা বুজি পাবৰ কাৰণে ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ন কৰিছিল। খ্রীষ্টিয়ান ধর্ম প্রৱর্তনৰ বাবে অহা মিছনেৰীসকলে ভাৰতীয় লোকসংস্কৃতি অধ্যয়নৰ বাবে অনুপ্রেৰণা যোগাইছিল। গ্রাম্য অঞ্চলত প্রচলিত ৰীতি-নীতি, মৌখিক পৰম্পৰা, শাস্ত্র সম্বন্ধীয় সকলোবোৰ বিষয় তেওঁলোকৰ খ্রীষ্টিয়ান ধর্ম প্রৱর্তনৰ বাবে তথ্যসমূহ বিকাশত ব্যৱহাৰ কৰিছিল। গতিকে মিছনেৰীসকলৰ লোকসংস্কৃতিৰ অধ্যয়নে লোকসংস্কৃতিৰ গৱেষণাত অৰিহণা যোগাইছিল।

দেশভক্তি সম্পর্কীয় যুগ ঃ মিছনেৰী আৰু ইংৰাজ আমোলাসকলে লোকসংস্কৃতিৰ অধ্যয়ন আৰম্ভ কৰাৰ পাছতেই ভাৰতীয় বিদ্বান লোকসকল সাংস্কৃতিকভাৱে সচেতন হৈ পৰাৰ উপৰিও ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ন আৰম্ভ কৰিছিল। এই ব্যৱস্থাটোৱে শক্তিশালীভাৱে ৰাষ্ট্রপ্রেম সৃষ্টি কৰাৰ লগতে সাংস্কৃতিক আৰু ৰাজনৈতিক ধাৰণাসমূহ মুক্ত কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে স্থানীয় ভাষাসমূহ, মহাকাব্য, খাদ্যব্যৱস্থা, ৰীতি-নীতি পৌৰাণিক চিন্তা-ধাৰা আৰু সাহিত্যসমূহ লোকসংস্কৃতিৰূপে সংৰক্ষণ কৰি দেশপ্রেমৰ ভাৱধাৰা জাগ্রত কৰি তুলিব পাৰি।

বৌদ্ধিক যুগ ঃ ভাৰতৰ স্বাধীনতাৰ পাছত এই যুগটোৰ আৰম্ভ হৈছিল। লোকসংস্কৃতিৰ সাধকসকলে বিজ্ঞানসম্মত আৰু পদ্ধতিগতভাৱে লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণা আৰম্ভ কৰিছিল। লোকসংস্কৃতিৰ গুৰুত্ব বিশ্ববিদ্যালয় আৰু গৱেষণা কেন্দ্রসমূহতো শৈক্ষিকভাৱে বৃদ্ধি পাইছিল। আভ্যন্তৰীণ পদ্ধতিগত অধ্যয়নৰ জৰিয়তে লোকসংস্কৃতিবিদ আৰু শিক্ষকসকলৰে ভাৰতত লোকসংস্কৃতিৰ গৱেষণাত এক নতুন মাত্রা প্রদান কৰিছিল। দক্ষিণ ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ লগতে ভাৰতবর্ষৰ আন আন বিশ্ববিদ্যালয়সমূহেও লোকসংস্কৃতি বিভাগ আৰম্ভ কৰিছে।

বর্তমান সময়ত যুৱ পণ্ডিতসকলে ভাৰতীয় লোকসংস্কৃতি অধ্যয়নত গুৰুত্ব দিয়া দেখা গৈছে, যি ভাৰতীয় সংস্কৃতিক বুজাত যথেষ্ট সহায়ক হ'ব। লোকসংস্কৃতিৰ

গৱেষণাই কাল্পনিক আৰু পদ্ধতিগত বিষয়ত অৰিহণা আগবঢ়ায়। ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়নে লোকসংস্কৃতিৰ সাধকসকলৰ মাজত এনে এক ধাৰণা সুমুৱাই দিছে যে শতিকাৰ শেষৰ ফালে ভাৰতত শাসন কৰা আৰু নিজস্ব সংস্কৃতিয়ে ভাষাভিত্তিক তথা সাংস্কৃতিক বৈচিত্র্যতা বিকাশত সহায় কৰিছিল। একেসময়তে, লোকসংস্কৃতিৰ পৰম্পৰা প্ৰতিটো বয়সৰ লগত নতুন বৈশিষ্ট্যৰ একত্রিত হৈ পৰে।

ভাৰতবৰ্ষ লোকসংস্কৃতিৰ প্ৰধান উৎস। জনজাতীয় সম্প্রদায়সমূহৰ ফকৰা-যোজনা, সাধুকথা, লোকপ্রবাদ আদিয়ে লোকসংস্কৃতিক আৰু চহকী কৰি তুলিছে পৰ্বত-পাহাৰ, ভৈয়াম সকলোতে। পঞ্জাৱ, ৰাজস্থান, বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, হিমাচল প্ৰদেশ, মধ্যপ্রদেশ, গুজৰাট, কাশ্মীৰ, পশ্চিমবংগ, দক্ষিণ ভাৰতৰ ৰাজ্যসমূহ আৰু উত্তৰ-পূব ভাৰতৰ লোকসংস্কৃতিৰ মাজত এক বৈচিত্র্যতা দেখিবলৈ পোৱা যায়। প্ৰেমৰ সাধু, দৰা-কইনা, মহাভাৰত, ৰামায়ণৰ কাহিনী, শিশু উপযোগী, মাতৃপ্রেম, পিতৃস্নেহ, চতুৰ ব্রাহ্মণ আৰু পৌৰাণিক আখ্যান লগতে জীৱ-জন্তুৰ কাহিনীসমূহেই প্রচলিত।

ৰাজস্থানৰ ঢোলা মাৰো আৰু পঞ্জাৱৰ হিৰ ৰাঞ্জা যুৱ প্রজন্মৰ মাজত জনপ্রিয় লোকসংস্কৃতি। ইয়াৰ উৎপত্তি আৰু সম্ভাৱনীয়তাৰ ওপৰত গৱেষণাৰ থল আছে। তদুপৰি চিত্রনির্মাতাসকলে ইয়াৰ জৰিয়তে এখন ভাল চিনেমাৰ সৃষ্টি কৰিব পাৰিব।

উত্তৰ-পূৰ্বাঞ্চল লোকসংস্কৃতিৰ ভাণ্ডাৰ। বিভিন্ন জাতি আৰু সম্প্রদায়েৰে নাগা আৰু মণিপুৰী লোকসংস্কৃতিত যথেষ্ট চহকী। অসমত জনজাতীয় লোকসংস্কৃতিৰ উপৰিও গুৰুজনাৰ সৃষ্টি বৈষ্ণৱ ধর্মই লিখিত আৰু মৌখিকভাৱে মহাভাৰত-ৰামায়ণৰ কাহিনীসমূহ নৃত্য-গীত আৰু ভাওনাৰ মাধ্যমেৰে দাঙি ধৰাৰ লগতে দেশৰ পৌৰাণিক পৰম্পৰাক চহকী কৰি তুলিছে।

অসমৰ বিশিষ্ট সাহিত্যিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই লোকসংস্কৃতিৰ প্রচাৰৰ বাবে কাম কৰিছিল। তেখেতে অসমৰ বিভিন্ন গাঁওসমূহ ভ্রমণ কৰাই নহয় বৰং ১৯১১ চনত 'বুঢ়ী আইৰ সাধু' নামেৰে সাধুকথাৰ সংকলন লিখি উলিয়াইছিল। ইয়াত ৩০টা সাধু থকাৰ লগতে প্রতিটো প্রজন্মৰ মাজত জনপ্রিয়।

ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ কৃষক সম্প্রদায়ৰ মাজত প্রচলিত বেলাড, প্রবচন, লোকগীত, বীৰ পুৰুষসকলৰ আখ্যান আদিৰ ওপৰত অনুসন্ধান কৰি গৱেষকসকলে কৈছে যে ইয়াৰ জৰিয়তে সম্প্রদায়টোৰ বিষয়ে বুজিবলৈ, তেওঁলোকৰ কাম কৰাৰ ধৰণ আৰু আচৰণসমূহ জানিবলৈ সহজ হয়। ভাৰতৰবিভিন্ন অংশত লোকসংস্কৃতিৰ গৱেষণাই এটা কথা প্রকাশ কৰে, কেনেকৈ লোকসংস্কৃতিয়ে আমাৰ দৈনন্দিন জীৱনৰ চিত্র অংকন কৰাৰ লগতে সামাজিক গঠন, ধর্মীয় পৰম্পৰা, ৰীতি-নীতি আৰু জীৱনৰ ৰহস্যৰ বিষয়ে সকলো কথাই প্রকাশ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতত লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে কাম কৰি থকা দুখন গুৰুত্বপূর্ণ অনুষ্ঠানৰ নাম কওক।

.....

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতৰ কেইজনমান বিশিষ্ট লোকসংস্কৃতিবিদৰ নাম কওক।

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ তিনিটা উল্লেখযোগ্য সময়ৰ নাম কওক।

.....

.....

.....

.....

.....

.....

৮.৪ লোকসংস্কৃতি গৱেষণাৰ গুৰুত্ব

ভাৰতবর্ষ বা বিশ্বৰ যিকোনো অংশত লোকসংস্কৃতিৰ গৱেষণাই এক বিশাল পৰিসৰ সামৰি লোৱাৰ লগতে লোকপৰম্পৰাৰ পৰা আঁতৰি যোৱা বিষয়সমূহক পুনৰ অর্ন্তভুক্ত কৰা হয়। লোকসংস্কৃতিবিদসকলে তেওঁলোকৰ গৱেষণাৰ সময়ত গাঁৱত থাকি প্রকৃতার্থত লোকসংস্কৃতিৰ বিষয়ে শিকা আৰু বুজা টো খুবেই প্রয়োজন। ইয়াৰ জৰিয়তে তেওঁলোকে গাঁৱৰ প্রকৃত জীৱন ব্যৱস্থা আৰু লিখনিসমূহৰ মাজৰ সম্পর্ক বুজিব পাৰে।

৮.৪.১ লোকসংস্কৃতিৰ অংশসমূহ

জনজাতীয় সম্প্রদায়ৰ লোকসাহিত্যত জনজাতীয় চিন্তা, আৱেগ, নৃত্য, চিকাৰ, সুখ-দখুৰ কাহিনীসমূহ বিশেষকৈ সাধুকথা, পৌৰাণিক আখ্যান, কাল্পনিক কাহিনী, প্রবচন আদিৰ কে কলাসূলভ প্রকাশভংগী আছে।

সাধুকথাসমূহ বাস্তৱিকতা আৰু কল্পনাৰ এক সংমিশ্রণ। পৌৰাণিক কাহিনী-সমূহক পৱিত্র বুলি গণ্য কৰে যিহেতু ইয়াত ধর্মীয় পৰম্পৰা আৰু আধ্যাত্মিকতাৰ ভাৰ জড়িত হৈ থাকে। পৌৰাণিক কথাসমূহ বিশেষকৈ দেৱ-দেৱী, শাস্ত্রীয় আৰু পৌৰাণিক কাহিনীসমূহক লৈয়ে ৰচিত। অন্যহাতে, উপ্যাখ্যানসমূহত ঐতিহাসিক সত্যৰ কথা কোৱা হয়। প্রহেলিকাসমূহে শ্রোতালৈ প্রত্যাহ্বান জনায় প্রশ্নৰ সৃষ্টি কৰে আৰু প্রবচনসমূহ জ্ঞানৰ জৱিয়তে সংগ্রহিত।

কিছুমান উপাখ্যান বুৰঞ্জী আৰু মহাকাব্যৰ পৰা একেলগ কৰা হৈছে। উপযুক্ত গৱেষণাৰ জৱিয়তে বোকামাটিৰে তৈয়াৰী শিল্প, শিল বা কাঠত খোদিত শিল্প, ভাস্কর্য শিল্পক লোককলাৰ অন্তর্গত কৰিব পাৰি। লোকসংগীত আৰু লোকনৃত্য বর্তমানেও এটা সংস্কৃতিৰ গুৰুত্বপূর্ণ সম্পদ আৰু গৱেষণাৰ জৱিয়তে ইয়াৰ সাংস্কৃতিক পৰম্পৰাৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰিব পাৰি।

নৃতত্ত্ববিদসকলে পৌৰাণিক কাহিনী আৰু মৌখিক পৰম্পৰাসমূহৰ ওপৰত নৃতত্ত্ব অর্থাৎ মানুহৰ আচৰণ, ব্যৱহাৰ আদি অধ্যয়ন প্রয়োগ কৰি সাংস্কৃতিক তথ্যসমূহৰ অনুবাদৰ ব্যৱস্থা কৰে। জনজাতীয় সম্প্রদায়সমূহৰ লগতে লোকসংস্কৃতিৰ ঘনিষ্ঠতা আছে আৰু এই লোকসংস্কৃতিসমূহক কিদৰে উন্নয়নৰ বাবে ব্যৱহাৰ কৰিব পাৰি বা আন গণমাধ্যম, যেনে— চিনেমাৰ লগত একেলগ কৰিব পাৰি সেই বিষয়ে চিন্তা-চর্চাৰ প্রয়োজন আছে। ইয়াক লোকসংস্কৃতিৰ গৱেষণাৰ জৱিয়তেহে ভালদৰে বুজি পাব পাৰি। লোকসংস্কৃতিৰ গৱেষণাই কোনো এটা সম্প্রদায়ৰ বৈশিষ্ট্যসমূহ নির্ধাৰণ কৰে। চাইনীজ আৰু আমেৰিকান লোকসকলৰ মাজত প্রবচনসমূহৰ ওপৰত হোৱা এক অধ্যয়নত চাইনীজ লোকসকলক কোনোধৰণৰ বিপদ বা ঘটনাৰ বাবে আমেৰিকানসকলতকৈ বহু উদাৰ। সেয়েহে গৱেষকসকলে কৈছে যে সামাজিক ভাষা বিষয়ক গৱেষণাৰ বাবে লোকসংস্কৃতিৰ গুৰুত্ব আছে। ভাষাৰ পাৰস্পৰিক সম্পর্ক আৰু লোকমাধ্যমৰ গৱেষণাৰ জৱিয়তে কৰা অধ্যয়নে এটা সম্প্রদায়ৰ সামাজিক জীৱনটো বুজি পোৱাত সহায় কৰে। ধর্মীয় বিষয়বস্তু, পৌৰাণিক কাহিনী, নৃতত্ত্ব আদিৰ বিষয়ে অধিক জানিবলৈ লোকসংস্কৃতিৰ গৱেষণা যথেষ্ট সহায়ক হ'ব।

উদাহৰণ স্বৰূপে, লোকসংস্কৃতিৰ গৱেষণাৰ জৱিয়তেই ঋকবেদত ভাৰতীয় সাধুকথাৰ পদচিহ্ন পোৱা গৈছিল। লোকসংস্কৃতিসমূহ গ্রাম্য জীৱনৰ পৰাই সংগ্রহীত। কিছুমান অঘৰী সাধু কওঁতাৰ পৰা আৰু গাঁৱৰ বয়োজ্যেষ্ঠ শিক্ষকৰ পৰাও সংগ্রহীত। পৰৱর্তী সময়ত গৱেষণাৰ জৱিয়তে কিধৰণে লেখা-মেলা আৰু অনুবাদত পৱিৱর্তন আহিছে তাক প্রকাশ কৰে। এজন লোকসংস্কৃতিবিদৰ লোকসংস্কৃতিত ব্যৱহৃত ভাষাৰ ওপৰত জ্ঞান থকাটো খুবেই দৰকাৰী। তদুপৰি লোকসংস্কৃতিৰ যোগাযোগৰ বাবে এটা সাংস্কৃতিক পৱিৱেশৰ দৰকাৰ। যি গৱেষণা এটাক ফলৱর্তী কৰি তোলে।

৮.৪.২ লোকসংস্কৃতিৰ গৱেষণা— কেনেকৈ ই সহায় কৰে?

লোকসংস্কৃতিৰ পূৰ্ণ গৱেষণাই তলত উল্লেখ কৰা বিষয়সমূহত সহায় কৰে—

- লোকসংস্কৃতিৰ গৱেষণাই স্থানীয় সম্প্রদায়সমূহৰ ওপৰত অনুশীলন কৰে।
- সাংস্কৃতিক গতিবিধিৰ ওপৰত তীক্ষ্ণ নজৰ ৰখা।
- নৃতত্ত্বৰ জৰিয়তে সম্প্রদায়সমূহক বুজি পোৱা।
- সমাজ বিজ্ঞান অধ্যয়নৰ বাবে গৱেষণাৰ সুযোগ দিয়া।
- লোকসংস্কৃতিক এক সজীৱ পৰম্পৰা ৰূপে বুজি পোৱা।
- শিশু সম্বন্ধীয় লোকসংস্কৃতিত কেনেধৰণৰ গুণ আৰু বার্তা থাকে তাক বুজোৱা।
- লোকসংস্কৃতিৰ অধ্যয়নৰ জৰিয়তে কোনো এটা সম্প্রদায়ৰ যুৱচামৰ হেঁপাহবোৰৰ বিষয়ে জানিব পাৰি।
- গৱেষণাৰ জৰিয়তে পূৰ্বতে এৰি যোৱা জ্ঞানৰ বিষয়ে স্পষ্টভাৱে জানিব পাৰি।
- লোকসংস্কৃতিৰ গৱেষকসকলে কিতাপৰ জ্ঞানৰ উপৰিও সম্প্রদায় এটাৰ প্রকৃত জীৱন নির্বাহৰ ব্যৱস্থাক নিজে স্বচক্ষে চাই লোকসংস্কৃতিয়ে প্রকাশ কৰা বিষয়ৰ লগত তুলনা কৰি চাব লাগে।
- গৱেষণাৰ প্রক্রিয়াটোত গৱেষক এজনে এটা সম্প্রদায়ৰ পৰিৱেশ আদি পর্যবেক্ষণ কৰিব লাগে যি লোকসংস্কৃতিক ডাঙৰ-দীঘল কৰে।
- মৌখিকভাৱে প্রচলিত ব্যৱস্থাৰ ইতিহাস বুজি পোৱাটো।
- এক নতুনত্বৰ আশাৰে পুৰণা লোকসংস্কৃতিৰ পৰম্পৰাৰ সাক্ষাৎ গ্রহণ।
- সময়ৰ পৰিৱর্তনৰ লগে লগে লোকসংস্কৃতিক বুজি পোৱাত সহায় কৰা।
- গ্রাম্য আৰু জনজাতীয় সমাজত লোকসংস্কৃতিয়ে পুৰুষ আৰু মহিলাৰ নীতি-নিয়মসমূহ নির্ধাৰণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ এটা ভাল গৱেষণাত লোকসংস্কৃতিবিদক কোনবোৰ গুণে সহায় কৰে?

.....

.....

.....

প্রশ্ন নং ৫ ঃ লোকসংস্কৃতিৰ গৱেষণাই কেনেকৈ সহায় কৰে পাঁচটা কাৰণ উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ লোকসংস্কৃতিৰ তিনিটা মুখ্য উপাদান কি?

.....

.....

.....

৮.৫ লোকসংস্কৃতি অধ্যয়নৰ পৰ্যালোচনা— বিভিন্ন লোকসংস্কৃতি অধ্যয়নৰ বৈশিষ্ট্য

লোকসংস্কৃতিৰ ভূমিকা আৰু অধ্যয়নৰ গুৰুত্বক আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহেও স্বীকৃতি প্ৰদান কৰিছে। ১৯৮৯ চনত লোকসংস্কৃতিৰ সংৰক্ষণৰ বাবে ইউনেস্ক'ই তলত উল্লিখিত বিষয়সমূহৰ ওপৰত স্বীকৃতি প্ৰদান কৰে।

- লোকসংস্কৃতিক মানৱীয়তাৰ বিশ্বজনীন বিষয় হিচাপে বিবেচনা কৰাৰ লগতে বিভিন্ন ব্যক্তি আৰু সামাজিক গোটসমূহক সাংস্কৃতিক পৰিচয়ৰ বাবে একত্ৰিত কৰা।
- লোকসংস্কৃতিয়ে সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক গুৰুত্বসমূহ পৰ্যবেক্ষণ কৰাৰ উপৰি লোকসংস্কৃতিৰ ব্যক্তিবিশেষৰ ইতিহাস আৰু সমসাময়িক সাংস্কৃতিক ভূমিকাৰ বিষয়ে জানিব পাৰি।
- লোকসংস্কৃতিৰ প্ৰকৃতি আৰু গুৰুত্বসমূহক সাংস্কৃতিৰ প্ৰধান অংশ হিচাপে নিৰূপণ কৰা।
- লোকসংস্কৃতিক স্বীকৃতি প্ৰদান কৰা বিশেষকৈ যিবোৰ আমাৰ মাজৰ পৰা হেৰাই যাব ধৰিছে বা বিলুপ্তিৰ পথত।
- লোকসংস্কৃতিয়ে সন্মুখীন হোৱা বিপদসমূহক নাইকিয়া কৰিবৰ বাবে সকলোবোৰ দেশক স্বীকৃতিৰ বাবে হেঁচা প্ৰয়োগ কৰা।
- লোকসংস্কৃতিক জীয়াই ৰাখিবৰ বাবে চৰকাৰী তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা।

২৪ সংখ্যক বৈঠকত লোকসংস্কৃতি ৰক্ষা কৰিবৰ বাবে সদস্য ৰাষ্ট্ৰসমূহৰ বাবে IV নং অনুচ্ছেদ আৰু দফা ৪ত স্বীকৃতিৰ বিষয়ে উল্লেখ আছে।

৮.৫.১ পৰ্যালোচনামূলক কাৰ্যসমূহ

পৌৰাণিক কাহিনী, উপাখ্যান আৰু সাধুকথা লোকসংস্কৃতি বৰ্ণনাৰ তিনিটা ভাগ আৰু বৰ্তমান সময়ত ইয়াক পুনৰ পৰ্যালোচনা কৰা হৈছে। মানুহৰ ইতিহাসৰ জৰিয়তে সাধুকথা কোৱাতো এখন সমাজৰ গুৰুত্বপূৰ্ণ সংস্কৃতি। সাধুসমূহ পুৰণি জ্ঞান আৰু নীতিশিক্ষাৰ পাঠেৰে সৃষ্টি কৰিছিল। ইয়াত কাহিনীসমূহ কাল্পনিক হোৱাৰ লগতে এক বিশ্বাসো জড়িত হৈ আছিল।

বিশিষ্ট সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাই লোকসংস্কৃতিৰ জৰিয়তে এক বিশেষ বৰঙণি আগবঢ়াইছিল। তেওঁ গাঁৱসমূহ ভ্ৰমণ কৰি তেওঁলোকৰ লোকসংস্কৃতিৰ বিষয়ে

শিকিছিল আৰু পাছলৈ বেজবৰুৱাই নীতিশিক্ষা জ্ঞান, খুহুতীয়া ৰস, মনোৰঞ্জন এই সকলো উপাদান ৰাখি এখনি সাধুকথাৰ পুথি লিখি উলিয়াইছিল, ১৯১১ চনত 'বুঢ়ী আইৰ সাধু' নামেৰে। তেখেতৰ এই গ্ৰন্থখনি বৰ্তমানেও প্ৰতিটো প্ৰজন্মৰ মাজত জনপ্ৰিয়।

২০১১ চনত বিশিষ্ট সাংবাদিক সমুদ্ৰগুপ্ত কাশ্যপ আৰু সাহিত্যিক নগেন শইকীয়াদেৰে বেজবৰুৱাদেৰৰগ্ৰন্থখনিৰ এক সংশোধিত ভাগ এক নতুন সংস্কৰণত প্ৰকাশ কৰিছিল য'ত জাতি-পৰিচয়সূচক আৰু তিৰষ্কাৰমূলক শব্দবোৰৰ পৰিহাৰ কৰিছিল। আনহাতে, লোকসংস্কৃতিৰ সাধক বীৰেন্দ্ৰনাথ দত্তই জনজাতীয় লোকসংস্কৃতিৰ পৰ্যালোচনা কৰাৰ উপৰি কিদৰে আধুনিক সাংস্কৃতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ মাজতো উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলে পৌৰাণিক কাহিনী আৰু মহাকাব্যৰ পৰম্পৰাসমূহক সংৰক্ষণ কৰিছে, তাৰ পৰ্যালোচনা কৰে।

জৱাহৰলাল হাণ্ডোৱে সম্পাদনা কৰা আধুনিক ভাৰতৰ লোকসংস্কৃতি গ্ৰন্থখনত ইষ্টোনিয়ান পণ্ডিত উ'ল ভাকে সুন্দৰ পৰ্যালোচনা আগবঢ়ায়। হাণ্ডোৱে সংকলনটিত দেশৰ বিভিন্ন অঞ্চলৰ লোকসংস্কৃতিক পৰিচয় কৰাই দিছিল আৰু সেই বিষয়টো ভাকে নিৰীক্ষণ কৰিছিল। ইয়াৰ লগতে মৌখিক পৰম্পৰাৰ আধুনিক ভাৰতবৰ্ষত যি ভূমিকা আছিল সেই বিষয়েও নিৰীক্ষণ কৰিছিল। তেখেতে কৈছিল যে ভাৰতীয় লোকসংস্কৃতিৰ ওপৰত ঔপনিৱেশিক কালছোৱাৰ ভাল আৰু বেয়া দুয়োটা প্ৰভাৱেই পৰিছিল। তেওঁ আধুনিক গণমাধ্যমত লোকসাংস্কৃতিৰ গুৰুত্বৰ ওপৰতো জো�ৰ দিছিল।

চাইমন ব্ৰণাৰে সম্পাদনা কৰা 'লোকসংস্কৃতিৰ অৰ্থ ঃ আলান ডোডছৰ ৰচনাসমূহৰ এক বিশ্লেষণ' শীৰ্ষক গ্ৰন্থখন পণ্ডিত লী হেৰিংছে পৰ্যালোচনা কৰিছিল। তেখেতে গ্ৰন্থখনত আমেৰিকান লোকসংস্কৃতিৰ নায়ক হিচাপে পোৱাৰ লগতে এই ক্ষেত্ৰখনত নতুনত্বৰ উদ্ভাৱন কৰিছিল। হেৰিংছে ডোডছৰ লোকসংস্কৃতিবিদসকলক দিয়া এটি প্ৰশ্ন লোকসংস্কৃতি কি আৰু কিয় অধ্যয়ন কৰিব লাগে ? নিৰীক্ষণ কৰিছিল। ডোডছে কৈছিল, "লোকসংস্কৃতিবিদসকলে সক্ৰিয়ভাৱে লোকসংস্কৃতিৰ অৰ্থ জনাতো দৰকাৰ।"

লোকসংস্কৃতিৰ অধ্যয়নে সমগ্ৰ বিশ্বতে লোকসংস্কৃতিৰ এক নতুনত্ব আনি দিছে। আফ্ৰিকা, উত্তৰ আৰু দক্ষিণ আমেৰিকা, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আৰু মধ্য-পূব ৰাষ্ট্ৰসমূহতো। উদাহৰণ স্বৰূপে, গৱেষক উলিয়াম বেচকনে আফ্ৰিকাৰ লোকসংস্কৃতিৰ ওপৰত কাম কৰিছিল। তেওঁ আফ্ৰিকাৰ বিভিন্ন কলা আৰু স্থানীয় ভাষা আৰু জনজাতিৰ ওপৰত পৰ্যালোচনা কৰিছিল। তেওঁ কৈছিল যে তেওঁৰ এই অধ্যয়নত পৌৰাণিক আখ্যান, প্ৰবচন, সাধুকথাত ইতিহাস সমৃদ্ধ সংস্কৃতি দেখিবলৈ পোৱা গৈছিল।

'ভাৰতীয় লোকসংস্কৃতিৰ সন্ধানত পণ্ডিত ৰামগৰীব চোবে আৰু উলিয়াম ব্ৰুক' শীৰ্ষক গ্ৰন্থখন সাধনা নৈথানিয়ে ৰচনা কৰিছিল আৰু মাৰিয়া কালিব'য়ে ইয়াৰ পৰ্যালোচনা কৰিছিল। নৈথানিয়ে তেওঁৰ লিখনিসমূহত প্ৰাক্-ঔপনিৱেশিক আৰু ঔপনিৱেশিকৰ মাজত এক নতুন সঞ্জীৱনী প্ৰদান কৰিছিল।

ব্রিট্রিছ প্রশাসক উলিয়াম ক্রুকে কেনেকৈ ভাৰতীয় লোকসংস্কৃতিৰ ওপৰত কাম-কাজ কৰিবলৈ ভাৰতীয় পণ্ডিত আৰু লোকসংস্কৃতিৰ সাধক পণ্ডিত ৰামগৰীব চোবেৰ সহায় লৈছিল তাক উদ্ভাৱন কৰিছিল।লণ্ডনৰ এক সংগ্রহালয়ত ক্রুক আৰু চোবেৰ কিছুমান কামৰ প্রমাণ পোৱা গৈছিল য'ত চোবেৰ স্বাক্ষৰ আছিল যি ক্রুকক সাধুকথাবোৰ সংগ্রহত সহায় কৰিছিল। চোবে বিভিন্ন গাঁও পৰিভ্রমণ কৰি সাধুকথাবোৰ সংগ্রহৰ পাছত ইংৰাজীলৈ অনুবাদ কৰি ক্রুকক দিছিল। নৈথোনিয়ে চোবেক বহুতো বছৰ পাছত পুনৰ পৰিচয় কৰায় দিছিল আৰু তেখেত ঔপনিৰেশিক কালৰ এজন লোকসংস্কৃতিৰ সাধক হোৱা সত্ত্বেও গোটেই জীৱন অনাদৰৰ মাজেই পাৰ কৰিছিল। এই গ্রন্থখনে ঔপনিৰেশিক কালত কিদৰে লোকসংস্কৃতিক জীয়াই ৰাখিবৰ বাবে চেষ্টা কৰিছিল তাক প্রকাশ কৰাৰ লগতে। লোকসংস্কৃতিৰ জগতত নিৰলসভাৱে বৰঙণি আগবঢ়ায় যোৱা ভাৰতীয় পণ্ডিতসকলে যিদৰে স্বীকৃতি পোৱা নাই সেই বিষয়েও প্রকাশ কৰিছে।

৮.৫.২ লোকসংস্কৃতি পর্যালোচনাৰ তাৎপর্যসমূহ

- ভাৰতবর্ষত লোকসংস্কৃতিৰ গৱেষণা আৰু পর্যালোচনাই লোকসংস্কৃতিক সমাজ সলনি আৰু ঐতিহাসিক বুলি চিনাক্ত কৰিছিল ব্রিটিছৰ সময়ত আৰু তাৰ পাছত স্বাধীনতাৰ সময়ত।
- লোকসংস্কৃতিৰ পর্যালোচনাই সমগ্র বিশ্বতে ৰাজনৈতিক পৰিচয় আৰু নেতৃত্ব প্রদান কৰে।
- লোকসংস্কৃতিৰ অধ্যয়নে পৌৰাণিক সাধুকথা আদি সংৰক্ষণ কৰাৰ লগতে পৰীক্ষামূলকভাৱে এটা নতুন পথৰ সৃষ্টি কৰিব পাৰে।
- লোকসংস্কৃতিৰ পর্যালোচনাই বিভিন্ন পণ্ডিতসকলৰ অনুবাদসমূহ বুজি পোৱাত সহায় কৰে।
- সাংস্কৃতিক যোগাযোগৰ নতুন বৈশিষ্ট্যতাসমূহ উদ্ভাৱন।
- শেষত, লোকসংস্কৃতিৰ পর্যালোচনাই এটা সম্প্রদায়ক বুজাত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ অসমৰ লোকসংস্কৃতি অধ্যয়নৰ পর্যালোচনাৰ বিষয়ে উল্লেখ কৰক, লগতে ইয়াৰ ফলাফল সমূহো উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ লোকসংস্কৃতি পৰ্যালোচনাৰ তাৎপৰ্যসমূহৰ বিষয়ে লিখক।

.....

.....

.....

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকসংস্কৃতিয়ে মৌখিক আৰু প্ৰতীকধৰ্মী ব্যৱস্থাৰে সামাজিক পৰম্পৰাসমূহক বুজায়।
- মৌখিক পৰম্পৰাই ভাৰতীয় উপমহাদেশসমূহক সমৃদ্ধ কৰাৰ লগতে ভাৰতবৰ্ষ বৰ্তমানেও লোকসংস্কৃতিৰ ভাণ্ডাৰ।
- ঔপনিৱেশিক কালছোৱাই ভাৰতবৰ্ষত লোকসংস্কৃতি জীয়াই ৰখাৰ বাবে তথা অধ্যয়নৰ বাবে সহায় কৰিছিল।
- ভাৰতীয় ভাষাসমূহৰ কেন্দ্ৰীয় প্ৰতিষ্ঠানটোৱে ভাৰতত লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে প্ৰচাৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- ঔপনিৱেশিক কালছোৱাত ভাৰতীয় পণ্ডিত ৰামগৰীব চোবে, এ কে ৰামানুজন আৰু বহুতো ব্যক্তিয়ে লোকসংস্কৃতিৰ অধ্যয়ন আৰু পৰ্যালোচনাৰ উল্লেখযোগ্য কাম কৰি গৈছে।
- লোকসংস্কৃতিৰ গৱেষণাই ভাৰতীয় সংস্কৃতিক বুজি পোৱাত সহায় কৰে।
- ভাৰতত লোকসংস্কৃতি অধ্যয়নৰ তিনিটা গুৰুত্বপূৰ্ণ সময় হ'ল— ঔপনিৱেশিক কালৰ মিছনেৰী যুগ, দেশভক্তি সম্পৰ্কীয় যুগ, বৌদ্ধিক যুগ।
- লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাধুকথা প্ৰকাশৰ জৰিয়তে অঞ্চলটোৰ লোকসংস্কৃতিক জীয়াই ৰখাত সহায় বিচাৰিছিল।
- কৃষক সম্প্ৰদায়ৰ লোকসকলে ব্যৱহাৰ কৰা মৌখিক পৰম্পৰাসমূহ অধ্যয়নৰ জৰিয়তে লোকসংস্কৃতিবিদসকলে গ্ৰাম্য সম্প্ৰদায়সমূহৰ কাম-কাজসমূহ বুজিবলৈ চেষ্টা কৰিছিল।
- গৱেষণাৰ প্ৰক্ৰিয়াটোত গৱেষক এজনে এটা সম্প্ৰদায়ৰ পৰিৱেশ আদি পৰ্যৱেক্ষণ কৰিব লাগে যি লোকসংস্কৃতিক ডাঙৰ-দীঘল কৰে।
- গ্ৰাম্য আৰু জনজাতীয় সমাজত লোকসংস্কৃতিয়ে পুৰুষ আৰু মহিলাৰ নীতিসমূহ নিৰ্ধাৰণ কৰে।
- এক নতুনত্বৰ আশাৰে পুৰণি লোকসংস্কৃতিৰ পৰম্পৰাক সংৰক্ষণ কৰা।
- সময়ৰ পৰিৱৰ্তনৰ লগে লগে লোকসংস্কৃতিক বিভিন্ন নতুন মাধ্যমৰ জৰিয়তে বুজি পোৱাত সহায় কৰা।



৮.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আমিন চাহিদ, *'উত্তৰ ভাৰতৰ কৃষকৰ জীৱনৰ শব্দকোষ, উলিয়াম ব্ৰুক'*, ১৯৮৯, অক্সফ'ৰ্ড বিশ্ববিদ্যালয় প্ৰেছ, দিল্লী।

২) বীৰেন্দ্ৰনাথ দত্ত, নবীন চন্দ্ৰ শৰ্মা আৰু প্ৰবীণ চন্দ্ৰ দাসৰ *'উত্তৰ ভাৰতৰ লোকসংস্কৃতিৰ হাতপুথি'*, ১৯৯৪, আনন্দৰাম বৰুৱা কলা আৰু ভাষা-সংস্কৃতি কেন্দ্ৰ, অসম।

৩) ব্ৰিন্দা ইএফ বেক্, জৱাহৰলাল হাণ্ডো, প্ৰফুল্ল দত্ত গোস্বামী, পিটাৰ জে. ক্ল'জ, *ভাৰতৰ সাধুকথা,* ১৯৮৯, মতিলাল বনৰশ্ৰীদাস, নতুন দিল্লী।

৪) হাণ্ডো জৱাহৰলাল, *আধুনিক ভাৰতৰ লোকসংস্কৃতি,* ১৯৯৮, মহীশূৰ, ভাৰতীয় ভাষাসমূহৰ কেন্দ্ৰীয় প্ৰতিষ্ঠান।

৫) পাটনায়ক নিত্যানন্দ, *জনজাতীয় সম্প্ৰদায়ৰ লোকসংস্কৃতি,* ২০০২, জ্ঞান পাব্লিচিং হাউছ, দিল্লী।

৮.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ মহীশূৰস্থিত ভাৰতীয় ভাষাসমূহৰ কেন্দ্ৰীয় প্ৰতিষ্ঠানটোৱে ভাৰতত লোকসংস্কৃতিৰ অধ্যয়ন, গৱেষণা আৰু প্ৰচাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। একেদৰে চেন্নাইস্থিত ৰাষ্ট্ৰীয় লোকসংস্কৃতি সহায়ক কেন্দ্ৰই যুৱ গৱেষক আৰু লোক-সংস্কৃতিবিদসকলক লোকসংস্কৃতি সংৰক্ষণৰ বাবে এখন মঞ্চ প্ৰদান কৰে।

২নং প্ৰশ্নৰ উত্তৰ ঃ ঔপনিৱেশিক কালছোৱাত গ্ৰামাঞ্চলৰ বিভিন্ন সাধুকথাসমূহ জীয়াই ৰাখিবলৈ ভাৰতীয় লোকসংস্কৃতিৰ সাধক ৰামগৰীব চোবে নিৰলস প্ৰচেষ্টাৰে কাম কৰি গৈছিল। আন এজন লোকসাংস্কৃতিকবিদ এ কে ৰামানুজনেও ভাৰতীয় লোকসংস্কৃতিৰ ওপৰত বিশ্লেষণ কৰিছিল। তেখেতৰ দুখন গ্ৰন্থ 'হোৱেৰ ম'ৰৰছ আৰ উইনডোছ' আৰু থ্ৰি হানড্ৰেড ৰামায়ণে' ভাৰতীয় সাহিত্য আৰু লোকসংস্কৃতিৰ 'আভ্যন্তৰীণ সম্পৰ্কৰ উদঘাটন কৰিছিল।

ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰত কৃষ্ণদেৱ উপাধ্যায়, দেৱেন্দ্ৰ সত্যাৰ্থী, কুঞ্জ বিহাৰী দাস, প্ৰফুল্ল দত্ত গোস্বামীদেৱৰ দৰে লোকসংস্কৃতিৰ পণ্ডিতসকলৰ অৰিহণা আছিল অনবদ্য। বৰ্তমান সময়ত বীৰেন্দ্ৰনাথ দত্ত, জৱাহৰলাল হাণ্ডো, বি ৰেড্ডি, পি চি পাটনায়ক, সাধনা নাথাইনি, চিত্ৰাচেন, পাছায়েট, বিবেক ৰায়, এম ডি মুথুকুমাৰস্বামী, মৌলি কুশল, পি ছোবাছাৰী, শ্যামসুন্দৰ মহাপাত্ৰ আৰু ভবগিৰি মিশ্ৰৰ দৰে লোকসংস্কৃতিৰ সাধকসকল লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰ প্ৰচাৰ তথা প্ৰসাৰতাৰ কামত ব্ৰতী হৈ আহিছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় লোকসংস্কৃতি অধ্যয়নৰ তিনিটা গুৰুত্বপূৰ্ণ সময় হ'ল—

ক) **ঔপনিৱেশিক কলাৰ মিছনেৰী যুগ ঃ** এই সময়খিনিত ইংৰাজ আমোলাসকলে ভাল প্ৰশাসন আৰু নতুন বিষয় এটা বুজি পাবৰ বাবে ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ন কৰিছিল। গ্ৰামাঞ্চলত প্ৰচলিত ৰীতি-নীতি, মৌখিক পৰম্পৰা, শাস্ত্ৰ সম্বন্ধীয় সকলোবোৰ বিষয় তেওঁলোকৰ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰৱৰ্তনৰ বাবে ব্যৱহাৰ কৰিছিল।

খ) **দেশভক্তি সম্পৰ্কীয় যুগ ঃ** মিছনেৰী আৰু ইংৰাজ আমোলাসকলে লোকসংস্কৃতিৰ অধ্যয়ন আৰম্ভ কৰাৰ পাছতেই ভাৰতীয় বিদ্বান লোকসকলে সাংস্কৃতিকভাৱে সচেতন হৈ পৰাৰ উপৰিও ভাৰতীয় লোকসংস্কৃতিৰ অধ্যয়ন আৰম্ভ কৰিছিল।

গ) **বৌদ্ধিক যুগ ঃ** ভাৰতৰ স্বাধীনতাৰ পাছতেই এই যোগটোৰ আৰম্ভ হয়। লোক-সংস্কৃতিৰ সাধকসকলে বিজ্ঞানসন্মত আৰু পদ্ধতিগতভাৱে লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণা আৰম্ভ কৰিছিল। লোকসংস্কৃতিৰ গুৰুত্ব বিশ্ববিদ্যালয় আৰু গৱেষণা কেন্দ্ৰসমূহকো বৃদ্ধি পাইছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ লোকসংস্কৃতিবিদসকলে তেওঁলোকৰ গৱেষণাৰ সময়ত গাঁৱত থাকি প্ৰকৃতাৰ্থত লোকসংস্কৃতিৰ বিষয়ে শিকা আৰু বুজাটো খুবেই প্ৰয়োজন। ইয়াৰ জৰিয়তে তেওঁলোক গাঁৱৰ প্ৰকৃত জীৱন ব্যৱস্থা আৰু লিখনিসমূহৰ মাজৰ সম্পৰ্ক বুজিব পাৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ লোকসংস্কৃতিৰ গৱেষণাই তলত উল্লেখ কৰা বিষয়সমূহত সহায় কৰে—

- সাংস্কৃতিক গতিবিধিৰ ওপৰত নজৰ ৰখা।
- নৃতত্ত্বৰ জৰিয়তে সম্প্ৰদায়সমূহ বুজি পোৱা।
- সমাজ বিজ্ঞান অধ্যয়নৰ বাবে গৱেষণাৰ সুযোগ দিয়া।
- সময়ৰ পৰিৱৰ্তনৰ লগে লগে লোকসংস্কৃতিক কেনেকৈ শিকোৱা হ'ব তাক বুজোৱাত সহায় কৰা।
- লোকসংস্কৃতিৰ গৱেষণাই স্থানীয় সম্প্ৰদায়সমূহৰ ওপৰত অনুশীলন কৰে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ পৌৰাণিক কাহিনী, উপাখ্যান আৰু সাধুকথা লোকসংস্কৃতিৰ বৰ্ণনাৰ তিনিটা ভাগ। মানুহৰ ইতিহাসৰ জৰিয়তে সাধুকথা কোৱাতো এখন সমাজৰ গুৰুত্বপূৰ্ণ সংস্কৃতি। ইয়াত কাহিনীসমূহ কাল্পনিক হোৱাৰ লগতে এক বিশ্বাসো জড়িত হৈ থাকে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাই লোকসংস্কৃতিৰ ক্ষেত্ৰখনলৈ উল্লেখনীয় বৰঙণি আগবঢ়াইছিল। তেওঁ বিভিন্ন গাঁৱসমূহ পৰিভ্ৰমণ কৰি, লোকসংস্কৃতিৰ বিষয়ে শিকিছিল আৰু পাছলৈ ১৯১১ চনত 'বুঢ়ী আইৰ সাধু' নামেৰে এখন সাধু পুথি লিখি উলিয়াইছিল। বৰ্তমানেও প্ৰতিটো প্ৰজন্মৰ মাজত এই গ্ৰন্থখনি জনপ্ৰিয়।

প্ৰায় এশ বছৰ পাছত বিশিষ্ট সাংবাদিক সমুদ্ৰগুপ্ত কাশ্যপ আৰু সাহিত্যিক নগেন শইকীয়াদেৱে বেজবৰুৱাদেৱৰ গ্ৰন্থখনিৰ এক সংশোধিত ভাগ নতুন সংস্কৰণত প্ৰকাশ কৰিছিল। য'ত জাতি পৰিচয়সূচক আৰু তিৰস্কাৰ কৰা শব্দবোৰ পৰিহাৰ কৰা হৈছিল।

৮নং প্ৰশ্নৰ উত্তৰ ঃ লোকসংস্কৃতিৰ পৰ্যালোচনাৰ তাৎপৰ্যসমূহ—

- ভাৰতবৰ্ষত লোকসংস্কৃতিৰ গৱেষণা আৰু পৰ্যালোচনাই লোকসংস্কৃতিক সমাজ সলনি আৰু ঐতিহাসিক বুলি চিনাক্ত কৰিছিল। ব্ৰিটিছৰ সময়ত আৰু স্বাধীনতাৰ পৰৱৰ্তী সময়ত।
- লোকসংস্কৃতিৰ পৰ্যালোচনাই সমগ্ৰ বিশ্বতে ৰাজনৈতিক পৰিচয় আৰু নেতৃত্ব প্ৰদান কৰে।
- লোকসংস্কৃতিৰ অধ্যয়নে পৌৰাণিক সাধুকথা আদি সংৰক্ষণ কৰাৰ লগতে পৰীক্ষামূলকভাৱে এটা নতুন পথৰ সৃষ্টি কৰিব পাৰে।
- লোকসংস্কৃতিৰ পৰ্যালোচনাই বিভিন্ন পণ্ডিতসকলৰ অনুবাদসমূহ বুজি পোৱাত সহায় কৰে।
- সাংস্কৃতিক যোগাযোগৰ নতুন বৈশিষ্ট্যসমূহ উদ্ভাৱন।



৮.৯ আৰ্হি প্ৰশ্ন

ক) ৰস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ জাতকৰ সাধুবোৰ কিহৰ লগত জড়িত?

প্ৰশ্ন ২ ঃ লোকসংস্কৃতি কি? ইয়াৰ বিভিন্ন ভাগবোৰ কি কি?

প্ৰশ্ন ৩ ঃ সাধুকথা আৰু উপাখ্যানৰ মাজত পাৰ্থক্য আছেনে?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ লোকসংস্কৃতিৰ তিনিটা গুৰুত্বপূণ সময়ৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ লোকসংস্কৃতি গৱেষণাৰ বৈশিষ্ট্যসমূহ উদাহৰণৰ জৰিয়তে ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তাৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ লোকসংস্কৃতিৰ পৰ্যালোচনাই কেনেকৈ পৌৰাণিক সাধুকথাসমূহক সংৰক্ষণত সহায় কৰিছে নিজৰ ভাষাত লিখক।

প্ৰশ্ন ২ ঃ লোকসংস্কৃতিৰ অংশবোৰ কি কি? আধুনিক মাধ্যমৰ ব্যৱহাৰে লোকসংস্কৃতিৰ মূল বিষয়ক ক্ষতি কৰিছে নেকি? লোকসংস্কৃতি আৰু পৌৰাণিক পৰম্পৰাসমূহ সংৰক্ষণৰ বাবে কেনেধৰণৰ পদক্ষেপৰ প্ৰয়োজন?

প্ৰশ্ন ৩ ঃ 'লোকসংস্কৃতিৰ কাম-কাজে সামাজিকভাৱে সাংস্কৃতিক পৰিচয় প্ৰদান কৰে' —উদাহৰণ সহকাৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ অসমৰ জনপ্ৰিয় পৰম্পৰাগত যোগাযোগ ধাৰাসমূহ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ অসমৰ পৰম্পৰাগত লোককলা
৯.৩.১ বিহু গীত
৯.৩.২ আইনাম
৯.৩.৩ নিচুকনি গীত
৯.৩.৪ ওজাপালি
৯.৩.৫ সত্ৰীয়া নৃত্য
৯.৩.৬ ভাওনা
৯.৩.৭ বৰগীত
৯.৩.৮ লোকগীত
৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৫ অধিক জানিবলৈ
৯.৬ অগ্ৰগতিৰ খতিয়ান
৯.৭ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ জনপ্ৰিয় পৰম্পৰাগত লোককলাসমূহৰ খতিয়ান দিব পাৰিব
- অসমত বিভিন্ন লোককলাৰ বিকাশ সম্পৰ্কে বুজিব পাৰিব
- অসমৰ সাংস্কৃতিক পৰিচয় সংৰক্ষণৰ ক্ষেত্ৰত লোকমাধ্যমসমূহৰ ভূমিকা কি তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়টিত আপুনি অসমৰ জনপ্ৰিয় পৰম্পৰাগত মাধ্যমসমূহৰ বিষয়ে এটা ধাৰণা লাভ কৰাৰ লগতে সেইসমূহৰ চমু ইতিহাস অধ্যয়ন তথা অসমীয়া সমাজত এই মাধ্যমসমূহৰ ব্যৱহাৰ সম্পৰ্কে জানিব পাৰিব।

৯.৩ অসমৰ পৰম্পৰাগত লোককলা

মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত অসম হৈছে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ মাজৰ এখন। বহুতো নৃগোষ্ঠী তথা বিবিধ সংস্কৃতিৰ মিলনভূমি অসমৰ লোকসকলৰ মূল জীৱিকা হৈছে কৃষি আৰু ইয়াত মূলতঃ ধান, মৰাপাত তথা চাহ উৎপাদিত হয়। ধৰ্মীয় দিশতো ই বহু বিশ্বাসৰ সমাহাৰ, যেনে— হিন্দু, ইছলাম, খ্ৰীষ্ট আৰু বৌদ্ধ ধৰ্ম। মুঠতে অসমীয়া সমাজখন হৈছে পাহাৰ-ভৈয়ামৰ নৃগোষ্ঠীয় জনজাতি, ভৈয়ামৰ অজনজাতীয় লোক তথা বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ লোকসকলৰ এক সমষ্টি। সংস্কৃতি, গোষ্ঠী আৰু উপ-গোষ্ঠীসমূহৰ এই বৈচিত্ৰ প্ৰকাশ পাই আহিছে ৰাজ্যখনৰ বিভিন্ন লোককলাৰ মাধ্যমেৰে। পৰম্পৰাগত লোককলাসমূহ এক নিৰ্দিষ্ট গোষ্ঠী অথবা সম্প্ৰদায়ৰ মাজত আৱদ্ধ নহয়। বৰঞ্চ অসমৰ জনসাধাৰণৰ বিভিন্ন গোষ্ঠীৰ মাজত সামাজিক পৰিচয় অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত এই লোককলাসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ কিছুমান জনপ্ৰিয় পৰম্পৰাগত লোকমাধ্যমসমূহ হৈছে—

৯.৩.১ বিহু গীত

বিহু হৈছে অসমৰ অন্যতম গুৰুত্বপূৰ্ণ উৎসৱ। ই ঋতু পৰিৱৰ্তন, কৃষিকৰ্ম আৰু পোহনীয় জীৱ-জন্তুৰ সৈতে জড়িত। বছৰাটোত বিহু তিনি প্ৰকাৰে তিনিটা কৃষিকৰ্ম ভিত্তিক ঋতুৰ সমকালীনভাৱে পালন কৰা হয়। ইংৰাজী এপ্ৰিল মাহৰ মাজবাগত ব'হাগৰ অৰ্থাৎ বসন্তৰ আগমনৰ সময়তে ৰঙালী বা ব'হাগ বিহু উদ্‌যাপন কৰা হয়। ইয়াৰ লগে লগে অসমীয়া নৱবৰ্ষ আৰম্ভ হয় আৰু কৃষিকৰ্মৰো পাতনি মেলা হয়। ডেকা-বুঢ়া সকলোৱে মিলি সমাজৰ সকলো শ্ৰেণীৰ লোকে আনন্দ উলাহেৰে ব'হাগ বিহু উদ্‌যাপন কৰে। কঙালী বা কাতি বিহু ইংৰাজী অক্টোবৰ মাহত পালন কৰা হয়। এই বিহুত যিহেতু খেতি এক মধ্যমীয়া অৱস্থাত থাকে সেয়েহে কৃষকসকলে ভঁৰাল ভৰা শস্যৰ কামনাৰে অতি অনুষ্টুপীয়াকৈ এই বিহু পালন কৰে। ভোগালী বা মাঘ বিহু ইংৰাজী জানুৱাৰী মাহৰ মাজভাগত পালন কৰা হয় আৰু ই শস্য চপোৱাৰ আনন্দৰ প্ৰতীক। এই উৎসৱৰ সময়ত সমজুৱাভাৱে ভোজ-ভাত খাই বিহুৰ আনন্দ উপভোগ কৰা হয়।

বিহুৰ কেইবাটাও প্ৰকাৰ আছে—

ক) **জেং বিহু ঃ** ই হৈছে উজনি অসমৰ এক পুৰণি বিহু নৃত্যৰ ধাৰা। এই নৃত্য কেৱল মহিলাইহে পৰিৱেশন কৰে। সাধাৰণতে এই নৃত্য জোনাক নিশা মানুহে সহজে দেখা নোপোৱা বা বিচাৰি উলিয়াব নোৱাৰা স্থানত এই নাচ নচা হয়। জেং বিহুৰ উৎপত্তি অসমীয়া 'জেং' শব্দটোৰ পৰা হোৱা বুলি বিশ্বাস কৰা হয় যি নৃত্য শিল্পী আৰু দৰ্শকৰ মাজত থকা বাধাক সূচায়।

খ) **মুকলি বিহু ঃ** মুকলি বিহু মৰা হয় মুকলি পথাৰত। ডেকা ল'ৰাবোৰে ঢোল-পেঁপাৰ মাতত বিহুনাম জুৰি গাভৰুহঁতক একেলগে বিহু মাৰিবলৈ মাতে। মুঠতে এক প্ৰেম-

পীৰিতিৰ বাতাবৰণৰ সৃষ্টি হয়। তেওঁলোকে বিহু গীতৰ মাজেৰে নিজৰ প্ৰিয়জনলৈ হিয়া উজাৰি ভালপোৱা প্ৰকাশ কৰে।

গ) **মৰাণ বিহু ঃ** মৰাণ বিহু হৈছে অসমৰ মৰাণ জনজাতিৰ লোকসকলৰ বিহু। কিছুমান ঠাইত চহৰৰ হাই-উৰুমিৰ পৰা আঁতৰৰ কোনো স্থান বাছনি কৰি মৰাণ ডেকাসকলে 'বিহু-ঘৰ' নামেৰে এটা বাঁহৰ ঘৰ সাজে। এই বিহু ঘৰটো দুটা ভাগত ভগোৱা হয়— এটা ভাগ ডেকাৰ আৰু আনটো গাভৰুৰ। তেওঁলোকে গোটেই ৰাতিটো নাচ-গান কৰে। তেওঁলোকৰ গীত-মাতসমূহ মূলতঃ প্ৰণয়ধৰ্মী।

ঘ) **মিছিং বিহু ঃ** মিছিং বিহু হৈছে মিছিং জনজাতিয়ে পালন কৰা কৃষি আৰম্ভণিৰ উৎসৱ আলি-আয়ে-লুগাঙৰ সৈতে জড়িত বিহু। এই নৃত্যত অতি সুন্দৰভাৱে ৰোৱাৰ পৰা কটালৈ কৃষিৰ প্ৰতিটো স্তৰ প্ৰতিফলিত হয়। মিছিং বিহুত মূলতঃ বসন্ত কাল, প্ৰজনন, কপৌ ফুল, প্ৰেম-প্ৰণয় আদিৰ সৈতে জড়িত গীত-মাতে স্থান পায়।

ঙ) **দেউৰী বিহু ঃ** এই বিহু পালন কৰে অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ পৰা নামি আহি অসমৰ হৈ নৈ-কাষৰীয়া ঠাইত বসতি স্থাপন কৰা দেউৰী জনজাতিয়ে। তেওঁলোকৰ এই বিহুৰ নাচ-গান আন আন বিহু নাচ-গানতকৈ যথেষ্ট পৃথক।

বিহু গীতসমূহ সাধাৰণতে নৃত্যৰ লগে লগে বিহু উৎসৱৰ সময়ত গোৱা হয়। বিহু গীতসমূহ অসমৰ অন্যতম জনপ্ৰিয় উৎসৱকালীন গীত। এই গীতসমূহে অসমীয়া মৌখিক সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছে। বিহু গীতৰ মাজত চহা গাঁৱলীয়া জীৱনৰ এখন ছবি প্ৰকাশ পায়। যুগ যুগ ধৰি বিহু গীতে নিজৰ স্বকীয় বৈশিষ্ট্য অটুট ৰাখিছে। বিহু গীতসমূহ যৌৱন, সতেজতা, স্পৃহা, প্ৰেম আৰু প্ৰণয়ৰ প্ৰকাশ; অন্য অৰ্থত ক'বলৈ গ'লে এই গীতসমূহ জীৱন নামৰ উদ্‌যাপনৰ প্ৰকাশ। এই গীতসমূহে নিৰ্দিষ্ট ঋতুৰ বিভিন্ন উদ্ভিদ আৰু জীৱ-জন্তুৰ বিষয়ে বৰ্ণনা কৰে, যেনে— নাহৰ ফুল, বকুল ফুল। কপৌ ফুল, তগৰ ফুল, ঢেকীয়া, শিঙৰা মাছ ইত্যাদি। ইয়াৰ উপৰি অসমীয়া লোকসকলৰ সামাজিক জীৱন, পৰিৱেশ তথা ধৰ্মীয় বিশ্বাসৰ প্ৰতিফলন ঘটে এই গীতসমূহৰ মাজেৰে। ইয়াৰ উপৰি মাছ মৰা, কৃষি কৰ্ম, বোৱা-কটা আৰু চিকাৰৰ দৰে গাঁৱলীয়া ৰাইজৰ বিভিন্ন জীৱিকাৰো এনে গীতত উল্লেখ পোৱা যায়। সেয়েহে বিহু গীতসমূহ হৈছে বৃহৎ অসমীয়া সমাজৰ সাংস্কৃতিক পৰিচয়।

বেছিভাগ বিহু গীতেই চতুষ্পদী আৰ্হিৰ। বেছিভাগ গীততে প্ৰথম দুশাৰীত প্ৰকৃতিৰ এনে বৰ্ণনা থাকে যিয়ে বাকী দুশাৰীত প্ৰকাশ পোৱা মানৱ মনৰ অনুভূতিক সুন্দৰভাৱে তুলি ধৰে। বিহু গীতৰ এটা উদাহৰণ এনে ধৰণৰ—

এইবেলি বিহুটি ৰমকে জমকে
নাহৰ ফুল ফুলিবৰ বতৰ।
নাহৰ ফুলৰ গোন্ধ পাই লাহৰীৰ তত নাই
গছকি ভাঙিলে যঁতৰ।

বিহু গীতৰ উৎপত্তি অনির্দিষ্ট। সেইবোৰ সৃষ্টি হোৱা কোনো নির্দিষ্ট সময়ৰ বিষয়ে জনা নাযায়।কিছুমান গীতে বুৰঞ্জীৰ কোনো এটা সময়ক প্ৰতিনিধিত্ব কৰে, যেনে— আহোম ৰাজত্ব কাল। অৱশ্যে তেনে গীতৰ সংখ্যা সীমিত। অৱশ্যে আহোমসকলে বিহুক এক ৰাজহুৱা স্বীকৃতি প্ৰদান কৰি ইয়াৰ জনপ্ৰিয়কৰণত সহায় কৰিছে।

৯.৩.২ আইনাম

আইনাম হৈছে অসমৰ এক জনপ্ৰিয় ভক্তিমূলক গীতৰ সমষ্টি। আইনাম কেৱল মহিলাই গায় আৰু পুৰুষসকল ইয়াৰ অংশীদাৰ নহয়। আই মানে হৈছে শীতলা আই, যিগৰাকীক তেওঁৰ সাতভনীৰ সৈতে বসন্ত ৰোগৰ গোঁসানী বুলি কোৱা হয়। অসমীয়া সমাজৰ এক প্ৰচলিত জনবিশ্বাস অনুসৰি বসন্ত ৰোগে দেখা দিলে ভক্তিভাৱেৰে শৰাই, মাহ-প্ৰসাদ আগবঢ়াই গোঁসানীক সন্তুষ্ট কৰিবলৈ আইনাম গোৱা হয়, যাতে আয়ে ৰোগীজনৰ শৰীৰৰ পৰা আঁতৰি আন ঠাইলৈ গুচি যায়। এই গীতসমূহ ত্যন্ত সৰল অথচ ভক্তিভাৱেৰে পূৰ্ণ। ভাষাৰ সৰলতা আৰু ভাৱৰ আদৰ্শই হৈছে আইনামৰ বৈশিষ্ট্য। এই গীতসমূহ অসমৰ অতি চহকী বাচিক পৰম্পৰাৰ সুন্দৰ অংশ বিশেষ। আইনামৰ এটা উদাহৰণ তলত দিয়া ধৰণৰ—

যি বস্তু দিওঁ মাতৃ সেই বস্তু চোৱা।
আপোনাৰ নামেই মাতৃ আপুনি সন্তোষ হোৱা।।

আইনামৰ লেখীয়া আন গীতসমূহ হৈছে সুবচনিৰ গীত, লখিমী সবাহৰ গীত আৰু অপেশ্বৰীৰ গীত। লক্ষ্মী পূজাৰ দিনটোত লক্ষ্মী গোঁসানীৰ পৰা ধন-সম্পদ প্ৰাৰ্থনা কৰি লখিমী সবাহৰ গীত গোৱা হয়। যদি কোনো এটি শিশু নিজৰ বয়স অনুপাতে শাৰীৰিক বিকাশত পিছপৰি থাকে তেন্তে চুবুৰীয়া মহিলাসকলে সেই ঘৰখনৰ চোতালত একেলগ হৈ ভক্তিভাৱেৰে ধূপ-চাকি জ্বলাই অপেশ্বৰীৰ গীত গায়। লোকবিশ্বাস মতে তেনে কৰিলে শিশুটিৰ সম্পূৰ্ণ শাৰীৰিক বিকাশ হয়। একেদৰে পৰিয়ালৰ সুস্বাস্থ্য আৰু সৌভাগ্য কামনা কৰি সুবচনি গোঁসানীক আৰাধনা কৰিবলৈ সুবচনিৰ গীত গোৱা হয়।

৯.৩.৩ নিচুকনি গীত

নিচুকনি গীতসমূহক অসমৰ বিভিন্ন ঠাইত বিভিন্ন নামেৰে জনা যায়, যেনে— গোৱালপাৰা জিলাত নিন্দালী গীত, নলবাৰী জিলাত চলি ভুৰ্‌কোৱা গীত, মিছিংসকলৰ মাজত কোঃনিঃ নাম, বড়োসকলৰ মাজত ফুটু-মেঠাই ইত্যাদি। নিচুকনি গীতসমূহত মাটিৰ গোন্ধ থকা চহা গাঁৱলীয়া জীৱনৰ পৰা লোৱা সহজ-সৰল শব্দবোৰ বাৰে বাৰে গোৱা হয়। এই গীতসমূহৰ কোমল সুৰে শিশুসকলক এখন কল্পনাৰ পৃথিৱীলৈ লৈ যায় আৰু তেওঁলোকৰ কল্পনাশক্তি বিকশিত কৰাত সহায় কৰে। এনে এখন যাদুৰ পৃথিৱী

য'ত জোন-বেলিয়ে শিশুৰ সৈতে কথা পাতে, য'ত শিয়ালৰ মূৰত ফুল ফুলে, য'ত মোনা সীবলৈ জোনে বেজী এটি দিয়ে, য'ত ঘনচিৰিকাই তামোল কাটিব পাৰে আৰু নানান কিবা-কিবি হ'ব পাৰে। নিচুকনি গীতসমূহে জ্যেষ্ঠসকলক আমোদ দিব নোৱাৰিলেও শিশুসকলৰ বাবে যথেষ্ট আনন্দদায়ক। নিচুকনি গীত গোৱাজনৰ দ্বাৰাহে এই গীতৰ প্ৰকৃত অনুভৱ আৰু বাৰ্তা প্ৰকাশ পায়। গীত গোৱা বা গুণগুণাই থকাৰ উপৰি গাওতাজনে শিশুটি টোপনি নোযোৱালৈ তাৰ পিঠিত আঙুলিৰে মৃদুভাৱে টুকুৰিয়াই বা পিঠিখন মোহাৰি থাকে। তলত অসমৰ দুটা অত্যন্ত জনপ্ৰিয় নিচুকনি গীত উল্লেখ কৰা হ'ল—

ক) জোনবাই এ' বেজী এটি দিয়া
বেজীনো কেলেই
মোনা সীবলৈ
মোনানো কেলেই
ধন ভৰাবলৈ
ধননো কেলেই
হাতী কিনিবলৈ
হাতীনো কেলেই
উঠি ফুৰিবলৈ...

খ) ৰ'দালি এ', ৰ'দ দে
আলি কাটি জালি দিম
বৰ পীৰা পাৰি দিম
তাতে বহি বহি ৰ'দ দে
ৰ'দালিৰ মাকৰ তিনিডাল চুলি
ৰ'দালি পালেগৈ বিৰিণাৰ গুৰি...

৯.৩.৪ ওজাপালি

ওজাপালি হৈছে এনে এটি শাস্ত্ৰীয় নৃত্যানুষ্ঠান যাক অসমৰ প্ৰাচীনতমসমূহৰ ভিতৰত অন্যতম বুলি ধৰা হয়। ওজাপালিৰ কাহিনীভাগৰ মূল উৎস হৈছে ৰামায়ণ, মহাভাৰত তথা পুৰাণসমূহ। ওজাপালিৰ প্ৰধান অংশসমূহ হৈছে আবৃত্তি, গীত, নৃত্য ভংগীমা তথা নাটকীয় বচন। এই নৃত্যানুষ্ঠানটিত ব্যৱহৃত একমাত্ৰ বাদ্যযন্ত্ৰ হৈছে খুটিতাল। ওজাপালি অনুষ্ঠান চাৰি অথবা পাঁচজন লোকে পৰিৱেশন কৰে আৰু তাৰে মুখ্যগৰাকীক ওজা তথা তেওঁৰ সহযোগীসকলক পালি বোলা হয়। পালিসকলৰ মাজতো ওজাৰ সোঁহাতে থিয় হোৱা দাইনা-পালিজনেই মুখ্য। তেওঁ কিছু হাস্যৰসৰ সংযোজন কৰি ওজাপালি অনুষ্ঠানটিক ৰসাল কৰি তোলে। ওজাগৰাকীয়ে সহযোগী সংগীত, মুদ্ৰা তথা নৃত্যৰ তালে তালে পৌৰাণিক কাহিনীসমূহ সুন্দৰকৈ সুৰ লগাই আবৃত্তি কৰি যায়।

পালিসকলে খুটিতাল বজায় আৰু ওজাৰ পাছে পাছে গীত জুৰে। বিষয়বস্তু আৰু ভংগীমাৰ ওপৰত ভিত্তি কৰি ওজাপালিক দুটা মুখ্য ভাগত ভগাব পাৰি ঃ মহাকাব্য আধাৰিত ওজাপালি আৰু মহাকাব্য আধাৰিত নোহোৱা ওজাপালি।

মহাকাব্য আধাৰিত ওজাপালি ঃ মহাকাব্য আধাৰিত ওজাপালিক বৈষ্ণৱ ওজাপালি বুলিও কোৱা হয় কাৰণ বৈষ্ণৱ নীতি-নিয়মত ইয়াক প্ৰদৰ্শন কৰা হয়। এই ওজাপালিৰ বিষয়বস্তু ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ পৰা লোৱা হয়। ইয়াক পুনৰ সাতটা উপ-ভাগত ভগোৱা হৈছে—

ক) বিয়াহৰ ওজাপালি/ব্যাস ওজাপালি/বিয়াহ গোৱা ওজাপালি হৈছে অসমৰ প্ৰাচীনতম ওজাপালি। ইয়াৰ বিষয়বস্তু মহাকাব্য আৰু পুৰাণৰ পৰা লোৱা হয়। কাহিনীভাগ ৰাগৰ ওপৰত আধাৰিত সম্পূৰ্ণ শাস্ত্ৰীয় শৈলীত গোৱা হয়; অৱশ্যে নৃত্যভাগ বিভিন্ন মুদ্ৰাৰ ওপৰত আধাৰিত হয়। আচৰিত কথা এয়ে যে এই অনুষ্ঠানত ওজাগৰাকী ব্ৰাহ্মণ কূলৰ হোৱাৰ উপৰি ব্যাস সংগীতত পাৰদৰ্শী হ'ব লাগিব। বিশ্বাস কৰা হয় যে বিয়াহৰ ওজাপালিৰ জন্ম হয় কামৰূপত আৰু কালক্ৰমত ই প্ৰচলিত হয়। বৰ্তমান ই বেছিভাগ দৰং জিলাত প্ৰচলিত।

খ) ৰামায়ণী ওজাপালি অথবা ৰামায়ণ গোৱা ওজাপালিৰ বিষয়বস্তু মাধৱ কন্দলী, অনন্ত কন্দলী, দুৰ্গাবৰ কায়স্থ আদিৰ দ্বাৰা ৰচিত অসমীয়া ৰামায়ণৰ কাব্যিক সংস্কৰণৰ পৰা লোৱা হয়। ইয়াত মহাভাৰত অথবা পুৰাণৰ কাহিনী গোৱা নহয়। এই ওজাপালি যদিও দৰং তথা কামৰূপ জিলাত দেখা পোৱা যায়, কিন্তু ইয়াৰ জনপ্ৰিয়তা হ্ৰাস পাবলৈ ধৰিছে।

গ) ভাওৰা অথবা ভাৱৰীয়া ওজাপালিত ৰামায়ণৰ বিভিন্ন চৰিত্ৰ ৰূপায়ণ কৰা হয়। ৰামায়ণৰ বিভিন্ন কাহিনী বৰ্ণনা কৰোঁতে ভাৱৰীয়া ওজাপালিত হাস্যৰসৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। এই অনুষ্ঠানটিৰ কে লেখতল'বলগীয়া বৈশিষ্ট্য হ'ল এয়ে যে 'ইয়াত মূল কাহিনীভাগৰ মাজতে সাম্প্ৰতিক সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ ব্যংগাত্মক ৰূপত উপস্থাপন কৰা হয়'।

ঘ) দুৰ্গাবৰী ওজাপালিৰ কাহিনীভাগ দুৰ্গাবৰ কায়স্থ ৰচিত গীতি-ৰামায়ণৰ পৰা লোৱা হয়। এসময়ত যদিও ই কামৰূপ আৰু দৰং অঞ্চলত প্ৰচলিত আছিল, বৰ্তমান ই কেৱল কামৰূপ জিলাৰ হাজো অঞ্চলত সীমিত।

ঙ) সত্ৰীয়া ওজাপালি অসমৰ সত্ৰসমূহৰ মাজত সীমিত। জনসাধাৰণৰ মাজত নৱ-বৈষ্ণৱ চেতনা জগাই তুলিবলৈ শ্ৰীমন্ত শংকৰদেৱে ইয়াৰ প্ৰচলন কৰিছিল। সত্ৰীয়া ওজাপালিৰ বহুতো উপাদান বিয়াহৰ ওজাপালিৰ পৰা লোৱা। সকলো সত্ৰৰে বিভিন্ন অনুষ্ঠানতে সত্ৰীয়া ওজাপালি পৰিৱেশন কৰাটো বাধ্যতাপূৰ্ণ।

চ) পাঁচালী ওজাপালি অসমৰ দক্ষিণপাট সত্ৰ তথা আউনিআটী সত্ৰত প্ৰচলিত। এই ওজাপালিত পাঁচ প্ৰকাৰৰ পদচালনা থাকে। পাঁচালী ওজাপালি পুৰাণ কাহিনীৰ

ওপৰত আধাৰিত হয়। ওজাগৰাকীয়ে খুটিতাল আৰু চামৰা বজাই আবৃত্তি কৰি যায়, লগে লগে পালিসকলে মৃদংগ বজায়। পাঁচালী ওজাপালিত আন ওজাপালিত নথকা এজন 'স্মাৰক' থাকে।

ছ) দুলড়ী ওজাপালি পাঁচালী ওজাপালিৰ সৈতে প্ৰায় একে ধৰণৰ আৰু ইয়াক দক্ষিণপাট সত্ৰ তথা আউনিআটী সত্ৰত পৰিৱেশন কৰা হয়। এই ওজাপালিৰ বিষয়বস্তু পুৰাণৰ অসমীয়া ভাঙনিৰ পৰা লোৱা হয়। দুলড়ী ওজাপালিৰ এটা দলত এগৰাকী ওজা, এগৰাকী দুহেৰীয়া আৰু কেইগৰাকীমান পালি থাকে। ইয়াৰ একমাত্ৰ বাদ্যযন্ত্ৰ হৈছে খুটিতাল। যদিও পাঁচালী তথা দুলড়ী ওজাপালি সত্ৰৰ চাৰিসীমাত আৱদ্ধ হৈ থাকে কিন্তু এই দুইবিধক সত্ৰীয়া ওজাপালি বোলা নহয়। সত্ৰীয়া ওজাপালিৰ পৰিৱেশন সময়ৰ বিপৰীতে পাঁচালী ওজাপালি তথা দুলড়ী ওজাপালি কেৱল বিহু, একাদশী, সংক্ৰান্তি আদিৰ দৰে বিশেষ দিনতহে পৰিৱেশন কৰা হয়।

মহাকাব্য আধাৰিত নোহোৱা ওজাপালি ঃ ওজাপালিৰ এই ধৰণটো সৰ্পৰ দেৱী মনসা, যাক বিষহৰী, পদ্মা বা ব্ৰাথানী বুলিও জনা যায়, তেওঁৰ পূজাৰ সৈতে জড়িত আৰু সেয়ে ইয়াৰ বিষয়বস্তু, গাঁথনি আৰু কাহিনী মহাকাব্য আধাৰিত ওজাপালিতকৈ পৃথক। সাধাৰণতে এই শ্ৰেণীৰ ওজাপালি মনসা পূজাৰ সময়ত পৰিৱেশন কৰা হয়। ইয়াত শিল্পীসকলে গোৱা গীতসমূহক মনসা সংগীত বোলা হয়। এই ধৰণৰ ওজাপালিক চাৰিটা উপ-ভাগত ভগাব পাৰি—

ক) সুকনান্নী ওজাপালি বা ৰং-গোৱা ওজাপালি মনসা পূজাৰ সময়ত নীতি-নিয়মেৰে পৰিৱেশন কৰা হয়। ইয়াত গোৱা গীতসমূহ মনসা সতিকা (সপ্তদশ শতিকা)ৰ সুকবি নাৰায়ণদেৱে ৰচনা কৰা মনসা দেৱীৰ গীত। সুকনান্নী ওজাপালি দৰং জিলাৰ লগতে পূব তথা মধ্য কামৰূপৰ কিছুমান অঞ্চলতেই সীমাৱদ্ধ। দৰং জিলাত ইয়াৰ ওপৰত বিয়াহৰ ওজাপালিৰ প্ৰভাৱ পৰা দেখা যায় আৰু ইয়াত বিয়াহ তথা মনসা দুয়োটাৰে প্ৰভাৱ সুস্পষ্ট, কিন্তু কামৰূপত ই কেৱল মনসাৰ গীত।

খ) বিষহৰীৰ গীত কামাখ্যা তথা অসমৰ শুৱালকুছি অঞ্চলত প্ৰচলিত। বিষহৰীৰ গীতসমূহৰ সৈতে সুকনান্নী ওজাপালিৰ কোনো মিল নাই আৰু ইয়াৰ বিষয়বস্তু, গাঁথনি তথা সংগীত সম্পূৰ্ণৰূপে পৃথক। এই ওজাপালিৰ গীতসমূহ মনকৰ আৰু দুৰ্গাবৰৰ দ্বাৰা ৰচিত। সুকনান্নী আৰু বিয়াহৰ ওজাপালিৰ তুলনাত ইয়াৰ সংগীত যথেষ্ট সৰল। ইয়াত ওজাক গীতালি বা পাঠক আৰু পালিক জুৰি বোলা হয়।

গ) মাৰে পূজাৰ গান বা মাৰে গান অসমৰ দক্ষিণ গোৱালপাৰা অঞ্চলত প্ৰচলিত। ইয়াৰ গীতসমূহ মনকৰ, দুৰ্গাবৰ অথবা সুকবি নাৰায়ণদেৱৰ ৰচনাৰ পৰা লোৱা নহয়। এই গীতসমূহ সৰ্বৰ দেৱীক সন্তুষ্ট কৰিবলৈ পৰম্পৰাগতভাৱে মুখ বাগৰি অহা। এটা মাৰে গানৰ দলত এজন ওজাৰ লগতে কেইজনমান পালি থাকে, কিন্তু ইয়াত দাইনা-পালি নাথাকে। দেওধনী হৈছে মাৰে গান অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ অংশ যিয়ে 'ওজাপালিৰ আবৃত্তিৰ তালে তালে নৃত্য পৰিৱেশন কৰে'।

ঘ) পদ্ম পুৰাণৰ গান মানে হৈছে পদ্মা দেৱীৰ, যি মনসাৰে এটা নাম, কাহিনী। এই ওজাপালি অসমৰ উত্তৰ তথা পশ্চিম গোৱালপাৰা অঞ্চলত প্ৰচলিত। এনে এটা দলত এজন ওজা বা মূল গায়ক বা গীতাল বা গীদালৰ উপৰি পালি (গায়ক) আৰু বাইল (যি খোল আৰু তাল বজায়) থাকে। সাধাৰণতে ল'ৰাহঁতে ছোৱালীৰ পোছাক পিন্ধি মূল শিল্পীসকলৰ সৈতে নৃত্যত সংগত কৰে।

পৰম্পৰাগতভাৱে ওজাপালি কেৱল পুৰুষৰ দ্বাৰা পৰিৱেশিত অনুষ্ঠান য'ত মহিলাৰ কোনো ভূমিকা নাথাকে। অৱশ্যে আধুনিক শৈলীত আপী ওজাপালি আৰু লিগিৰী ওজাপালি কেৱল মহিলাৰ দ্বাৰা পৰিৱেশিত অনুষ্ঠান। এই দুই ধৰণৰ ওজাপালিয়ে পৰম্পৰাগত ওজাপালিৰ ওপৰত আধাৰিত। শিল্পীসকলে মহাকাব্য আৰু পুৰাণ কাহিনী বৰ্ণনা কৰে। আপী ওজাপালি কামৰূপত আৰু লিগিৰী বা লিকিৰী ওজাপালি দৰং জিলাত প্ৰচলিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মাঘ বিহুক ..... বুলিও জনা যায়।

প্ৰশ্ন নং ২ ঃ মিছিংসকলৰ আলি-আয়ে-লৃগাং উৎসৱৰ সৈতে কোনটো বিহু জড়িত?

.....

প্ৰশ্ন নং ৩ ঃ বসন্ত ৰোগৰ দ্বাৰা আক্ৰান্ত লোকৰ ঘৰৰ চোতালত অনুষ্ঠিত হোৱা প্ৰাৰ্থনা সভাক ..... বোলা হয়।

প্ৰশ্ন নং ৪ ঃ নিচুকনি গীত মানে কি?

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ ওজাপালিৰ যিকোনো দুটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ .....য়ে হাস্যৰসৰ যোগান ধৰি ওজাপালিক সপ্ৰতীভ কৰি তোলে।

প্ৰশ্ন নং ৭ ঃ ওজাপালিৰ দুটা মূল প্ৰকাৰ হৈছে ..... আৰু .....।

৯.৩.৫ সত্ৰীয়া নৃত্য

পঞ্চদশ শতিকাৰ অসমৰ মহান বৈষ্ণৱ গুৰু তথা সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ এক শক্তিশালী মাধ্যম হিচাপে সত্ৰীয়া নৃত্যৰ সূচনা কৰিছিল। কালক্ৰমত এই নৃত্যই এই নিৰ্দিষ্ট শৈলী হিচাপে বিকশিত আৰু সম্প্ৰসাৰিত হয়। নৃত্য আৰু নাট্যৰ এই নৱ-বৈষ্ণৱ সম্ভাৰক যুগ যুগ ধৰি সত্ৰসমূহে সংৰক্ষণ তথা অনুশীলন কৰি আহিছে। নিজৰ ধৰ্মীয় বৈশিষ্ট্য তথা সত্ৰসমূহৰ সৈতে থকা গভীৰ সম্পৰ্কৰ বাবে এই নৃত্যশৈলীক সত্ৰীয়া নৃত্য বুলি নামকৰণ কৰা হয়।

শ্ৰীমন্ত শংকৰদেৱে বিভিন্ন শাস্ত্ৰ আৰু স্থানীয় লোকনৃত্যৰ পৰা বিভিন্ন উপাদান আহৰণ কৰি নিজৰ প্ৰতিভাৰে এই নৃত্যশৈলী ৰচনা কৰিছিল। নৱ-বৈষ্ণৱ আন্দোলনৰ পূৰ্বে অসমত বহুতো শাস্ত্ৰীয় উপাদানসহ দুটা নৃত্যশৈলী প্ৰচলিত আছিল— ওজাপালি আৰু দেৱদাসী।শংকৰদেৱে সত্ৰৰ নিজৰ নৈমিত্তিক কাৰ্যকলাপত বিয়াহ-গোৱা ওজাপালিক সামৰি লৈছিল। আজি পৰ্যন্ত অসমৰ সত্ৰসমূহৰ অনুষ্ঠানত বিয়াহ-গোৱা ওজাপালি এক অংশ হৈ আছে। ওজাপালিৰ নৃত্যশিল্পীসকলে গীত আৰু নৃত্য পৰিৱেশনৰ উপৰি বিভিন্ন মুদ্ৰা তথা অংগী-ভংগীৰে সাৰমৰ্ম ব্যাখ্যাও কৰে। আনহাতে সত্ৰীয়া নৃত্যৰ তাল, পদচালনা আৰু নৃত্য ভংগীমাসমূহে ইয়াৰ ওপৰত দেৱদাসী নৃত্যৰ সুস্পষ্ট প্ৰভাৱ দাঙি ধৰে। অসমীয়া লোকনৃত্য, যেনে— বিহুৰ কিছুমান প্ৰভাৱো সত্ৰীয়াৰ ওপৰত পৰিছে। এই নৃত্যশৈলীসমূহত কিছুমান হস্তমুদ্ৰা আৰু তালৰ যথেষ্ট সাদৃশ্য দেখা পোৱা যায়।

সত্ৰীয়া নৃত্য পৰম্পৰাত হস্তমুদ্ৰা, পদচালনা, আহাৰ্য্য, সংগীত আদিৰ ক্ষেত্ৰত কিছুমান নীতি-নিয়ম কঠোৰভাৱে মানি চলা হয়। এই পৰম্পৰাৰ দুটা নিৰ্দিষ্ট ভাগ আছে— প্ৰথমটো হৈছে ভাওনা, যি গায়ন-বায়নৰ নাচৰ পৰা আৰম্ভ হৈ খৰমানৰ নাচত অন্ত পৰে আৰু দ্বিতীয়তে স্বাধীন নৃত্যসমূহ, যেনে— চালি, ৰজাঘৰীয়া চালি, ঝুমুৰা, নাদুভংগী আদি। এইসমূহৰ মাজত চালি নৃত্য লয়লাসেৰে ভৰপুৰ আৰু ঝুমুৰা হৈছে শক্তি আৰু সৌৰ্য্যৰ প্ৰতীক স্বৰূপ। (উৎস ঃ সাংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ কেন্দ্ৰ, ccrtindia.gov.in)

৯.৩.৬ ভাওনা

জনসাধাৰণৰ মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ উদ্দেশ্যে মহান বৈষ্ণৱ গুৰু শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা অংকীয়া নাট (একাংকিকা নাট)ৰ পৰিৱেশনেই হৈছে ভাওনা। শ্ৰীমন্ত শংকৰদেৱে ইয়াৰ সূচনা কৰাৰ পূৰ্বে অসমত নাট্যকলাৰ কোনো উদাহৰণ পোৱা নাযায়। অৱশ্যে প্ৰাচীন শিল্পকলা ওজাপালি আৰু পুতলা নাচত কিছুমান নাটকীয় উপাদান নথকা নহয়। সাধাৰণ অৰ্থত ৰামায়ণ আৰু ভাগৱত পুৰাণৰ কাহিনীৰ আধাৰত পৰিৱেশিত ভাওনাসমূহত অসত্যৰ ওপৰত সত্যৰ বিজয় দেখুওৱা হয়। ভাওনা দলত

গায়ন (গায়ক), বায়ন (বাদ্যযন্ত্ৰী), অভিনেতা আৰু এগৰাকী সূত্ৰধাৰ থাকে। শিল্পীসকলে অগ্নিগড় নামেৰে পোহৰৰ এখন তোৰণৰ মাজেৰে প্ৰৱেশ কৰে। সূত্ৰধাৰে গায়ন-বায়নৰ সহযোগত কাহিনীৰ বৰ্ণনাৰে নাটৰ আৰম্ভণি কৰে। পৰম্পৰাগতভাৱে নামঘৰৰ মুকলি স্থানত ভাওনা পৰিৱেশন কৰা হয়। ভাওনাৰ মাজত অসম, বংগ, উৰিষ্যা, মথুৰা আৰু বৃন্দাবনৰ সংস্কৃতিক উপাদান দেখিবলৈ পোৱা যায়। অসমৰ শোণিতপুৰ আৰু নগাঁও জিলাত বহল পৰিসৰত ভাওনা পতা হয়। শোণিতপুৰ জিলাৰ জামুগুৰি অঞ্চল বা�ৰেচহৰীয়া ভাওনাৰ বাবে বিখ্যাত। ই হৈছে এক বৃহৎ ভাওনা সমাৰোহ য'ত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভাওনা শিল্পীৰ দলে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানটিৰ বাবে এখন মুকলি ঠাইত এশতকৈয়ো অধিক অস্থায়ী মঞ্চ নিৰ্মাণ কৰা হয়।

৯.৩.৭ বৰগীত

বৰগীত হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সূচনা কৰা বৈষ্ণৱ আধ্যাত্মিক গীত। এই গীতসমূহ অসমৰ সাংস্কৃতিক জগতখনলৈ মহাপুৰুষজনাৰ আন এক বৃহৎ অৱদান। বিশ্বাস কৰা হয় যে ১৪৯০ বৰ্ষৰ আশে-পাশে শংকৰদেৱে নিজৰ প্ৰথম তীৰ্থযাত্ৰাৰ সময়ছোৱাত বদ্ৰীকাশ্ৰমত 'মন মেৰি ৰাম চৰণহি লাগু' নামেৰে প্ৰথমটো বৰগীত ৰচনা কৰিছিল। পিছলৈ তেওঁ ২৪০ টা বৰগীত ৰচনা কৰে যদিও এতিয়া কেৱল ৩০টাহে আছেগৈ। বাকীখিনি এটা অগ্নিকাণ্ডত ধ্বংস হয় আৰু তাৰ পিছত তেওঁ বৰগীত ৰচনা কৰিবলৈ এৰি দিয়ে। ইয়াৰ বিপৰীতে তেওঁ নিজৰ প্ৰিয় শিষ্য মাধৱদেৱক বৰগীত ৰচনা কৰিবলৈ কয়।


বৰগীত ৰচিত হৈছিল ব্ৰজাৱলী ভাষাত, যি হৈছে মৈথিলী আৰু অসমীয়া ভাষাৰ এক সাহিত্যিক সমাযোজন, আৰু যাৰ ফলত বৰগীতসমূহত এক লয় আৰু মধুৰতাৰ সমাৱেশ ঘটিছে। এই গীতসমূহত অৱশ্যে সংস্কৃত ভাষাৰ প্ৰয়োগৰ লগতে কামৰূপী তথা গোৱালপাৰীয়া ভাষাৰো উপাদান পোৱা যায়। ৰাগভিত্তিক এই গীতসমূহত শ্ৰীৰাম, শ্ৰীকৃষ্ণৰ জীৱন বৈষ্ণৱ ধৰ্মৰ নীতি, মুক্তি আদি সাৱলীলভাৱে প্ৰকাশ কৰা হয়।

৯.৩.৮ লোকগীত

অসমীয়া লোকগীতসমূহক মূলত তিনিটা ভাগত ভগাব পাৰি—

- আনুষ্ঠানিক গীত, যেনে— বিহুগীত, আইনাম, বিয়ানাম আদি
- কাহিনী গীত, যেনে— মণিকোঁৱৰৰ গীত, বৰফুকনৰ গীত, শান্তি বাৰমাহীৰ গীত আদি
- অন্যান্য বিষয়ৰ গীত, যেনে— নিচুকনী গীত, মহোহো গীত, চটকা গীত, গৰখীয়াৰ গীত আদি।

লোকগীতত বিভিন্ন বিষয়বস্তু, যেনে— আধ্যাত্মিকতা, সামাজিক, দার্শনিক, প্ৰেম, যৌৱন আদি সন্নিৱিষ্ট হয়। জনসাধাৰণৰ সমূহীয়া আশা-আকাংক্ষা, প্ৰয়োজন আৰু কার্যকলাপৰ বহিঃপ্ৰকাশেই হৈছে লোকগীত। অন্যান্য পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ দৰে লোকগীতত দৈনন্দিন ব্যৱহৃত ভাষা, স্থানীয় অভিব্যক্তি তথা সৰল বিশ্বাস আৰু 'উপাদানমূলক আকাংক্ষা'ই বৈশিষ্ট্যপূর্ণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ শ্ৰীমন্ত শংকৰদেৱে জনসাধাৰণৰ মাজত বৈষ্ণৱ ধর্ম প্ৰচাৰ কৰিবলৈ ....., ... আৰু .....ৰ সূচনা কৰিছিল।

প্ৰশ্ন নং ৯ ঃ সত্ৰীয়া নৃত্যৰ পৰা দুটা মুখ্য প্ৰভাৱ হৈছে ..... আৰু .....।

প্ৰশ্ন নং ১০ ঃ ভাওনা হৈছে অসমৰ .....ৰ পৰিৱেশন।

প্ৰশ্ন নং ১১ ঃ ১৪৯০ বর্ষৰ আশে-পাশে ৰচনা কৰা শংকৰদেৱৰ প্ৰথমটো বৰগীত হৈছে .....।

প্ৰশ্ন নং ১২ ঃ অসমীয়া লোকগীতৰ বিভিন্ন ভাগসমূহ কি কি?

.....

.....

.....

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমৰ বিভিন্ন লোকসকলৰ মাজত এক সমূহীয়া পৰিচয় গঢ়ি তোলাৰ ক্ষেত্ৰত পৰম্পৰাগত প্ৰচাৰ মাধ্যমসমূহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- অসমীয়া বছৰৰ বিভিন্ন সময়ত কৃষিকার্যৰ বিভিন্ন পর্যায়ৰ সৈতে সংগতি ৰাখি তিনিটা বিহু পালন কৰা হয়— ৰঙালী বা ব'হাগ বিহু, কঙালী বা কাতি বিহু আৰু ভোগালী বা মাঘ বিহু।
- বিহুগীতসমূহে অসমীয়া লোকসকলৰ সমাজ জীৱন, পৰিৱেশ আৰু ধর্মীয় বিশ্বাসক সাৱলীলভাৱে প্ৰকাশ কৰে।
- আইনাম হৈছে কেৱল মহিলাসকলে গোৱা অসমৰ এক জনপ্ৰিয় আধ্যাত্মিক গীত। আইনামৰ সৈতে সাদৃশ্য থকা অন্যান্য আনুষ্ঠানিক গীতসমূহ হৈছে— সুবচনিৰ গীত, লখিমী সবাহৰ গীত আৰু অপেশ্বৰীৰ গীত।

- কেঁচুৰা নিচুকাবলৈ গোৱা গীতক অসমত নিচুকনি গীত বোলা হয়। নিচুকনি গীতৰ কোমল আৰু মধুৰ সুৰে শিশুসকলক এখন কল্পনাৰ পৃথিৱীলৈ লৈ গৈ নিজৰ কল্পনা শক্তি বিকশিত কৰিবলৈ সহায় কৰে।
- ওজাপালি এনে এক শাস্ত্ৰীয় নৃত্যশৈলী, যাক অসমৰ সবাতোকৈ প্ৰাচীন শৈলী বুলি ধৰা হয়। ওজাপালিৰ কাহিনীভাগৰ মূল উৎস হৈছে হিন্দুসকলৰ মহাকাব্য ৰামায়ণ, মহাভাৰত তথা পুৰাণসমূহ।
- বিষয়বস্তু আৰু পৰিৱেশন শৈলীৰ ওপৰত ভিত্তি কৰি ওজাপালিক দুটা মুখ্য ভাগত ভগাব পাৰি ঃ মহাকাব্য আধাৰিত ওজাপালি আৰু মহাকাব্য আধাৰিত নোহোৱা ওজাপালি। মহাকাব্য আধাৰিত ওজাপালিক আকৌ সাতোটা উপ-ভাগত তথা মহাকাব্য আধাৰিত নোহোৱা ওজাপালিক চাৰিটা উপ-ভাগত ভগোৱা হৈছে।
- অসমৰ প্ৰাচীনতম ওজাপালি হৈছে বিয়াহ-গোৱা ওজাপালি।
- আপী ওজাপালি আৰু লিগিৰী ওজাপালি কেৱল মহিলাই পৰিৱেশন কৰে।
- শ্ৰীমন্ত শংকৰদেৱে বিভিন্ন শাস্ত্ৰ তথা স্থানীয় লোকনৃত্যৰ পৰা উপাদান গ্ৰহণ কৰি নিজৰ প্ৰতিভাৰে সত্ৰীয়া নৃত্যৰ সূচনা কৰিছিল।
- জনসাধাৰণৰ মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ মহান বৈষ্ণৱ গুৰু শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা ৰচিত অংকীয়া নাট (একাংকিকা নাট)ৰ পৰিৱেশনেই হৈছে ভাওনা।
- বৰগীত হৈছে শ্ৰীমন্ত শংকৰদেৱে প্ৰথমে ৰচনা কৰা বৈষ্ণৱ আধ্যাত্মিক গীত। ৰাগভিত্তিক এই গীতবোৰে সাৱলীলভাৱে শ্ৰীৰাম, শ্ৰীকৃষ্ণৰ জীৱন, বৈষ্ণৱ ধৰ্মৰ নীতি, মুক্তি আদি প্ৰকাশ কৰে।
- অসমীয়া লোকগীতসমূহক মূলতঃ তিনিটা ভাগত ভগাব পাৰি— আনুষ্ঠানিক গীত, কাহিনী গীত আৰু অন্যান্য বিষয়ৰ গীত।



৯.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Bandyopadhyay, P. K. (2005) *The North East Saga* New Delhi : Publication Division.
2) Barkataki, S. N. (1970) *Tribal Folktales of Assam* Guwahati : Publication Board.

অসমীয়া গ্ৰন্থ ঃ

১) শৰ্মা, ড° সত্যেন্দ্ৰনাথ। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

২) নাথ, ড° নবীন চন্দ্ৰ (সম্পাদিত)। *অসমৰ সংস্কৃতি-সমীক্ষা*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) গগৈ, ড° লীলা (১৯৮৬)। *অসমৰ সংস্কৃতি*। গুৱাহাটী ঃ বনলতা।

৯.৫ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ভোগালী বিহু।

২নং প্ৰশ্নৰ উত্তৰ ঃ মিছিং বিহু।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আইনাম।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কেঁচুৱা নিচুকোৱা গীতক অসমত নিচুকনি গীত বোলা হয়। এইবোৰক অন্যান্য নামেৰেও জনা যায়, যেনে— গোৱালপাৰা জিলাত নিন্দালী গীত, নলবাৰী জিলাত চলি ভুৱ্‌কোৱা গীত, মিছিংসকলৰ মাজত কোঃনিঃ নাম, বড়োসকলৰ মাজত ফুটু মিঠাই আদি। নিচুকনি গীতসমূহত মাটিৰ গোন্ধ থকা গ্ৰামাঞ্চলৰ দৈনন্দিন জীৱনৰ সহজ-সৰল শব্দবোৰ ব্যৱহাৰ কৰা হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ওজাপালিৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে—

- ওজাপালিৰ কাহিনীভাগৰ মুখ্য উৎস হৈছে হিন্দুসকলৰ মহাকাব্য ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহ।
- আবৃত্তি, গীত, নৃত্য আৰু নাটকীয় বচন হৈছে ওজাপালিৰ গুৰুত্বপূৰ্ণ অংশ। এই অনুষ্ঠানত ব্যৱহৃত একমাত্ৰ বাদ্যযন্ত্ৰ হৈছে খুটিতাল।

৬নং প্ৰশ্নৰ উত্তৰ ঃ দাইনা-পালি (ওজাৰ সোঁফালৰ সহযোগী)

৭নং প্ৰশ্নৰ উত্তৰ ঃ মহাকাব্য আধাৰিত ওজাপালি আৰু মহাকাব্য আধাৰিত নোহোৱা ওজাপালি।

৮নং প্ৰশ্নৰ উত্তৰ ঃ সত্ৰীয়া, ভাওনা আৰু বৰগীত।

৯নং প্ৰশ্নৰ উত্তৰ ঃ বিয়াহৰ ওজাপালি আৰু দেৱদাসী নৃত্য।

১০নং প্ৰশ্নৰ উত্তৰ ঃ অংকীয়া নাট।

১১নং প্ৰশ্নৰ উত্তৰ ঃ মন মেৰি ৰাম চৰণেহী লাগু।

১২নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকগীতসমূহক মূলতঃ তিনিটা ভাগত ভগাব পাৰি—

- আনুষ্ঠানিক গীত, যেনে— বিহুগীত, আইনাম, বিয়ানাম আদি
- কাহিনী গীত, যেনে— মণিকোঁৱৰৰ গীত, বৰফুকনৰ গীত, শান্তি বাৰমাহীৰ গীত আদি
- অন্যান্য বিষয়ৰ গীত, যেনে— নিচুকনি গীত, মহোহো গীত, চটকা গীত, গৰখীয়াৰ গীত আদি।



৯.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ অপেশ্বৰীৰ গীত মানে কি?

প্ৰশ্ন ২ ঃ অসমৰ লোকগীতৰ তিনিটা বিভাগ কি কি?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

ক) ভাওনা

খ) নিচুকনি গীত

গ) বিহু গীত

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩৫০-৫০০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ বিভিন্ন প্ৰকাৰৰ ওজাপালি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমৰ যিকোনো দুটা লোকশৈলীৰ ব্যৱহাৰেৰে পৰম্পৰাগত প্ৰচাৰ মাধ্যমে কেনেদৰে জনসাধাৰণৰ সাংস্কৃতিক পৰিচয় সুৰক্ষিত কৰাৰ ক্ষেত্ৰত সহায় কৰিব পাৰে, সেয়া বুজাই লিখক।

*** ***** ***

অধ্যায় ১০ ঃ লোকমাধ্যমলৈ ড° ভূপেন হাজৰিকাৰ অৱদান

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ গণ সংযোগকাৰী ৰূপে ড° ভূপেন হাজৰিকা

১০.৪ লোক মাধ্যমলৈ ড° ভূপেন হাজৰিকাৰ অৱদান

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ান

১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- এগৰাকী বহুমুখী প্রতিভাৰ ব্যক্তি হিচাপে ড° ভূপেন হাজৰিকাৰ পৰিচয় আগবঢ়াব পাৰিব
- এগৰাকী গণ সংযোগকাৰী ৰূপে ড° ভূপেন হাজৰিকাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ পূব ভাৰতৰ লোক মাধ্যমৰ উত্তৰণৰ ক্ষেত্রত ড° হাজৰিকাৰ অৱদান সম্পর্কে অৱগত হ'ব পাৰিব।

১০.২ পৰিচয়

পৰম্পৰাগত লোকমাধ্যম হৈছে— মানৱ সংযোগৰ এনে এতি প্রকাৰ বিশেষ যাৰ জৰিয়তে যুগ যুগ ধৰি সাধাৰণ মানুহে প্রযুক্তি নির্ভৰ গণমাধ্যম নোহোৱাকৈও মনৰ ভাৱ আদান-প্রদান কৰিবলৈ সক্ষম হৈছে। ইতিপূর্বে আমি পৰম্পৰাগত লোকমাধ্যম সম্পর্কে বহু কথা আলোচনা কৰিছো। এই অধ্যায়ত আমি পৰম্পৰাগত লোকমাধ্যমৰ জগতখনলৈ ড° ভূপেন হাজৰিকাই আগবঢ়োৱা অৱদান সম্পর্কে আলোচনা কৰাৰ প্রয়াস কৰা হৈছে।

বহুমুখী প্রতিভাৰ আকৰস্বৰূপ, ড° ভূপেন হাজৰিকা আছিল এগৰাকী কবি সংগীত পৰিচালক, গায়ক, অভিনেতা, সাংবাদিক, লেখক আৰু চলচিত্র নির্মাতা। তেওঁ অসমীয়া চলচিত্র উদ্যোগৰ অগ্রদূত স্বৰূপ। তেওঁক উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক জগতখনৰ মুকুটবিহীন সম্রাট আখ্যা দিয়া হয়। সমাজ সচেতনমূলক বিষয়বস্তুযুক্ত ৰচনাৰে আৰু কণ্ঠ নিগৰি অহা সুৰীয়া কণ্ঠেৰে তেওঁ সমগ্র ৰাষ্ট্রকে উজ্জীৱিত কৰি আহিছে। ড° হাজৰিকাই আন্তঃৰাষ্ট্রীয় পটভূমিত অসমীয়া সমাজখনক প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এইটো নিঃসন্দেহে সত্য যে মূল সুঁতিৰ ভাৰতবর্ষ

আৰু উত্তৰ পূব অঞ্চলটোৰ মাজত সেতু নির্মাণত তেওঁৰ ভূমিকা অনবদ্য। সাংস্কৃতিক, ঐতিহাসিক, অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিকভাবে ভাৰতৰ অন্যান্য অঞ্চলৰ পৰা বিচ্ছিন্ন হৈ থকা উত্তৰ-পূবক তেওঁ এইদৰে মূল সুঁতিৰ ভাৰতবর্ষৰ লগত মিলাই দিছিল। ১৯৩০ চনৰ পৰা ১৯৯০ চনলৈ তেওঁ ভালে সংখ্যক অসমীয়া, বাংলা আৰু হিন্দী কথাছবিত কণ্ঠদান কৰাৰ লগতে সংগীত ব্যৱস্থাপনা, গীত ৰচনা কৰাৰ লগতে ভালেমান গীতত কণ্ঠদান কৰিছিল। যোল্লখন কথাছবিত তেওঁ নেপথ্য গায়ক আছিল। তেওঁ তেৰখন কথাছবিত গীতত সুৰ প্রদান কৰিছিল আৰু চৈধ্যখন কথাছবিত পৰিচালক ৰূপে কাম কৰিছিল। তেওঁ যে কেৱল কথাছবি পৰিচালনা আৰু কথাছবিত চৰিত্র ৰূপে অৱতীর্ণ হৈছিল এনে নহয়, তেওঁ ভালেকেইখন কথা ছবিৰ বাবে চিত্র নাট্যও ৰচনা কৰিছিল।

প্রিয় শিক্ষার্থী, আমি এই অধ্যায়ত ড° ভূপেন হাজৰিকাৰ দৰে এগৰাকী বিৰল প্রতিভাৰ সাংস্কৃতিক নেতাৰ লোকমাধ্যম সম্পর্কে থকা তেওঁৰ ধাৰণা ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছোঁ। এই অধ্যায়ৰ শেষত আপুনি কেইটিমান প্রকল্পমূলক প্রদত্ত কর্ম কৰাৰ বাবে কিছু নির্দেশাৱলী সন্নিৱিষ্ট কৰা হৈছে।

১০.৩ গণ সংযোগকাৰী ৰূপে ড° ভূপেন হাজৰিকা

মানুহৰ লগত যি যোগাযোগ তাকে গণসংযোগ ৰূপে গণ্য কৰিব পাৰি। সংগীতৰ জগতখনত, লোক-সংস্কৃতিৰ উত্তৰণ, সাহিত্য, সাংবাদিকতা, কথাছবি, শিক্ষা আদিকে ধৰি প্রতিখন ক্ষেত্রতে কলা-সংস্কৃতি জগতৰ কিংবদন্তীমূলক পুৰুষস্বৰূপ ড° ভূপেন হাজৰিকাই পাৰদর্শিতাৰপৰিচয় দি থৈ গৈছে। গণসংযোগৰ এগৰাকী যোগ্য ব্যক্তি, 'দাদা চাহেব ফাল্কে' বঁটা প্রাপক ড° হাজৰিকাই ১৯২৬ চনৰ আঠ ছেপ্তেম্বৰত জন্মগ্রহণ কৰিছিল। স্নাতকোত্তৰ ডিগ্রী লাভ কৰাৰ পাছত তেওঁ গুৱাহাটীত অৱস্থিত অল-ইণ্ডিয়া ৰেডিঅ' অর্থাৎ আকাশবাণী গুৱাহাটী কেন্দ্রত যোগদান কৰিছিল। পৰৱর্তী সময়ত তেওঁ ডক্টৰেট কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্রত অৱস্থিত কলম্বিয়া বিশ্ববিদ্যালয়লৈ গমন কৰিছিল। গণসংযোগ বিষয়ত তেওঁ ১৯৫২ চনত আমেৰিকা যুক্তৰাষ্ট্রৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্রী লাভ কৰিছিল।

ড° হাজৰিকাই তেওঁৰ গৱেষণা গ্রন্থত প্রাপ্তবয়স্কৰ শিক্ষাৰ কাৰণে বিভিন্ন পদ্ধতি আৰু কৌশলৰ ওপৰত গুৰুত্ব দিছিল। তেওঁৰ গৱেষণাৰ বিষয় আছিল 'প্রাপ্তবয়স্কৰ শিক্ষাত ভাৰতৰ প্রাথমিক শিক্ষকসকলৰ প্রায়োগোপযোগী দৃশ্য শ্রাব্য কৌশলসমূহ'। ইয়াত সমাজৰ সেইটো প্রাপ্তবয়স্ক গোটক বুজোৱা হৈছে যি শিক্ষা লাভৰ পৰা বঞ্চিত।

এই মহান শিক্ষাবিদগৰাকীৰ দৃষ্টিভংগী তেওঁৰ গৱেষণা গ্রন্থত এইদৰে উপস্থাপিত হৈছে— 'অনুশীলনীমূলক শিক্ষণ কার্যৰ ওপৰতে শিক্ষণ প্রক্রিয়াৰ গুণাগুণ নির্ভৰ কৰে। আধুনিক শিক্ষকসকলে বিশ্বাস কৰে যে পৰম্পৰাগত শিক্ষা পদ্ধতিটো মূলতঃ উপদেশপূর্ণ শিক্ষণ সামগ্রী (Instructional material)। উপদেশপূর্ণ শিক্ষণ সামগ্রীসমূহ গুৰুত্বপূর্ণ। কাৰণ এই সামগ্রীসমূহে শিক্ষার্থীৰ অভিজ্ঞতাক গঢ় দিয়াত, নিয়ন্ত্রণ আৰু প্রভাৱিত কৰে।' শিক্ষাৰ দৃশ্য-শ্রাব্য ৰূপৰ গুৰুত্বৰ

কথা ব্যাখ্যা কৰি ড° হাজৰিকাই মন্তব্য কৰিছে, 'সকলো দৃশ্য-শ্রাব্য শিক্ষণ সামগ্রীৰ ভিতৰত সম্ভৱতঃ চলচিত্র প্রসংগ বিশেষভাৱে উল্লেখযোগ্য। কাৰণ ই কার্যৰ আৰ্হি আৰু মতৰ ৰূপান্তৰকৰ সকলোতকৈ অধিক শক্তিশালী নির্মাতাৰূপে প্রতিপন্ন হৈছে। সু-প্রশিক্ষিত সম্প্রচাৰকসকলৰ লগত অনুষ্ঠানত অংশগ্রহণ কৰা আৰু তেওঁলোকৰ অনুষ্ঠান শ্রবণ কৰাতো নিঃসন্দেহে উদ্দীপনাপূর্ণ অভিজ্ঞতা হ'ব পাৰে। গণশিক্ষাৰ কৌশলত নিত্য-নতুন ধ্যান ধাৰণাৰ উপস্থাপনৰ ক্ষেত্রত ৰেডিঅ' এক ফলপ্রসু মাধ্যম। যিহেতু ইয়াত পুথিগত শিক্ষাৰ লগত জড়িত কোনো ধৰণৰ পৰম্পৰাগত আনুষ্ঠানিকতা নাথাকে।' যি কথা অজিৰ পৰা যাঠি বছৰৰ আগতেই তেওঁ অনুভৱ কৰিছিল, সেই কথা আজি আমি উপলব্ধি কৰিছোঁ যে আমাৰ দেশত শিক্ষাৰ জগতখনত ইলেকট্রনিক সঁজুলিৰ ব্যৱহাৰৰ প্রায়োজনীয়তা আছে। শিক্ষাৰ পৰম্পৰাগত ধাৰাটোৰ লগতে দূৰ শিক্ষাৰ ক্ষেত্রতো এইটো প্রমাণিত হৈছে যে ইলেকট্রনিক সঁজুলিৰ ব্যৱহাৰে শিক্ষাদান আৰু শিক্ষণ পদ্ধতিক সহজসাধ্য কৰি তোলে, যিহেতু বিভিন্ন শিক্ষা লাভৰ পৰা বঞ্চিতসকলৰ বাবেও শিক্ষা সহজলভ্য কৰিছে। কিন্তু বিভিন্ন কাৰণত এই কথাও অস্বীকাৰ কৰিব নোৱাৰি যে আমি আমাৰ লক্ষ্যত উপনীত হ'ব পৰা নাই আৰু এতিয়াও আমি আমাৰ নিকপ্কপীয়া বৃত্তৰ পৰিধিৰ ভিতৰতে সেই লক্ষ্যত উপনীত হ'বলৈ সংগ্রাম কৰি আছোঁ। এইবোৰৰ উপৰিও ড° হাজৰিকা এগৰাকী মহান পণ্ডিত আছিল।

১৯৯৪ চনত উৰিষ্যাত অনুষ্ঠিত হোৱা 'গণসংযোগ মাধ্যম বনাম লোকসংস্কৃতি' শীর্ষক এক সমাৱর্তন অনুষ্ঠানৰ অভিভাষণত তেওঁ 'গণ' অভিধাটোৰ ব্যাখ্যা এইদৰে আগবঢ়াইছিল—

''গণ'' পদটিৰ বিশ্লেষণ কৰাটো প্রয়োজনীয়। 'গজদন্তৰ মিনাৰ'ত বহি থকা বুদ্ধিজীৱীসকলে কেতিয়া 'গণ' শব্দটো লঘু অর্থত ব্যৱহাৰ কৰে, এগৰাকী বাঁওপন্থীৰ দৃষ্টিত 'গণ' মানে হৈছে নিৰন্তৰ প্রচাৰ অভিযান যিয়ে অশিক্ষিত, হোজা সম্বলহীনসকলক বুজায়। এগৰাকী ধর্মগুৰুৰ বাবে 'গণ' প্রার্থনা হৈছে এটা নির্দিষ্ট কল্যাণকাৰী কার্যৰ বাবে কৰা ধর্মীয় সংযোগ আৰু এগৰাকী সংযোগকাৰীৰ (Communicator) বাবে 'গণ' শব্দৰ শ্রোতাক বুজায়। ইলেকট্রনিকৰ যুগ আৰম্ভ হোৱাৰ আগতে এই শ্রোতামণ্ডলী অজ্ঞাত আছিল। মোৰ বিবেচনাত মেকৰেলে আগবঢ়োৱা ব্যাখ্যা এই ক্ষেত্রত প্রাসংগিক।'

ড° হাজৰিকাই তেওঁৰ ভাষণত এইটো পৰামর্শ আগবঢ়াইছিল যে গণসংযোগৰ প্রতিষ্ঠানসমূহে তেওঁলোকৰ পাঠ্যক্রমত 'গণসংযোগ মাধ্যম বনাম লোকসংস্কৃতি' শিৰোনাম দি উভয় পৰম্পৰাগত আৰু লোকসংযোগৰ অংশ দুটা অন্তর্ভুক্ত কৰাতো উচিত। তেওঁ কৈছিল, '১৯৬০ চনৰ পৰা সমগ্র বিশ্বতে এইটো বিতর্কৰ সূত্রপাত হৈছে যে গণমাধ্যমৰ প্রসাৰে ইয়াৰ আওতাৰ ভিতৰত স্থানীয় লোকসাংস্কৃতিক গোটসমূহৰ সাংস্কৃতিক তথ্য, সিবিলাকৰ বৃহৎ স্বার্থৰ অনুকূলে যোৱা বিষয়সমূহ আৰু প্রয়োজনীয়তাসমূহ সামৰি লোৱা নাই। এইখন এনে এখম ক্ষেত্র যাৰ লগত আমাৰ গণসংযোগৰ প্রতিষ্ঠানসমূহ আৰু মাধ্যমসমূহ বিদ্যায়তনিকভাৱে সংযুক্ত হোৱা উচিত। তাত এনে সুযোগ-সুবিধাও থাকিব লাগিব য'ত ক্ষেত্র ভ্রমণ (field trip)ৰ মাধ্যমেদি ছাত্র-ছাত্রীসকলক বিভিন্ন সাংস্কৃতিক গোট, স্থানীয় লোক সমল আৰু সাম্য লোক কলা কৃতিৰ

লগত পৰিচিত হোৱাৰ সুবিধা থাকে। পাঠক্রমৰ বিকাশ এটা নীৰৱচ্ছিন্ন প্রক্রিয়া আৰু ইয়াক কলাত্মকভাৱে সমৃদ্ধ কৰা উচিত।' ড° ভূপেন হাজৰিকা কেৱল আধুনিক অসমৰেই নহয়, সমগ্র দেশৰ ভিতৰতে এগৰাকী মহান গনসংযোগকাৰী। ড° পি চি যোশী কমিটীৰ এগৰাকী সক্রিয় সদস্য হিচাপে, এইগৰাকী মহান গণসংযোগকাৰীয়ে 'An Indian Personality' শিৰোনামেৰে এখন প্রতিবেদন দাখিল কৰিছিল। এই প্রতিবেদনত তেওঁ পৰামর্শ আগবঢ়াইছিল যে— 'যথার্থতে আমি সমজুৱাসকলৰ পৰম্পৰাগত লোকসংস্কৃতিৰ সেইখিনি উৎকৃষ্ট সমলক বুজাইছো, ইয়াৰ নিজস্ব সংযোগকাৰী ক্ষমতাৰ কথা বুজাব খুজিছোঁ, লগতে টিভিয়ে সেই পবিত্র দায়িত্ব যাতে ই এই বৃহৎ শক্তিস্বৰূপ লোকসংস্কৃতিক এটা ভীৰতীয় পৰিচয় প্রদান কৰিব পাৰে, যিয়ে ভাৰতক আমাৰ প্রধানমন্ত্রীয়ে কোৱাৰ দৰে, একবিংশ শতিকালৈ আগবঢ়াই লৈ যাব। আমি আমেৰিকা যুক্তৰাষ্ট্র, ইংলেণ্ড, ছোভিয়েট ৰুছিয়া, জাপানী বা চিনা টিভিৰ সমল আৰু আর্হি গ্রহণ কৰা অনুচিত— তাৰ পৰিৱর্তে আমি আমাৰ লোকসংস্কৃতিৰ ঘাই শিপাডালক আমাৰ নিজৰ মানুহক পুনৰ উভতাই দিব লাগে।'



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১। ড° ভূপেন হাজৰিকাৰ এটি পৰিচয় আগবঢ়াওক।

.....

.....

.....

.....

প্রশ্ন নং ২। এগৰাকী গণসংযোগকাৰীৰূপে ড° ভূপেন হাজৰিকাক কিয় স্মৰণ কৰা হয়?

.....

.....

.....

প্রশ্ন নং ৩। ড° ভূপেন হাজৰিকালৈ আগবঢ়োৱা কেইটামান ৰাষ্ট্রীয় সন্মানৰ নাম উল্লেখ কৰক।

.....

.....

.....

১০.৪ লোক মাধ্যমলৈ ড° ভূপেন হাজৰিকাৰ অৱদান

এইটো ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ড° ভূপেন হাজৰিকাই তেওঁৰ গান, চলচিত্র, কবিতা আদিৰে জনসমাজৰ লগত নিবিড় সম্পর্ক স্থাপন কৰিবলৈ সক্ষম হৈছিল। অসমীয়া সংস্কৃতি আৰু ঐতিহ্যৰ লগত তেওঁ ওতঃপ্রোতভাৱে জড়িত আছিল। অসমৰ পৰম্পৰাগত মাধ্যমলৈ

তেওঁৰ অৱদান অপৰিসীম। আন্তঃৰাষ্ট্রীয় প্রেক্ষাপটত তেওঁ অসমীয়া পৰম্পৰাৰ ধ্বজা বহন কৰিছিল। ১৯৩৯ চনত ড° ভূপেন হাজৰিকাই জ্যোতিপ্রসাদ আগৰৱালাৰ 'ইন্দ্রমালতী' নামৰ দ্বিতীয়খন অসমীয়া কথাছবিত 'বিশ্ব বিজয় নজোৱান ন জোৱান' শীর্ষক জীৱনৰ প্রথমটো গীত পৰিৱেশন কৰিছিল। এই সময়ছোৱাত তেওঁৰ বয়স আছিল ১২বছৰ। দহগৰাকী ভাই-ভনীৰ ভিতৰত জ্যেষ্ঠ ভূপেন হাজৰিকাক তেওঁৰ মাতৃয়ে সংগীতৰ প্রতি আকর্ষিত হোৱাত পৰোক্ষভাৱে অৰিহণা যোগাইছিলে। তেওঁৰ মাতৃয়ে তেওঁক নিচুকনি গীত আৰু অসমৰ পৰম্পৰাগত সংগীতৰ লগত পৰিচয় কৰাই দিছিলে।

জনপ্রিয় অসমীয়া গীতিকাৰ, নাট্যকাৰ তথা প্রথম অসমীয়া চলচিত্রকাৰ জ্যোতিপ্রসাদ আগৰৱালা আৰু প্রসিদ্ধ শিল্পী, বিপ্লৱী কবি বিষ্ণুপ্রসাদ ৰাভাই ১৩ বছৰ বয়সীয়া ভূপেন হাজৰিকাক আৱিষ্কাৰ কৰিছিল। ১৯৩৬ চনত ভূপেন হাজৰিকা তেওঁলোকৰ লগত কলিকতালৈ গৈছিল আৰু 'অৰোৰা ষ্টুডিঅ'ত ছেলোনা কোম্পানীৰ বাবে তেওঁৰ জীৱনৰ প্রথম গীতটো বাণীবদ্ধ কৰিছিল। তেজপুৰত অসমীয়া কলা-সংস্কৃতিৰ পুৰোধা ব্যক্তিসকলৰ লগত তেওঁৰ যোগাযোগৰ মাজেদিয়েই তেওঁৰ শিল্পী প্রতিভাৰ বিকাশ আৰু উত্তৰণ ঘটিছিল। তাৰ পাছত হাজৰিকাই ১২ বছৰ বয়সত জ্যোতিপ্রসাদ আগৰৱালাৰ 'ইন্দ্রমালতী' (১৯৩৯) নামৰ চলচিত্রখনত 'কাযতে কলচি লৈ' আৰু 'বিশ্ব বিজয়ী নজোৱান' এই দুটি গীত গাইছিলে। ১৩ বছৰ বয়সত 'অগ্নিযুগৰ ফিৰিঙতি মই' নামেৰে তেওঁৰ প্রথমটো গীত ৰচনা কৰিছিল। গায়ক হিচাপে ড° হাজৰিকা তেওঁৰ উদাত্ত সুৰ আৰু শব্দচয়নৰ কাৰণে সকলোৰে মাজত পৰিচিত আছিল। গীতিকাৰ হাজৰিকাৰ গীতৰ মাজত সুন্দৰ কাব্যিক ৰচনাশৈলী আৰু নীতি কথামূলক দৃষ্টান্ত, পটন্তৰ আদিৰ প্রয়োগ লক্ষণীয় আৰু এইসমূহৰ বিষয়বস্তুয়ে ৰোমাণ্টিক, সামাজিক, ৰাজনৈতিক আদি সকলো দিশকে চুই গৈছে। তেওঁক শেষৰ গৰাকী জনতাৰ গায়ক ৰূপে আখ্যা দিয়া হয়। তাৰ লগতে তেওঁ এগৰাকী মহান ভাৰতীয় গাঁথা (মালিতা)ৰ গায়ক ৰূপেও পৰিচিত। ৰাষ্ট্রীয় পর্যায়ত হিন্দী চলচিত্রৰ লগত অসম আৰু উত্তৰ পূব ভাৰতৰ সংস্কৃতি আৰু লোক সংগীতক পৰিচিত কৰোৱাৰ ক্ষেত্রত তেওঁৰ অৱদান আমি স্বীকাৰ কৰিবই লাগিব। তেওঁ কেৱল পৰম্পৰাগত মাধ্যমৰ এটি অংশই নাছিল, ইয়াৰোপৰি তেওঁ গণসংযোগ আৰু লোকসংস্কৃতিৰ যুগসূত্র ওপৰত ভিত্তি কৰি কেইবাখনো গৱেষণা পত্র প্রস্তুত কৰিছিল। ১৯৮৮ চনত ৰাছিয়াৰ লাভিতভাত হোৱা গণসংযোগৰ আন্তর্জাতিক সন্মিলনখনত তেওঁ 'লোকসংগীত আৰু গণসংযোগ' নামেৰে এখন গৱেষণা পত্র পাঠ কৰিছিল। এই গৱেষণা পত্রখন তেওঁ এইদৰে আৰম্ভ কৰিছিলে, 'এই পত্রখন মূলতঃ কলাৰ লগত জড়িত— বিশেষকৈ ইয়াত লোক সংগীতক সংযোগৰ মাধ্যম হিচাপে গুৰুত্ব আৰোপ কৰা হৈছে যি লোকগীত, লোকনৃত্য আৰু লোকনাট্যৰ মাজেদি সামাজিক পৰিৱর্তনৰ মাধ্যম হৈ পৰে। লগতে আধুনিক জীৱনযাত্রাৰ লগত এইসমূহৰ পাৰস্পৰিক সংযোগৰ বিষয়েও গুৰুত্ব লাভ কৰিছে।' বিশেষকৈ বিকাশশীল সংযোগৰ ক্ষেত্রত বর্তমান আমি লোক মাধ্যমৰ ব্যাপক প্রভাৱৰ কথা বিবেচনা কৰিছো যিটো আজিৰ পৰা কেইবাটাও দশকৰ আগতে ভূপেন হাজৰিকাই অনুভৱ কৰিছিল। তেওঁৰ মতে এইটোৱেই আমাৰ দেশৰ সবাতোকৈ গুৰুত্বপূর্ণ আৰু প্রাসংগিক তথ্যৰ উৎসসমূহৰ ভিতৰত

অন্যতম আছিল। তেওঁ কৈ গৈছে— 'লোক সংগীতৰ বৃত্তান্ত পোনপটীয়া চাপ বিদ্যমান আৰু সৰলতাৰ ই বিশেষ স্থানীয় বিষয়বস্তুৰ লগত জড়িত। এই লোকসংগীত যথেষ্ট সৰল. সেই কাৰণে এইবোৰ গাবলৈ আৰু শিকিবলৈ সহজ। এনে ধৰণৰ বৈশিষ্ট্যই লোকসংগীতক গণসংযোগৰ আদর্শ মাধমৰূপে পৰিগণিত কৰাইছে। লগতে এইসমূহ শৈক্ষিক বার্তা প্রেৰণৰ বাবেও আদর্শ মাধ্যম হোৱাৰ উপযুক্ত।'

তেওঁ মত পোষণ কৰিছিল, 'এইচ জি ৱেলছৰ মন্তব্য কোনেও অগ্রাহ্য কৰিব নোৱাৰে।' যিগৰাকী ব্যক্তিয়ে কৈছিল যে কম বেছি পৰিমাণে মানব ইতিহাসক সংযোগ আৰু মহাদুর্যোগৰ মাজত হোৱা এটা প্রতিযোগিতামূলক দৌৰ বুলিব পাৰি। বর্ণাঢ্য ৰূপত থকা সংযোগৰ পৰিপূর্ণ ব্যৱহাৰে মানৱ ইতিহাসক এইটো বিশ্বাস প্রদান কৰিব যে আমাৰ ভৱিষ্যৎ বংশধৰসকলে এটা নিশ্চিত ভৱিষ্যৎ দেখা পাব। ই এয়ে সূচাই যে উদ্দেশ্য লৈ জীয়াই থাকিবলৈ হ'লে আৰু ভালদৰে বিকাশ লাভ কৰিবলৈ প্রত্যেকেই যোগাযোগ ৰক্ষা কৰি চলিব লাগিব। যদিহে কোনোবাই যোগাযোগ বন্ধ কৰে তেতিয়াহ'লে তেওঁ লুপ্ত হৈ যোৱাৰ উপক্রম হয়। তেনে অৱস্থাত তেওঁ ভৱিষ্যৎ প্রজন্মক অন্ধকাৰৰ বাহিৰে আন একো দিব নোৱাৰে। কিয়নো নিঃসংগভাৱে, অকলশৰীয়াকৈ কাৰো শ্রীবৃদ্ধি নহয়।' তেওঁ সদায় গণসংস্কৃতি আৰু লোকসংস্কৃতিৰ প্রয়োজনীয়তাৰ প্রতি গুৰুত্ব দিছিল। সেই কাৰণে তেওঁ উল্লেখ কৰিছিল, 'গণ সংযোগক ভাৰতীয় ৰূপ প্রদান কৰিবলৈ যাঁওতে আমি ভাৰতৰ পৰম্পৰাগত লোকসংস্কৃতিৰ আর্হিসমূহৰ লগত ইয়াৰ সম্বন্ধ চালি-জাৰি চাব লাগিব। ইলেকট্রনিক মাধ্যমৰ যোগেদি হ'বলগীয়া গণসংযোগৰ প্রসাৰ এতিয়াও সীমাবদ্ধ। নগৰীয়া অঞ্চলসমূহত লোকমাধ্যমসমূহে ধর্মীয়, সামাজিক-অর্থনৈতিক আৰু ৰাজনৈতিক সমস্যাসমূহৰ প্রসংগত মনোৰঞ্জনমূলক তথ্য আৰু শিক্ষাৰ যোগান ধৰে। লোকসংস্কৃতি, লোকনৃত্য, লোক নাট্য, পুতলা নাচ আদিৰ ক্ষেত্রত ভাৰতবর্ষ অক্ষয় ভাণ্ডাৰ স্বৰূপ। গ্রাম্য ভাৰতৰ মানুহৰ কাৰণে এইসমূহেই হৈছে গণ মাধ্যমৰ আহিলা।' এই সন্দর্ভত তেওঁ এটা বহল পৰিসৰৰ উদাহৰণ দাঙি ধৰিছে— 'কর্ণাটকৰ যক্ষগান, বংগৰ কবীৰ গান, বেউল, কীর্তন, ভাটিয়ালী। মহাৰাষ্ট্রৰ পোৱাড়া নামৰ বেলাড মহাৰাষ্ট্রত অতি জনপ্রিয়। দক্ষিণ কংকনৰ 'দশাৱতাৰ' কর্ণাটকৰ 'যক্ষগান'ৰ লগত সাদৃশ্যযুক্ত। গুজৰাটৰ আগশাৰীৰ লোকনাট্য 'ভাৱাই'ৰ দৰে 'দাংগী' জনজাতিসকলৰ মাজত প্রচলিত 'দাংগী তামাশা' সমানেই জনপ্রিয়। উত্তৰ প্রদেশ আৰু বিহাৰত 'নউটংকী' ৰূপটো প্রধানৰূপে বিবেচিত হৈছে। অসমত বিহু, ওজাপালি, কামৰূপী আৰু গোৱালপৰীয়া লোকগীতৰ বিভিন্ন ৰূপ পৰিলক্ষিত হয়। বৈষ্ণৱ কবি শংকৰদেৱৰ দ্বাৰা ৰচিত এক অংকযুক্ত অংকীয়া নাটসমূহ অসমৰ অতি জনপ্রিয় আৰু পৰিচিত লোক নাট্যৰূপ। তাৰ লগতে অৱস্থান কৰিছে বড়ো আৰু মেচসকলৰ বৈসাখু। অৰুণাচল প্রদেশে ইয়াৰ মপিন উৎসৱক লৈ গৌৰৱ কৰিব পাৰে। তামিলনাডু ইয়াৰ এক প্রকাৰৰ বাটৰ নাট 'টেৰুকুট্টু'ৰ বাবে জনাজাত। এইদৰে ব্যক্তিগত সংযোগ বিজৰিত অসংখ্য লোক কলাকৃতি ভাৰতৰ সর্বত্রতে সিচঁৰতি হৈ আছে। ড° ভূপেন হাজৰিকাৰ মতে, 'চলচিত্র আৰু দূৰদর্শন মাধ্যমৰ আগমনৰ লগে লগে চমক (Glamour) ৰ চাম (label) মাৰি সূক্ষ্ম ৰুচিসম্পন্ন লোক কলাকৃতিসমূহক বিকৃত কৰাৰ প্রৱণতা এটাই গা কৰি উঠিছিল। এনেদৰে এটা অগতানুগতিক

ধৰণৰ 'গণসংস্কৃতি' সৃষ্টি কৰাৰ ফলত ভাৰতীয় সংস্কৃতিৰ ঘাই শিপাডালকে আঘাত কৰাৰ নিচিনা হৈছিল। এইদৰে বাৰে মিহলি বিকৃত আৰু অশ্লীল উপাদান কিছুমানৰ অন্তর্ভুক্তিয়ে এই মাধ্যমটোক বাণিজ্যিকভাৱে অধিক জনপ্রিয় আৰু আবেদনক্ষম কৰি তুলিব বুলি একাংশ সংযোগকাৰীয়ে ভাবিছিলে। আজি আমাৰ দেশত এনেধৰণৰ অনেক উদাহৰণ প্রত্যক্ষ কৰিবলৈ পাওঁ। বিশেষকৈ মূল ধাৰাৰ চলচিত্রসমূহত এনেধৰণৰ বিকৃত উপস্থাপন অধিক মাত্রাত দেখা যায়। অথচ সেই চলচিত্র নির্মাতাসকলে এইটো উপলব্ধি কৰা নাই যে তেওঁলোকে কেনে কৰাৰ ফলত কিমান ডাঙৰ ক্ষতি হৈছে। সংস্কৃতিৰ এনে বিবৃতিকৰণ সংগীত আৰু নৃত্যৰ এই দুয়োটাতে পৰিব্যাপ্ত হৈ পৰিছে। সময় থাকোতেই ভাৰতৰ 'গীত আৰু নাট বিভাগ'-এ এই ক্ষেত্রত সময়োপযোগী পদক্ষেপ গ্রহণেৰে পাৰস্পৰিক সংযোগ আৰু পাৰস্পৰিক গোটৰ সংযোগৰ শক্তিশালী ভেটি গঢ়ি তুলিব লাগে যাতে গণ অংশগ্রহণ আৰু শুদ্ধ ব্যাখ্যাৰ দ্বাৰা গ্রাম্য জনসমষ্টিৰ 'গণসংস্কৃতি'ৰ উপযুক্ত মূল্যায়ন হয়।

এই সকলোবিলাক কার্য সংৰক্ষণৰ বাবে বাণীবদ্ধ হ'ব লাগে আৰু চলচিত্রকৰণ হ'ব লাগে। লোক সংস্কৃতিৰ লগত ভাল পৰিচয় থকা এদল কর্মীয়ে নব্য ইলেকট্রনিক মাধ্যম আৰু তৃণমূল পর্যায়ত অৱস্থিত জীৱন্ত গ্রাম্য গণসংস্কৃতিৰ মাজত সংযোগকাৰী সেতু ৰূপে কাম কৰিব লাগিব।

অন্যান্য মাধ্যমৰ লগত হোৱা লোক মাধ্যমৰ এই সংযুতিত তেওঁৰ দৃষ্টিভংগী এইদৰে প্রকাশ কৰি গৈছে, এইটো লোক সংগীতৰ পৰা আহৰণ কৰা যোগাযোগ আৰু জ্ঞানৰ তত্ত্ব। 'ভাৰতবর্ষত ৰেডিঅ' আৰু দূৰদর্শন সম্পূর্ণভাৱে চৰকাৰী অনুষ্ঠান। বেচৰকাৰী নির্মাতাসকলৰ দ্বাৰা নির্মিত চলচিত্রসমূহৰ বেছিভাগেই বিজ্ঞাপনধর্মী প্রচাৰ মাথোন। যিবিলাকে পৰম্পৰাক বিকৃত কৰে। গাঁওসমূহৰ প্রকৃত পৰম্পৰা আৰু ঐতিহ্যই এনে বিজ্ঞাপনধর্মিতাক সমীহ কৰে। মার্ডক আৰু গোল্ডিং আদিকে ধৰি অধিকাংশ সমাজতত্ত্ববিদে এই অভিমতৰ লগত একমত হোৱা নাই। য'ত কোৱা হৈছে যে 'আমি কেনে ধৰণৰ সমাজ লাভ কৰিব পাৰো সেয়া সংযোগৰ আর্হিসমূহে নিৰূপণ কৰে।' যিহেতু তৃতীয় বিশ্বৰ দেশসমূহকে ধৰি সমগ্র পৃথিৱীতে দূৰদর্শন গণ সংযোগৰ আটাইতকৈ শক্তিশালী মাধ্যমৰূপে পৰিগণিত হৈছে, ইয়াত ভাৰতীয় টেলিভিছনৰ তুলনাত লোকসংস্কৃতি আৰু পৰম্পৰাগত মাধ্যমৰ বিষয়ে কিছুমান মন্তব্য ইয়াত অনুক্রমিকভাৱে থাকিব। চৰকাৰী নীতিৰ সমালোচনা কৰি তেওঁ কৈছে, '১৯৮২-৮৩ৰ বছৰেকীয়া প্রতিবেদনত উল্লেখ আছে যে সমগ্র দেশতে প্রযুক্তিবিদ্যাৰ দ্রুত বিকাশৰ লগতে ভিন্ন সমাজ-সংস্কৃতিক আৰু ভাষিক বৈশিষ্ট্যযুক্ত দেশৰ বিভিন্ন অঞ্চললৈ টেলিভিছন নেটৱর্কৰ সম্প্রসাৰণে টেলিভিছনৰ ছফট্ৱেৰৰ লগত জড়িত দিশসমূহে বিশেষ গুৰুত্ব লাভ কৰিছে।'

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৪। লোক মাধ্যম কি? কেইটামান লোকমাধ্যমৰ নাম লিখা

.....

.....

.....

প্রশ্ন নং ৫। ড° ভূপেন হাজৰিকাই কেনেকৈ তেওঁৰ শিল্পীজীৱন আৰম্ভ কৰিছিল। আলোচনা কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৬। আমাৰ দেশত প্রচলিত হৈ থকা আৰু কেইটামান জনপ্রিয় লোকসংস্কৃতিৰ নাম লিখক।

.....

.....

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে ড° ভূপেন হাজৰিকা এগৰাকী বহুমুখী প্রতিভাৰ অধিকাৰী ব্যক্তি আছিল। তেওঁ কলা আৰু সংস্কৃতিৰ জগতখনলৈ যথেষ্ট অৱদান আগবঢ়াই গৈছে। এগৰাকী কবি, সংগীতকাৰ, গায়ক, অভিনেতা, সাংবাদিক, লেখক আৰু চলচিত্রকাৰ ৰূপে ড° হাজৰিকাই আন্তঃৰাষ্ট্রীয় প্রেক্ষাপটত অসমৰ সংস্কৃতি আৰু পৰম্পৰাক প্রতিষ্ঠা কৰি গ'ল। তেওঁ সদায় গণ সংস্কৃতি আৰু লোকসংস্কৃতিৰ ওপৰত গুৰুত্ব দিছিল। সর্বসাধাৰণ জনগণৰ মাজত তেওঁৰ গোষ্ঠীগত সম্প্রতি বিশ্বজনীন, ন্যায় আৰু সহমর্মিতা আদি বিষয়বস্তুক ভিত্তি কৰি ৰচিত গীতসমূহ যথেষ্ট জনপ্রিয়। তেওঁৰ মতে, চলচিত্র আৰু দূৰদর্শন মাধ্যমৰ দ্বাৰা পৰিব্যাপ্ত হোৱা পৰম্পৰা আৰু সংস্কৃতিৰ বিকৃতিকৰণক লোকসংস্কৃতিৰ দ্বাৰা পুনঃগঠন কৰিব পাৰি। যিয়ে জনগণক মন্ত্রমুগ্ধ কৰে আৰু জনগণলৈ যোগাত্মক বার্তা প্রেৰণ কৰিব পাৰে। ইলেকট্রনিক মাধ্যমৰ যোগেদি হ'বলগীয়া গণসংযোগৰ প্রসাৰ এতিয়াও সীমাবদ্ধ হোৱাৰ হেতুকে লোক মাধ্যমে পাৰস্পৰিক

সংযোগ আৰু পাৰস্পৰিক গোটৰ গণ সংযোগৰ মাধ্যম হিচাপে কাম কৰিব পাৰে। নগৰীয়া অঞ্চলসমূহত লোক মাধ্যমসমূহে ধর্মীয়, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক সমস্যাসমূহৰ প্রসংগত মনোৰঞ্জনমূলক তথ্য আৰু শিক্ষাৰ যোগান ধৰে। এই সকলোবিলাক চলচিত্রকৰণ হ'ব লাগে। লোক সংস্কৃতিৰ লগত ভাল পৰিচয় থকা এদল কর্মীয়ে নব্য ইলেকট্রনিক মাধ্যম আৰু তৃণমূল পর্যায়ত অৱস্থিত জীৱন্ত গ্রাম্য গণসংস্কৃতিৰ মাজত সংযোগকাৰী সেতু ৰূপে কাম কৰিব লাগিব।



১০.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। ড° ভূপেন হাজৰিকা ৰচনাৱলী (২০০৮)। দ্বিতীয় খণ্ড এছ এইচ শৈক্ষিক ন্যাসৰ দ্বাৰা প্রকাশিত।

১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ড° ভূপেন হাজৰিকা এগৰাকী জনপ্রিয় কবি, সংগীতকাৰ, গায়ক, অভিনেতা, সাংবাদিক, লেখক আৰু চলচিত্রকাৰ আছিল। আন্তঃৰাষ্ট্রীয় প্রেক্ষাপটত তেওঁ অসমীয়া সমাজৰ পৰিচয় প্রতিষ্ঠা কৰি গ'ল। গোষ্ঠীগত সম্প্রীতি, বিশ্বজনীন ন্যায় আৰু সহমর্মিতাক ভিত্তি কৰি ৰচিত হোৱা তেওঁৰ গীতসমূহে ৰাষ্ট্রীয় সংহতি, সকাৰাত্মক অনুভূতি আৰু শুভ চিন্তাৰ উন্মেষ হোৱাত সহায় কৰিছে।

২ নং প্রশ্নৰ উত্তৰঃ সমগ্র ভাৰততে পৰম্পৰাগত লোক মাধ্যমৰ শিক্ষক বা এগৰাকী মহান গণসংযোগকাৰী ৰূপে ড° ভূপেন হাজৰিকা জনাজাত। গণসংযোগৰ বিষয়ত তেওঁ ডক্টৰেট উপাধি লাভ কৰিছিল। গণ মাধ্যমৰ বিভিন্ন দিশত তেওঁ পাৰদর্শিতা দেখুৱাইছিল। তেওঁ এগৰাকী কবি, সংগীতকাৰ, গায়ক, অভিনেতা, সাংবাদিক, লেখক আৰু সফল চলচিত্রকাৰ আছিল।

৩ নং প্রশ্নৰ উত্তৰঃ ড° ভূপেন হাজৰিকাক পদ্মশ্রী, পদ্ম বিভূষণ, দাদা চাহেব ফাল্কে বঁটা, সংগীত নাটক অকাডেমী বঁটা আৰু পদ্ম বিভূষণ বঁটাৰে সন্মানিত কৰা হৈছে।

৪ নং প্রশ্নৰ উত্তৰঃ লোক মাধ্যম হৈছে এনে এটা মাধ্যম যাৰ জৰিয়তে স্থানীয় মানুহে অংশগ্রহণ কৰিব পাৰে। বিষয়বস্তু আৰু দৃষ্টিকোণৰ পৰা ই সমসাময়িক অন্যান্য শিল্প ৰূপতকৈ পৃথক। ওজাপালি, ভাওনা, সত্রীয়া নৃত্য, লোকগীত, বনগীত, বিহু আদি হৈছে অসমত প্রচলিত জনপ্রিয় লোক উপাদান।

৫ নং প্ৰশ্নৰ উত্তৰঃ ড° ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ইন্দ্ৰমালতী' (১৯৩৯) নামৰ চলচিত্ৰখনত তেওঁৰ জীৱনৰ প্ৰথম দুটা গীত পৰিৱেশন কৰিছিল। 'কাষতে কলচি লৈ' আৰু 'বিশ্ব বিজয়ী নজোৱান' এই গীত দুটি তেওঁ ১২ বছৰ বয়সতে গাইছিল। ১৩ বছৰ বয়সতে তেওঁ জীৱনৰ প্ৰথম গীত 'অগ্নিযুগৰ ফিৰিঙতি মই' ৰচনা কৰিছিল। এইদৰেই এগৰাকী গীতিকাৰ, গায়কৰূপে তেওঁ শিল্পীজীৱনৰ আৰম্ভণি কৰিছিল।

৬ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতৰ কিছুমান জনপ্ৰিয় পৰম্পৰাগত উপাদান হ'ল— 'উত্তৰ প্ৰদেশৰ জনপ্ৰিয় বেলাড 'আহ্লা', দক্ষিণ কংকনৰ দশাৱতাৰ; কৰ্ণাটকক 'গি-গি', তামিলনাডুৰ ভিল্লু পাট্টু, 'থেৰুকুথ্থু', কৰ্ণাটকৰ 'যক্ষগান', বেংগলৰ 'কীৰ্তন', 'ভাটৱলী', বেউল, কবিৰ গান, 'যন্ত্ৰ', গুজৰাটৰ 'ভাৱই', 'দাংগী তামাশা', মহাৰাষ্ট্ৰৰ 'তামাশা', অসমৰ 'ওজাপালি', 'কামৰূপী আৰু গোপালপৰীয়া লোকগীত', সত্ৰীয়া নৃত্য, লোকগীত, বৰগীত, বনগীত আৰু 'বিহু' আৰু অন্ধ্ৰপ্ৰদেশৰ 'বুৰকাথা'।



১০.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ঃ ভূপেন হাজৰিকাই কেতিয়া তেওঁৰ ডক্টৰেট ডিগ্ৰী লাভৰ বাবে প্ৰয়োজনীয় গৱেষণা পত্ৰখন সম্পূৰ্ণ কৰিছিল? তেওঁৰ গৱেষণা পত্ৰখনৰ বিষয়বস্তু কি আছিল?

প্ৰশ্ন ২ঃ ভূপেন হাজৰিকাই গোৱা প্ৰথম গীতটো কি? তেওঁ কোনখন কথাছবিৰ বাবে এই গীতটো গাইছিল?

(খ) চুটি প্ৰশ্ন - (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১ঃ 'ৰোমাঞ্চৰ পৰা আৰম্ভ কৰি সামাজিক আৰু ৰাজনৈতিক মতামত প্ৰকাশলৈকে বিভিন্ন বিষয়বস্তু সামৰি গীত ৰচনা কৰা ভূপেন হাজৰিকা তেওঁৰ কাব্যিক তথা উপদেশমূলক সৃষ্টিৰ বাবে জনাজাত আছিল।'- আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতত লোক মাধ্যমবোৰৰ বৈশিষ্ট্য বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন - (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১ঃ কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত ড° ভূপেন হাজৰিকাৰ অৱদান আলোচনা কৰক।

প্ৰশ্ন ২ঃ ড° ভূপেন হাজৰিকাই কেনেদৰে বিশ্বমঞ্চত উত্তৰ-পূৱ ভাৰতৰ সংস্কৃতি প্ৰচাৰ কৰিছিল আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ লোক মাধ্যম আৰু বৈজ্ঞানিক মানসিকতা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ লোকমাধ্যম আৰু বৈজ্ঞানিক মানসিকতা

১১.৪ লোক মাধ্যম সংযোগৰ ক্ষেত্রত থকা অসুবিধাসমূহ

১১.৫ সাংস্কৃতিক মঞ্চ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা লোক মাধ্যমৰ ব্যৱহাৰ

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতি খতিয়ান

১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- লোক মাধ্যম আৰু বৈজ্ঞানিক মানসিকতাৰ মাজৰ সংগতি নিৰূপণ কৰিব পাৰিব
- লোক মাধ্যম সংযোগৰ অসুবিধাসমূহ বুজি পাব
- সাংস্কৃতিক মঞ্চ আৰু ৰাজ্য চৰকাৰে কেনেকৈ লোক মাধ্যম ব্যৱহাৰ কৰে।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি লোক মাধ্যমলৈ ভূপেন হাজৰিকাৰ অৱদানৰ সম্পর্কে আলোচনা কৰিছিলোঁ। এই অধ্যায়ত আমি লোক মাধ্যম আৰু বৈজ্ঞানিক মানসিকতাৰ মাজত থকা সংগতি নিৰূপন কৰিবলৈ পাৰিব।

১১.৩ লোক মাধ্যম আৰু বৈজ্ঞানিক মানসিকতা

লোকমাধ্যম হৈছে সাংস্কৃতিক আৰু প্রদর্শনী কলাৰ জৰিয়তে তথ্যৰ সৃজনাত্মক বিস্তাৰ। পৰম্পৰাগত সমাজত লোক মাধ্যম যেনে- নাটক, প্রসহন, কবিতা, গল্প, সাঁথৰ, গীত আৰু নৃত্য আদিক জনপ্রিয়তা আৰু কৃতকার্যতাৰে সৈতে তথ্য বিস্তাৰ আৰু অগ্রজৰ পৰা অনুজ প্রজন্মলৈ জ্ঞান প্রবহিত কৰাৰ কামত ব্যৱহাৰ কৰা হয়। ব্যক্তি এজনৰ জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন সংস্কৃতিত ভিন্ন লোকমাধ্যম দেখা যায়। উদাহৰণস্বৰূপে বিবাহ, জন্ম উৎসৱ, অন্ত্যেষ্টিক্রড়াৰ ৰীতি-নীতি আৰু সকলো প্রকাৰৰ বিনোদন আৰু উৎসৱ-পার্বনত। আজিৰ পৃথিৱীত সেই একে মাধ্যম জাতীয়

প্ৰেৰণা, সমৰ্থন সংগঠিত কৰা আৰু বিভিন্ন কাৰ্যক্ৰমত অংশগ্ৰহণ আৰু একেটা সময়তে বিনোদন লাভ কৰাৰ কাৰণে ব্যৱহাৰ কৰা হয়। লোক আৰু পৰম্পৰাগত মাধ্যমৰ কিছুমান মুখ্য বৈশিষ্ট্য আছে যিয়ে ইয়াৰ প্ৰভাৱশীলতা আৰু গুৰুত্বক প্ৰমাণ কৰে।

- এইবিলাকৰ ব্যক্তিগত আৰু অন্তৰংগ পৰ্যায়ৰ আকৰ্ষণ
- মিশ্ৰসংস্কৃতিৰ মাজৰ যোগাযোগৰ আসোঁৱাহসমূহ নিবাৰণ কৰিব পৰা যাব।
- তাৎক্ষণিক আৰু প্ৰত্যক্ষ ঘনিষ্ঠতা স্থাপন
- ই কম খৰচী
- ইয়াৰ প্ৰভাৱ বহুলভাবে বিস্তৃত /ব্যাপক
- সম্প্ৰদায়ৰ উন্নতিৰ কাৰণে উপকাৰী
- মাধ্যমটো হৈছে জাতিৰ, কোনো ব্যক্তিৰ, চৰকাৰী নাইবা বেচৰকাৰী প্ৰতিষ্ঠানৰ নহয়।
- ইয়াত সাংস্কৃতিক ঔপনিবেশিকতাবাদ আৰু বৈদেশিক আদৰ্শবাদী প্ৰভূত্বৰ কোনো ভাবুকি নাই।
- কেন্দ্ৰীয়কৃত বাৰ্তাতকৈ স্থানীয় প্ৰতিভা আৰু স্থানীয়কৃত বাৰ্তাৰ ভাৱসাযোগ্যতা অধিক।
- ইয়াৰ সুযোগ বা সুবিধাসমূহ হৈছে- গ্ৰহণযোগ্যতা, সাংস্কৃতিক প্ৰাসংগিকতা, বিনোদন, মূল্য স্থানীয় ভাষাৰ, বৈধতা, নমনীয়তা, বাৰ্তা পুনৰাবৃত্তিৰ ক্ষমতা, তাৎক্ষণিক দ্বিপাক্ষিক সংযোগ ইত্যাদি।

বৈজ্ঞানিক মেজাজক বৰ্ণনা কৰা কোৱা হৈছে যে ই এটা ব্যক্তিগত আৰু সামাজিক চিন্তা প্ৰক্ৰিয়া আৰু কাম কৰাৰ ধাৰা বা পদ্ধতি যিটোৱে বৈজ্ঞানিক প্ৰণালীৰ ব্যৱহাৰ কৰে আৰু ইয়াৰ ফলস্বৰূপে - প্ৰশ্ন কৰা, ভৌতিক সত্যতা পৰ্য্যবেক্ষণ, পৰীক্ষা কৰা, পূৰ্বানুমান কৰা, বিশ্লেষণ কৰা আৰু যোগাযোগ কৰা আদিৰ দৰে পদ্ধতিবোৰ ব্যৱহৃত হ'ব পাৰে। ইয়াক এটা আচৰণ নাইবা মনোভাৱ হিচাপে বৰ্ণনা কৰিব পৰা যায় যিয়ে আলোচনা, বিচাৰ আৰু বিশ্লেষণৰ মাজেৰে যুক্তিৰ মাধ্যমক জড়িত কৰে। জৱহৰলাল নেহৰুৱে (১৯৪৬) "দা ডিচকভাৰি অব ইন্দিয়া" (THE DISCOVERY OF INDIA)ত উল্লেখ কৰিছে ঃ

যিটো বস্তুৰ প্ৰয়োজন সেয়া হৈছে বৈজ্ঞানিক দৃষ্টিভংগী, দুঃসাহসিক আৰু তথাপি মহত্ত্বপূৰ্ণ বিজ্ঞানৰ মনোবৃত্তি সত্য আৰু নতুন জ্ঞানৰ অন্বেষণ, পৰীক্ষা আৰু বিচাৰ নকৰাকৈ কোনো বস্তুৰেই গ্ৰহণ নকৰা। আগতেই লোৱা সিদ্ধান্ত সমূহক নতুন প্ৰমাণেৰে পৰিবৰ্তন কৰাৰ ক্ষমতা, পূৰ্বকল্পিত সূত্ৰৰ ওপৰত বিশ্বাস নকৰি পৰ্যবেক্ষিত তথ্যৰ ওপৰত নিৰ্ভৰ কৰা, মনৰ কঠোৰ শালীনতা- এই সকলোবোৰৰ কেৱলমাত্ৰ বিজ্ঞানৰ ব্যৱহাৰ কৰিবলৈকে নহয়, বৰঞ্চ জীৱন আৰু ইয়াৰ লগত জড়িত বহুতো সমস্যাৰ সমাধানৰ কাৰণেও প্ৰয়োজন।

আজিৰ যুগত ভাৰতৰ নিচিনা উন্নয়নশীল দেশবিলাকে নিৰাপদ খাদ্য সামগ্ৰী যোগানৰ আৰু সম্পদৰ পৰা আৰম্ভ কৰি কম খৰচী আৰু ফলপ্ৰসু চিকিৎসালয়লৈকে অত্যাৱশ্যকীয় প্ৰয়োজনীয় বস্তুৰ এখন বহল পথাৰ পূৰ্ণ কৰাৰ আৱশ্যক। নেহেৰুৱে লিখিছিল যে বৈজ্ঞানিক মনোবৃত্তিয়ে, বিজ্ঞানৰ সেই কাৰ্যক্ষেত্ৰ য'ত প্ৰথাগতভাবে বিজ্ঞানৰ সীমা বুলি বুজা যায়, তাৰ বাহিৰত বুজায়,

আৰু চুড়ান্ত উদ্দেশ্যসমূহৰ, সৌন্দর্যৰ,. মহত্ত্বৰ আৰু সততাৰ বিবেচনা বিলাকো বৈজ্ঞানিক মনোবৃত্তিয়ে সামৰি লয়। নেহেৰুৱে এইটোও যুক্তি দৰ্শাই যে বৈজ্ঞানিক মনোবৃত্তি ধৰ্মৰ প্ৰণালীৰ বিপৰীত যিয়ে আবেগ আৰু অনুভূতিৰ ওপৰত নিৰ্ভৰ কৰে আৰু যাক অপপ্ৰয়োগ কৰা হয় "জীৱনৰ সকলো ক্ষেত্ৰত, আনকি সেইবিলাক বস্তুৰ ক্ষেত্ৰতো যিবিলাক বিচক্ষণীয় অনুসন্ধান আৰু পৰ্যবেক্ষণৰ যোগ্য"। ধৰ্মৰ প্ৰৱণতা হৈছে চিন্তাশক্তিক বন্ধ কৰা আৰু উৎপন্ন কৰা "অসহিষ্ণুতা, বিশ্বাসপ্ৰৱণতা আৰু অন্ধবিশ্বাস, আবেগ প্ৰৱনতা আৰু অতর্কবুদ্ধিবাদ" আৰু "নিৰ্ভৰশীল আৰু পৰাধীন ব্যক্তিৰ মনোবৃত্তি" বৈজ্ঞানিক মনোবৃত্তি হৈছে "স্বাধীন মানুহৰ মনোবৃত্তি"। তেওঁ ইয়াকো আঙুলিয়াই দেখুৱাইছে যে বৈজ্ঞানিক মনোবৃত্তি বস্তুনিষ্ঠতাৰ উৰ্দ্ধত আৰু সৃজনশীলতা আৰু উন্নতিক উৎসাহিত কৰে। তেওঁ কল্পনা কৰিছিল যে বৈজ্ঞানিক মনোবৃত্তিৰ বিস্তাৰে ধৰ্মীয় চিন্তাধাৰাৰ কাৰ্যক্ষেত্ৰখনক সংকুচিত কৰি পেলাব আৰু "সতেজ আৰু কেতিয়াও ৰুধিব নোৱাৰা আবিস্কাৰসমূহৰ আকৰ্ষণীয় আৰু দুঃ সাহসিক অভিযান নতুনৰকৈ উদিত পৰিদৃশ্য আৰু জীৱন ধাৰণৰ নতুন উপায়সমূহে আগতকৈ উন্নত আৰু সম্পূৰ্ণ কৰি জীৱনক পৰিপূৰ্ণ কৰি তুলিব। এইকথা বুজিবলৈ মানুহে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ জ্ঞানৰ আহৰণ কৰিব লাগিব অলপ পৃথক প্ৰকৃতিৰে।

তথ্য আৰু সম্প্ৰচাৰ প্ৰযুক্তিবিদ্যাৰ বিস্তাৰৰ যোগেদি মানুহে বৰ্হিগামী বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ওপৰত অভিমত আৰু ধাৰণা গঠন কৰিব পাৰে কাৰণ নতুন জ্ঞানৰ ভঁৰাল একেবাৰেই সহজলভ্য হৈ পৰিছে। দূৰ্ভাগ্যবশত, ভাৰতৰ গাঁওসমূহত উন্নয়ন, শিক্ষাৰ নিম্ন সুবিধা সজাগতাৰ অভাৱ আৰু দৰিদ্ৰ আৰ্থসামাজিক অৱস্থাৰ দ্বাৰা দোষযুক্ত হৈ আছে। ইয়ে উন্নয়নৰ ক্ষেত্ৰত স্থবিৰতাৰ সৃষ্টি কৰিছে। দেশৰ অধিকাংশ মানুহ অশিক্ষিত হোৱাৰ কাৰণে আৰু গণমাধ্যমৰ প্ৰসাৰণ কেৱলমাত্ৰ নগৰ অঞ্চলত সীমাবদ্ধ হৈ থকাৰ কাৰণে তথ্য আৰু শিক্ষাৰ সামগ্ৰী অধিক সংখ্যক মানুহৰ ওচৰত গৈ নাপায়গৈ। এইক্ষেত্ৰত এইকথা প্ৰণিধানযোগ্য যে লোকমাধ্যম ইয়াৰ পূৰ্বউল্লেখিত সুবিধাসমূহৰ কাৰনে বৈজ্ঞানিক মনোবৃত্তি উন্নীত কৰাত এটা প্ৰধান ভূমিকা পালন কৰিব পাৰে। ইয়াৰ বিস্তৃত প্ৰসাৰণ আৰু প্ৰভাৱ আছে। ইয়াৰ স্থানীয় প্ৰসংগত সুমধুৰ অভিব্যক্তিৰ কাৰণে, ইয়াৰ ব্যৱহাৰিক প্ৰয়োগৰ কাৰণে আৰু ইয়াৰ বিনোদনৰ উপাদানসমূহৰ কাৰণে। ইয়াক এটা বৈজ্ঞানিক মনোবৃত্তি উন্নীত কৰাৰ এক বিচক্ষণীয় মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পৰা যাব পাৰে যিহেতু ইয়ে ভাষা, বাচ্য, শব্দৰ জটিলতা আৰু আনন্দ, বুজনি, ব্যাখ্যা, আচৰণ আৰু ধাৰণাৰ নিচিনা যোগাযোগৰ আসোঁৱাহসমূহ দূৰ কৰিব পাৰে। পুতলা নাচ বাটৰ নাট আৰু মঞ্চনাটসমূহে বৈজ্ঞানিক মনোবৃত্তি সম্পৰ্কীয় সমস্যাসমূহ অনায়াসে মানুহৰ মাজলৈ লৈ যাব পাৰে। গ্ৰাম্য জনসাধাৰণৰ দৈনন্দিন জীৱন পদ্ধতিৰ লগত লোক মাধ্যমৰ সাদৃশ্যও আছে। লোকমাধ্যমৰ ব্যৱহাৰৰ যোগেদি বিনোদনমূলক যোগাযোগৰ ব্যৱস্থাসমূহে মানুহক শিক্ষা আৰু তথ্য প্ৰদান কৰিব পাৰে।

বৈজ্ঞানিক যোগাযোগত ব্যৱহৃত লোকমাধ্যম কেৱল মাত্ৰ আমোদজনকেই নহয়, ই দ্বিপাক্ষিক যোগাযোগৰ ব্যৱস্থাও কৰি দিয়ে। তদুপৰি ই কম খৰচীত। গ্ৰাম্য জনসাধাৰণৰ সামাজিক পৰিবৰ্তন আকোৱালী লোৱাত অনুপ্ৰেৰণা দিয়াৰ পথত লোকমাধ্যম হৈছে এটা প্ৰয়োজনীয় মাধ্যম যিয়ে সাধাৰণ জনসাধাৰণৰ সামূহিক উন্নয়নৰ এটা গঠনমূলক উপায়ো স্থাপন কৰে আৰু জনসাধাৰণৰ

মাজত বৈজ্ঞানিক মনোবৃত্তি গঢ় দিব পাৰে। লোকমাধ্যমে জনসাধাৰণৰ অংশগ্রহণ আৰু স্বতঃস্ফূর্ত ভাৱত উদগনি যোগায়। বিজ্ঞান আৰু প্রযুক্তিৰ জ্ঞান, কৃষি, স্বাস্থ্য আৰু পৰিবেশ সম্বন্ধীয় তথ্যৰ জ্ঞান উন্নয়নৰ কাৰণে অতিকৈ প্রয়োজনীয় লোকমাধ্যমৰ আহিলাসমূহৰ মাজেৰে ফলপ্রসু যোগাযোগে ইয়াৰ বিতৰণত এটা প্রধান ভূমিকা পালন কৰিব পাৰে। ইয়ে উন্নত কৃষি পথাৰ, বিভিন্ন ৰোগৰ সজাগতা ব্যক্তিগত পৰিস্কাৰ-পৰিচ্ছন্নতা, সুস্বাস্থ্যকৰ পুষ্টি, উন্নত সামাজিক আৰু অর্থনৈতিক বিকাশৰ জ্ঞানসমৃদ্ধ এটা জাতি গঠন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১। লোকমাধ্যমৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন নং২। বৈজ্ঞানিক মনোবৃত্তি কি?

.....

.....

১১.৪ লোকমাধ্যম সংযোগৰ ক্ষেত্রত থকা অসুবিধাসমূহ

যোগাযোগ আৰু বিনোদনৰ বৈদ্যুতিক প্রক্রিয়াৰ আর্বিভাৱৰ ফলত নতুন প্রজন্মৰ পৰিবর্তনমূখী চেতনা আৰু বিশদভাবে নিম্নগামী উপভোক্তাৰ বাবে পৰম্পৰাগত কলা সমূহ বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। এই সমস্যা সমাধানৰ এটা উপায় এনেকুৱা হ'ব পাৰে যে পৰম্পৰাগত মূল নাইবা আধুনিকতাৰ দিশত প্রয়োজনীয় অগ্রসৰতা কোনোটোকে বাধা প্রদান নকৰি দুয়োটা কলাৰ ধাৰাৰ মাজৰ সংগতিক জোৰা লগোৱা। বজাৰত একেধৰণৰ কম মূল্যৰ খণ্ডনির্মিত সামগ্রীৰ পয়োভৰৰ বাবেই এনেকুৱা কলাৰ বিভাগসমূহ বৃত্তিৰ ধাৰা হিচাপে বাচি থকা দেখা নাযায়। উর্দ্ধগামী প্রবজনে এনেকুৱা কলাসমূহৰ অনুশীলন কৰা মানুহৰ সংখ্যা আৰু কম কৰি পেলাইছে। পৰম্পৰাগত পুতলা নাচক বিনোদনৰ এটা ভাগ হিচাপে সামাজিক মাধ্যম আৰু দূৰদর্শনে স্থানান্তৰিত কৰিছে। বর্তমান অর্থনৈতিক ব্যৱস্থাত সেই কলাসমূহৰ কাৰণে বজাৰৰ অভাৱ, যিয়ে তেওঁলোকৰ বহুতকে এই ব্যৱসায়ৰ পৰা আতঁৰাই পঠাইছে। একেধৰণেৰে আন্তঃগাঁথনিৰ আৰু প্রদর্শনীৰ সুবিধাৰ অভাৱ, এই কলাসমূহক বজাৰৰ মাজলৈ অনাৰ অভাৱ আৰু ভৱিষ্যত প্রজন্মলৈ সেই কলাসমূহক লৈ অহাৰ কাৰণে পূঁজিৰ আৰু মানসিকতাৰ অভাৱ-এই সকলোবিলাকে এই কলাসমূহক মন্থৰ গতিত মৃত্যুৰ মুখলৈ থেলি দিছে।

অধিকাংশ শিল্পীৰ মতে পৰম্পৰাগত কলাসমূহে সন্তুষ্টিৰ বাহিৰে আন একো দিয়া নাই। শিল্পীসকলে তেওঁলোকৰ নিম্ন উপার্জনৰ দ্বাৰা এটা মর্যদাপূর্ণ জীৱন অতিবাহিত কৰিবলৈ সক্ষম

নহয়। ইয়ে তেওঁলোকৰ অধিকাংশকে নিয়োজনৰ বেলেগ পন্থা অৱলম্বন কৰিবলৈ বাধ্য কৰিছে। পৰম্পৰাগত কলাসমূহৰ পৃষ্ঠপোষক নাই বুলিয়েই ক'ব পাৰি। এনেকুৱা বিষাদগ্রস্থ প্রত্যাক্ষাৰ বাবে নতুন প্রজন্মৰ অধিক সংখ্যকে এনেধৰণৰ কলাসমূহক পৰিহাৰ কৰি অধিক লাভদায়ক উপার্জনৰ পথসমূহক বাচি লয়। তদুপৰি এই শিল্প সমূহে পৰিবর্তিত সময়ৰ সৈতে খাপখোৱাকৈ স্বতন্ত্রভাৱে নতুনকৈ গঢ় লব পৰা নাই। উদাহৰণস্বৰূপে ক'ড়িয়াট্টম (kodiyattam) থিয়েটাৰ প্রায় মৃত অৱস্থালৈ পর্যবসিত হোৱাৰ এটা প্রধান কাৰণ হৈছে ইয়াৰ কঠোৰ ব্যাকৰণৰ নিয়মানুবর্তিতা যিয়ে কোনোধৰণৰ পৰীক্ষনৰ অনুমতি নিদিয়ে। দেশীয় পৰম্পৰাগত কলাসমূহতকৈ আধুনিক শিল্পৰ বর্দ্ধিত চাহিদা বিশেষকৈ যুৱচামৰ মাজত ইয়াৰ বহুভিন্নতা আৰু সুলক্ষমূল্য আৰু পশ্চাদকালীন অৱহেলা আৰু পুৰণা মাধ্যমক পুর্নজীৱিত কৰা ৰাজনৈতিক সদ্দিচ্ছাৰ অভাৱ- এই সকলো বিলাকে এই ক্ষতিত অৰিহণা যোগাইছে।

অনুদান / জলপানিৰ জৰিয়তে শিল্পীসকললৈ চৰকাৰী সাহায্য দিলে এই কলাসমূহৰ অনুশীলনকাৰীসকলক উৎসাহিত কৰিব। জাতীয় আৰু আন্তর্জাতিক মঞ্চত, যেনে সাংস্কৃতিক সন্মিলন / প্রদর্শনী /উৎসৱ ইত্যাদিৰ দ্বাৰা এই কলাসমূহক জনপ্রিয় কৰি ওপৰত উল্লেখ কৰা সমস্যাসমূহ সমাধান কৰাত ব্যাপক ভাবে সহায়ক হ'ব পাৰে। বিদ্যালয়ত ছাত্র-ছাত্রীক এই কলাৰ বিভিন্ন ভাগসমূহৰ জ্ঞান প্রদান কৰি, তাৰ বাহিৰেও এই কলাসমূহৰ ওপৰত বিশদভাবে বৃত্তিমূলক পাঠ্যক্রম সন্নিবিষ্ট কৰিলে সমস্যা সমাধান কৰাত সহায়ক হ'ব। লোকমাধ্যম সন্মুখীন হোৱা সমস্যাৰ সমাধান কৰাৰ ক্ষেত্রত উপযুক্ত নীতি আৰু ইয়াৰ প্রয়োগৰ প্রয়োজন হ'ব। বিশ্বায়নেও একধৰণে সাংস্কৃতিক সমন্বয়ৰ সৃষ্টি কৰি আছে যাৰ প্রভাৱ প্রত্যক্ষ নাইবা পৰোক্ষভাবে বিদ্যমান। এই লোক মাধ্যমসমূহে কেৱলমাত্র সংস্কৃতিক প্রতিফলিত নকৰে লগতে এইবোৰে দেশীয় বিচক্ষনতাক এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ কঢ়িয়াই লৈ যায়। কলাসমূহ আৰু ইয়াৰ বৃত্তিধাৰী মানুহবিলাক নাইকিয়া হোৱাৰ লগে লগে সমগ্র জ্ঞানভাণ্ডাৰো নাইকিয়া হৈ যায়।

গতিকে এইবিলাকৰ নিম্নগামী সোঁতক ৰোধ কৰিবলৈ পদক্ষেপ লোৱাৰ অতি আৱশ্যক। উপযুক্ত নীতি কার্যকৰী কৰিব লাগিব লোকমাধ্যমৰ বৃত্তিধাৰীসকলক উৎসাহিত কৰিবলৈ পর্যটন উদ্যোগৰ সম্প্রসাৰণ আৰু প্রদর্শনীৰ মাজেৰে তেওঁলোকৰ কলাৰ প্রদর্শন আৰু চৰকাৰে স্থাপন কৰা যাদুঘৰৰ উদ্দেশ্যসমূহ প্রণোদিও কৰি তুলিব লাগিব। শিল্পীসকলকো বিভিন্ন ধৰণৰ সমবায় আৰু সংগঠন তৈয়াৰ কৰাৰ কাৰণে উৎসাহিত কৰিব লাগে যাতে তেওঁলোকৰ কলাসমূহৰ নকল ৰূপক ৰোধ কৰিব পৰা যায় আৰু মধ্যস্তকাৰীসকলক অভাৱনীয় লাভ উপার্জন কৰাৰ পৰা বাধা প্রদান কৰিব পাৰি। তেওঁলোকক শিল্পশালা স্থাপন কৰিবলৈ কার্যক্ষম কৰি তুলিব লাগে য'ত কেৱল তেওঁলোকৰ লৰা-ছোৱালীয়েই নহয় যিকোনো ইচ্ছাকৃত ব্যক্তিয়ে যাতে সেই কাৰিকৰী বিদ্যা শিকিব পাৰে। এইবোৰে তেওঁলোকৰ কলাসমূহৰ প্রদর্শনী আৰু প্রদর্শনী কক্ষ হিচাপে ব্যৱহৃত হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩। বৃত্তি হিচাপে লোকমাধ্যমৰ জনপ্রিয়তা কৰি যোৱাৰ কাৰণসমূহ কি কি?

.....

.....

প্রশ্ন নং ৪। লোকমাধ্যমে সন্মুখীন হোৱা সমস্যাৰ সমাধান কৰিবলৈ এটা পৰামর্শ আগবঢ়োৱাক।

.....

.....

১১.৫ সাংস্কৃতিক আৰু ৰাজ্য চৰকাৰবোৰৰ দ্বাৰা লোক মাধ্যমৰ প্রয়োগ

বিভিন্ন কার্যপ্রণালীৰ মাজেৰে জনসাধাৰণৰ বিজ্ঞানৰ বোধক শক্তিশালী কৰিবলৈ চৰকাৰী আৰু বেচৰকাৰী দুয়ো মঞ্চৰ পৰা প্রচেষ্ট চলোৱা হৈছে। বহুতো স্বেচ্ছাসেৱী সংস্থা যেনে- কেৰেলাৰ শাস্ত্র সাহিত্য পৰিষদ, পিপলচ চাইন্স মুভমেণ্ট আদিয়ে জনসাধাৰণৰ মাজত বিজ্ঞানক লৈ যোৱাৰ কাৰণে সক্রিয়ভাবে নিয়োজিত হৈ আছে, বিশেষকৈ লোক মাধ্যমৰ জৰিয়তে। যেতিয়া ছপা আৰু বৈদ্যুতিক মাধ্যম শিক্ষাৰ পর্যায়ত আৰু প্রবেশাধিকাৰৰ ক্ষেত্রত ঠেক হৈ বান্ধ খাই আছে সেইসময়ত লোকমাধ্যমে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে।

ভাৰতৰ লোকশিল্প লোকনৃত্য, সাধুকথা মহাকাব্য, মালিতা আৰু নাটকৰ এক চহকী ঐতিহ্য আছে যিটো উন্নয়নৰ কামত প্রয়োগ কৰিব পৰা যাব পাৰে। পৰম্পৰাগত মাধ্যম বহু দিনৰে পৰা জাতীয় বিকাশত অৰিহনা যোগোৱাত সক্ষম হৈছে. নাগ, বৈশাখীয়ে উল্লেখ কৰে কেনেদৰে এইটো পোৱা গ'ল যে আলহা (Alha), উত্তৰ প্রদেশৰ জনপ্রিয় মালিতা, আৰু ইয়াৰ প্রতিৰূপ যেনে- মহাৰাষ্ট্রৰ লাভনী (Laavani), কর্ণাটকৰ গি-গি (gee-gee) তামিলনাডুৰ ভিল্লুপাট্টু, আৰু বংগদেশৰ কবি গান (kabi gaan), বৃটিছৰ ঔপনিবেশিকতাৰ বিৰুদ্ধে মানুহক সচেতন কৰাত বিশদভাবে ফলপ্রসু আছিল। পৰম্পৰাগত মাধ্যমে মহাত্মা গান্ধীৰ দ্বাৰা-আৰম্ভ কৰা বহুতো ৰাজনৈতিক আৰু সামাজিক অভিযানত ফলপ্রসু হৈছিল; আৰু ভাৰতৰ স্বাধীনতাৰ পিছত কেন্দ্রীয় চৰকাৰে গ্রাম্য অঞ্চল বিলাকত বিকাশৰ বিভিন্ন , কার্যক্রমত বার্ত্তা পঠাবলৈ আৰু সজাগতা সৃষ্টি কৰিবলৈ এইবোৰ পৰম্পৰাগত প্রদর্শনীমূলক কলাসমূহৰ ব্যৱহাৰ কৰি আহিছে। তৃতীয় বিশ্বৰ বহুতো উন্নয়নৰ লগত জড়িত পৰিকল্পনাকাৰীয়ে পৰম্পৰাগত আৰু লোক মাধ্যমৰ ব্যৱহাৰৰ উপযোগিতাক প্রশংসা কৰিছে; উন্নয়নমূখী কার্য কলাপত এটা যোগাযোগ কৌশলৰ বিকল্প হিচাপে নাট্যশালা ইয়াৰ এটা অংশ। উন্নয়নৰ দ্বাৰা সমর্থিত বিষয়বস্তুৰ নতুন ধাৰণাৰ সৈতে স্থানীয় মানুহ জড়িত হোৱা আৰু দেশীয় আৰু গনমাধ্যমৰ অর্ন্তভূক্তিৰ ফলত লোকমাধ্যম পুনৰ খাপখাবলগা হৈছে। কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰে লোক কলা সমূহক প্রয়োগ কৰিছে যেনে- পৰিয়াল পৰিকল্পনা, উন্নয়নমূলক কার্যপ্রণালী, গণতান্ত্রিক মূল্যবোধ আৰু জাতীয় ঐক্য সাধাৰণ জনতাক শিক্ষা দিবৰ

বাবে হৰিকথাৰ ব্যৱহাৰ কৰিছে (কুমাৰ ১৯৮১)। তিৰাৰী আৰু সিঙে উল্লেখ কৰে কেনেকে প্ৰায় পঞ্চলিশ বছৰ আগত ভাৰতত পৰম্পৰাগত মাধ্যমক উন্নয়ন আৰু শৈক্ষিক যোগাযোগৰ পন্থা হিচাপে আবিস্কাৰ কৰা হৈছে. ইচ্ছাকৃত দিশত মানুহক উদ্বুদ্ধ কৰাৰ পদ্ধতিত ই এটা উল্লেখনীয় আহিলা। ই গ্ৰাম্য জনসাধাৰণক সামাজিক পৰিবৰ্তন আঁকোৱালি লোৱাত সহায় কৰে কাৰণ ই মানুহৰ মাজত পৰিচিত।

ইতিহাসৰ পাতত বাৰে বাৰে ভাৰতৰ পৰম্পৰাগত কলাসমূহৰ সম্প্ৰচাৰ ক্ষমতাক প্ৰতিপন্ন কৰা হৈছে। উন্নয়নশীল দেশবিলাকত যোগাযোগ আৰু বিকাশৰ কৌশলত পৰম্পৰাগত মাধ্যমে ১৯৭২ চনত প্ৰথম উল্লেখনীয় আৰ্ন্তৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছিল যেতিয়া পোন্ধৰটা আৰ্ন্তৰাষ্ট্ৰীয় মুখীয়াল সংগঠনে আৰু UNESCO ই লণ্ডনত লোক আৰু পৰম্পৰাগত মাধ্যমৰ পৰিয়াল পৰিকল্পনাও যোগাযোগ অনুষ্ঠানবিলাকত সংহত ব্যৱহাৰ সম্পৰ্কীয় কেইবাখনো সভা ক্ৰমানুসাৰে কৰিছিল। লোক মাধ্যম যেনে নাট্যশালা আৰু বাটৰ নাটে স্থাপিত মূল্যবোধক ৰক্ষণাবেক্ষণ আৰু শিক্ষণৰ পৰম্পৰাগত ভূমিকাৰ বাহিৰেও প্ৰায়ে ইয়াক নতুন ধাৰণাৰ যোগাযোগ আৰু উন্নীতকৰণত আৰু নতুন সামাজিক আৰু ৰাজনৈতিক শৃংখলাক প্ৰতিষ্ঠিত কৰিবলৈ ব্যৱহাৰ কৰা হয়। পুতলা নাচক সামাজিক সজাগতাৰ লগত সংগতি থকা বাৰ্তা বিস্তাৰৰ বাবে, ঐতিহাসিক আৰু পৰম্পৰাগত পৰিচয়ৰ কাৰণে আৰু নৈতিক মূল্যবোধৰ পদ্ধতিৰ কাৰণেও ব্যৱহাৰ কৰা হয়।

যেতিয়া যোগাযোগৰ লোক মাধ্যম গ্ৰাম্য অঞ্চল বিলাকত বৰকৈ প্ৰবল তেতিয়া চহৰ অঞ্চলতো এইবোৰৰ উপস্থিতি দেখা যায়। বহুতো উন্নয়নশীল দেশে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিছে আৰু ৰাজনৈতিক আৰু সামাজিক জীৱন সম্পৰ্কীয় বিষয়সমূহৰ উন্নীতকৰণত ইয়াৰ ব্যৱহাৰ কৰি আহিছে। উন্নত দেশ বিলাকত লোক যোগা-যোগৰ অৱশেষ পৃথক পৃথক পৰিমাপত জীৱিত হৈ আছে। উন্নয়নশীল দেশবিলাকৰ লোক কলাসমূহত পৰম্পৰাগত আৰু আধুনিক যোগাযোগৰ এটা মিশ্ৰণ আছে। য'ত এইবোৰৰ মাজত এটা অবিৰত আদান-প্ৰদান আৰু পৰস্পৰ প্ৰভাৱ আছে। পৰম্পগাগত আৰু আধুনিক যোগাযোগৰ ব্যৱস্থাৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা পৰিবৰ্তনীয় যোগাযোগৰ ব্যৱস্থাসমূহ নিজকে খাপ-খোৱোৱা আৰু সংস্কাৰ সাধন কৰোৱাৰ কাৰণে লোক মাধ্যমৰ আৱশ্যক। লোককলাৰ মাধ্যমসমূহৰ পুনৰোত্থান অতি প্ৰয়োজনীয় কাৰণ ই আধুনিকতা আৰু উন্নয়নৰ কাৰণে অতি ফলপ্ৰসু যোগাযোগৰ আহিলা হ'ব পাৰে। অবৈজ্ঞানিক ধ্যান-ধাৰণা আৰু অন্ধবিশ্বাস ইত্যাদি যিবিলাক গ্ৰাম্য অঞ্চলৰ মানুহে পৰম্পৰাগতভাবে লাভ কৰে সেইবিলাক পৰিবৰ্তন কৰাৰ ক্ষেত্ৰত লোকমাধ্যম অতি ফলপ্ৰসু হয়। নাগ-বৈশাখীয়ে আৰু উল্লেখ কৰে লোক মাধ্যমৰ সক্ষমতা কিমান ফলদায়ক, কিছুমান জন সম্পৰ্কীয় ৰাজ্যিক দপ্তৰ আৰু অদপ্তৰিক সংস্থা সমূহে লোক মাধ্যমৰ কল্পনাতীত ব্যৱহাৰ কৰে, জীৱন্ত বিনোদনৰ আন্দোলনে ধাৰণা আৰু সংস্কাৰৰ বিস্তাৰৰ ক্ষেত্ৰত এই কলাসমূহক প্ৰয়োগ কৰি বিভিন্ন পৰীক্ষা কৰি আহিছে। গতিকে এইবোৰ লোকমাধ্যমক ধৰি বা জীয়াই ৰখাতো উচিত। আগৰ দফাবিলাকত উল্লেখ কৰা ধৰণে লোক কলাসমূহ বাচি থকাৰ কাৰণে বিভিন্ন সমস্যা আৰু বাধাৰ সন্মুখীন হৈ আছে। দূৰ্ভাগ্যবশতঃ ভাৰতৰ গাঁৱবিলাকে যোগাযোগৰ মাধ্যম হিচাপে মাজে সময়ে সাধাৰণ গনমাধ্যম নাইবা লোকমাধ্যম

কোনোটোৱেই নাপায় আৰু তাৰ ফলস্বৰূপে গুৰুতৰ যোগাযোগ আৰু জ্ঞানৰ ভাগবতৰা হয়। কিছুমান বিশেষ ক্ষেত্ৰত কিছুমান গাঁও অঞ্চলত লোকমাধ্যম একেবাৰে নিৰ্মূল হৈ গৈছে আৰু কিছুমান ক্ষেত্ৰত ইয়াক কেনেকে বিকাশ নাইবা উন্নয়নৰ কাৰণা ফলপ্ৰসুকৈ ব্যৱহাৰ কৰিব পাৰি তাৰ প্ৰতি জনসাধাৰণ সজাগ নহয়। গতিকে আজিৰ সময়ৰ আৱশ্যকতা হৈছে লোকমাধ্যমক বৈদ্যুতিক গণমাধ্যমৰ লগত যথার্থভাবে মিশ্ৰিত কৰি আৰু উন্নয়নৰ কাৰণে যোগাযোগৰ মাজত থকা আসোঁৱাহসমূহ দূৰ কৰি ইয়াৰ পুনৰজীৱিত কৰা আৰু ইয়াৰ উপযুক্ত ব্যৱহাৰ কৰা। নিঃচিহ্ন হ'ব ধৰা পৰম্পৰাগত কলাসমূহক ৰক্ষা কৰিবৰ কাৰণে ভাৰত চৰকাৰে বিভিন্ন যাদুঘৰ লৈ অর্থযোগান ধৰি আহিছে। ইয়াৰ উপৰি চৰকাৰ আৰু বিভিন্ন সাংস্কৃতিক সংগঠনে লোককলাসমূহক গণ মাধ্যমৰ লগত সংযোগ স্থাপন কৰিবলৈ সহায় কৰা উচিত। যাতে ই বৃত্তিৰ কাৰণে উপযুক্ত উদ্যোগ হৈ উঠে। চৰকাৰে বছৰেকীয়া সাংস্কৃতিক উৎসৱ পাতিব লাগে য'ত এনেকুৱা পৰম্পৰাগত বিনোদনৰ কলাসমূহক যুৱচামৰ মাজত জনপ্ৰিয় কৰিব পৰা যায়। এই প্ৰচেষ্টাসমূহে লোক মাধ্যমক উন্নয়নৰ এটা শক্তিশালী আহিলা হিচাপে ব্যাপক ভাবে ইয়াৰ সামর্থক বৃদ্ধি কৰাত সহায় কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ পিপলচ চাইন্স মুভমেণ্টৰ পোষকতা কৰিবলৈ ব্যৱহৃত এটা লোককলাৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৬ঃ জাতীয় বিকাশত অৰিহণা যোগোৱা কেইটামান পৰম্পৰাগত মাধ্যমৰ উল্লেখ কৰা।

.....

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- (ব্যক্তি এজনৰ জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন সংস্কৃতিত ভিন্ন লোকমাধ্যম দেখা যায়। উদাহৰণস্বৰূপে বিবাহ, জন্ম উৎসৱ, অন্ত্যেষ্টিক্ৰড়াৰ ৰীতি-নীতি আৰু সকলো প্ৰকাৰৰ বিনোদন আৰু উৎসৱ-পার্বনত। আজিৰ পৃথিৱীত সেই একে মাধ্যম জাতীয় প্ৰেৰণা, সমর্থন সংগঠিত কৰা আৰু বিভিন্ন কার্যক্ৰমত অংশগ্ৰহণ আৰু একেটা সময়তে বিনোদন লাভ কৰাৰ কাৰণে ব্যৱহাৰ কৰা হয়। লোক আৰু পৰম্পৰাগত মাধ্যমৰ কিছুমান মুখ্য বৈশিষ্ট্য আছে যিয়ে ইয়াৰ প্ৰভাৱশীলতা আৰু গুৰুত্বক প্ৰমাণ কৰে।

- বৈজ্ঞানিক যোগাযোগত ব্যৱহৃত লোকমাধ্যম কেৱল মাত্ৰ আমোদজনকেই নহয়, ই দ্বিপাক্ষিক যোগাযোগৰ ব্যৱস্থাও কৰি দিয়ে। তদুপৰি ই কম খৰচীত। গ্ৰাম্য জনসাধাৰণৰ সামাজিক পৰিবৰ্তন আকোৱালী লোৱাত অনুপ্ৰেৰণা দিয়াৰ পথত লোকমাধ্যম হৈছে এটা প্ৰয়োজনীয় মাধ্যম যিয়ে সাধাৰণ জনসাধাৰণৰ সামূহিক উন্নয়নৰ এটা গঠনমূলক উপায়ো স্থাপন কৰে আৰু জনসাধাৰণৰ মাজত বৈজ্ঞানিক মনোবৃত্তি গঢ় দিব পাৰে
- যোগাযোগ আৰু বিনোদনৰ বৈদ্যুতিক প্ৰক্ৰিয়াৰ আৰ্বিভাৱৰ ফলত নতুন প্ৰজন্মৰ পৰিবৰ্তনমূখী চেতনা (ধাৰা) আৰু বিশদভাবে নিম্নগামী উপভোক্তাৰ বাবে পৰম্পৰাগত কলা (শিল্প) সমূহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে।
- বিশ্বায়নেও একধৰণে সাংস্কৃতিক সমন্বয়ৰ সৃষ্টি কৰি আছে যাৰ প্ৰভাৱ প্ৰত্যক্ষ নাইবা পৰোক্ষভাবে বিদ্যমান। এই লোক মাধ্যমসমূহে কেৱলমাত্ৰ সংস্কৃতিক প্ৰতিফলিত নকৰে লগতে এইবোৰে দেশীয় বিচক্ষনতাক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কঢ়িয়াই লৈ যায়। কলাসমূহ আৰু ইয়াৰ বৃত্তিধাৰী মানুহবিলাক নাইকিয়া (হেৰাই যোৱাৰ) হোৱাৰ লগে লগে সমগ্ৰ জ্ঞানভাণ্ডাৰো নাইকিয়া হৈ যায়।
- ভাৰতৰ লোকশিল্প লোকনৃত্য, সাধুকথা মহাকাব্য, মালিতা আৰু নাটকৰ এক চহকী ঐতিহ্য আছে যিটো বিকাশৰ (উন্নয়নৰ) কামত প্ৰয়োগ কৰিব পৰা যাব পাৰে।
- যেতিয়া যোগাযোগৰ লোক মাধ্যম গ্ৰাম্য অঞ্চল বিলাকত বৰকৈ প্ৰবল তেতিয়া চহৰ অঞ্চলতো এইবোৰৰ উপস্থিতি দেখা যায়। বহুতো উন্নয়নশীল দেশে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিছে আৰু ৰাজনৈতিক আৰু সামাজিক জীৱন সম্পৰ্কীয় বিষয়সমূহৰ উন্নীতকৰণত ইয়াৰ ব্যৱহাৰ কৰি আহিছে।



১১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Kumar, Keval J. (2010).Mass Communication in India, Mumbai: Jaico Publishing House.
2. Madhusudhan, K. (2006). Traditional Media and Development Communication. New Delhi': Kanishka publishers.

১১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লোকমাধ্যম হৈছে সাংস্কৃতিক আৰু প্ৰদৰ্শনী কলাৰ জৰিয়তে তথ্যৰ সৃজনাত্মক বিস্তাৰ। পৰম্পৰাগত সমাজত লোক মাধ্যম যেনে- নাটক, প্ৰসহন, কবিতা, গল্প, সাঁথৰ,

গীত আৰু নৃত্য আদিক জনপ্রিয়তা আৰু কৃতকার্যতাৰে সৈতে তথ্য বিস্তাৰ আৰু অগ্রজৰ পৰা অনুজ প্রজন্মলৈ জ্ঞান প্রবহিত কৰাৰ কামত ব্যৱহাৰ কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ বৈজ্ঞানিক মেজাজক বর্ণনা কৰা কোৱা হৈছে যে ই এটা ব্যক্তিগত আৰু সামাজিক চিন্তা প্রক্রিয়া আৰু কাম কৰাৰ ধাৰা বা পদ্ধতি যিটোৱে বৈজ্ঞানিক প্রণালীৰ ব্যৱহাৰ কৰে আৰু ইয়াৰ ফলস্বৰূপে - প্রশ্ন কৰা, ভৌতিক সত্যতা পর্য্যবেক্ষণ, পৰীক্ষা কৰা, পূর্বানুমান কৰা, বিশ্লেষণ কৰা আৰু যোগাযোগ কৰা আদিৰ দৰে পদ্ধতিবোৰ ব্যৱহৃত হ'ব পাৰে। ইয়াক এটা আচৰণ নাইবা মনোভাৱ হিচাপে বর্ণনা কৰিব পৰা যায় যিয়ে আলোচনা, বিচাৰ আৰু বিশ্লেষণৰ মাজেৰে যুক্তিৰ মাধ্যমক জড়িত কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ বজাৰত একেধৰণৰ কম মূল্যৰ খণ্ডনির্মিত সামগ্রীৰ পয়োভৰৰ বাবেই এনেকুৱা কলাৰ বিভাগসমূহ বৃত্তিৰ ধাৰা হিচাপে বাচি থকা দেখা নাযায়। উর্দ্ধগামী প্রবজনে এনেকুৱা কলাসমূহৰ অনুশীলন কৰা মানুহৰ সংখ্যা আৰু কম কৰি পেলাইছে। পৰম্পৰাগত পুতলা নাচক বিনোদনৰ এটা ভাগ হিচাপে সামাজিক মাধ্যম আৰু দূৰদর্শনে স্থানান্তৰিত কৰিছে। বর্তমান অর্থনৈতিক ব্যৱস্থাত সেই কলাসমূহৰ কাৰণে বজাৰৰ অভাৱ, যিয়ে তেওঁলোকৰ বহুতকে এই ব্যৱসায়ৰ পৰা আতঁৰাই পঠাইছে। একেধৰণেৰে আন্তঃগাঁথনিৰ আৰু প্রদর্শনীৰ সুবিধাৰ অভাৱ, এই কলাসমূহক বজাৰৰ মাজলৈ অনাৰ অভাৱ আৰু ভৱিষ্যত প্রজন্মলৈ সেই কলাসমূহক লৈ অহাৰ কাৰণে পুঁজিৰ আৰু মানসিকতাৰ অভাৱ-এই সকলোবিলাকে এই কলাসমূহক মন্থৰ গতিত মৃত্যুৰ মুখলৈ থেলি দিছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ অনুদান / জলপানিৰ জৰিয়তে শিল্পীসকললৈ চৰকাৰী সাহায্য দিলে এই কলাসমূহৰ অনুশীলনকাৰীসকলক উৎসাহিত কৰিব। জাতীয় আৰু আন্তর্জাতিক মঞ্চত, যেনে সাংস্কৃতিক সন্মিলন / প্রদর্শনী /উৎসৱ ইত্যাদিৰ দ্বাৰা এই কলাসমূহক জনপ্রিয় কৰি ওপৰত উল্লেখ কৰা সমস্যাসমূহ সমাধান কৰাত ব্যাপক ভাবে সহায়ক হ'ব পাৰে। বিদ্যালয়ত ছাত্র-ছাত্রীক এই কলাৰ বিভিন্ন ভাগসমূহৰ জ্ঞান প্রদান কৰি, তাৰ বাহিৰেও এই কলাসমূহৰ ওপৰত বিশদভাবে বৃত্তিমূলক পাঠ্যক্রম সন্নিবিষ্ট কৰিলে সমস্যা সমাধান কৰাত সহায়ক হ'ব। লোকমাধ্যম সন্মুখীন হোৱা সমস্যাৰ সমাধান কৰাৰ ক্ষেত্রত উপযুক্ত নীতি আৰু ইয়াৰ প্রয়োগৰ প্রয়োজন হ'ব। বিশ্বায়নেও একধৰণে সাংস্কৃতিক সমন্বয়ৰ সৃষ্টি কৰি আছে যাৰ প্রভাৱ প্রত্যক্ষ নাইবা পৰোক্ষভাবে বিদ্যমান। এই লোক মাধ্যমসমূহে কেৱলমাত্র সংস্কৃতিক প্রতিফলিত নকৰে লগতে এইবোৰে দেশীয় বিচক্ষনতাক এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ কঢ়িয়াই লৈ যায়। কলাসমূহ আৰু ইয়াৰ বৃত্তিধাৰী মানুহবিলাক নাইকিয়া হোৱাৰ লগে লগে সমগ্র জ্ঞানভাণ্ডাৰো নাইকিয়া হৈ যায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন কার্যপ্রণালীৰ মাজেৰে জনসাধাৰণৰ বিজ্ঞানৰ বোধক শক্তিশালী কৰিবলৈ চৰকাৰী আৰু বেচৰকাৰী দুয়ো মঞ্চৰ পৰা প্রচেষ্ট চলোৱা হৈছে। বহুতো স্বেচ্ছাসেৱী সংস্থা যেনে- কেৰেলাৰ শাস্ত্র সাহিত্য পৰিষদ, পিপলচ চাইন্স মুভমেণ্ট আদিয়ে জনসাধাৰণৰ মাজত বিজ্ঞানক লৈ যোৱাৰ কাৰণে সক্রিয়ভাবে নিয়োজিত হৈ আছে, বিশেষকৈ লোক মাধ্যমৰ জৰিয়তে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ আলহা (Alha), উত্তৰ প্ৰদেশৰ জনপ্ৰিয় মালিতা, আৰু ইয়াৰ প্ৰতিৰূপ যেনে- মহাৰাষ্ট্ৰৰ লাভনী (Laavani), কৰ্ণাটকৰ গি-গি (gee-gee) তামিলনাড়ুৰ ভিল্লুপাট্টু, আৰু বংগদেশৰ কবি গান (kabi gaan) বৃটিছৰ ঔপনিবেশিকতাৰ বিৰুদ্ধে মানুহক সচেতন কৰাত বিশদভাবে ফলপ্ৰসু আছিল। পৰম্পৰাগত মাধ্যমে মহাত্মা গান্ধীৰ দ্বাৰা-আৰম্ভ কৰা বহুতো ৰাজনৈতিক আৰু সামাজিক অভিযানত ফলপ্ৰসু হৈছিল; আৰু ভাৰতৰ স্বাধীনতাৰ পিছত কেন্দ্ৰীয় চৰকাৰে গ্ৰাম্য অঞ্চল বিলাকত বিকাশৰ বিভিন্ন , কাৰ্যক্ৰমত বাৰ্ত্তা পঠাবলৈ আৰু সজাগতা সৃষ্টি কৰিবলৈ এইবোৰ পৰম্পৰাগত প্ৰদৰ্শনীমূলক কলাসমূহৰ ব্যৱহাৰ কৰি আহিছে।



১১.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১। লোক মাধ্যমৰ সুবিধাসমূহ কি কি?

প্ৰশ্ন ২। লোকমাধ্যমৰ উন্নীতকৰণত যথাৰ্থ নীতিৰ অৱলম্বনে কি ভূমিকা পালন কৰে?

প্ৰশ্ন ৩। যুৱ প্ৰজন্মৰ কাৰণে লোকমাধ্যম এটা আকৰ্ষণীয় বৃত্তি হয়নে?

(খ) চুটি প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১। লোক আৰু পৰম্পৰাগত মাধ্যমৰ (চৰিত্ৰগত) চাৰিত্ৰিক বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২। জাতীয় উন্নয়নৰ কাৰণে লোকমাধ্যমৰ ব্যৱহাৰ কেনেধৰণে কৰিব পাৰি?

প্ৰশ্ন ৩। লোকমাধ্যমে সন্মুখীন হোৱা বাধাসমূহ কি কি?

(গ) ৰচনা ধৰ্মী প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১। বৈজ্ঞানিক মনোবৃত্তি উন্নীতকৰণত লোক মাধ্যমৰ প্ৰয়োগ কেনেধৰণে কৰিব পাৰি?

প্ৰশ্ন ২। চৰকাৰী আৰু সাংস্কৃতিক সংস্থাসমূহৰ দ্বাৰা গণমাধ্যমৰ (ব্যৱহাৰ) প্ৰয়োগৰ ওপৰত এখন ৰচনা প্ৰস্তুত কৰা।

*** ***** ***

অধ্যায় ১২ ঃ লোকমাধ্যম আৰু স্বাস্থ্য যোগাযোগ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ লোকমাধ্যম আৰু স্বাস্থ্য যোগাযোগ ঃ প্রয়োজনীয়তা আৰু পৰিসৰ
১২.৪ লোক মাধ্যম আৰু স্বাস্থ্য যোগাযোগঃ পৰিস্থিতি অধ্যয়ন
১২.৫ লোকমাধ্যম আৰু স্বাস্থ্য যোগাযোগ ঃ ব্যৱহাৰিক দিশ
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- স্বাস্থ্য যোগাযোগত লোকমাধ্যমৰ প্রয়োজনীয়তা আৰু পৰিসৰৰ বিষয়ে জানিব পাৰিব
- পৰিস্থিতি অধ্যয়ণৰ জৰিয়তে স্বাস্থ্য যোগাযোগত লোক মাধ্যমৰ গুৰুত্বৰ বিশ্লেষণ কৰিব পাৰিব
- স্বাস্থ্য যোগাযোগৰ লোকমাধ্যমৰ অন্তভূৰ্ক্তিকৰণৰ ব্যৱহাৰিতাৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

১২.২ পৰিচয়

পূর্বৰ অধ্যায়টোত আমি লোকমাধ্যম আৰু বৈজ্ঞানিক মানসিকতাৰ সম্পর্কৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়ত আমি বিভিন্ন পৰিস্থিতিৰ অধ্যয়ন আৰু বিশ্লেষণৰ জৰিয়তে লোক মাধ্যম আৰু স্বাস্থ্য যোগাযোগৰ প্রয়োজনীয়তা আৰু পৰিবেশৰ বিষয়ে আলোচনা কৰিব।

যোৱা বছৰবোৰত জনস্বাস্থ্যজনিত সমস্যবোৰ সমাধানৰ ক্ষেত্রত যোগাযোগ উদ্ভাৱনীমূলক ব্যৱহাৰৰ অগ্রগতি আমি দেখা পাইছো। স্বাস্থ্য উন্নয়ন আৰু ক্ষতিশংকাজনিত যোগাযোগত গণমাধ্যমৰ ভূমিকাৰ বিষয়ে বুজাৰ বাবে বহু অধ্যয়ন কৰা হৈছে। এইক্ষেত্রত বিভিন্ন গণমাধ্যমবোৰৰ লগতে লোকমাধ্যমৰ ভূমিকা উলাই কৰিব নোৱাৰি। আনকথাত, নিজৰ ভাষাৰ লোকমাধ্যমৰ সৈতে মানুহবোৰ অধিক পৰিচিত। সেয়ে যোৱা দশকটোত জনস্বাস্থ্য যোগাযোগত লোকমাধ্যমৰ ব্যৱহাৰে বিশেষ গুৰুত্ব লাভ কৰিছে।

১২.৩ লোক মাধ্যম আৰু স্বাস্থ্য যোগাযোগ

প্রয়োজন আৰু পৰিসৰ স্বাস্থ্যৰ তথ্যৰ যোগাযোগ আৰু প্রচাৰেই হৈছে স্বাস্থ্য যোগাযোগৰ আধ্যয়ন। স্বাস্থ্যশিক্ষাৰ মান উন্নত কৰাৰ বাবে জনসাধাৰণৰ মাজত জনস্বাস্থ্যৰ প্রচাৰ আৰু স্বাস্থ্যৰ

শিক্ষা প্রদান ইয়াৰ অন্তর্ভূক্ত বিষয়। জনসাধাৰণ আৰু নির্দিষ্ট পৰিস্থিতি এটাৰ বাবে কার্যকাল স্বাস্থ্য যোগাযোগ কৰিবই লাগিব। স্বাস্থ্য যোগাযোগৰ গৱেষণাবোৰত জনসাধাৰণৰ সু স্বাস্থ্যৰ অটুত ৰখা আৰু ক্ষতিশংকাৰ বিষয়ে অৱগত কৰাৰ বাবে স্বাস্থ্য যোগাযোগৰ কৌশলবৌৰ শুধৰণিৰ কথা চিন্তা কৰিছে। স্বাস্থ্য যোগাযোগ স্বাস্থ্যৰ বিষয়বোৰত জনসাধৰণৰ জ্ঞান বৃদ্ধি, আচৰণ আৰু মানসিকতাৰ সলনি, স্বাস্থ্যসন্মত কাম-কাজ, জনস্বাস্থ্যৰ বাবে অভ্যাস পৰিৱর্তন, স্বাস্থ্যনীতি আৰু সমস্যাসমূহ প্রতি যুক্তি প্রদর্শনে স্থিতি স্পষ্টীকৰণ, স্বাস্থ্যসেৱাৰ চাহিদা আৰু সহযোগিতা বৃদ্ধি আৰু ভ্রান্ত ধাৰমাবোৰৰ বিপক্ষে যুক্তি প্রদর্শন হোৱাতো বিচাৰে।

লোকমাধ্যমে যিহেতু ব্যক্তিএজনৰ আভ্যন্তৰীণ মনৰ কথা কয় সেয়ে ইয়াক স্বাস্থ্য যোগাযোগত ব্যৱহাৰ কৰিব পাৰি। ই স্রোতা-দর্শকৰ লগত পোনপটীয়া সম্পর্ক গঢ়ি তোলে। অতি কম ব্যয়তে ইয়াক ব্যৱহাৰ কৰিব পাৰি আৰু সদায় ব্যৱহৃত ভাষা ব্যৱহাৰ কৰাৰ ফলত স্বাস্থ্য যোগাযোগ স্পষ্ট আৰু বুজিব পৰাধৰণৰ হৈ পৰে। শিক্ষা আৰু মনোৰঞ্জনৰ সমহাৰে স্থানীয় ৰাইজৰ অংশগ্রহণৰ সুবিধা থকাৰ বাবে জ্ঞান প্রদানৰ গুৰুত্ব ইয়াৰ অধিক হৈ পৰে।

উন্নয়নশীল পৃথিৱীত সোঁচৰাজনিত ৰোগ ব্যক্তিৰোধৰ বাবে জনস্বাস্থ্যৰ বা সজাগতাৰ স্বাস্থ্য যোগাযোগে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বহু উন্নয়শীলদেশত আন্তঃব্যক্তি যোগাযোগৰ মাধ্যম হিচাপে লোকমাধ্যম চৰকাৰী জনস্বাস্থ্য আঁচনিৰ প্রচাৰত লোকমাধ্যমে সফলতা লাভ কৰিছে। কার্যকৰী স্বাস্থ্য যোগাযোগে এইক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে।

"The Science of Human Communication" নামৰ গ্রন্থখনত Wilbur Schramm এ (১৯৬৩) কৈছে- যোগাযোগ বিজ্ঞানে জনস্বাস্থ্যৰ দৰে বিষয়বোৰত বিভিন্ন চেনেল আৰু প্রকাৰৰ তথ্য ব্যৱহাৰিক আৰু কৌশলগত সঞ্চালন কৰিব পাৰি আৰু এইবোৰ কেনেদৰে বুজিব পৰাকৈ কার্যকৰী কৰিব পাৰিব তাৰ চেষ্টা কৰে।

"সংযোগ বিজ্ঞানে এই ভিন্নধর্মী প্রক্রিয়া তথা প্রভাৱবোৰৰ লগতে জনস্বাস্থ্যৰ দৰে ক্ষেত্রবোৰত কেনেদৰে বিভিন্ন ছেনেল আৰু তথ্যৰ প্রকাৰক আহিলাগতভাৱে তথা কৌশলগতভাৱে সংগঠিত কৰিব পৰা যায় সেয়া বুজাৰ প্রয়াস কৰে। সংযোগ বিজ্ঞানীসকলে এই কথা অনুধাৱন কৰিছে যে এটা সামাজিক পাৰিপার্শ্ব প্রণালীৰ একাধিক স্তৰত সংযোগ স্থাপিত হয়। এনে স্তৰ কেইটামান হ'ল — আন্তর্ব্যক্তিক (আবেগ, প্রজ্ঞা আৰু সিদ্ধান্ত গ্রহণ স্তৰ), আন্তঃব্যক্তিক (সামাজিক সম্পর্ক স্তৰ), নেটৱর্'ক আৰু সংগঠন (প্রচলিত আৰু সামাজিক সংৰচনা স্তৰ) আৰু বৃহৎ সামাজিক স্তৰ (বহল সামাজিক ব্যৱস্থা আৰু সংস্কৃতি স্তৰ)।" ["Communication Science Seeks to understand these diverse processes and effects, including how different channels and types of information can be mobilized intrumentally and strategically in domains occuns at multiple levels of a Social ecological System, namely interopensonal (the realm of emotion, cognitions, and decision making) interpersonal (the realms of social relationship), networks and organizations (the realm of norms and social structures) and macro Societal (the

realm of large Social System and culture)"] স্বাস্থ্য যোগাযোগৰ আৰ্হিবোৰ যদি লোকমাধ্যমৰ জৰিয়তে সতর্কতাৰে প্ৰস্তুত কৰা হয় তেন্তে প্ৰয়োজনীয় সজাগতা সৃষ্টিৰ বাবে বহু কেইটা মনোবিজ্ঞানিক আৰু আচৰণগত উপাদানৰ বিষয়ে জানিব পৰা যাব। এইড্ছ হাৰ হ্ৰাসত ই গুৰুত্বপূৰ্ণ ভূমিকাকে ল'ব। সমাজ বা মতাদৰ্শৰ নেতাবোৰৰ সহায়ত ই বিভিন্ন মাধ্যমেৰে বার্তা প্ৰেৰণত সহায়ক হ'ব।

নেশ্যনেল প্ৰিভেনশ্যন নিফ'ৰমেশ্যন নেট্ৱৰ্কত উল্লেখ আছে যে, সকলো কৌশলগত যোগাযোগত পৰিকল্পনাত কেইটামান স্তৰ থাকে। সেয়া হ'ল-

(১) স্বাস্থ্যৰ সমস্যা চিনাক্তকৰণ আৰু যোগাযোগৰ বাবে কোনটো যোগাযোগ উচিত হ'ব তাক নির্ধাৰণ।

(২) যোগাযোগ আঁচনিৰ বাবে স্ৰোতা-দর্শকৰ চিনাক্তকৰণ আৰু তেওঁলোকৰ ওচৰলৈ যোৱা উপযুক্ত পদ্ধতিৰ নির্ধাৰণ।

(৩) নির্দিষ্টকৃত স্ৰোতা দর্শকৰ প্ৰতিনিধিৰ অন্তর্ভূক্তিৰে যোগাযোগৰ ধাৰণা, বার্তা, আৰু সা-সঁজুলিৰ ব্যৱস্থা কৰা।

(৪) পৰীক্ষণৰ ফলাফলৰ ভিত্তিত স্বাস্থ্য যোগাযোগ আঁচনিৰ ৰূপায়ন।

(৫) নির্দিষ্টকৃত স্ৰোতা- দর্শকৰ মাজত বার্তা কেকৈ পাব তাক মূল্যায়ন কৰি প্ৰয়োজনবশতঃ শুধৰণি কৰা।

লোকমাধ্যম হৈছে বর্ণাঢ্য আৰু কম খৰছী বা ব্যয়ক্ষম যোগাযোগৰ মাধ্যম। বিভিন্ন বয়সৰ লোকে তাক উপভোগ কৰে। স্থানী আৰু পোনপটীয়া সাংস্কৃতিক অনুষ্ঠান হোৱা হেতু গ্ৰামাঞ্চলৰ মানুহৰ মাজত ই অতি জনপ্ৰিয়। লোকমাধ্যমবোৰ আন্তঃব্যক্তি যোগাযোগ আৰু যোগাযোগকাৰী তথা বার্তা গ্ৰহণকাৰীৰ মাজত মুখামুখি সম্পর্ক গঢ়ি তোলে।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ১ঃ স্বাস্থ্য যোগাযোগৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

প্ৰশ্ন নং ২ঃ স্বাস্থ্য যোগাযোগ কেনেকৈ কার্য্যৰ বাবে উপযোগী হয়?

.....

.....

১২.৩ লোক মধ্যম আৰু স্বাস্থ্য যোগাযোগ ঃ পৰিস্থিতি অধ্যয়ন

জনসাধাৰণৰ মাজত স্বাস্থ্য, পৰিৱেশ আৰু অন্যান্য সামাজিক বিষয়ৰ সজাগত অনাৰ বাবে উন্নয়নশীল দেশবোৰৰ চৰকাৰ আৰু সংস্কৃতিক সংগঠন সমূহে লোক মাধ্যমৰ ব্যৱহাৰ কৰে।

ভাৰত চৰকাৰে লোকমাধ্যমৰ প্ৰসাৰ আৰু ইয়াক অটুত ৰখাৰ বাবে সংশীত আৰু নাট বিভাগ, সংগীত নাটক একাডেমী, ললিত কলা একাডেমী, শ্ৰব্য-দৃশ্য প্ৰচাৰ সঞ্চালকালয় আদিৰ দৰে প্ৰতিষ্ঠান ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা পৰ্য্যায়ত স্থাপন কৰিছে। বহু সংগঠনে লোকমাধ্যমৰ জৰিয়তে বিজ্ঞান আৰু স্বাস্থ্য যোগাযোগৰ কাম কৰি আছে। উদাহৰণস্বৰূপে নতুন দিল্লীৰ হাৰ্টকেয়াৰ ফাউণ্ডেছন অৰ ইণ্ডিয়াই সমগ্ৰ দেশতে বিজ্ঞান আৰু স্বাস্থ্য যোগাযোগৰ অভিযান চলাই আছে। বিশেষকৈ চৰকাৰৰ প্ৰকল্পৰ অধীনত পৰিপুষ্টি সৃষ্টিৰ বিষয়ক সজাগতা বাবে সংগঠনটোৱে লোক মাধ্যমৰ ব্যৱহাৰেৰে বাৰ্তাপ্ৰেৰণ কৰে। এই অভিযানত বিভিন্ন ৰাজ্যত শিল্পীসকলক প্ৰশিক্ষণ দিয়া, বিভিন্ন ৰাজ্যত লোককলাৰ প্ৰদৰ্শন, আৰু ৰাষ্ট্ৰীয় পৰ্য্যয়ত দিল্লীত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছে। এই দহমহীয়া অভি যানত বাটৰ নাট পুতলা নাচ আৰু লোকগীতৰ লগতে অন্যান্য লোক কলাসমূহ প্ৰদৰ্শন কৰা হয়। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয় আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ সহযোগত এই আঁচনি ৰূপায়ণ কৰা হৈছে।

স্বাস্থ্য যোগাযোগৰ ক্ষেত্ৰত ঃ ভাৰতত স্বাস্থ্য যোগাযোগৰ চেষ্টা কৃষি সম্প্ৰসাৰণ কৰ্মৰ পৰা লাভ কৰা হৈছে। এনে আঁচনিৰ ভিতৰত পৰিয়াল পৰিকল্পনা, কুষ্ঠৰোগৰ ক্ষেত্ৰত সজাগতাৰ বাবে লোকমাধ্যমৰ ব্যৱহাৰ কৰা হৈছিল। কুষ্ঠৰোগৰ আঁচনি SET (Survey, Education আৰু Treatment) ৰ আধাৰত হৈছিল। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিৰ্মূল প্ৰকল্প, মহিলা আৰু শিশু উন্নয়ন প্ৰকল্প, ৰাজ্যিক স্বাস্থ্য ব্যৱস্থা প্ৰকল্প, কেটেৰেক্ট অন্ধতা প্ৰকল্প আৰু ৰাষ্ট্ৰীয় এইড্‌ক নিয়ন্ত্ৰণ প্ৰকল্প দৰে স্বাস্থ্য, সৃষ্টি আৰু জনসংখ্যা আঁচনিবোৰ ৰূপায়ণত বিকাশ বেংকে সহায় কৰে। কুষ্ঠৰোগৰ আঁচনিত যোগাযোগৰ কৌশলত আচৰণৰ পৰিৱৰ্ত্তনৰ বাবে কৰা হৈছিল। ইয়াৰ ভিতৰত প্ৰথমতে চিকিৎসা কৰা হয় আৰু দোষত প্ৰথমৰ পৰা আচৰণৰ পৰিৱৰ্তনৰ বাবে চিকিৎসা কৰে। আন্তঃব্যক্তি যোগাযোগে তথ্য আৰু সজাগতাৰ বৃদ্ধি কৰাৰ লগতে এজন আন এজনৰ লগত হোৱা যোগাযোগৰ জৰিয়তে অন্ধবিশ্বাসবোৰ দূৰ কৰে। এই কৌশলটো দেখাত সাধাৰণ যেন লাগিলেও ৰোগ চিনাক্তকৰণত গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু ইয়াৰ সংখ্যা হ্ৰাস কৰি কলংকৰ ভয় আতঁৰাই ৰোগীক স্বেচ্ছাই চিকিৎসাৰ বাবে আগবাঢ়ি আহিবলৈ উদগনি যোগাইছে। তদুপৰি জিলা পৰ্যায়ত হোৱা প্ৰশিক্ষণে সেৱা প্ৰদানকাৰীসকলক কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰিছে। এই অভিযানত জিলা প্ৰসাসন, ৰাজনৈতিক, ধৰ্মীয় আৰু সমাজৰ নেতাসকলক সামৰি লোৱাৰ বাবে স্থানীয় পৰ্যায়ত এই অভিযানে এক যুক্তিসংগত পৰিৱেশ গঢ়ি তোলাৰ সুবিধা কৰি দিছে। স্থানীয় লোক মনোৰঞ্জনমূলক অনুষ্ঠান গীত, আৰু নাটকৰ উপৰিও যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়।

মানশী মহান্তি আৰু প্ৰীতিশ্ৰী পাৰ্হিয়ে (২০১১) ওড়িশাত চলোৱা এক অধ্যয়নত তথ্য লাভ কৰিছে যে, স্বাস্থ্য আৰু পৰিপুষ্টি শিক্ষাৰ বাবে সমাজক জড়িত কৰাৰ বাবে লোকমাধ্যম এক কাৰ্যকৰী পক্ষ। অধ্যয়নপ্ৰাপ্ত অথ্যমতে প্ৰায় ৮৫ শতাংশ ব্যক্তিয়ে স্বাস্থ্যখণ্ডত পৰম্পৰাগত আৰু লোকমাধ্যমৰ ব্যৱহাৰৰ বিষয়ে জ্ঞাত ২০১৪ চনত ভাৰতক বিশ্ব স্বাস্থ্য সংস্থাই পলিঅ' মুক্ত দেশ হিচাপে ঘোষণা কৰিছে। ১৯৯৫ চনত পালছ পলিঅ' প্ৰতিযোধক আঁচনি আৰম্ভ হৈছিল। প্ৰশাসনৰ

এইটো দৃষ্টিগোচৰ হ'ল যে ৰাজস্থৰা খণ্ডৰ প্ৰতিযোধক গোটৰ জৰিয়তে কৰা যোগাযোগৰ ফলাফল তেনেই পুতৌ লগা। ইয়াৰ পিছতে আন্তঃব্যক্তি যোগাযোগৰ জৰিয়তে সমাজক আগবঢ়াই নিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ল। ডি গুপ্তা আৰু এআগৰৱালাই প্ৰতিবেদন দাখিল কৰিলে যে জনসজাগতা বৃদ্ধি আৰু উপস্থিতিৰ বাবে লোকমাধ্যম অতি ফলপ্ৰসু ব্যৱস্থা। গণমাধ্যমৰ অভিযানো চলোৱা হ'ল। উত্তৰ প্ৰদেশৰ ৩৫০০ , খন গাঁৱত পুতলা নাচ, থিয়েটাৰ, লোকমাধ্যম আৰু ভিডিঅ' বাহনৰ জৰিয়তে চলোৱা প্ৰচাৰ অভিযানত ৰাইজৰ উপস্থিতিৰ সংখ্যা হব শতাংশ বৃদ্ধি কৰাৰ লিপিবদ্ধ প্ৰমাণ আছে। ডি গুপ্তা আৰু নআগৰৱালাই উল্লেখ কৰিছে যে এই কথাই যোগাযোগৰ শক্তিক প্ৰমাণ কৰে। সংহত সামাজিক উদ্বুদ্ধকৰণ, আন্তঃব্যক্ত যোগাযোগ, লিংগ আৰু সংস্কৃতিক গুৰুত্ব বহনকাৰী পদক্ষেপ, গণ লোক/ মাধ্যম আৰু ৰাজনৈতিক প্ৰচাৰে ভাৰতত পলিঅ' অভিযানৰ সামগ্ৰিক সাফল্যত অৰিহণা যোগালে। এনে আৰ্হি জনস্বাস্থ্যৰ অন্যান্য পদক্ষেপ বা আচনিতো নিশ্চিতভাৱে প্ৰয়োগ কৰিব পাৰে।

প্যানফ'ৰ্ড, ন্যায়নে' আৰু এম'ৰাহেণ্ড আইদ'য়ে ইতিমধ্যে ইতিমধ্যে গ্ৰামাঞ্চলত স্বাস্থ্য শিক্ষা আৰু ৰোগ প্ৰতিৰোধ, সাৱধানতা আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়াবোৰ আলোচনা কৰাৰ বাবে বেতবোৰ গাঁৱত ইতিমধ্যে ৰ্যৱহাৰ কৰা লোকমাধ্যমৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। যিহেতু এই মাধ্যমসমূহ গ্ৰামাঞ্চলৰ সংস্কৃতিৰো অংশ সেয়ে ই জণসাধাৰণৰ বিশ্বাসভাজন হৈ পৰে আৰু সমাদৰো লাভ কৰে। ৰেশ্মি নাস্কৰে (২০০১) পশ্চিমবংগৰ মালদাত লোকমাধ্যমৰ ব্যৱহাৰ কৰি সমাজৰ পাৰ বাল্য বিবাহ দূৰ কৰাৰ বিষয়ে অধ্যয়ণ কৰিছিল। তেওঁ অধ্যয়নৰ বাবে মালদা জিলাৰ ৩০ খন গাওঁ বাছনি কৰিছিল। মালদা জিলা সমাজকল্যাণ বিভাগ, ইউনিচেফ আৰু কলকাতাৰ এটা প্ৰতিষ্ঠিত বেচৰকাৰী সংগঠন বাংলা নাটক ডট ক'মৰ সমন্বয়ত অধ্যয়নত কার্য চলোৱা হৈছিল। জনসজাগতা সৃষ্টি আৰু সমাজক পৰিচালিত কৰাৰ বাবে দমিনি, গম্ভীৰ আদিৰ দৰে লোকমাধ্যমৰ ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ ভিতৰত দামিনি আৰু গম্ভীৰাৰ দলক প্ৰশিক্ষণ; বার্তামূলক নাট, প্ৰদৰ্শন, কিশোৰীসকলৰ সৈতে বৈঠক, অভিভাৱক, আত্মাসহায়ক গোটৰ মহিলা, অংগনৱাড়ী কৰ্মী, আশা, মৌলবী, পঞ্চয়তৰ সদস্য, শিক্ষক স্থানীয় ননজিঅ' আৰু খণ্ড আৰু পঞ্চায়ত পর্যায়ৰ অংশীদাৰিত্ব সকলক সামৰি লোৱাতো উল্লেখযোগ্য। গম্ভীৰা আৰু দমিনি লোকনৃত্যৰ সংমিশ্ৰণেৰে নাটক পৰিৱেশন কৰি গ্ৰামাঞ্চলৰ বাসিন্দাসকলক বিয়াৰ উপযুক্ত বয়স, বাল্যবিবাহৰ সমস্যা, স্বাস্থ্যজনিত সমস্যা যেনে এনিমিয়া, অকাল গর্ভধাৰণে নৱজাতকৰ স্বাস্থ্যত প্ৰভাৱ পেলোৱাৰ লগতে মৃত্যুৰ হাৰ বৃদ্ধি কৰা, দৰিদ্ৰতা বৃদ্ধি, ঘৰুৱা যৌন হিংসা আদিৰ দৰে বিষয়বোৰত সজাগত অনাৰ চেষ্ট কৰা হয় বাটৰ নাট পৰিৱেশনৰ সমীপৰ এঠাইত প্ৰদৰ্শনীৰ আয়োজন কৰি তাত বাল্যবিবাহৰ কু প্ৰভাৱ আৰু তাক প্ৰতিৰোধক কৰাৰ বাবে বিভিন্ন সংগঠনৰ নাম, ফোন নম্বৰ আদি দেখুৱা হয়। বাটৰ নাটবোৰৰ মাজত গ্ৰামাঞ্চলৰ মানুহে প্ৰশ্ন কৰাৰ অৱকাশ ৰাশিব লাগে প্ৰচাৰত বার্তা সম্পর্কত প্ৰশ্ন সুধিব পাৰে।

অধ্যয়নটোত প্ৰাপ্ত তথ্যমতে, শিশুৰ অধিকাৰ আৰু বাল্য বিবাহৰ কু প্ৰভাৱৰ বিষয়ে গ্ৰামাঞ্চলত সজাগতা সৃষ্টিৰ বাবে ১৭৩ গৰাকীতকৈ অধিক যুৱতীক নিয়োগ কৰা হৈছিল।



গম্ভীৰা ঃ এক প্ৰকাৰৰ ভক্তিৰ সপূৰ্ণ নৃত্য। দুগৰাকী নর্তকে এক বিশেষ ছন্দ আৰু নৃত্য শৈলীত এই নাচ প্ৰদর্শন। গম্ভীৰা নৃত্যত এগৰাকী ব্যক্তিয়ে নিজৰ মাতামহৰ সৈতে কোনো এক সামাজিক সম্পর্কে আলোচনা কৰে আৰু ইয়াৰ দ্বাৰা সামাজিক সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। গম্ভীৰা পশ্চিম বংগৰ মালদা জিলাৰ এক জনপ্ৰিয় লোকনৃত্য শৈলী।

কর্মশালাৰ পিছত যুৱতীসকলে গাঁৱৰ লগৰীবোৰক লগ কৰি তেওঁলোকৰ অধিকাৰ সু�ৰক্ষা কৰাৰ অধিকাৰ, বাল্য বিবাহৰ সমস্যা, মানৱ সৱৰবাহ, কণ্যা শিশুৰ অধিকাৰ, আৰু দক্ষতা বিকাশৰ তথ্য প্রদান কৰি সজাগতা সৃষ্টি কৰিছিল। ৪ টা পৰিস্থিতিত গ্রামাঞ্চলৰ মানুহে বাল্যবিবাহ ৰোধ কৰিব পাৰে। গাঁৱৰ যুৱতী, পঞ্চায়ত সদস্য, আত্মসহায়ক গোটৰ সদস্যক নেতৃত্ব বহন কৰিবলৈ দিব লাগে। আন কিছুক্ষেত্রত তেওঁলোকৰ কন্যাক বিয়া দিয়াৰ পূর্বে গঞাসকলে কিছুমান সাৱধানতা অৱলম্বন কৰে।

স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ সৈতে জড়িত যোগাযোগৰ ক্ষেত্রত বিভিন্ন দেশত জনপ্রিয় লোকমাধ্যমৰ ব্যৱহাৰৰ আন কেইটামান পৰিস্থিতি ভিত্তিক অধ্যয়ন।

পলিঅ' নির্মূলৰ বাবে ভাৰতত লোকমাধ্যমৰ ব্যৱহাৰ।

গোলকীয় পলিঅ' নির্মূল পদক্ষেপৰ জৰিয়তে ১৯৮৮ চনৰ পৰা সমগ্র বিশ্বই পলিঅ' ৰোগ নির্মূলৰ বাবে গ্রহণ কৰা আঁচনিত যোগাযোগে মুখ্য ভূমিকা গ্রহণ কৰি আহিছে। স্বাস্থ্যৰ বাবে এই গুৰুত্বপূর্ণ তথ্য বৃহৎ পদক্ষেপৰ WHO , ৰ'টাৰী ইণ্টাৰনেশ্যনেল, মার্কিন যুক্তৰাষ্ট্রৰ ৰোগ নিয়ন্ত্রণ আৰু প্রতিৰোধ কেন্দ্রই, ইউনিচেফ আদিয়ে নেতৃত্ব লৈছিল। ভাৰততো ২০০০ চনৰ পৰা পলিঅ' নির্মূলৰ চেষ্টা চলোৱা হয়। Obrgon et alএ এটা গৱেষণ প্রতিবেদনৰ ২০০০-২০০৭ চনৰ ভিতৰত পলিঅ' নির্মূল চেষ্টাৰ বিষয়ে অধ্যয়ন কৰিছিল। পলিঅ' নির্মূল অভিযানত বিভিন্ন যোগাযোগৰ মাধ্যম ব্যৱহাৰ কৰা হৈছিল আৰু ইয়াৰ তথ্যবোৰ পৰীক্ষা কৰিছিল। কাৰিকৰী পৰামর্শদান গোট, ভাৰতীয় বিশেষ পৰামর্শ গোট আৰু কাৰিকৰী যোগাযোগ গোটে প্রতিটো পযেকত তথ্যবোৰৰ মূল্যায়ন কৰে। সামাজিক সঞ্চালন, আন্তঃব্যক্তি যোগাযোগ, গণ আৰু স্থানীয় সংবাদ মাধ্যম, যুক্তি প্রদর্শন আদিবোৰৰ এক সংহত ৰূপ OPV (Oral poliomyelities vaccine) আৰু ৰোগবিধৰ নির্মূলৰ প্রয়োজনীয় পদক্ষেপৰ বার্তা প্রচাৰৰ বাবে ব্যৱহাৰ কৰা হৈছিল। এক সুশংখলিত ধ্যায়নত প্রাপ্ত তথ্য এই মাৰত্মক ৰোগবিধৰ বিৰুদ্ধে সজাগত বৃদ্ধিত গণ আৰু লোক দুয়োটা মাধ্যমেই নেতৃত্ব লৈছিল। কেৱল উত্তৰ প্রদেশতে ৩৫০০ খনতকৈও অধিক গাঁৱত পুতলা নাচ, নাট প্রদর্শন ভিডিঅ' ভালৰ লগতে অন্যান্য লোকমাধ্যম প্রদর্শন কৰা হৈছিল। ই বুথ সমূহৰ (প্রতিযোধক বুথ) ৰাইজৰ অংশগ্রহণ ২০ শতাংশ বৃদ্ধি কৰিছিল। ২০১৪ চনত ভাৰতক পলিঅ' মুক্ত ঘোষণা কৰাৰ পিছত সকলো কষ্ট সার্থক বুলি প্রমানিত হ'ল। পলিঅ'ৰ বিৰুদ্ধে দেশখনৰ যুঁজখন WHO ৰে নীৰিক্ষণত ৰাখিছে। গ্রাম্য ভাৰতত লোকনাটৰ (কলাযাত্রা) জৰিয়তে মেলেৰিয়াৰ জৈৰ পৰিৱেশ নিয়ন্ত্রণৰ বাবে সামাজিক ভিত্তিক স্বাস্থ্য শিক্ষা আঁচনি প্রাথমিক স্বাস্থ্য যতন ব্যৱস্থাৰ অধীনত স্থানীয় সমাজ আৰু বিভিন্ন গুৰুত্বপূর্ণ অংশীদাৰসকলৰ সহযোগত এই অধ্যয়ন চলোৱা হৈছিল। ৰাষ্ট্রীয় মেলেৰিয়া গৱেষণা প্রতিষ্ঠান আৰু কমিউনিটী হেল্থ চেল বেংগালুৰু যৌধভাৱে এই আঁচনি হাতত লৈছিল। কলাযাত্রা হৈছে স্থানীয় সামাজিক সাংস্কৃতিক উপাদানেৰে সমৃদ্ধ এক জনপ্রিয় পৰম্পৰাগত লোক নাট্য। ২০০১ চনৰ ডিচেম্বৰত কর্ণাটকৰ মেলেৰিয়া কৰ আক্রান্ত অঞ্চলত সন্ধিয়া সময়ত দুসপ্তাহ ধৰি কলাযাত্রা প্রদর্শন কৰা হয়। গ্রাম্য সমাজৰ মাহত মেলেৰিয়াৰ নিয়ন্ত্রণ আৰু প্রতিৰোধ সম্পর্কত বার্তা প্রেৰণ কৰিলে। ৩০ জন স্থানীয় শিল্পীসহ চৰকাৰী আৰু বেচৰকালী সংগঠনে ইয়াত অংশলয়। দুমাহৰ পিছত ফলাফলত পর্যালোচনা কৰা

হ'ল। ৰাইজৰ মাজত যিসকলে ইয়াক উপভোগ কৰিছিল তেওঁলোকৰ মেলেৰিয়া আৰু ইয়াৰ নিয়ন্ত্রণৰ কৌশলৰ জ্ঞান বাঢ়িল। তেওঁলোকে এন'ফিলিনৰ কণী পৰাৰ বাবে স্বচ্ছ পানী আৰু মেলেৰিয়া নিয়ন্ত্রণৰ হেতু পতংগভোহী মৎস্য পালনত সহযোগ কৰিলে।

ছাঁয়া পুতলা আৰু পৰিয়াল পৰিকল্পনাঃ ইন্দোনেছিয়াৰ অভিজ্ঞতা

যোৱা ৫০০ বছৰ পূৰ্বৰে পৰা যোগাযোগৰ বাবে ইন্দোনেছিয়াত ছাঁয়া পুতলাৰ ব্যৱহাৰ কৰি অহা হৈছে। প্ৰথমতে হিন্দুধৰ্মৰ প্ৰচাৰৰ বাবে ইয়াক ব্যৱহাৰ কৰা হৈছিল।



মধ্য জাভাৰ ৰেয়াং (ছাঁয়া পুতলা)

জাভাৰ জীৱন যাত্রাত ৰেয়াঙে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সুন্দৰকৈ প্ৰস্তুত কৰা চামহাৰ পুতলাৰ ছাঁয়াৰ প্ৰদৰ্শনেৰে এয়া এক পুতলা নাচৰ ব্যক্তিক্রমী ৰূপ। ৰেয়াঙৰ সাংস্কৃতিক মূল্য অতি উচ্চমানৰ হোৱা হেতু জনসংখ্যা আঁচনিত ইয়াক ব্যৱহাৰ কৰাতো কঠিন আছিল। আনহাতে, জাভাৰ বাসিন্দাসকলে ৰেয়াঙক তেওঁলোকৰ ভাৱনা, নৈতিকতা আৰু সামাজিক মনোভাৱৰ দাপোন বুলি গণ্য কৰে।

কার্যকীৰ স্বাস্থ্য যোগাযোগৰ বাবে মেক্সিকোত সামাজিক নাটৰ ব্যৱহাৰ

জনসাধাৰণক ৰাষ্ট্রীয় জনসংখ্যা আঁচনিত জড়িত কৰোৱাৰ বাবে ১৯৭০ চনত মেক্সিকোৱে জনসজাগত সৃষ্টিৰ বাবে লোক মাধ্যমৰ ব্যৱহাৰেৰে কেইটামান ক্ষুদ্র সম্পৰীক্ষা চলাইছিল। কেৱল জনসংখ্যাৰ ক্ষেত্রতে নহয়, উন্নয়নত প্রভাৱ পেলোৱা সামাজিক আৰু অর্থনৈতিক কাৰকবোৰৰ বিষয়েও প্রচাৰ চলোৱা হয়। পৰিয়াল পৰিকল্পনাক গ্রহণযোগ্য কৰি তোলাৰ বাবে ৰাষ্ট্রসংঘৰ জনসংখ্যা কার্যক্রমৰ পুঁজি আৰু ইউনেস্কোৰ মেক্সিকোৰ পৰিয়াল পৰিকল্পনা ডিভিজনে এক বৃহৎ আঁচনি হাতত লৈছিল। এই প্রকল্পটো শ্রমিক শ্রেণীৰ লোকে বাস কৰা গৌডালাজাৰাৰ চান্টা চেচিলিয়া নামৰ বস্তি অঞ্চল, হিদালগ' আৰু ম'ৰেলছ প্রদেশৰ গ্রাম্য জিলাবোৰত গ্রহণ কৰা হৈছিল। স্থানীয় শ্রমিকশ্রেণীৰ মাজত তেওঁলোকে দৈনন্দিন জীৱনত সন্মুখীন হোৱা সমস্যাবোৰ উপস্থাপনেৰে তেওঁলোকৰ সদস্যসকলৰ জৰিয়তে নাটক পৰিৱেশনৰ বাবে উৎসাহিত কৰা হ'ল। পৰিয়াল পৰিকল্পনাকাৰী সকলে মেক্সিকানসকলৰ জীৱনত উন্নয়নৰ প্রচেষ্টা বাস্তৱ ৰূপায়ন কৰিলে আৰু আধুনিক তত্ত্বৰে প্রত্যাহ্বান নেওচি দেখালে।

পৰিয়াল পৰিকল্পনাৰ বাবে পুতলা নাচ মেক্সিকোত ১৯৭০ চনত ব্যাপক ৰূপত ব্যৱহাৰ কৰা হৈছিল। হস্তনির্মিত পুতলাৰ সৈতে পুতলাৰ ৰূপ লোৱা মানুহক সংমিশ্রণ কৰি তাৰ চিত্রগ্রহণ কৰি পাচত মেক্সিকো চহৰৰ ব্যস্ত এলেকাত প্রদর্শন কৰা হ'ল।

HIV/AIDS কার্যকীৰ স্বাস্থ্য যোগাযোগৰ বাবে ঘানাৰ গ্ৰামাঞ্চলত সামাজিক নাটৰ ব্যৱহাৰ

উপ-ছাহাৰীয় আফ্ৰিকাত প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ চেষ্টা চলাই থকাৰ পিছতো HIV/AIDS এ জনসাধাৰণৰ মাজত ভাবুকিৰ সৃষ্টি কৰিছে। গ্ৰাম্য আফ্ৰিকাত খিলঞ্জীয়া মৌখিক পৰম্পৰাক গুৰুত্ব প্ৰদান কৰি HIV/AIDS ৰ ক্ষতিকাৰক ৰূপ বা এই মাৰত্মক ভাই�ৰাছবিধৰ প্ৰসাৰ নিয়ন্ত্ৰণৰ বাবে জনসাধাৰণক শিক্ষিত কৰিবলৈ লোক মাধ্যমৰ ব্যৱহাৰ কৰা হয়। এনে লোকমাধ্যমৰ ভিতৰত অন্যতম কিছুমান হ'ল - কাহিনী কথন, পুতলা নাচ, ফঁকৰা যোজনা, দৃশ্যকলা, নাটক, ৰোল প্লে, কনচার্ট, সং বিটিছ, ডাইৰজেচ্, সংগীত, বাজনা আৰু নৃত্য।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ লোক মাধ্যমৰ প্ৰসাৰৰ বাবে ভাৰত চৰকাৰে স্থাপন কৰা সংস্থা কেইটামানৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ স্বাস্থ্য যোগাযোগত SET কৌশল কি?

.....

.....

১২.৪ স্বাস্থ্য যোগাযোগৰ লোকমাধ্যমৰ ভূমিকাঃ ব্যৱহাৰিক দিশ

গ্ৰামাঞ্চলৰ জনসাধাৰণৰ সৈতে স্বাস্থ্য যোগাযোগ স্থাপনত স্বাস্থ্য আঁচনিৰ কৰ্মকৰ্তাকলৰ বাবে লোকমাধ্যম অত্যন্ত ব্যৱহাৰিক আৰু শক্তিশালী পদ্ধতিৰূপে পৰিগনিত হৈছে। আধুনিক গণমাধ্যমৰ কেতবোৰ সীমাবদ্ধতা আছে, কাৰণ ই কেতিয়াবা কেৱল চহৰতে আৱদ্ধ হৈ ৰয় আৰু গ্ৰামাঞ্চলৰ মানুহৰ পৰিস্থিতি অধ্যয়ণ বা তেওঁলোকক ঢুকি পাব নোৱাৰে। আনহাতে, লোকমাধ্যম গ্ৰামাঞ্চলৰ জনসাধাৰণৰ মাজত পৰিচিত ভাষা, চিহ্ন আদিবোৰ ব্যৱহাৰ কৰে যিবোৰ তেওঁলোকে বুজিব পাৰে। লোক আৰু গণমাধ্যম সম্পূৰ্ণৰূপে স্বাস্থ্যৰ তথ্য বিতৰণত ব্যৱহাৰ কৰিব পাৰি। নাটক, পুতনা নাচ, গীত-নৃত্য, কাহিনীকথন, ফঁকৰা যোজনা, ছবি আদিবোৰ জনসাধাৰণৰ সামাজিক ধৰ্মীয় জীৱনভিত্তিক লোক মাধ্যম। জনসাধাৰণৰ সৈতে জড়িত প্ৰকৃত পৰিস্থিতি আৰু অৱস্থাৰ বিষয়ে জানি যোগাযোগ কৰাত এয়া এক গুৰুত্বপূৰ্ণ মাধ্যম।

Boeren (১৯৯২) এ কৈছিল-'নাটকবোৰ গাঁৱৰ পৰিস্থিতিৰ ওপৰত ভিত্তি-কৰি হয়। ই সমাজৰ প্ৰকৃত ছবিখন দেখুৱায় আৰু স্থানীয়মানুহক অংশ লোৱাৰ বাবে উৎসাহিত কৰে। স্থানীয় যোজনাবোৰ প্ৰকাশ কৰি জনসাধাৰণে বুজাত সহজ হৈ পৰে। মানুহৰ সংস্কৃতিক ঐতিহ্য, পৰম্পৰাগত পক্ষ আৰু জ্ঞানৰ ভিত্তিত ই প্ৰতিষ্ঠিত।

স্বাস্থ্যৰ তথ্য প্ৰচাৰৰ ক্ষেত্ৰত লোকমাধ্যম হিচাপে নাটক অতি লাভজনক। আন্তঃব্যক্তিৰ

যোগাযোগ সন্দর্ভত ম'য়ো (১৯৯৭) এলোক যোগাযোগৰ ব্যৱহাৰিক প্ৰকৃতিৰ বিষয়ে উল্লেখ কৰিছে। বচনৰ প্ৰাধান্যতাই জনসাধাৰণক ইয়াত অংশগ্ৰহণৰ সুবিধা দিয়ে। স্থানীয় সংস্কৃতিৰ সৈতে নতুন ধাৰণা এটাৰ সংমিশ্ৰণ কৰি সমাজত সৃষ্টি হোৱা বিষয় এটাক বৈদতা প্ৰদানত ই বৃহৎ সুবিধা প্ৰদান কৰে।

স্বাস্থ্য যোগাযোগত ব্যৱহাৰ কৰিব পৰা কেইটামান কৌশলৰ বিষয়ে এ.জ'নে তেওঁৰ জে. ডীনছৰ অধ্যয়নত উল্লেখ কৰিছে। সেইবোৰ হ'ল-

(১) **যুক্তিযুক্ততাঃ** জনসাধাৰণক সংগঠনিক, স্থানীয় ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সিদ্ধান্ত গ্ৰহণৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণ প্ৰক্ৰিয়া কৌশলৰ প্ৰসাৰৰ আৰ্হি আদিকেই বুজায়। বিশেষকৈ কৌশলৰ পৰিকল্পনা, সমাজৰ সঞ্চালন, মিত্ৰজোঁট গঠন, নীতিত প্ৰচাৰ পৰিৱেশৰ পৰিৱৰ্তন ইয়াৰ অন্তৰ্ভূক্ত কৰিছে।

(২) **সামাজিক সঞ্চালন ঃ** ইউনিচেফে (২০০৫) সামাজিক সঞ্চালনক কোনো বিশেষ উন্নয়নৰ লক্ষ্যৰ স্বতন্ত্ৰ প্ৰচেষ্টাৰে জনসাধাৰণৰ বৃহৎ অংশগ্ৰহণৰ বৃহৎ আন্দোলন' বুলি সামাজিক সঞ্চালনক সংজ্ঞাবদ্ধ কৰিছে।

(৩) **আচৰণ পৰিৱৰ্তনৰ যোগাযোগ (BCC) ঃ** ইতিবাচক আচৰণ সৃষ্টি, বিশেষকৈ সমাজ এখনৰ উন্নয়ন সামাজিক আচৰণৰ পৰিৱৰ্তন, উপযুক্ত আচৰণ ব্যৱস্থাপনা আদিৰ বাবে বিভিন্ন ধৰণৰ যোগাযোগৰ মাধ্যমৰ ব্যৱহাৰেৰে উন্নয়নৰ বার্তা প্ৰচাৰৰ এক বার্তালাপ প্ৰক্ৰিয়া হৈছে আচৰণ পৰিৱৰ্তনৰ যোগাযোগ।

লোকমাধ্যমৰ গণতান্ত্ৰিক প্ৰকৃতিয়ে স্বাস্থ্য যোগাযোগত ইয়াৰ সংহতকৰণৰ প্ৰচেষ্টাই এক ফলপ্ৰসূ প্ৰভাৱ পেলাব। মতামত আগবঢ়োৱা নেতা আৰু তেওঁলোকৰ অনুসৰণকাৰীৰ মাজত যোগাযোগৰ আন্তঃব্যক্তি যোগাযোগে তথ্য প্ৰচাৰত ইয়াক গ্ৰহণযোগ্য কৰি তুলিছে। কার্যকৰী স্বাস্থ্য যোগযোগৰ বাবে কর্ণাটক, অন্ধ্ৰপ্ৰদেশ, তামিলনাড়ু আৰু মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যবোৰে লোক মাধ্যক ব্যৱহাৰ কৰি আহিছে। প্ৰায়বোৰ ৰাজ্যৰ স্বাস্থ্য বিভাগৰ নিজা যোগাযোগ শাখা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ লোক মাধ্যম কেনেকৈ ব্যৱহাৰিক?

.....

.....

প্ৰশ্ন নং ৬ ঃ যুক্তিসংগততাৰ সংজ্ঞা আগবঢ়াওক।

.....

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বাস্থ্য বিষয়ত জনসাধাৰণৰ জ্ঞান বৃদ্ধি, ইয়াৰ প্ৰতি- আচৰণ আৰু মানসিকতাৰ প্ৰভূতকৰণ, স্বাস্থ্যসম্মত অভ্যাস, জনস্বাস্থ্যৰ বাবে আচৰণৰ পৰিৱৰ্তনৰ লাভালাভ, স্বাস্থ্যৰ সমস্যা আৰু নীতিৰ যুক্তিযুক্ততা বিচাৰ, স্বাস্থ্যসেৱাৰ প্ৰতি চাহিদা আৰু সহযোগিতা বৃদ্ধি, স্বাস্থ্যৰ লগত জড়িত প্ৰান্ত ধাৰণৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন আদিবোৰ স্বাস্থ্য যোগাযোগৰ দ্বাৰা কৰা হয়।
- জনসাধাৰণৰ ব্যক্তিগত আৰু অন্তঃকৰণ হোৱাৰ বাবে লোকমাধ্যমক স্বাস্থ্য যোগাযোগত ব্যৱহাৰ কৰিব পাৰি।
- বহু উন্নয়নশীল দেশত চৰকাৰৰ জনস্বাস্থ্যৰলগত জড়িত প্ৰচাৰত আন্তঃব্যক্তি যোগাযোগৰ ৰূপত লোকমাধ্যমৰ ব্যৱহাৰ কৰি সফলতা অৰ্জন কৰা হৈছে।
- নাটক আন্তঃব্যক্তি যোগাযোগ ৰূপত হোৱাৰ বাবে নাটকৰ ৰূপত লোক মাধ্যমৰ যোগাযোগে স্বাস্থ্যৰ তথ্য প্ৰচাৰত ফলপ্ৰসূ ভূমিকা লয়।
- ইউনিচেফৰ মতে, সামাজিক সঞ্চালন হৈছে কোনো বিশেষ উন্নয়নৰ লক্ষ্যত স্বতন্ত্ৰ প্ৰচেষ্টাৰে জনসাধাৰণৰ বৃহৎ অংশগ্ৰহণৰ এক বৃহৎ আকাৰৰ আন্দোলন।
- আচৰণ পৰিৱৰ্তনৰ যোগাযোগ হৈছে ইতিবাচক আচৰণ সৃষ্টি, বিশেষ সমাজ এখনৰ উন্নয়ন, সামাজিকভাৱে আচৰণৰ পৰিৱৰ্তন, উপযুক্ত আচৰণ ব্যৱস্থাপনা আদিৰ বাবে বিভিন্ন যোগাযোগৰ মাধ্যমৰ ব্যৱহাৰেৰে উন্নয়নৰ সংবাদ প্ৰচাৰৰ এক বাৰ্তালাপ প্ৰক্ৰিয়া।
- সংযোগ বিজ্ঞানে এই ভিন্নধৰ্মী প্ৰক্ৰিয়া তথা প্ৰভাৱবোৰৰ লগতে জনস্বাস্থ্যৰ দৰে ক্ষেত্ৰবোৰত কেনেদৰে বিভিন্ন ছেনেল আৰু তথ্যৰ প্ৰকাৰক আহিলাগতভাৱে তথা কৌশলগতভাৱে সংগঠিত কৰিব পৰা যায় সেয়া বুজাৰ প্ৰয়াস কৰে। সংযোগ বিজ্ঞানীসকলে এই কথা অনুধাৰন কৰিছে যে এটা সামাজিক পাৰিপাৰ্শ্ব প্ৰণালীৰ একাধিক স্তৰত সংযোগ স্থাপিত হয়। এনে স্তৰ কেইটামান হ'ল — আন্তৰ্ব্যক্তিক (আবেগ, প্ৰজ্ঞা আৰু সিদ্ধান্ত গ্ৰহণ স্তৰ), আন্তঃব্যক্তিক (সামাজিক সম্পৰ্ক স্তৰ), নেটৱ'ৰ্ক আৰু সংগঠন (প্ৰচলিত আৰু সামাজিক সংৰচনা স্তৰ) আৰু বৃহৎ সামাজিক স্তৰ (বহল সামাজিক ব্যৱস্থা আৰু সংস্কৃতি স্তৰ।



১২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Boeren, A.(1992) "Getting Involved" : "Communication for Participatory Development". Community Development Journal, 27 (3): 259:271.

2. Schramm W. (1963) The Science of Human Communication. New York, NY: Basic Books
3. Mukhopadyay, Durgadas (1998) "Traditional Media and Development Communication." Issues in Mass Communication: The Basic Concepts. Eds. J. S. Yadava and PradeepMathur. New Delhi: Kanishka Publishers, Distributors
4. Mohanty, Manashi, Parhi, Pritishri (2001) Folk and Traditional Media: A Powerful Tool for Rural Development . Journal of Communication, 2(1), 41-47.
5. Moyo, F. F (1997) "Drama- an appropriate tool in development support communication" African Media Review 11 (1): 94-105
6. Naskar, Reshmi (2001). The role of folk media and participatory communication in rural development: an exploratory case study of combating child marriage in Malda. Commentary Global Media Journal – Indian Edition/ISSN 2249-5835 Winter Issue / December 2011 Vol. 2/No.2
7. Srampickal, Jacob (1994) Voice to the Voiceless: The Power of People's Theatre in India. New Delhi: Manohar

১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি স্বাস্থ্য পচন্দতা সৃষ্টি কৰি স্বাস্থ্য শিক্ষাৰ অগ্রগতিৰ বাবে জনস্বাস্থ্যৰ প্রচাৰ অভিযান, স্বাস্থ্য শিক্ষা আদিবোৰৰ তথ্য যোগাযোগৰ পদ্ধতিৰ বিষয়ে স্বাস্থ্য যোগাযোগে অধ্যয়ন কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ কার্যকৰী স্বাস্থ্য যোগাযোগ শ্রেতা-দর্শক আৰু পৰিস্থিতি এটাৰ বাবে উপযুক্ত বা নির্দিষ্ট হ'ব লাগিব। স্বাস্থ্য যোগাযোগৰ গৱেষণাই স্বাস্থ্যৰ উন্নতি কৰা আৰু ক্ষতিশংকাৰ পৰা আঁতৰি থকাৰ বাবে যোগাযোগৰ কৌশলবোৰ শুধৰণি কৰাটো বিচাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ লোক মাধ্যমৰ উদ্ধাৰ আৰু অটুত ৰখাৰ বাবে ভাৰত চৰকাৰে সংগীত আৰু নাট বিভাগ, সংগীত-নাটক একাডেমী, ললিত কলা একাডেমী, দৃশ্যশ্রব্য প্রচাৰ সঞ্চালকালয়ৰ দৰে ৰাষ্ট্রীয়; ৰাজ্যিক জিলা পর্যায়ত কেতবোৰ প্রতিষ্ঠান স্থাপন কৰিছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ SET ৰ অর্থ হৈছে Survey, Educationআৰু Treatment কুষ্ঠৰোগ বিৰোধী আঁচনি এই কৌশলৰ ওপৰত প্রতিষ্ঠিত আছিল। এই আঁচনিয়ে জনসাধাৰণৰ আচৰণৰ পৰিৱর্তন বিচাৰিছিল। ইয়াৰ ভিতৰত চিকিৎসা সম্পূর্ণকৰণ আৰু শেষত আচৰণ পৰিৱর্তনৰ

চিকিৎসা প্ৰথমৰ পৰা কৰা। আন্তঃব্যক্তি যোগাযোগত এজনে আন এজনৰ মাজত হোৱা কথাবাৰ্তাই তথ্য আৰু জনসজাগতা বৃদ্ধি কৰি কু-সংস্কাৰদূৰ কৰে। দেখাত সাধৰণ যেন লাগিলেও এই কৌশলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। মানুহৰ মাজত সজাগতা বাঢ়িল, কলংকৰ শংকা কমিল আৰু স্বেচ্ছাই ৰোগী চিকিৎসাৰ বাবে যোৱা হ'ল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গ্ৰামাঞ্চলৰ জনসাধাৰণৰ বাবে স্বাস্থ্য যোগাযোগ স্থাপনত স্বাস্থ্য আঁচনিৰ কৰ্মকৰ্তাসকলৰ বাবে লোকমাধ্যম অত্যন্ত ব্যৱহাৰিক আৰু শক্তিশালী পদ্ধতিৰূপে পৰিগণিত। আধুনিক গণমাধ্যমে ইয়াৰ সীমাৱদ্ধতাৰ বাবে চহৰতে আৱদ্ধ থাকি কেতিয়াবা গ্ৰামাঞ্চলৰ মানুহক ঢুকি নাপায়। কিন্তু লোকমাধ্যমত গ্ৰামাঞ্চলৰ জনসাধাৰণৰ মাজত পৰিচিত ভাষা, চিহ্ন আদিবোৰৰ ব্যৱহাৰ কৰে যিবোৰ তেওঁলোকৰ বোধগম্য।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ জনসাধাৰণক সংগঠনিক, স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সিদ্ধান্ত প্ৰথাৰ বাবে অংশগ্ৰহণ প্ৰক্ৰিয়া কৌশলৰ প্ৰসাৰ আৰ্হি আদিক যুক্তিযুক্ততা বা যুক্তিসংজ্ঞাততা বোলা হয়। বিশেষকৈ কৌশলৰ পৰিকল্পনা, সমাজৰ সঞ্চালন, মিত্ৰজোঁট গঠন, নীতিৰ প্ৰচাৰ আৰু পৰিৱেশ পৰিৱৰ্তন আদিবোৰ ইয়াৰ অন্তৰ্ভুক্ত।



১২.৯আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ঃ স্বাস্থ্য যোগাযোগত লোক মাধ্যম ব্যৱহাৰৰ সুবিধাবোৰ কি কি?

প্ৰশ্ন ২ঃ কলংকৰ ভয় হ্ৰাসত লোক মাধ্যমৰ জৰিয়তে আন্তঃব্যক্তি যোগাযোগ কেনেদৰে সহায় কৰে?

প্ৰশ্ন ৩ঃ যুক্তি যুক্ততা আৰু সমাজ সঞ্চালনত লোক মাধ্যমে কেনেদৰে সহায় কৰে?

(খ) চুটি প্ৰশ্ন- (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১ঃ স্বাস্থ্য যোগাযোগৰ প্ৰয়োজনীয়তা আৰু পৰিসৰ বোৰ কি কি?

প্ৰশ্ন ২ঃ স্বাস্থ্য যোগাযোগৰ লগত জড়িত কৌশলগত যোগাযোগ পৰিকল্পনাবোৰ লিখক।

প্ৰশ্ন ৩ঃ অংশিদাৰিত্ব স্বাস্থ্য যোগাযোগত লোকমাধ্যমৰ ব্যৱহাৰৰ উদাহৰণ দিয়ক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন- (প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১ঃ স্বাস্থ্য যোগাযোগত সফলতাৰে লোকমাধ্যম ব্যৱহাৰ কৰা এটা পৰিস্থিতি অধ্যয়নৰ উপস্থান কৰাৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ২ঃ স্বাস্থ্য যোগাযোগত লোকমাধ্যমৰ ব্যৱহাৰিক দিশৰ বিষয়ে এখন ৰচনা প্ৰস্তুত কৰক।

****

অধ্যায় ১৩ ঃ লোকমাধ্যমক জীয়াই ৰখাত ইউনেস্ক'ৰ ভূমিকা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ উন্নয়নশীল দেশবোৰত লোকমাধ্যমক জীয়াই ৰখাত ইউনেস্ক'ৰ ভূমিকা
১৩.৪ দক্ষিণ এছিয়াৰ লোকমাধ্যম
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- উন্নয়নশীল দেশবোৰত লোকমাধ্যমক জীয়াই ৰখাত ইউনেস্ক'ৰ প্রচেষ্টাৰ বিষয়ে জানিব পাৰিব
- দক্ষিণ এছিয়াৰ লোকমাধ্যমৰ ভূমিকা আৰু প্রকাৰৰ বিষয়ে সংক্ষেপ কৰিব পাৰিব।

১৩.২ পৰিচয়

পূৰ্বৰ গোটটোত স্বাস্থ্য যোগাযোগত লোকমাধ্যমক কেনেদৰে ব্যৱহাৰ কৰিব পাৰি তাৰ বিষয়ে আমি আলোচনা কৰিলো। এই গোটটোত উন্নয়নশীল দেশবোৰত বিশেষকৈ দক্ষিণ এছিয়াত লোক মাধ্যমক জীয়াই বা অটুট ৰখাত ইউনেস্কোৱে পালন কৰা ভূমিকাৰ বিষয়ে অধ্যয়ন কৰিম। ৰাষ্ট্র সংঘকে ধৰি আন্তঃৰাষ্ট্রীয় সমাজে প্রান্তীয় আৰু স্পর্শকাতৰ জনসাধাৰণৰ বাবে যোগাযোগ তথ্য প্রদানৰ গুৰুত্বৰ চিহ্নিত কৰিছে। এইটো বুজা গৈছে যে, জনসাধাৰণৰ জীৱনক প্রভাৱিত কৰিব পৰা ধৰণৰ সিদ্ধান্ত গ্রহণ প্রতি সবল কৰি তোলাত লোকমাধ্যমে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

১৩.৩ উন্নয়নশীল দেশবোৰত লোকমাধ্যমক জীয়াই ৰখাৰ বাবে ইউনেস্ক'ৰ প্রচেষ্টা

লোকমাধ্যমক জীয়াই ৰখাৰ বাবে ইউনেস্ক'ৰে সবল ভূমিকা গ্রহণ কৰি আহিছে। কাৰণ ই বিশ্বাস কৰে যে, এয়া হৈছে মানুহৰ সার্বজনীন ঐতিহ্যৰ এক অংশ আৰু লোকমাধ্যমে সমাজৰ ভিন্ন গোটৰ নিজা নিজা সাংস্কৃতিক পৰিচয় অক্ষুন্ন ৰাখি একেলগ কৰাত সহায় কৰে। ইউনেস্ক'ৰে লোকমাধ্যমৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক গুৰুত্ব প্রদান কৰাৰ লগতে

জনসাধাৰণৰ ইতিহাস তথা ইয়াৰ সমসাময়িক সংস্কৃতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতিক সংগঠনৰ ১৯৮৯ চনত পেৰিচত অনুষ্ঠিত ২৫ সংখ্যক অধিৱেশনত লোকসংস্কৃতিৰ অবিচ্ছেদ্য অংশ সাংস্কৃতিক ঐতিহ্য আৰু জীৱন্ত সংস্কৃতিৰ বিশেষ প্ৰকৃতি আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰা হৈছিল। অধিৱেশনত লোককলাৰ পৰম্পৰাক চিনাক্ত কৰি ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহক সংৰক্ষণৰ বা সুৰক্ষাৰ বাবে সংবিধানিক ব্যৱহাৰৰ বাবে বিধায়িনীয় হওক বা অন্য পদক্ষেপ গ্ৰহণৰ পৰামৰ্শ আগবঢ়াইছিল। তদুপৰি লোককলাক সুৰক্ষা প্ৰদান, ইয়াৰ সৈতে জড়িত সংস্থা, প্ৰতিষ্ঠানসমূহক উৎসাহিত কৰি আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ সৈতে আলোচনা কৰাৰ বাবে ইয়াৰ সৈতে জড়িত সংশ্লিষ্ট কৰ্তৃপক্ষ, বিভাগ বা সংস্থাসমূহ মনোযোগ আকৰ্ষণৰ পদক্ষেপৰ পৰামৰ্শ আগবঢ়াইছিল। সদস্য ৰাষ্ট্ৰসমূহক তেওঁলোকে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতিবেদন দাখিলৰ বাবেও কোৱা হৈছিল।

যোগাযোগ আৰু সমাজসম্পৰ্কীয় লোক মাধ্যমৰ ধাৰাসমূহক ইউনেস্ক'ৰ নথিত এনেদৰে ভাগ কৰা হৈছেঃ

(১) লোকনাট্য

(২) লোকগীত

(৩) ব্যাখ্যমূলক ধাৰা যেনেঃ বেলাড, সাধুকথা, বা কাহিনী কথন আদি।

(৪) ধৰ্মীয় আলোচনা

(৫) পুতলা নাচ।

ইউনেস্ক'ৰ মতে লোককলা হৈছে— কোনো এক সাংস্কৃতিক সম্প্ৰদায়ৰ পৰম্পৰা ভিত্তিক সৃষ্টিবোৰৰ সমগ্ৰতা। এটা গোট নাইবা ব্যক্তিয়ে এনে কলা প্ৰকাশ কৰে আৰু ইয়াক এটা সম্প্ৰদায়ে নিজৰ সাংস্কৃতিক তথা সামাজিক পৰিচয় প্ৰতিফলিত কৰাৰ দৰেই সম্প্ৰদায়বেৰৰ প্ৰত্যাশা প্ৰতিফলনকাৰী মাধ্যমৰূপে স্বীকৃতি দিয়া হয়। ইয়াৰ মান তথা প্ৰমূল্যবোৰ অনুকৰণ অথবা অন্য পন্থাৰে মৌখিকভাৱে প্ৰচাৰ কৰা হয়। আন বহুতো ৰূপৰ লগতে লোককথাৰ আন কেইটামান ৰূপ হ'ল ভাষা, সাহিত্য, সংগীত, নৃত্য, ক্ৰীড়া, ধৰ্মমূলক আখ্যান, ৰীতি-নীতি, পৰম্পৰা, হস্তশিল্প, স্থাপত্য কলা আদি। এক সাংস্কৃতিক অভিব্যক্তিৰূপে লোককলাৰ ৰূপবোৰক সুৰক্ষিত ৰখা উচিত। বিশেষকৈ যিবোৰ সম্প্ৰদায়ৰ পৰিচয় এনে কলাই দাঙি ধৰে সেই সম্প্ৰদায়/ গোটবোৰৰ দ্বাৰা আৰু গোটবোৰৰ বাবে (পৰিয়াল পৰ্যায়ত, বৃত্তিগত পৰ্যায়ত, জাতীয়, আঞ্চলিক, ধৰ্মীয়, নৃত্যগোষ্ঠী পৰ্যায়ত ইত্যাদি) লোককলাৰ সংৰক্ষণ প্ৰয়োজন। সেয়েহে, সদস্য ৰাষ্ট্ৰবোৰ তলৰ পৰামৰ্শসমূহ আগবঢ়াইছে —

(ক) আঞ্চলিক আৰু গোলকীয় লোককলা, প্ৰতিষ্ঠানৰ পঞ্জীয়নভুক্তিৰ বাবে লোককলাৰ সৈতে জড়িত এক ৰাষ্ট্ৰীয় উদ্ভাৱনীমূলক প্ৰতিষ্ঠানৰ উন্নীতকৰণ।

(খ) চিনাক্তকৰণ আৰু বাণীবদ্ধনৰ পদ্ধতি সংগ্ৰহ, কেটেলগিং ট্ৰান্সক্ৰিপশ্যন অথবা ইতিমধ্য থকা হাতপুথি, সংগৃহীত গাইড, আৰ্হি পুস্তিকা আদিৰ থকাবোৰ বিভিন্ন প্ৰতিষ্ঠানে শ্ৰেণীবদ্ধ কৰা পদ্ধতিত সমন্বয় স্থাপনেৰে উন্নীতকৰণ।

(গ) লোককলাৰ এক উন্নতমানৰ পদ্ধতিত সৃষ্টি কৰা। এইদৰেও কৰিব পাৰি-

(১) গোলকীয় ব্যৱহাৰৰ বাবে লোককলাৰ সাধাৰণ অভিটলাইন।

(২) লোককলাৰ এক সংহত পঞ্জীয়নবহী আৰু

(৩) লোককলাৰ আঞ্চলিক শ্রেণীবদ্ধকৰণ, বিশেষকৈ পাইলট প্রকল্পৰ দিশত।

ইউনেস্ক'ৰ লোককলাৰ সংৰক্ষণ, ৰক্ষা, বিতৰণ আৰু নিৰাপত্তাৰ দিশতো কাম কৰে। সংৰক্ষণে লোক পৰম্পৰাৰ নথিকৰণ কৰে। ইয়াৰ উদ্দেশ্য হৈচে এনে পৰম্পৰাৰ অব্যৱহৃত আৰু মূল্যায়ন যাৰ জৰিয়তে পৰম্পৰাৰ পৰিৱর্তনৰ বিষয়ে তথ্য সংগ্রহ কৰি বুজাৰ বাবে গৱেষক আৰু পৰম্পৰা বহনকাৰী সহায় কৰা। লোক পৰম্পৰাৰ সুৰক্ষাৰ সৈতে ৰখা জড়িত। প্রত্যেকজন ব্যক্তিৰে নিজৰ সংস্কৃতিৰ ওপৰত অধিকাৰ আছে আৰু উদ্যোগীকৃত সংস্কৃতি জৰিয়তে গণমাধ্যমত ইয়াত প্রভাৱ বা অস্তিত্বৰ বিপদ ঘটিছে। বহালৰ্থত "ব্যক্তিগতই হওঁক বা সামাগ্রিকেহওঁক লোককলা হৈছে এক বৌদ্ধিক সৃষ্টি। সেয়ে বৌদ্ধিক সৃষ্টিৰ ক্ষেত্রত থকা সুৰক্ষা ইয়াৰ বাবেও প্রয়োজনীয়। অধিক উন্নীতকৰণৰ স্বার্থত স্বকীয় গুণাগুণৰ হানি নোহোৱাকৈ দেশৰ ভিতৰে বাহিৰে পৰিচালিত আৰু প্রচাৰৰ প্রয়োজন। লোককলাৰ বৌদ্ধিক সম্পত্তিৰ বিষয়টো আছুতীয়াকৈ ৰাখিও ইতিমধ্যে সংৰক্ষিত ধৰণত লোককলা নথিৱদ্ধকাৰী কেন্দ্র আৰু অভিলেখাগাৰৰ জৰিয়তে সুৰক্ষা প্রদান কৰা উচিত।"

মানৱ আৰু বাস্তৱ সম্পদৰ জৰিয়তে সংস্কৃতিক সহযোগিতা আৰু বিনিময়ৰ জৰিয়তে আন্তঃৰাষ্ট্রীয় সহযোগিতা ইউনেস্ক'ৱে প্রসাৰ কৰি আহিছে, ঘাতে এখন সদস্য ৰাষ্ট্রৰ পৰা আন এখন সদস্য ৰাষ্ট্রলৈ লোককলাৰ উন্নয়ন আৰু পুনৰুদ্ধাৰ আঁচনিৰ লগতে বিশেষজ্ঞসকলৰ গৱেষণাৰ বাবে কাম কৰিব পৰা যায়। এছিয়া পেচিফিক কালচাৰে চেণ্টাৰ ফৰ ইউনেস্ক' (ACCU) এ ১৯৯৯ চনত অনুষ্ঠিত এছিয়া আৰু প্রশান্ত মহাসাগৰীয় দেশৰ আঞ্চিচলিক আলোচনা চক্রত চৰকাৰসমূহক তলত পৰামর্শবোৰ আগবঢ়োৱা হৈছে ঃ

(১) বর্তমানৰ সাংস্কৃতিক ঐতিহ্যসম্বহৰ সংৰক্ষণ আৰু প্রচাৰৰ বাবে কার্যকৰী সহযোগিতা সৃষ্টিৰ ব্যৱস্থা কৰাৰ লগতে ইউনেস্ক', ইয়াৰ সদস্য ৰাষ্ট্র আৰু ACCU ৰ সৈতে শক্তিশালী সহযোগিতা গঢ়ি তোলক।

(২) সংস্কৃতিক সংগঠন, গৱেষক, গৱেষক ছাত্রসকলক নৈতিক আৰু অর্থনৈতিক সহযোগিতা প্রদান কৰাৰ লগতে প্রশিক্ষণ আৰু পৰিবেশ কলা মহোৎসৱৰ আয়োজন কৰক।

(৩) সংস্কৃতিক দিশত আন দেশৰ সৈতে সহযোগিতা আগবঢ়োৱাৰ বাবে নীতি নির্ধাৰণ, সমন্বয়ৰ বাবে এতিয়াও নথকা দোষবোৰত ৰাষ্ট্রীয় দীর্ঘ নিকায় গঠন কৰক।

(৪) আন্তঃৰাষ্ট্রীয় কর্মশালা, আলোচনাচক্রত অংশ লোৱাৰ বাবে বিশেষ গৱেষকসকলক উৎসাহিত কৰক যাতে বিভিন্ন দেশত এই ক্ষেত্রখনত চলি থকা ধাৰণা, মতামত আৰু কামৰ বিষয়ে আদান প্রদান কৰিব পাৰে।

(৫) ইউনেস্ক' আৰু ACCU ৰ অধীনত চলি থকা পৰম্পৰাগত। লোক পৰিবেশ্য কলা সংৰক্ষণৰ বাবে অঞ্চলিক সহযোগিতাৰ ফলাফল তাৎপর্যৰ বিষয়ে প্রচাৰ কৰা।

(৬) ৰাষ্ট্ৰীয় সংস্কৃতিক ঐতিহ্যৰ বাবে কেন্দ্ৰীয় তথা কেন্দ্ৰ আৰু সংহত তথ্য বেংক স্থাপন।

ইউনেস্ক'ৰ বাবে ই লগতে তলৰ পৰামৰ্শবোৰ আগবঢ়াইছে-

(১) পৰম্পৰাগত / লোক পৰিৱেশ্য কলা সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে আঞ্চলিক সহযোগিতা শক্তিশালী পৰা আৰু সদস্য ৰাষ্ট্ৰসমূহৰ সংস্কৃতিক সংগঠনসমূহৰ সৈতে কাৰ্যকৰীভাৱে কাম কৰা।

(২) সংশ্লিষ্ট ব্যক্তিসকলক প্ৰশিক্ষণ দিয়া আৰু কৰ্মকলাৰ আয়োজন।

(৩) সদস্য ৰাষ্ট্ৰসমূহৰ বিলুপ্তপ্ৰায় লোক পৰম্পৰাৰ চিনাক্ত, সংগ্ৰহ আৰু বাণীবদ্ধনৰ প্ৰতি সহায় কৰা।

(৪) সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰয়োজনীয় দিশৰ চিনাক্তকৰণেৰে ACCU ক আঁচনি কাৰ্য ৰূপায়নৰ পৰামৰ্শ আগবঢ়োৱাৰ লগতে ACCU আৰু চৰকাৰৰ সৈতে সমন্বয় স্থাপন কৰা।

(৫) সাংস্কৃতিক ঐতিহ্যৰ ক্ষেত্ৰত কাৰ্যকৰী প্ৰচাৰত ACCU ক সহায় কৰা।

ইউনেস্ক'ৰ এছিয়া প্ৰশান্ত মহাসাগৰী সংস্কৃতিক কেন্দ্ৰলৈ পৰামৰ্শ এনেদৰে আগবঢ়াইছে-

(৬) এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় দেশবোৰত পৰম্পৰাগত লোক পৰিৱেশ্য কলাৰ তথ্য বেংকৰ বাবে যুটীয়া আঁচনি গ্ৰহণ।

- আঁচনিৰ পূৰ্ণ ব্যৱহাৰ নিশ্চিতকৰণৰ বাবে পৰামৰ্শদাতা কমিটী গঠন।
- আঁচনিত যিমান পাৰি অধিক দেশৰ অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ যাতে পৰিৱেশ কলা আৰু ইয়াৰে জড়িত প্ৰতিষ্ঠানে অংশ ল'ব পাৰে।
- প্ৰতিষ্ঠানিক বা ব্যক্তিগতভাৱে প্ৰতিখন দেশতে প্ৰতিষ্ঠান স্থাপন।
- তথ্য বেংকৰ ব্যৱহাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰা।
- ইণ্টাৰনেটত ব্যৱহাৰৰ আৰু পৰিকল্পনাৰ উন্নীতকৰণ।
- সকলো সংস্কৃতিক ক্ষেত্ৰক তথ্য বেংকৰ সামৰি লোৱা।

(২) সংস্কৃতিক ঐতিহ্যৰ ক্ষেত্ৰখনত অধিক পদ্ধতিগত আৰু সংহতভাবে প্ৰশিক্ষণ, দৃশ্য-শ্ৰব্য প্ৰযোজনা আদি আঁচনিৰ উন্নীতকৰণ অব্যাহত ৰখা।

(৩) প্ৰত্যেকখন দেশৰ বিশেষজ্ঞসলক অভিজ্ঞতা লাভৰ বাবে প্ৰসিবদ্ধৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ আয়োজন কৰা।

(৪) এছিয়-প্ৰশান্ত মহাসাগৰীয় বিভিন্ন দেশত পৰম্পৰাগত/ লোক পৰিৱেশ্য কলা বক্তৃতা-প্ৰদৰ্শনী আদি আয়োজন কৰাৰ লগতে সাংস্কৃতিক ঐতিহ্যৰ অৰ্থনৈতিক উন্নয়ন পৰ্যটন আদিৰে সম্পৰ্ক বিষয়ৰ আলোচনা চক্ৰ আয়োজনৰ দৰে ব্যৱস্থা গ্ৰহণ।

(৫) সাংস্কৃতিক বাহকসকলৰ বাবে দীৰ্ঘ/ চমু সময়ৰ গৱেষণা /প্ৰশিদ্ধক আঁচনিৰ ব্যৱস্থা কৰা।

(৬) চৰকাৰী সিদ্ধান্ত গ্ৰহণকে আদি কৰি সংশ্লিষ্ট সকলো ক্ষেত্ৰতে ACCU ৰ চলি থকা কাম-কাজৰ তথ্য সংস্কৃতিক তথ্যৰ প্ৰচাৰ কৰা।

এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলটোত পৰিৱেশ্য কলাৰ গৱেষণা, বিনিময়, শিক্ষা আৰু

বৃত্তিগত নেটৱর্কৰ পটভূমি উন্নীতকৰণৰ লগতো ইউনোস্কো জড়িত। এছিয়া পেচিফিক পাৰফ'মিং আর্টচ্ নেটৱর্ক (APPAN) এনে এটা সংস্থা আৰু ইয়াৰ সদস্যসকলে তলৰ কামবোৰ কৰে-

- বিশ্ববাসীৰ আগত এছিয়া প্রশান্ত মহাসাগৰীয় সংস্কৃতিক আৰু অধ্যাতিক পৰিচয়ৰ জনসজাগতা বৃদ্ধি কৰা;
- সমসাময়িক পৰিৱেশ্য কলাৰ সৃষ্টিৰ বাবে পৰম্পৰাগত পৰিৱেশ্য কলা ব্যৱহাৰ বৃদ্ধি কৰা;
- শিল্পী, পৰিৱেশক আৰু প্রশিক্ষণৰ সুবিধাৰ বিনিময়, শিল্পৰ সৃষ্টিৰ বাবে এছিয়া প্রশান্ত মহাসাগৰীয় দেশত পৰিৱেশ্য কলাকাৰ সংগঠন, কৰিঅ'গ্রাফাৰ, প্রমোজক, সমালোচক, লেখক, পণ্ডিত আৰু প্রতিষ্ঠানবোৰৰ মাজত সম্পর্ক স্থাপন কৰা।

এই নেটৱর্কৰ কাম কাজ গৱেষণা, প্রশিক্ষণ আৰু কর্মশালা, তথ্যকৃত, প্রদর্শন, আলোচনা আদিৰে জড়িত। আন কথাত-

- গুৰুত্বপূর্ণ শিল্পীক ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় 'living treasures' হিচাপে মর্যদা দিয়া;
- কর্মশালা, মাষ্টাৰ ক্লাছ আৰু বিনিময়ৰ জৰিয়তে পৰিৱেশ্য কলাকাৰৰ মাজত আন্তঃ আঞ্চলিক বিনিময় গঢ়ি তোলা;
- আঞ্চলিক সংগীত, নৃত্য, থিয়েটাৰ কোম্পানী, শিল্পী আদিৰ মাজত বৌদ্ধিক সম্পদৰ বিনিময়ৰ সুবিধা কৰা;
- পৰিৱেশ্য কলাৰ আঞ্চালিক প্রশিক্ষণ আৰু বৃত্তিৰ প্রদানকাৰী হিচাপে কাম কৰা;
- থিয়েটাৰ আৰু অন্যান্য পৰিৱেশ্য কলাত নিয়োগৰ সুবিধা সৃষ্টিৰ প্রচাৰ কৰা;
- মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্রম, সাধাৰণ জনতা আৰু ছপা আৰু সম্প্রচাৰ মাধ্যমত এছিয়-প্রশান্ত মহাসাগৰীয় অঞ্চলৰ পৰম্পৰাগত সমসাময়িক পৰিৱেশ্য কলাক বিনিময় আৰু শিক্ষা-সামগ্রীৰ হিচাপে উন্নীতকৰণৰ প্রসাৰ কৰা;
- UNESCO CULTURELINK নেটৱর্কৰ দৰে গোলকীয় প্রেক্ষাপটৰ অঞ্চলটোৰ পৰিৱেশ্য কলাকাৰসকলক সংযোগ স্থাপন কৰা।

উন্নয়নশীল দেশবোৰত লোক মাধ্যমৰ সংৰক্ষণ আৰু প্রচাৰত ইউনেস্ক' জড়িত। উদাহৰণ স্বৰূপে, চীনত ই হান সকলৰ মৌখিক পৰম্পৰা দৃশ্য-শ্রব্য মাধ্যমত তথ্যকৃতত জড়িত হৈ আছে। এই প্রকল্পত, সাধু কওঁতাৰ প্রদর্শন বাণীবদ্ধন, দৃশ্য-শ্রব্য বাণীবদ্ধনৰ সংগ্রহ আৰু অভিলেখাযোগাৰ কৰণ, বাচনিৰ পদ্ধতি উন্নীতকৰণ, অপ্রার্থিৱ সাংস্কৃতিক ঐতিহ্যৰ বাণীৱদ্ধ আৰু সংৰক্ষণ কৰা হয়। চীনৰ সংখ্যালঘু সম্প্রতায়, তিব্বতীয় সংস্কৃতিক ঐতিহ্য সংৰক্ষণত ইউনেস্ক'জড়িত। ভাৰতত, পৰিৱেশ্য কলা, গীতা গোবিন্দৰ নথিকৰণ, যাকনতিয়া হাইপাৰ মিডিয়াত পোৱা যায়, 'মোগল আর্ট' নামৰ এখন গ্রন্থ প্রকাশ আদিৰ দৰে কামবোৰ ইউনেস্ক'ৰ সহায়ত কৰি অহা হৈছে। কম্বোডিয়াতই ' Khmer' নৃত্যৰ গৱেষণা আৰু নাথকৰণত জড়িত হৈ আছে।



অগ্রগতি খতিয়ান

প্রশ্ন নং ১ঃ লোক কলাৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ঃ লোকমাধ্যমৰ সংৰক্ষণ বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৩ঃ লোকমাধ্যমৰ প্রচাৰ বুলিলে কি বুজে?

.....

.....



জানি থোৱা ভাল

ইণ্টাৰনেশ্যনেল অর্গেনাইজেশ্যন অৱ ফক আর্ট (IOV World)- ইণ্টাৰনেশ্যনেল অর্গেনাইজেশ্যন অৱ ফক আর্ট হৈছে উৎসৱ, সংস্কৃতিক অনুষ্টান আদি আয়োজনেৰে পৃথিৱীৰ লোক কলা আৰু সংস্কৃতিক সংৰক্ষণ কৰি আন্তঃৰাষ্ট্রীয় বুজাবুজি আৰু শান্তি স্থাপনৰ বাবে গঠন কৰা এটা আন্তঃৰাষ্ট্রীয় সংগঠন । ইয়াৰ উদ্দেশ্য বোৰ হ'ল-

(১) সন্মিলন, সভা, বৈজ্ঞানিকসন্মিলন, আন্তঃৰাষ্ট্রীয় অনুষ্ঠান যেনে বক্তৃতা, ভ্রষণ, প্রদার্শনীৰ আয়োজন কৰা।

(২) লোক কলাক আন্তঃ ৰাষ্ট্রীয় বিনিময় কৰা।

(৩) নৃত্য, লোকসংগীত, লোকগীত, কলা আদিত গুৰুত্ব দি আন্তঃৰাষ্ট্রীয় লোককলা মহোৎসৱ অনুষ্ঠিত কৰা।

(৪) এই ক্ষেত্রখনৰ বাস্তৱ অভিজ্ঞতাবোৰ বিজ্ঞান সন্মতভাৱে প্রকাশ কৰা।

দেশৰ উপস্থিতি- আফগানিস্তান, মাকাও (চীন), বংগো গণৰাজ্য গিনিয়া, গ্রেট বৃটেইন, উত্তৰ আয়াৰলেণ্ড, কোৰিয়া গণৰাজ্য, দক্ষিণ ছডান আদি দেশ ইয়াৰ লগত প্রধানত জড়িত।

আইঅ' ভিয়ে ২০০৩ চনৰ ইউনেস্কো সন্মিলনত বিপদগ্রস্ত সংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে লোক কলাক ৫ টা শ্রেণীত ভাগ কৰিছে-

(১) ভাষাসহ- সাংস্কৃতিক ঐতিহ্য বহনকাৰী মৌখিক পৰম্পৰা আৰু ভাৱ প্রকাশ।

(২) পৰিৱেশ্য ক'লা।

(৩) সামাজিক কর্ম, ৰীতি-নীতি আৰু উৎসৱ।

(৪) প্রকৃতি আৰু বিশ্বক লৈ কৰা উপাসনা, জ্ঞান।

(৫) পৰম্পৰাগত শিল্পক'লা।

১৩.৪ দক্ষিণ এছিয়াৰ লোক মাধ্যম

এছিয়া মহাদেশৰ দক্ষিণ অঞ্চ য'ত উপ-হিমালয়ৰ SAARC (South Asian Association for Regional Cooperation) আছে তাক বুজাবলৈ দক্ষিণ এছিয়া শব্দটো ব্যৱহাৰ কৰা হয়। ইয়াৰ দেশকেইখন হ'ল- আফগানিস্তান, বাংলাদেশ, ভূটান, মালদ্বীপ , নেপাল ভাৰত, পাকিস্তান আৰু শ্ৰীলংকা। এই খণ্ডত আমি এই দেশকেইখনৰ লোকমাধ্যমৰ বিষয়ে আলোচনা কৰিম।

আফগানিস্তানৰ লোকমাধ্যম ঃ লোক ক'লা, কবিতা আৰু লোকসংগীতৰ বাবে আফগানিস্তান জনপ্ৰিয়। এইচ এল ছাকাটাই (১৯৮৩) কৈছে যে, দক্ষিণ আফগানিস্তানৰ সংগীতত পাষ্টুনৰ সংগীতৰ প্ৰভাৱ আছে য'ত বিখ্যাত পাষ্টুন কবি আৰু যুঁজাৰু সকলে ৰচনা কৰা কবিতা ৰাষ্ট্ৰীয় গৌৰৱ আৰু স্বতন্ত্ৰতাৰ বাহক। অধিক সংগীতেই দেশ প্ৰেমমূলক আৰু বিদেশী আগ্ৰাসনৰ বিৰুদ্ধে সাহসী আহ্বানপূৰ্ণ। পাষ্টুন লোকসংগীতৰ এক গুৰুত্বপূৰ্ণ ধাৰা হৈছে লেণ্ডে য'ত জ্বা আৰু ৰ্ব শৰীয়া ঘুটি থাকে। পাষ্টুনৰ বাদ্যযন্ত্ৰ হৈছে ৰাবাৰ যিবোৰক পাষ্টুন লোক শিক্ষাৰ লোকবাদ্য হিচাপে চিনাক্ত কৰা হৈছে। লোককলাক সংস্কৃতিৰ মৌখিক পৰম্পৰাগত উপাংশ বুলি গণ্য কৰা হয়। আফগানিস্তানত মৌখিক ব্যক্ৰিয়াৰ সম্পূৰ্ণ পৰিৰেশ আছিল য'ত 'লোককলা'ই 'সংস্কৃতি আৰু 'জ্ঞান'ৰ সমস্থান লাভ কৰিছে। লোককলাৰ শৈক্ষিক পৰম্পৰাৰ সৈতে দীঘলীয়া প্ৰতিষ্ঠিত সম্পৰ্ক আছে য'ত ধৰ্মীয় কলা থাকে।

বাংলাদেশৰ লোকমাধ্যম ঃ বাংলাদেশৰ সংগীত আটাইতকৈ জনপ্ৰিয় লোক ক'লা হৈছে সংগীত। ধৰ্মীয় সংগীত (বাউল, মাৰফাটী, মুৰ্শিদি, বিচ্ছেদ), ভক্তি সংগীত (হাম, নট, শ্যামা সংগীত, কীৰ্তন), বেলাড (পালাগান, পূথিপাঠ), সামাজিক সংগীত (জাৰি, ছাৰি, ভাৱয়া) আৰু সৰ্প সংগীত আদি প্ৰধান।

পৰম্পৰাগত আৰু সংগীতবোৰ কাবিয়াল (লোকগীতৰ ৰচক, সুৰকাৰ) গায়েন (গায়ক), ড'হাৰ (সহ-গায়ক) আৰু সংগীতজ্ঞই সৃষ্টি কৰা। বায়তীসকলে বাংশাদেশত এতিয়াও স্বাধীনতা যুঁজৰ সমূহ, মান আদিৰ গীত গায়। স্বাধীনতা যুজঁৰ সৈতে সংলগ্ন বিশেষ বৰ্ণনাতমক লোক পৰিৱেশন গম্ভীৰা।

বাংলাদেশৰ ৰহস্যবাদী অথবা ধৰ্মীয় সংগীতবোৰৰ ভিতৰত জনপ্ৰিয় আৰু জনাজাত হৈছে বাউল। বাউলে ধৰ্মীয় সীমা ভেদ কৰি ছোফিৰ প্ৰভাৱৰ উপৰিও বৈষ্ণৱ আৰু ভক্তি সাহিত্যৰ প্ৰভাৱত গঢ় লৈ উঠিছে। বিচ্ছেদ সংগীত ধৰ্মীয় অনুভূতিপূৰ্ণ কিন্তু ইয়াত ৰাধা-কৃষ্ণৰ বিচ্ছেদৰ প্ৰতিচ্ছবিৰে আতমাৰ পৰা মানৱদেহৰ ব্যৱধানৰ দুখৰ কথা কোৱা হৈছে। বাংলাদেশৰ ধৰ্মীয় লোক গীতৰ ভিতৰত অন্যতম হৈছে কবি আৰু জাৰি সংগীত। জাৰি হৈছে হজৰত ইমান হাছান আৰু হুছেইনৰ মৃত্যুৰ দুখত গোৱা গীত। বৰ্তমান সময়তো কবি সংগীত অতি জনপ্ৰিয় । এইবোৰ দুজন কবিৰ আকস্মিক প্ৰতিযোগিতা মূলক গীত।

ঝুমুৰ গীতত চাওতাল জনজাতিসকলে ৰাধা-কৃষ্ণৰ প্ৰেমৰ কথা কয় এইবোৰ ঘাটুচসকলৰ দৰে একে। ঘাটুচসকল নদীপৰীয়া মানুহ নদীত নাৱত উঠি শৰতত বৰষুণ দিয়াৰ সময়ত এই গীতবোৰ গায়। লোক সংগীতৰ ভাৱায়া আৰু জাগৰ দৰে ৰূপবোৰ বাংলাদেশৰ উত্তৰ জিলাবোৰত পৰিৱেশন কৰা হয়। দুজন কবিৰ মাজত নিৰ্দ্দিষ্ট বিষয় এটাৰ ওপৰত সাংগিতিক বিতৰ্কৰ চমু সংগীত 'কবিগান' বাংলাদেশত অতি জনপ্ৰিয়। বাংলাদেশৰ সাধুকথা যেনে ৰূপকথা আৰু পৰীকাহিনী ৰাজকুমাৰ ৰাজকুমাৰী, প্ৰায়কসুলভ কৰ্ম, অতি প্ৰাকৃতিক, যাদুকৰী শক্তি আদিৰে ভৰপুৰ। ঐতিহাসিক চৰিত্ৰৰ প্ৰবাদপুৰুষ হৈছে ৰোমাঞ্চ কথা। বীৰ কথাও ইয়াৰ ভিতৰতে পৰে। লোকনৃত্যক এনেদৰে ভগাব পাৰি- ধৰ্মীয় (জাৰিনাছ, জিকিৰনাছ, কীৰ্তননাছ) সামাজিক (গম্ভীৰনাছ, ধালিনাছ, লাঠিনাছ আৰু ৰয়বেঞ্চিনাছ), উৎসৱমূলক (ঘাটুনাছ, খেমতানাছ, সাৰিনাছ আৰু বলিনাছ) আৰু সংগীতিক (বাউল, জাৰিনাছ, আৰু গম্ভীৰ নাছ)। বাংলাদেশৰ অধিখ অংশতে সময়ে সময়ে যাত্ৰা প্ৰদৰ্শন কৰা হয়। মৌখিকভাৱে প্ৰকাশিতই হৈছে প্ৰধানত লোকনাট্য। গিলাচ-বাতি আদিৰ দৰে সমগ্ৰীত খাটিক বহল ভাৱে ব্যৱহৃত। কুমাৰসকলে পৰম্পৰাগতভাবে বাচন তৈয়াৰ কৰি আহিছে।

ভূটানৰ লোকমাধ্যম ঃ তিব্বত বিশেষজ্ঞ ফ্ৰেংকইছে উল্লেখ কৰিছে যে, ভূটানীসকলৰ পৰম্পৰাগত তুখা নৃত্যই জনসাধাৰণৰ মাজত সাংস্কৃতিক আৰু ৰাজনৈতিকভাৱে একত্ৰীকৰণৰ বাৰ্তা প্ৰচাৰ কৰে। ব্যাখ্যামূলক নৃত্য, বুদ্ধ নায়ক, ভিক্ষু আৰু লামাসকলৰ কাহিনীৰ বাবেও ভূটান প্ৰখ্যাত। পৰম্পৰাগত ভূটানী নাটক ধৰ্মীয় মুখ্য নৃত্য অথবা চাম প্ৰদৰ্শনেৰে জং আৰু যানট্ৰিৰ প্ৰাসংগত পৰিৱেশন কৰা হয়। ভূটানী পৰিৱেশ্য পৰম্পৰাৰ এক মহান পট হৈছে চাম। ই এক গতিশীল ধ্যান, নৰ্তকে সাংকেতিকবাবে শক্তি প্ৰদৰ্শন কৰে। এই বিশেষ নৃত্যবিধ বৌদ্ধ শ্লোক, সংগীত আৰু ৰীতিৰে পৰিপূৰ্ণ। কিছুমান নৃত্য ধৰ্মীয় পুৰুষৰ আধ্যাত্মিক জীৱনপঞ্জী নামথাৰ্চৰ ওপৰত ভিত্তি কৰি কৰা হয়।

সাধু কথাবোৰ ভূটানৰ গ্ৰামাঞ্চলত সন্ধিয়া সময়ত পৰম্পৰাগত ভাবে কৈ অহা হৈছে। এইবোৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হৈ আহিছে আৰু যোগাযোগৰ উপযুক্ত মাধ্যম হিচাপে কাম কৰি আহিছে।

ভূটানৰ এটা গুৰুত্বপূৰ্ণ লোকসাহিত্য হৈছে ল'জে। আক্ষৰিক অৰ্থাত 'উক্তিৰ অলংকাৰ'এইবোৰ ভূটানী সংস্কৃতি, ৰীতি, নীতি পোচাক অভ্যাস আৰু সাহিত্যৰ উৎকৃষ্ট উৎস। ল'জেবোৰ কথিত ভাষাত ৰচনা আৰু আবৃত্তি কৰা হয়। ভূটানৰ আন এক লোক সাহিত্য হৈছে ছাহম'। চাৰিটা শাৰীত দুটা ছেদত থকা ই এক উৎকৃষ্টমানৰ কবিতা। ছাংম'বৌৰ আবৃত্তি কৰা নহয় বৰং বিশেষ সুৰত গোৱাহে হয়।

লোকগীত ভূটানী সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। লোকগীত বোৰক দুটা ভাগত ভগাব পাৰি। সেয়া হৈছে ঝুংদ্ৰা (কেন্দ্ৰৰ মেল'ডি) আৰু বায়েদ্ৰা।

মালদ্বীপৰ লোকমাধ্যম ঃ লোকনৃত্য আৰু সংগীত মালদ্বীপৰ সংস্কৃতি আৰু সমাজৰ অবিচ্ছেদ্য অংগ। সাম্প্ৰতিক সময়ত পৰম্পৰাগত ঢোল আৰু সংগীত 'বডুবেৰু'ত যুৱকসকলৰ অংশগ্ৰহণেই ইয়াৰ প্ৰমাণ। ছাগলীৰ ছালৰ কেতিয়াবা ষ্টিং শ্ৰেৰছাল্য ঢোলবোৰ বজাই ইয়াৰে মিলাকৈ সংগীত

গোৱাৰ লগতে হিপ নাটক নৃত্য আমোদজনকভাৱে এজনৰ পিছত এজন ৰৈ কৰে। থাৰা সংগীত ২২ খন মানুহে দুটা শাৰীত হিপৰীত দিশেৰে বহি লৈ পৰিৱেশন কৰে। কেৱল পুৰুষে পৰিৱেশন কৰা এই ধর্মমূলক। বড়ুবেৰুৰ দৰে যাৰাগীত লাহে লাহে আৰম্ভ হৈ তীব্র গতি পায়গৈ। থাৰাটো আৰৰৰ পৰা অনা বুলি কোৱা হয়। ১৭ শতিকাৰ মাজভাগত পার্চিয়ান গল্পৰ পৰা অহা সকলে ইয়াক আনিছিল।

শ্রম শেষ হোৱাৰ পিছত গোৱা এবিধ বিশেষ গান হ'ল গাঅডি লাৱা। ছলতান মহম্মদ ইমানদ্দিন - ১ (১৬২০-১৬৪৮) দিনত মালে চহৰৰ প্রতিৰক্ষাতে জড়িত কর্মীসকলৰ বাবে ইয়াক গোৱা হৈছিল।

মালদ্বীপত বহু সংস্কৃতি প্রদর্শন আছে যেনে মহিলাৰ বান্দয় নৃত্য য'ত মহিলাসকলে পৰম্পৰাগত পানী কঢ়িওৱা বাচন নৈ আৰু তাক বজাই, চমৎকাৰ সংগীত গাই নৃত্য কৰে। ঈদ পালনৰ (মুছলমানৰ উপবাস সাহ সম্পূর্ণ হোৱাৰ পিছত বা বছৰেকীয়া মক্কা যাত্রা সম্পূর্ণ হোৱাৰ পিছত পালন কৰা এক উৎসৱ) সময়ত নাৰিকলৰ পাতত মাছলৈ যাক বড়ুমাছ আৰু মালি বুলি কোৱা হয়, ধর্মীয় কাপোৰ পৰিধানেৰে দ্বীপটোৰ পতাত পৰম্পৰাগত সমদল কৰা হয়। এই সমদলত বিভিন্ন খেলা থাকে আৰু ই সমগ্র দ্বীপটোৰ লোককলাক একেলগে প্রদর্শন কৰাত পৰিৱেশ আনন্দময় হৈ পৰে। কবিতা আবৃত্তি (ৰাই ভৰু) আৰু খেলা যেনে 'কোৱাদি কেন্দুন' (ইয়াত পুৰুষ আৰু মহিলাই এটাই আনটোৰ বিপক্ষে খেলে মালদ্বীপত অতি জনপ্রিয়।

মালদ্বীপৰ সাধুকথা পৃথিৱীৰ আন প্রান্ততো বিখ্যাত। বহু মৌখিক সাধু থকাৰ পিছতো তাক লিখিত ৰূপত প্রকাশৰ পদক্ষেপ লোৱা হোৱা নাই। সাধুবোৰ এজন মানুহে কৈ যায়। য'ত মানুহ এঘৰত সকলো মানুহ একেলগ হয়। সাধুকওতা পুৰুষ হয় আৰু বুলাকুৰ প্রয়াত গ'নাহিজে ফাতমা দিদি হয়। এই সাধু বোৰ মূল ধাৰাত সংৰক্ষণৰ কোনো চেষ্ট কৰা নাই। মাত্র কেতবোৰ প্রবাদ যেনে 'ড'ন মহনু' আৰু ছার্ক, 'ড'ন হিয়ালা আৰু আলিফুলু' আৰু 'হান্দি দন কামানা' মালদ্বীপৰ ভাষাত ছপা কৰি সংৰক্ষণ কৰা হৈছে।

মালদ্বীপৰ মৌখিক সাধুৰ পৰম্পৰাক এনেদৰে ভাগ কৰিব পাৰি - (১) দৈত্য-দানৰৰ সাধু (২) দীঘলীয়া পৰীৰ সাধু শৈলীৰ জনশ্রুতি (৩) হাস্যৰস সৃষ্টিকাৰী চৰিত্রৰ কাহিনী (৪) স্থানীয় জীৱ-জন্তুৰ উল্লেখ থকা নীতিকথা(৫) সাগৰ ভ্রমণৰ সাধু (৬) অর্ধ-ঐতিহাসিক ঘটনাৰাজি।

নেপালৰ লোকমাধ্যম ঃ নেপালত জনসাধাৰণত কোনো ঘটানৰ খবৰ দিবলৈ কাটুৱাল কৰাওনে (বার্তাবাহকৰ মন্ত্র) বাজাউনে লিপিট্নে, দামহা (ঢোল বাদন) বিগুল, শংখ আৰু বহুকেইবিধ বাদ্য বজোৱা হয়। নেপালৰ গ্রামাঞ্চলত এতিয়াও কাটুৱাল কৰওনে (বার্তাবাহকৰ মন্ত্র) প্রচলিত। আন কেইবিধমান সততে প্রচলিত লোকমাধ্যম হৈছে মেলা (যাত্রা), ধর্মীয় অনুষ্ঠান সত্যনাৰায়ণ কথা, সপ্তাহা ৰীতিসম্পর্কীয় উদযাপন (জন্ম, বিবাহ আৰু অন্যান্য) লোকগীত, নাটক, বেলাড, সাঁথৰ আৰু সাধুকথা অন্যতম। গণ্ডাৱাসকল বৃত্তিগতভাৱে গায়ক জাতি। অতীতত গণ্ডাৱাসকল অতি প্রভাৱশালী যোগাযোগকাৰী নাছিল। গ্রামাঞ্চলত তেওঁলোকে আধুনিক গণমাধ্যমৰ দৰে কাম কৰিছিল। সেয়ে তেওঁলোকক 'জীৱন্ত বাতৰিকাকত' বুলি কোৱা হয়। অতীততে তেওঁলোকে

গাঁৱে গাঁৱে ঘুৰি কাৰখা (ঘটনামূলক গীত) পৰিৱেশন কৰি ধন আৰু খাদ্য সংগ্ৰহ কৰিছিল। কাৰমা বৰ্তমানো দেশখনত সাম্প্ৰতিক ঘটনাপ্ৰবাহ, সামাজিক, ৰাজনৈতিক আৰু সংস্কৃতিকমূল কাহিনীগীত হিচাপে প্ৰচলিত। এয়া মৌলিক পৰম্পৰাৰ এক দিশ। সেয়ে কাৰখাক 'জীৱন্ত ইতিহাস' আখ্যা দিয়ে।

নেপানৰ বহুতো লোককলা বৰ্তমান পতনমুখী হৈছে। নেপালত বহু লোকচিত্ৰ আছে। মধ্যযুগৰ নেৱাৰী শাসনকালত কুন্দত কটা পৰম্পৰা আৰু পৱিত্ৰ প্ৰতিমূৰ্তিবোৰৰ ব্ৰ'ঞ্জ প্ৰতিৰূপ নিৰ্মাণ পৰম্পৰাই বিকশিত ৰূপ লৈছিল। মম--ব্ৰজ্ঞাৰ শিল্প আছিল। মৈতালি আৰু জহৰু মহিলাসকলে তৰাইৰে নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰিছিল আৰু বিভিন্ন দেৱাল শোভাৱৰ্দ্ধক চিত্ৰঅংকন কৰিছিল। এতিয়া বহুতো মহিলাই সেইবোৰ কাগজত আঁকি, বিক্ৰীৰ বাবে উলিয়াই দি আন্তঃৰাষ্ট্ৰীয় বজাৰত সমাদৰ লাভ কৰিছে।

ভাৰতৰ লোকমাধ্যমঃ

ভাৰতৰ লোকমাধ্যমৰ ভিতৰত লোক নাট্য, লোকগীত, বেলাড, লোক ক'লা, পুতলা নাচ অন্যতম। জনপ্ৰিয় লোক নাট্যবোৰ হৈছে তামাছা, পোবাড়া, পাৱালা, কীৰ্তন, যক্ষগান, দশাৱতাৰ, নৌতংকি, ৰামলীলা, ৰাসলীলা, যাত্ৰা, ভৱাই, থেৰুকুথূ, পুতলা নাচ, বাটৰ নাট আদি। উন্নয়নমূলক যোগাযোগৰ বাবে চৰকাৰে সংগীত- নাটক শাখা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনত লোকমাধ্যমৰ অনুবাদৰ হেতু স্থাপন কৰিছে। আনকি আকাশবানীয়ে গ্ৰামাঞ্চলৰ জীৱন যাত্ৰাৰে সম্পৃক্ত কেতবোৰ চৰিত্ৰক বাৰ্তা বাহকহিচাপে প্ৰয়োগ কৰাৰ বাবে দৈনিক অনুষ্ঠানত লোকমাধ্যমৰ ব্যৱহাৰ কৰে। (১ নং গোটত ভাৰতত বিভিন্ন পৰম্পৰাগত লোক মাধ্যমৰ বিষয়ে সবিস্তাৰে বৰ্ণনা কৰা হৈছে)

পাকিস্তানৰ লোকমাধ্যমঃ

দক্ষিণ এছিয়া আৰু মধ্য এছিয়া দেশবিলাক প্ৰভাৱত গঢ় লৈ উঠা লোকসংগীতৰ বাবে পাকিস্তান প্ৰখ্যাত। কৱালী আৰু গজল গায়কিয়াৰে জনপ্ৰিয় সংগীত। পাকিস্তানৰ জনপ্ৰিয় লোকনৃত্যবোৰ হ'ল ভাংৰা, লুড্ডী, ধামাল (ছুফি দৰগাহত পাঞ্জাৱ আৰু সিন্দু প্ৰদেশত প্ৰদৰ্শন কৰা হয়।), আটান, খট্টক ঝুমাৰ, হজমাল' সিন্ধি নৃত্য আৰু লেৱা। লোকসংগীতবোৰৰ ভিতৰত বালুচি, পাষ্টু, পাঞ্জাবী, ব্ৰাহুই আৰু সিন্ধি লোকগীত লেখত ল'বলগীয়া। পাকিস্তানৰ লোকগীতবোৰ হ'ল ক্ৰমে 'এবিটি' (যুৱতীসকলে গোৱা প্ৰেমৰগীত) "আল্লাহ হু"" (এক মুছলমান নিচুকনি) 'অশ্বুৰ জান' (দেশপ্ৰেমূলক গীত) আৰু জুংগ্নি। লোকগীতসমূহৰ ভিতৰত হীৰ ৰাঞ্জা, ছ'হনি মাহিৱাল, ছাছুই পুনহুন আৰু মিৰ্জা শ্বাহিবানৰ দৰে ধৰ্মীয় প্ৰেমমূলক কথা। পাকিস্তানত সাধুকথাৰ ওপৰত ভিত্তি কৰি লোকগীত বোৰ গঢ় লৈ উঠিছে। বদলা (অথবা ছাণ্ডাৰা) হৈছে আৰবী আৰু পাৰ্ছিয়া সংস্কৃতিৰ পৰা অহা স্থানীয় ৰোমাঞ্চ, আখ্যান, সাধুকথা, নীতিকথা, স্থানীয় নায়ক আৰু ঐতিহাসিক পাষ্টু লোক সংগীত।

শ্ৰীলংকাৰ লোকমাধ্যমঃ

শ্ৰীলংকাৰ অধিকাংশ ঠাইতে লোক ৰীতি-নীতি দেখা যায়। দেৱী পাতিনিক সন্তুষ্ট কৰাৰ বাবে ঐতিয়াও আদিল্লা (শিংভঙা) প'ল কেলিয়া (নাৰিকল খেল) আৰু ডডাম কেলিয়া (কমলা খেল) খেলা হয়। ধৰ্মনিৰপেক্ষ নতুন বছৰৰ অনুষ্ঠানৰ বাবে গ্ৰামাঞ্চলত এতিয়াও তেল সনা খুঁটা বগোৱা, ৰছী টনা খেল, আৰু ছাক গুডু খেলা হয়। কৃষিৰ লগত জড়িত বহুতো অনুশীলন লোকনীতি বহ প্ৰজন্মৰ পৰা কৃষি উৎপাদন বৃদ্ধিৰ বাবে গ্ৰামাঞ্চলসমূহত কৰি অহা হৈছে। এনে এবিধ নীতি হৈছে ভাপ মাগুলা (Festivel of Plow)। গতিৰ আৰম্ভনিও ৰাজহুৱাভাৱে ইয়াক পালন কৰা হয়। আন এবিধ নীতি আট্টাম কায়া (labour exchange) ত বহুজনে কৰা কামৰ বাবে আৰু পিন কায়া (merit exchange) গাঁৱৰ দুৰ্বল, ৰোগী মানুহক সহায়ৰ বাবে প্ৰচলিত।

তৃতীয় শতিকাত বৌদ্ধ ধৰ্ম প্ৰচাৰৰ লগে লগে দেশখনত প্ৰবাদ, ঐতিহাসিক ঘটনাৰ সাধু, কবিতা, গান, নাটকীয় প্ৰদৰ্শন অতি খৰতকীয়াকৈ প্ৰচাৰ হ'ব ধৰে আৰু এইবোৰ লিখিত মৌলিক ছায়া প্ৰকাৰে হয়। উদাহৰণস্বৰূপে, জাতকৰ সাধু (বোধিসত্বৰ জন্ম কাহিনী) পালি ভাষাৰ পৰা ভিক্ষুসকলৰ জৰিয়তে প্ৰচাৰ হৈ মুখে মুখে প্ৰচলিত হয়।

গীতবোৰ কেৱল মুখে মুখে নাগায় তাক নাৰিকল পাতত লিখি ৰাখি ধৰ্মীয় গুৰিধৰোতা লোকৰ পৰিয়ালত সংৰক্ষণ কৰিছিল। এনে কেতবোৰ উদাহৰণ হ'ল ঘটনা (ভিট্টি কৰি) যুদ্ধৰ কবিতা (হাতন কৰি) আৰু বৰ্ণনাত্মক কবিতা (যশোদৰা ৱাতা —যশোদৰাৰ সাধু)

মন্দিৰবোৰৰ দেৱালত থকা চিত্ৰবোৰ বৌদ্ধ যুগৰো আগৰ বুলি ঠাৱৰ কৰা হৈছে। এইবোৰ পৰম্পৰাগত চিত্ৰ। কিন্তু সংৰক্ষণৰ অভাৱত এতিয়া এইবোৰ ধৰিব নোৱাৰাকৈ নষ্ট হৈছে। বৌদ্ধৰ ভাস্কৰ্য লোকতকৰাতো ৰজা আৰু বিখ্যাত ব্যক্তিসকলে প্ৰচাৰ কৰি জনপ্ৰিয় কৰিছিল।

সেয়ে বিভিন্ন ধৰণৰ এই সংস্কৃতিক আৰু সামাজিক জীৱনক প্ৰভাৱিত কৰা লোকমাধ্যমবোৰে সাংস্কৃতিক গতিশীলতা প্ৰদান কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ বাংলাদেশৰ কেইটামান জনপ্ৰিয় লোকসংগীতবোৰৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৫ ঃ 'গা অডি লভা' বুলিলে কি বুজে?

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকমাধ্যমক অটুত ৰখাত ইউনেস্ক'ৰে যথেষ্ট গুৰুত্ব প্রদান কৰিছে। কাৰণ ই বিশ্বাস কৰে যে এইবোৰ সর্বজনীন মানৱীয় ঐতিহ্যৰ অংশ আৰু ই বিভিন্ন গোটৰ মানুহক নিজা নিজা সংস্কৃতি অটুত ৰাখি একেলগ হোৱা এক শক্তিশালী মাধ্যম।
- এছিয়া আৰু প্রশান্ত মহাসাগৰীয় অঞ্চলত সংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণৰ প্রচাৰৰ লগতে গৱেষণা, বিনিময়, শিক্ষা আৰু বৃত্তিগত নেটৱর্কৰ পটভূমি উন্নয়নত ইউনেস্ক' জড়িত।
- আফগানিস্তান, বাংলাদেশ, ভূটান, মালদ্বীপ, নেপাল, ভাৰত, পাকিস্তান আৰু শ্রীলংকাক লৈ গঠিত দক্ষিণ এছিয়াত লোক ঐতিহ্য অতি চহকী আৰু প্রতিখন দেশৰ মাজত সংস্কৃতিক সমন্বয় আছে।



১৩.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Madhusudhan, K. (2006). Traditional Media and Development Communication, New Delhi: Kanishka Publishers.
2. Sakanta,Hiromi Loraine (1983): Music in the mind: Concepts of Music and Musicians in Afghanistan. Kent State University Press.
3. UNESCO (1999) Preservation and Promotion of Traditional/ Folk Performing Arts. Asia- Pacific Database on Intangible Cultural Heritage (ICH), by Asia- Pacific Cultural Centre for UNESCO (ACCU)

১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ইউনেস্ক'ৰে সংজ্ঞাবদ্ধ কৰামতে, লোককলা সম্পূর্ণৰূপে সাংস্কতিক সমাজ এখনৰ পৰম্পৰাভিত্তিক সৃষ্টি। এটা গোটৰ ব্যক্তিসকলে প্রকাশ কৰা লোককলাত সমাজৰ প্রত্যাশাবোৰ প্রকাশ পোৱাৰ লগতে সাংস্কৃতিক আৰু সামাজিক পৰিচয়ৰ প্রতিফলন হয় আৰু এজনে আন এজনৰ মাজত হোৱা মৌখিকভাৱে ই প্রচাৰ হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ সংৰক্ষণ হৈছে লোক পৰম্পৰাৰ নথিকৰণ ।ইয়াৰ উদ্দেশ্য হ'ল অব্যৱহৃত হৈ থকা পৰম্পৰাক পুনৰোক্ষানেৰে গৱেষক আৰু পৰম্পৰাৰ সাহকসকলক তথ্য লাভ কৰাৰ লগতে পৰম্পৰা ক'ৰ পৰা পৰিৱর্তন হ'ল তাক বুজি উঠাত সহায় কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ লোকমাধ্যমৰ প্রচাৰ জৰিয়তে সাংস্কৃতিক ঐতিহ্যক লোকমাধ্যম হিচাপে প্রসাৰ নিশ্চিত কৰা হয় যাতে লোকমাধ্যমৰ মূল্য আৰু সংৰক্ষণৰ প্রয়োজনীয়তাই স্বীকৃতি পায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ বাংলাদেশৰ কেতবোৰ জনপ্রিয় লোকমাধ্যমৰ ভিতৰত ধর্মীয় সংগীত (বাউল, মাৰফার্চী, মুর্শিদী) ভক্তি সংগীত (হামড় নাট, শ্যামাসংগীত, কীর্তন) বেলাড (পালাগান পুথিপাঠ), সামাজিক সংগীত (জাৰি, ছাৰি, ভাৱায়া) আৰু নাগ বন্দনা আদিয়ে প্রধান।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভূটানৰ এক গুৰুত্বপূর্ণ লোকসাহিত্য হৈছে ল'জে। আক্ষৰিক অর্থত 'উক্তিৰ অলংকাৰ' এয়া ভূটানী সংস্কৃতি, ৰীতি, পোছাক অভ্যাস আৰু সাহিত্যৰ উৎকৃষ্ট তথ্যৰ উৎস। কথিত ভাষাত ল'জে ৰচনা আৰু আবৃত্তি কৰা হয়।



১৩.৮আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

প্রশ্ন ১ঃ ভাৰতৰ বিভিন্ন লোকনাট্য চিনাক্ত কৰক।

প্রশ্ন ২ঃ এছিয়া প্রশান্ত মহাসাগৰীয় পৰিৰেশ্য ক'ল নেটৱৰকৰ উদ্দেশ্য কি?

প্রশ্ন ৩ঃ নেপালৰ গান্দৰৰ বিশেষ বৈশিষ্ট্য কি?

(খ) চুটি প্রশ্ন- (প্রায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্রশ্ন ১ঃ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত ইউনেস্কোৰ এছিয়া প্রশান্ত মহাসাগৰীয় সাংস্কৃতিক কেন্দ্রৰ ভূমিকা কি?

প্রশ্ন ২ঃ লোকসকলৰ সংৰক্ষণৰ বাবে ১৯৮৯ চনত অনুষ্ঠিত ইউনেস্ক'ৰ সাধাৰণ সন্মিলনৰ সদস্য ৰাজ্যবোৰৰ প্রতি আগবঢ়োৱা পৰামর্শবোৰ কি কি?

প্রশ্ন ৩ঃ শ্রীলংকাৰ ভিন্ন প্রকাৰৰ লোকমাধ্যমৰ সবিশেষ লিখা।

(গ) ৰচনাধর্মী প্রশ্ন- (প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্রশ্ন ১ঃ ভাৰত লোকমাধ্যমৰ মক্কা কেনেকৈ হয় বর্ণনা কৰা।

প্রশ্ন ২ঃ লোকমাধ্যমক সংৰক্ষণ আৰু অটুত ৰখাত ইউনেস্ক'ৰ প্রচেষ্টাৰ বিষয়ে লিখা।

****

অধ্যায় ১৪ ঃ লোক মাধ্যম সংযোগলৈ বিশিষ্ট ব্যক্তিৰ অৱদান

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ লোকমাধ্যম সংযোগলৈ বিশিষ্ট ব্যক্তিৰ অৱদান

১৪.৩.১ গ্লোৰিয়া ফেলিচিয়ান'

১৪.৩.২ ৰিমল দিচানায়কে

১৪.৩.৩ শ্যাম পার্মাৰ

১৪.৩.৪ এইচ. কে. ৰংগনাথ

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্রগতি খতিয়ান

১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি তলত উল্লেখ কৰা বিশিষ্ট ব্যক্তিসকলে লোক মাধ্যম সংযোগ (Folk Media Communication)লৈ আগবঢ়োৱা অৱদানৰ বিষয়ে জানিব পাৰি। তেওঁলোক হ'ল ঃ -

- গ্লোৰিয়া ফেলিচিয়ান'
- ৰিমল দিচানায়কে
- শ্যাম পার্মাৰ আৰু
- এইচ. কে. ৰংগনাথ

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি দক্ষিণ এচিয়াৰ বিশেষ উল্লেখেৰে উন্নয়নশীল দেশবোৰত লোক মাধ্যমবোৰক জীয়াই ৰখাত ইউনেস্ক'ই কেনে ভূমিকা পালন কৰি আছে সেই বিষয়ে আলোচনা কৰিছো। এই অধ্যায়ত লোক মাধ্যম সংযোগলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা কেইগৰাকীমান স্বনামধন্য ব্যক্তিৰ বিষয়ে আলোচনা কৰা হ'ব।

১৪.৩ লোকমাধ্যম সংযোগলৈ বিশিষ্ট ব্যক্তিৰ অৱদান

সময় বাগৰাৰ লগে লগে পৰম্পৰাগত লোক মাধ্যমৰ গৱেষণাৰো যথেষ্ট বিকাশ ঘটিছে। সমগ্ৰ বিশ্বতে এই দিশত নানাপণ্ডিত আৰু তাত্ত্বিকে নিজ নিজ অৱদান আগবঢ়াই আছে। তলৰ শিতানবোৰত এই শৈক্ষিক পাঠ্যক্ৰমটোলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা দুগৰাকীমান প্ৰসিদ্ধ সংযোগ পণ্ডিতৰ বিষয়ে আলোচনা কৰা হ'ব।

১৪.৩.১ গ্লোৰিয়া ফেলিচিয়ান'

গ্লোৰিয়া ফেলিচিয়ান' এগৰাকী শিক্ষাজগতৰ সৈতে জড়িত ব্যক্তি। তেওঁ ক্ষেত্ৰীয় স্তৰৰ সংযোগ কৌশল জড়িত থকা লোক মাধ্যমসমূহৰ বিকাশৰ লগতে এনে মাধ্যমসমূহক গণ মাধ্যমৰ সৈতে সংহত কৰাৰ পন্থা বিচাৰি উলিওৱাৰ দিশত মহত্ত্বপূৰ্ণ অৱদান আগবঢ়াইছে। ফেলিচিয়ান'ৰ ক্ষেত্ৰভিত্তিক কাৰ্যকলাপৰ কেন্দ্ৰ হ'ল ফিলিপাইনচ্। দেশখনত উন্নয়নমূলক বাৰ্তা প্ৰচাৰৰ এক সম্ভাৱনাপূৰ্ণ বাহক ৰূপে লোক মাধ্যমবোৰে সেৱা আগবঢ়াই আহিছে। তেওঁৰ অধ্যয়নে কেৱল দেশখনৰ পৰিয়াল পৰিকল্পনা কাৰ্যসূচীবোৰ প্ৰচাৰত লোকমাধ্যমৰ প্ৰয়োগকেই সমৰ্থন কৰা নাই। তেওঁ নিজ অধ্যয়নত লোক মাধ্যমক সমগ্ৰ উন্নয়নমূলক সংযোগৰ বহল পৃষ্ঠভূমিত প্ৰয়োগ কৰাৰ কথা কৈছে। ফেলিচিয়ান'ৰ কৰ্মৰাজিৰ পৰা বিচাৰি উলিওৱা সবাতোকৈ তাৎপৰ্যপূৰ্ণ কথাকেইটা হ'ল- (১) দেশখনৰ গ্ৰামাঞ্চলবোৰত এক সমৃদ্ধিশালী লোকমাধ্যমৰ অস্তিত্ব আছে। (২) লোকমাধ্যমৰ বিভিন্ন ৰূপ, গাঁথনি আৰু কৌশলৰ অস্তিত্বই মাধ্যম বাছনি কৰাৰ বাবে এক বিস্তৃত বিকল্প আগবঢ়াব পাৰে। ইয়াৰ পৰা নিৰ্দিষ্ট সংযোগ উদ্দেশ্য পূৰণ কৰিব পৰা সবাতোকৈ উপযুক্ত মাধ্যমটো বাছি ল'ব পৰা যায়। আধুনিক প্ৰচাৰ মাধ্যমবোৰৰ সৈতে সংহত কৰিবলৈকো গণ মাধ্যমবোৰে এক বিস্তৃত বাছনি ক্ষেত্ৰ আগবঢ়াব পাৰে। (৩) লোক মাধ্যমবোৰৰ কৌশল আৰু গাঁথনি দুয়োটাৰে প্ৰকৃতি গণমাধ্যমৰ সৈতে একে বাবে এইবোৰক উন্নয়নমূলক সংযোগত ব্যৱহাৰ কৰিব পৰাকৈ খাপ খুৱাই লোৱাটো সহজ। (৪) গ্ৰামাঞ্চলৰ বাসিন্দাই এই মাধ্যমবোৰক যথেষ্ট আদৰ কৰে। ই বাৰ্তাৰ ভাৰসাযোগ্যতা বৃদ্ধি কৰিব। এই মাধ্যমেৰে বিয়পি পৰা বাৰ্তাই গণ মাধ্যমৰ নৈৰ্ব্যক্তিক চৰিত্ৰটো সফলতাৰে প্ৰচাৰ কৰিব আৰু চৰিত্ৰটোৰ সমতা বৰ্তাই ৰাখিব পাৰিব। (৫) লোক মাধ্যমক পুনৰুজ্জীৱিত কৰি তোলাৰ প্ৰয়াসৰ অস্তিত্বও বিচাৰি পোৱা গৈছে। যিবোৰ লোক মাধ্যমৰ জনপ্ৰিয়তা হ্ৰাস হৈছিল আৰু লাহে লাহে অব্যৱহৃত হৈ পৰিছিল সেইবোৰৰ বাবে ই এক আশাব্যঞ্জক কথা।

ফেলিচিয়ান'ৰ মতে গণ মাধ্যমবোৰে গ্ৰামাঞ্চলত উন্নয়নমূলক প্ৰয়াস চলোৱাত সফলতা লাভ কৰিব পৰা নাই। গ্ৰামাঞ্চলৰ প্ৰেক্ষক (দৰ্শক /শ্ৰোতা) সম্পৰ্কে পৰ্যাপ্ত জ্ঞানৰ অভাৱত গণ মাধ্যমবোৰে প্ৰভাৱশালী সংযোগ বাৰ্তা প্ৰেৰণ কৰিব পৰা নাই। নিৰ্দেশনাত্মক তথা শৈক্ষিক প্ৰকৃতিৰ অনুষ্ঠানৰ অভাৱ, বহুভাষিক অনুষ্ঠানৰ অভাৱ আৰু

সংযোগৰ এক জনপ্রিয়, কার্যসম্পাদনকাৰী তথা ব্যৱহাৰিক মাধ্যম (ভাষা)ৰ অভাৱত গ্রামাঞ্চলৰ জনসাধাৰণে উন্নয়নমূলক বার্তাবোৰ বুজি পোৱাত বাধাৰ সৃষ্টি হয়। তেওঁৰ দৃষ্টিভংগী অনুসৰি নির্দিষ্ট পাঠক অথবা শ্রোতা সমাজৰ আকলন স্তৰ (level of understanding) অনুসৰি প্রস্তুত নকৰা সংযোগ বার্তাবোৰকে অফলপ্রসূ সংযোগ বার্তা বুলি গণ্য কৰা উচিত। কাৰণ এনে বার্তাই গ্রাম্য উন্নয়নৰ লক্ষ্য অথবা উদ্দেশ্যবোৰ ৰাইজক বুজোৱাত ব্যর্থ হয়। এনে বার্তাই নির্দিষ্ট প্রেক্ষক সমাজৰ বাঞ্ছিত পৰিৱর্তন (মনোভাৱ অথবা আচৰণৰ পৰিৱর্তন) সাধন কৰিব নোৱাৰে। সেয়েহে এনেধৰণে আগবঢ়াই নিব খোজা গ্রাম্য উন্নয়ন কার্যসূচীবোৰে গণসংযোগৰ পৰা বিচৰা ধৰণৰ সমর্থন নাপালে। এনে গণমাধ্যম উপস্থাপনবোৰ পৰিৱর্তন কেন্দ্রিক হোৱাৰ সলনি 'পলায়নবাদী' (পাল মৰা) প্রকৃতিৰহে আছিল।

ফেলিচিয়ান'ই সংযোগ গৱেষণাৰ সমস্যাবোৰ বিশ্লেষণ কৰাৰ দিশত তাৎপর্যপূর্ণ অৱদান আগবঢ়াইছে। তেওঁ দেশখনে এই ক্ষেত্রত সন্মুখীন হোৱা সমস্যাবোৰৰ বিষয়ে উল্লেখ কৰিছিল। এই সমস্যাবোৰে গৱেষণা ক্ষেত্রখনৰ বিকাশ মন্থৰ কৰি তুলিছিল। তেওঁৰ অধ্যয়নত ধৰা পৰা প্রধান সমস্যা কেইটামান হ'ল- বৃত্তিগত প্রশিক্ষণ লাভ কৰা গৱেষকৰ অ ভাৱ, গৱেষণা কার্যসূচীবোৰক সমর্থন কৰা বিত্তীয়, মানৱীয় আৰু ভৌতিক সুবিধাবোৰৰ অভাৱ, ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ লগতে গণমাধ্যমবোৰৰ দ্বাৰা উন্নয়ন বিষয়ক সংযোগ গৱেষণাবোৰৰ প্রকৃত মূল্যক স্বীকৃতি প্রদান কৰোঁতে বিলম্ব আদি। তেওঁ সংবাদ মাধ্যম আন্তঃগাঁথনি অধ্যয়ন, বার্তা সংযোগকাৰী আৰু গ্রহণকাৰী সম্পর্কে অধ্যয়ন আৰু উন্নয়ন বিষয়ক অধ্যয়নৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিছিল। উন্নয়নমূলক বিষয়বোৰৰ সমস্যাবোৰৰ কথা আলোচনা কৰাত লোক মাধ্যমবোৰৰ গুৰুত্বৰ ওপৰতো ফেলিচিয়ান'ই জোৰ দিছিল। তেওঁ জ্ঞান নির্মাণ, সুনির্দিষ্ট উন্নয়ন সংযোগৰ বাবে লোক মাধ্যমবোৰৰ প্রয়োগসাধ্যতাৰ অধ্যয়ন, লোক মাধ্যমবোৰৰ গণ মাধ্যমলৈ সম্প্রসাৰণ তথা গণমাধ্যমৰ সৈতে সংহতকৰণ আৰু উন্নয়ন সংযোগৰ বাবে লোক মাধ্যমৰ ফলপ্রসূ ব্যৱহাৰ কৰিব পৰাকৈ সংযোগকর্তাসকলক প্রশিক্ষণ দিয়া আদি কার্যৰ জৰিয়তে লোক মাধ্যমবোৰৰ সম্ভাৱনীয়তাৰ পূর্ণ প্রয়োগ কৰাৰ পৰামর্শ আগবঢ়াইছিল।

১৪.৩.২ ৰিমল দিচানায়কে

ৰিমল দিচানায়কে হ'ল এগৰাকী সংযোগ বিষয়ক পণ্ডিত। তেওঁ উন্নয়ন সংযোগ স্থাপন কৰাৰ বাবে লোক মাধ্যম আৰু ৰাইজ গোট খোৱা স্থানৰ দৰে থলুৱা সংযোগ ছেনেল ব্যৱহাৰৰ ফলপ্রসূতা সম্পর্কীয় অধ্যয়নেৰে সংযোগ ক্ষেত্রখন চহকী কৰিছে। ৰাং আৰু দিচানায়কে (১৯৮৪) আগবঢ়োৱা লোক মাধ্যমৰ সংজ্ঞা অনুসৰি লোক মাধ্যম হ'ল এনে এক সংযোগ ব্যৱস্থা যিটো গণ মাধ্যমৰ আত্মপ্রকাশ ঘটাৰ বহু আগৰেপৰাই সংস্কৃতিত

প্রোথিত হৈ আছে আৰু বিভিন্ন পৰিৱর্তন ঘটা সত্ত্বেও কিছু পৰিমাণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এই লোক মাধ্যমবোৰে এতিয়াও পৃথিৱীৰ বিভিন্ন অংশত সংযোগৰ এক গুৰুত্বপূর্ণ মাধ্যমৰূপে কাম কৰি আছে। দিচানায়কেৰ পর্যবেক্ষণ অনুসৰি লোক মাধ্যমবোৰ অতীতৰ অৱশেষ নহয়। এই মাধ্যমবোৰ বর্তমানেও সক্রিয় আৰু এইবোৰ সমাজৰ কল্যাণৰ হকে গুৰুত্বপূর্ণ অৱদান আগবঢ়াই থকা একো একোটা উচ্চ কার্যসম্পাদনকাৰী সাংস্কৃতিক অনুষ্ঠান। এনে মাধ্যমবোৰে মনোৰঞ্জন প্রদান কৰে, তথ্য বিয়পাত সহায় কৰে, সামাজিকভাৱে স্বীকৃত বিধি-বিধান তথা প্রমূল্যবোৰ মানুহৰ জীৱনত সংলগ্ন কৰে আৰু একোটা সাধাৰণ সামাজিকীকৰণ প্রকার্য সম্পাদন কৰে। নিজৰ অধ্যয়নৰ দ্বাৰা দিচানায়কে প্রমাণ কৰিছিল যে লোক কলা সমাজৰ অবিচ্ছেদ্য অংগ।

দিচানায়কে তেওঁৰ অধ্যয়নত দুখীয়া দেশবোৰৰ সামাজিক বিকাশত গণ মাধ্যমতকৈ লোক মাধ্যমৰ সুবিধা কিমান বেছি সেয়া তালিকাৱদ্ধ কৰিছিল। তেওঁৰ মতে লোক মাধ্যমবোৰ এই ক্ষেত্রত অধিক ভাৰসাযোগ্য। লোক মাধ্যমবোৰ 'গ্রাম্য সমাজত বহুদিন ধৰি সক্রিয় হৈ আছে আৰু এই মাধ্যমবোৰে চহা সমাজে গভীৰভাৱে অনুভৱ কৰা কথাবোৰ, সামূহিক আনন্দ তথা বেদনা, জয় তথা পৰাজয় আদি প্রকাশ কৰি আহিছে।" দিচানায়কে তেওঁৰ অধ্যয়নত এই কথাও উল্লেখ কৰিছিল যে কৃষক সমাজে গণ মাধ্যমবোৰক অভিজাত আৰু বহিৰাগত বুলি গণ্য কৰে। তেওঁলোকে এনে মাধ্যমবোৰক ক্ষমতাৰ কেন্দ্রবিন্দু বুলি চিনাক্ত কৰে। দিচানায়কে ইয়াকো কৈছিল যে পৰম্পৰাগত মাধ্যমবোৰে মানুহৰ পৰিচিত ফকৰা-যোজনা অথবা প্রতীক ব্যৱহাৰ কৰে। এইবোৰ গ্রাম্য সমাজ সহজে বুজি পায়। সেয়েহে এনে মাধ্যমবোৰে সহজে গণ মাধ্যমে প্রভাৱিত কৰিব নোৱাৰা একাংশ লোকৰ কাষ চাপিব পাৰে। এনে মাধ্যমে সংযোগ প্রক্রিয়াত মানুহৰ সক্রিয় অংশগ্রহণ দাবী কৰে। তেওঁৰ মতে লোক মাধ্যমবোৰৰ বিষয়ে আলোচনা কৰাৰ সময়ত আমি এই কথাটো মনত ৰাখি থোৱা ভাল যে এই মাধ্যমবোৰ কেৱল অতীতৰ বস্তু নহয়, ই বর্তমানতো অতি সক্রিয় ৰূপত সমাজৰ কল্যাণৰ হকে একোটা সাংস্কৃতিক অনুষ্ঠান হিচাপে সেৱা আগবঢ়াই আছে।

দিচানায়কে ভাৰত, পাকিস্তান, শ্রীলংকা, মালেয়চিয়া আৰু ইণ্ডোনেচিয়াৰ দৰে দেশত চলোৱা ক্ষেত্রভিত্তিক অধ্যায়নৰ আধাৰত আধুনিক সমাজৰ বার্তা প্রচাৰ কৰিবলৈ লোক মাধ্যমবোৰৰ খাপ খোৱাৰ সামর্থ বিচাৰ কৰি চোৱাৰ সময়ত সাৱধানতা অৱলম্বন কৰাত জোৰ দিছিল। তেওঁ উল্লেখ কৰিছিল যে আধুনিক চর্তৰ সৈতে খাপ খোৱাকৈ পৰম্পৰাগত মাধ্যমবোৰ সংগত কৰি লোৱাৰ চেষ্টা চলোৱাৰ সময়ত উঠিব পৰা সবাতোকৈ জটিল প্রশ্নটো 'পৰিৱেশনৰ ধাৰণা' (concept of performance) টো হ'ব পাৰে। তেওঁৰ অধ্যয়নত পৰম্পৰাগত শিল্পী আৰু আধুনিক সংযোগ স্থাপনকাৰীৰ পৰিৱেশনৰ ধাৰণাৰ মাজত ধকা বিশাল ব্যৱধানত আলোকপাত কৰা হৈছিল। তেওঁ কৈছিল, "সংযোগ স্থাপন হৈ থকা পক্ষ দুটাৰ মাজত থকা ঘনিষ্ঠ ব্যক্তিগত সম্পর্ক আৰু সময়ৰ সীমাৱদ্ধতাৰ

অনুপস্থিতি হ'ল এনে দুটা ধাৰণা যি দুটা আধুনিক সংযোগৰ পৰিপন্থী কিন্তু লোক মাধ্যম শিল্পীৰ হাতত থকা প্ৰধান সুবিধা। লগতে পৰম্পৰাগত সমাজবোৰত লোক মাধ্যমে সৃষ্টি কৰা ফচলবোৰে এতিয়াও আধুনিক নগৰীয়া সমাজত গণ মাধ্যমে সৃষ্টি কৰা পণ্যদ্ৰব্যৰ ৰূপ লোৱা নাই। "ভাৰত আৰু শ্ৰীলংকাৰ পৰম্পৰাগত লোক মাধ্যম উপভোগত অভ্যস্ত দৰ্শকে লোক নাটৰ বিষয়সূচী আধুনিক কৰাৰ আৰু আধুনিক বাৰ্তা প্ৰচাৰ কৰিব পৰাকৈ নাট উপস্থাপন শৈলীক আধুনিক ৰূপ দিয়াৰ প্ৰতিবাদত পৰিৱেশন স্থলী ত্যাগ কৰাৰ উদাহৰণ আছে। দিচানায়কে এনে উদাহৰণবোৰৰ ওপৰত ভিত্তি কৰি নিজৰ পৰ্যৱেক্ষণ দাঙি ধৰিছিল। তেওঁৰ অধ্যয়নৰ পৰা আমি বিভিন্ন পটভূমিত লোক মাধ্যম সম্পৰ্কে ভালদৰে বুজাৰ সুযোগ পাওঁ। ৰিমল দিচানায়কে আছিল হাৱাইত স্থিত ইষ্ট-ৱেষ্ট চেণ্টাৰৰ এগৰাকী জ্যেষ্ঠ গৱেষক পণ্ডিত। সাংস্কৃতিক অধ্যয়ন আছিল তেওঁৰ গৱেষণাৰ মূল বিষয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১। সংযোগ অধ্যয়নলৈ গ্লোৰিয়া ফেলিচিয়ান'ৰ প্ৰদান অৱদান কি আছিল?

.....

.....

প্ৰশ্ন নং ২। দিচানায়কে লোক মাধ্যমক কেনেদৰে বুজিছিল?

.....

.....

১৪.৩.৩ শ্যাম পাৰ্মাৰ

শ্যাম পাৰ্মাৰে সংযোগ অধ্যয়নৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানটো হ'ল লোকমাধ্যমৰ সংযোজন তত্ত্ব (theory of coalition of folk media)। তেওঁ আধুনিক গণ মাধ্যম পৰম্পৰাগত সংযোগ মাধ্যমবোৰক চামিল কৰাৰ প্ৰসংগত লোক মাধ্যমবোৰক গণ মাধ্যমৰ সৈতে সংযোজিত কৰাৰ কথা কৈছিল। পাৰ্মাৰৰ মতে আধুনিক গণ মাধ্যম আৰু প্ৰচলিত পৰম্পৰাগত মাধ্যমৰ সংযোজনে এক আন্তঃক্ৰিয়ামূলক প্ৰক্ৰিয়াৰ সৃষ্টি কৰে। তেওঁ মন কৰিছিল যে "বৰ্তমান ভাৰতত থকা সংযোগ চাহিদাৰ মাত্ৰা সেই চাহিদা পূৰণ কৰিবলৈ থকা সমলবোৰতকৈ যথেষ্ট বেছি।" গণ মাধ্যমবোৰ অহৰহ সম্প্ৰসাৰিত হৈ আছে আৰু পৰম্পৰাগত মাধ্যমবোৰেও আমাৰ বিশেষ প্ৰয়োজনীয়তা বোৰৰ বাবে সংযোগ ক্ষেত্ৰখনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পৰম্পৰাগত লোক মাধ্যমবোৰে দৰ্শকৰ সন্মুখত পোনপটীয় অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে বৈদ্যুতিক মাধ্যমতো অনুষ্ঠান পৰিৱেশন কৰিবলৈ লৈছে। সংযোগ উদ্দেশ্যত লোক মাধ্যমৰ প্ৰয়োগ

চিনাক্ত কৰাত ভাৱতে এক ইহিবাচক ভূমিকা পালন কৰি আহিছে। যদি এই প্রয়াসবোৰৰ উপযুক্ত ফলাফলসমূহ বিজ্ঞানসন্মত সমীক্ষাৰ জৰিয়তে সকলোৰে বাবে সুলভ কৰি তোলা হয় তেন্তে উন্নয়নশীল তথা অনুন্নত দেশবোৰৰ ক্ষেত্রত এই অভিজ্ঞতাৰ তুলনামূলক প্রয়োগ কৰিব পৰা যাব।

লোক পৰিৱেশ্য (folk performance) কলা হ'ল ভাৱতৰ এটা মিশ্র কলা। সংগীত, নৃত্য, মুকাভিনয়, লোক গাঁথা, মহাকাব্যিক গাঁথা বর্ণন, ধর্ম আৰু কৃষক সমাজৰ উৎসৱ পার্বন আদিৰ মিশ্রিত উপাদানেৰে সমৃদ্ধ লোক পৰিৱেশ্য কলাক এক পূর্ণাংগ কলা বুলি কোৱা হয়। ই বিভিন্ন ধৱণৰ উৎসৱকেন্দ্রিক, ধর্মীয় ৰীতি-নীতি ভিত্তিক কার্যকলাপৰ লগতে মানুহৰ বিশ্বাস তথা সামাজিক ব্যৱস্থাবোৰকো সামৰি লয়। এনে কলাত ধর্মীয় আৰু বিধি-বিধানসন্মত কার্যকলাপৰ প্র ভাৱ গভীৰ। একে সময়তে এনে কলাই নিশ্চিতভাৱে সামাজিক জীৱন, ধর্মনিৰপেক্ষ বিষয়বস্তু আৰু সার্বজনীন প্রমূল্যবোৰ উপস্থাপন কৰিব পাৰে। উন্নয়নৰ দিশেৰে লোক মাধ্যমবোৰৰ থকা কিছুমান সুবিধাৰ কথা পার্মাৰে উল্লেখ কৰিছিল (১৯৭৫)। সুবিধাবোৰ তলত উল্লেখ কৰা হ'লঃ

(১) দেশৰ সকলো অঞ্চলতে পৰম্পৰাগত লোক মাধ্যমবোৰ থলুৱা বাসিন্ধৰ বাবে সবাতোকৈ আপোন মাধ্যম। এনে মাধ্যমৰ প্রাথমিক আকর্ষণ বুদ্ধি নহয় আবেগ।

(২) এনে মাধ্যমে জনগণ সংযোগ প্রয়োজনীয়তাৰ সৈতে মিল নানা ধৱণৰ ৰূপ আৰু বিষয়বস্তু পৰিৱেশন কৰিব পাৰে।

(৩) এনে মাধ্যম থলুৱা আৰু পোণপটীয়া হোৱা বাবে দর্শকৰ সৈতে প্রত্যক্ষ সম্পর্ক স্থাপন কৰিব পাৰে।

(৪) এনে মাধ্যমবোৰ গ্রাহকৰ বাবে সহজে উপলব্ধ।

(৫) নতুন বিষয়বস্তু অন্তর্ভুক্ত কৰিব পৰাকৈ এই মাধ্যমবোৰ নমনীয়।

(৬) বিভিন্ন বয়সৰ লোকে এই মাধ্যমবোৰ সমানে উপভোগ কৰিব আৰু গ্রহণ কৰিব পাৰে

(৭) অত্যাধুনিক গণ সংযোগৰ তুলনাত লোক মাধ্যমবোৰ কমখৰছী।

শ্যাম পার্মাৰৰ ভাষাত, "গ্রাম্য সংযোগৰ বাবে এইবোৰ কাৰণতে পৰম্পৰাগত লোক মাধ্যমবোৰ অতি গুৰুত্বপূর্ণ। লোক কলাৰ ৰূপ এটা ব্যৱহাৰ কৰাৰ ক্ষেত্রত গণমধ্যমবোৰত কিছু সমস্যাৰ সৃষ্টি হয়। লোক মাধ্যমবোৰ পোনপটীয়া অনুষ্ঠান পৰিৱেশন কৰাৰ শৈলীটোৰ উপযোগিতা গণ মাধ্যমৰ সম্পূর্ণ সম্প্রসাৰণৰ পাচতো কোনোদিনে কমি নাযাব।" নতুন প্রযুক্তি আৰু কৃষক সমাজৰ দ্বাৰা এইবোৰৰ প্রয়োগৰ মাজত থকা বিশাল ব্যৱধান ফলপ্রসূভাৱে আঁতৰোৱাত প্রযুক্তিভিত্তিক গণমাধ্যম আৰু সংযোগৰ পৰম্পৰাগত মাধ্যমবোৰৰ মাজত সমন্বয় সাধন কৰাত পার্মাৰে গুৰুত্ব আৰোপ কৰিছিল। তেতিয়াহে ভবা ধৱণে সমাজ-ৰাজনৈতিক আৰু সাংস্কৃতিক তথ্যৰ প্রচাৰ সম্ভৱ হ'ব। শ্যাম পার্মাৰে ৰাষ্ট্রীয় উন্নয়নৰ বাবে লোক তথা গণ মাধ্যমৰ সংহত প্রয়োগৰ পোষকতা কৰিছিল।

১৪.৩.৪ এইচ. কে. ৰংগনাথ

এইচ. কে. ৰংগনাথে লোক মাধ্যমৰ ওপৰত চলোৱা পৰীক্ষামূলক গৱেষণাৰ অন্তত লোক মাধ্যমবোৰক জনগণৰ অতি আপোন, বৈচিত্ৰতাৰে সমৃদ্ধ, কমখৰছতে সহজে উপলব্ধ, বিভিন্ন বয়স তথা লিংগৰ লোকে সমানে উপভোগ কৰিব পৰা, পৰম্পৰাগতভাৱে নানা বিষয়বস্তু উপস্থাপন কৰি অহা মাধ্যম বুলি বৰ্ণনা কৰিছে। লোক মাধ্যমবোৰত দৰ্শকক পতিয়ন নিয়াৰ পৰা সংযোগ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ বহুতো সম্ভাৱনীয়তা লুকাই থাকে। ই প্ৰত্যক্ষ সংযোগ স্থাপন কৰিব আৰু তাৎক্ষণিক সঁহাৰি লাভ কৰিব পাৰে। ৰংগনাথে বিশ্বাস কৰে যে কিছুমান লোক মাধ্যমে আধুনিক বাৰ্তা ফলপ্ৰসূভাৱে বহন কৰিব পাৰে। তেওঁ পৰম্পৰাগত মাধ্যমৰ এই বৈশিষ্ট্যবোৰ উন্নয়নশীল দেশবোৰৰ সামাজিক পৰিৱৰ্তন সাধনৰ কামত ব্যৱহাৰ কৰাত জোৰ দিছিল।

ৰংগনাথৰ ভাষাত, "এই মাধ্যমবোৰ তুলনামূলকভাৱে কম খৰছী। এই মাধ্যমবোৰক অন্য ঠাইৰ পৰা আমদানি কৰিব নালাগে, এই মাধ্যমবোৰৰ ব্যৱহাৰত কোনো বিদেশী মুদ্ৰাৰ লেনদেন নাথাকে, তৈল সাম্ৰাজ্যবোৰৰ দৰে ই কোনো আটকীয়া পণ্যদ্ৰব্যও নহয়। এই মাধ্যমবোৰ কোনো ব্যক্তিবিশেষ, কোনো ৰাষ্ট্ৰ নাইবা কোনো ব্যক্তিগত /ৰাজহুৱা উদ্যোগৰ সম্পত্তি নহয়, ই সম্প্ৰদায় একোটাৰ উমৈহতীয়া সম্পদ। যদি আচৰণগত পৰিৱৰ্তন সাধন কৰিব খোজা হয় তেন্তে বেছিভাগ উন্নয়নমূলক প্ৰয়াসৰ লক্ষ্য ব্যক্তি বিশেষতকৈ সামগ্ৰিকভাৱে গোটেই সম্প্ৰদায়টো হ'ব লাগিব। এনে মাধ্যমবোৰে কোনো সাংস্কৃতিক ঔপনিবেশবাদ আৰু বিদেশী আদৰ্শমূলক আধিপত্যৰ ভাবুকি বহন নকৰে। বৰ্তমান সময়ত ৰাজ্যৰ ৰাজধানী চহৰবোৰৰ পৰা কেন্দ্ৰীয়ভাৱে প্ৰচাৰিত বাৰ্তাবোৰতকৈ লোক মাধ্যমত ব্যৱহৃত স্থানীয় প্ৰতিভা আৰু স্থানীয় ভাষাত সজাই লোৱা বাৰ্তাবোৰৰ ভাৰসাযোগ্যতা অধিক।"

ৰংগনাথৰ মতে লোক মাধ্যমবোৰ সমতাবাদী প্ৰকৃতিৰ। ই বৰ্তমানৰ অভিজাত ছপা মাধ্যম, কথাছবি, অনাতাঁৰ, টেলিভিছন আদি মাধ্যমতকৈ অধিক ফলপ্ৰসূভাৱে সমতাবাদী বাৰ্তা প্ৰচাৰ কৰিব পাৰে। লোক মাধ্যমবোৰৰ এটা উমৈহতীয়া বৈশিষ্ট্য আছে। গ্ৰহণযোগ্যতা, সাংস্কৃতিক প্ৰাসংগিকতা, মনোৰঞ্জনৰ মূল্য, স্থানীয় ভাষাৰ প্ৰয়োগ, বৈধতা, নমনীয়তা, বাৰ্তা পুনৰাবৃত্তিৰ ক্ষমতা, দুটা পক্ষৰ মাজত তাৎক্ষণিক সংযোগ স্থাপনৰ সুবিধা আদি দিশত এই মাধ্যমবোৰৰ মিল আছে। লোক মাধ্যবোৰ একোটা সম্পূৰ্ণ বাৰ্তা বহনৰ বাবে উত্তম বাহক হ'ব পাৰে। সাংস্কৃতিক, অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বহুধা বিভক্ত দিশবোৰত সমানে গুৰুত্ব দি ই সমগ্ৰ সমাজৰ কল্যাণ সাধন কৰিব পাৰে। ই পৰিয়াল পৰিকল্পনাৰ দৰে খণ্ডিত আৰু সংকীৰ্ণ বাৰ্তা ক্ষেপণৰ সলনি গ্ৰাম্য জীৱনৰ সামগ্ৰিক গুণমান উন্নত কৰাৰ বাৰ্তা প্ৰচাৰ কৰে। ৰংগনাথে লোক মাধ্যমক আধুনিক বাৰ্তাৰ উন্নত বাহক বুলি প্ৰতিপন্ন কৰিবলৈ কেইবাটাও দক্ষিণ ভাৰতীয় অভিজ্ঞতাৰ উল্লেখ কৰিছিল।

বাংগালোৰ কেন্দ্রত পুতলা নাচ, কথা আৰু গীতৰ অন্য লোক মাধ্যমবোৰৰ দৰে পৰম্পৰাগত কলাৰ ৰূপবোৰৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাই সেইবোৰক নমনীয় শিতানৰ অন্তর্ভুক্ত কৰা হৈছিল। ধর্মীয় উপলক্ষত নচা নৃত্যবোৰক অনমীয় শিতানত ৰখা হৈছিল। এনে কলাই নতুন বার্তাক অগ্রাহ্য কৰিলেও সমাজৰ এটা শ্রেণীৰ মাজত ধর্মীয় তথা ৰীতি-নীতিজনিত কাৰণত নিজৰ জনপ্রিয়তা অক্ষুণ্ণ ৰাখিছিল। আন কিছুমান লোক কলাক নমনীয় উপাদানেৰে সৈতে অনমীয় শিতানত ৰখা হৈছিল। ইয়াৰ উদাহৰণ হ'ল কিছুমান নাট্য চৰিত্র অথবা বিষয়বস্তুকেন্দ্রিক পৰিস্থিতি।

ৰংগনাত আৰু বাস্ক'মৰ দৃষ্টিভংগীৰ মাজত সাদৃশ্য আছে। বাস্ক'মৰ দৃষ্টিভংগী মতে লোককথা সংস্কৃতিৰ এক অংগ। লোককথা হ'ল মানৰ জাতিৰ আর্জিত পৰম্পৰা আৰু প্রথাৰ এটা অংশ। ইয়াক সামাজিক ঐতিহ্যৰ এটা অংশৰূপেও গঢ় দি লোৱা হয়। দুয়োগৰাকী তাত্ত্বিকেই একমত পোষণ কৰিছিল যে গণমাধ্যমৰ কিছুমান প্রয়োজনীয় বৈশিষ্ট্য আছে। সেইবোৰ হ'ল- আনন্দ প্রদান, সংস্কৃতিৰ পৃষ্ঠপোষকতা; পৰিৱেশন কৰোঁতা আৰু দর্শকৰ আগত সামাজিক নীতি-নিয়ম আৰু অনুষ্ঠানৰ গুৰুত্বৰ হকে যুক্তি প্রদর্শন কৰা; জনগণক, বিশেষকৈ নিৰক্ষৰ সমাজবোৰৰ জনগণক শিক্ষিত কৰি তোলা ইত্যাদি। কিছুমান লোক সংস্কৃতিৰ আন দুটা গুৰুত্বপূর্ণ দিশ হ'ল সামাজিক চাপৰ সৃষ্টি কৰা আৰু সামাজিক নিয়ন্ত্রণৰ অনুশীলন কৰা। সবাতোকৈ তাৎপর্যপূর্ণ কথাটো হ'ল লোকমাধ্যমে সংযোগ ক্ষেত্রত পৰীক্ষা-নিৰীক্ষা চলাবলৈ বহুতো বিকল্পৰূপ তথা বিষয়বস্তু আগবঢ়ায়। ৰংগনাথে লোকমাধ্যমবোৰক একোটা অবিৰতভাৱে বিৱর্তনশীল প্রক্রিয়া আৰু কোনো এক জনসমষ্টিৰ জীৱন যাপন শৈলী-তথা সংস্কৃতিৰ জীৱন্ত প্রকাশ বুলি কৈছিল। বিভিন্ন লোক মাধ্যমে পালন কৰা সংযোগ ভূমিকাৰ বিষয়ে আলোচনা কৰাৰ সময়ত আমি লোকসংগীত সম্পর্কে ৰংগনাথে আগবঢ়োৱা মন্তব্যটো উদ্বৃত কৰিব পাৰোঁ। তেওঁ কৈছিল, "লোকগীতবোৰে ৰাষ্ট্রীয় একতা, সামাজিক কল্যাণ আৰু আনকি পৰিয়াল পৰিকল্পনাৰ দৰে সামাজিক নাইবা ৰাজনৈতিক বিষয়বস্তু একোটাৰ গুৰুত্ব গ্রাম্য সমাজৰ বাসিন্দাসকলক বুজোৱাৰ ক্ষেত্রত এক সফল নির্ণায়ক ভূমিকা পালন কৰিছে। সেয়েহে এই গীতবোৰ যিকোনো প্রদত্ত বিষয়বস্তু সম্পর্কে পতিয়ন নিয়াব পৰা সবাতোকৈ ফলপ্রসূ সংযোগ স্থাপনকর্তাত পৰিণত হ'ব পাৰিছে। এই গীতবোৰক সবাতোকৈ প্রিয় সংযোগ স্থাপনকর্তাৰ ৰূপ দিবলৈ গীতবোৰৰ পৰা মৌলিক বিষয়বোৰ আঁতৰাই তাত সময় তথা স্থান অনুকূল নতুন বার্তা ভৰাই দিয়া হয়. এই প্রক্রিয়াই লোকগীতবোৰক এক সমসাময়িক ৰূপ প্রদান কৰাৰ লগতে গীতবোৰৰ কার্যসম্পাদনকাৰী প্রাসংগিকতা বৃদ্ধি কৰিছে।" ৰংগনাথে তেওঁৰ গ্রন্থ 'Using Folk Entertainments to Promote National Development' ত লোক মাধ্যমৰ মনোৰঞ্জন প্রদান কৰিব পৰা সম্ভাৱনীয়তাৰ ধাৰণাটো আলোচনা কৰিছে। তেওঁ লোক মনোৰঞ্জনৰ ৰূপবোৰ চিনাক্ত কৰাৰ লগতে এই ৰূপবোৰত নিহিত থকা বৈশিষ্ট্যবোৰো বিচাৰি উলিয়াইছে। গ্রন্থখনত তেওঁ আলোচনা কৰা আন দুটামান বিষয়

হ'ল লোকে শিল্পীসকলক সংযোগ সহযোগীৰূপে লৈ লোক মনোৰঞ্জনৰ মাধ্যম ব্যৱহাৰ কৰি সংযোগ অনুষ্ঠানৰ আৰ্হি প্ৰস্তুত কৰাৰ কৌশল, বাৰ্তা আৰু মনোৰঞ্জন সংহতকৰণ, লোক মনোৰঞ্জনৰ অনুষ্ঠানবোৰৰ পৰিৱেশন কাৰ্য আৰু এনে অনুষ্ঠানবোৰৰ মূল্যায়ন।

ৰংগনাথে কৈছিল যে লোক মাধ্যমে প্ৰদান কৰা মনোৰঞ্জনে যাদুকৰীভাৱে উন্নয়নমূলক তথা সামাজিক সমস্যাবোৰ সমাধান কৰিব নোৱাৰে। কিন্তু ই দূৰ্গম আৰু দূৰণিবটীয়া গ্ৰামাঞ্চলবোৰৰ বাসিন্দাসকলৰ সচেতনতা বৃদ্ধিত সহায় কৰিব পাৰে। নাইবা কেতিয়াবা ই পৰিৱৰ্তনৰএক দীঘলীয়া প্ৰক্ৰিয়াৰ আৰম্ভণি হ'ব পাৰে। তেওঁ যুক্তি দৰ্শাইছিল যে অনুন্নত দেশবোৰৰ চৰকাৰে চৰম দাৰিদ্ৰ্য, অজ্ঞানতা আৰু নানা ৰোগত আক্ৰান্ত নগৰীয়া বস্তি অঞ্চল আৰু গ্ৰামাঞ্চলবোৰৰ সমস্যাসমূহক উন্নয়মূলক প্ৰচেষ্টাৰ মূলসুঁতিৰ সৈতে লগ লগোৱাৰ সময়ত দেখা দিয়া সংযোগকেন্দ্ৰিক সমস্যাবোৰ আঁতৰ নকৰাকৈ ৰাষ্ট্ৰীয় উন্নয়ন সাধনৰ দিশত সফলতা লাভ কৰিব বুলি আশা কৰাটো ভুল হ'ব। কিন্তু উন্নয়ন সংযোগ অভিযানবোৰ ৰেডিঅ', টেলিভিছন আৰু বাতৰি কাকতৰ দৰে আধুনিক গণ মাধ্যম ছেনেলবোৰৰ দ্বাৰা চলাবলৈ গ্ৰহণ কৰা কাৰ্যকৌশলটো সিমান ফলপ্ৰসূ নহ'ব। এই ক্ষেত্ৰত অধিক গ্ৰাম্য বাসিন্দাৰ কাষ চাপিব পৰা লোক মাধ্যমবোৰক অৱহেলা কৰিলে নহ'ব। ৰংগনাথে গ্ৰামাঞ্চলত উন্নয়ন সংযোগ স্থাপনৰ নামত সমতাবাদী উদ্দেশ্যধৰ্মী প্ৰচাৰ (equating propaganda) চলোৱাত বাধা দিছে। এনে প্ৰচাৰৰ জৰিয়তে গাঁৱৰ বাসিন্দাসকলক নিজৰ যুক্তি প্ৰয়োগ কৰি, নিজ স্বাৰ্থৰ বিষয়ে বিবেচনা কৰি কোনো দৃষ্টিভংগী গ্ৰহণৰ সুযোগ দিয়াৰ সলনি কোনো এক পূৰ্বনিৰ্ধাৰিত দৃষ্টিভংগী জাপি দিব খোজা হয়। উন্নয়ন সংযোগে গাওঁ আৰু নগৰ অঞ্চলৰ দুখীয়া লোকসকলক নিজৰ দৈনন্দিন জীৱনৰ ভিত্তিত নিজ নিজ সমস্যাবোৰ বুজাত সহায় কৰা উচিত। এই বাসিন্দসকলে সমস্যাবোৰ আঁতৰোৱাৰ সম্ভাৱনীয়তাসমূহক নিজে চালি-জাৰি চাবলৈ শিকিব লাগে। তেওঁলোকে কি কাৰ্যব্যৱস্থা হাতত ল'ব সেই সম্পৰ্কে বুদ্ধিদীপ্ত আৰু তথ্য সমৃদ্ধ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব লাগে। এই কথাক বাস্তৱ ৰূপ দিবলৈ প্ৰকৃত উন্নয়নমূলক সেৱা, সম্ভাৱনা আৰু অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে ঘনিষ্ঠ সহযোগিতাৰে কাম কৰি যাবলৈ লোক মাধ্যম মনোৰঞ্জন প্ৰয়োগ কৰি একোটা প্ৰকৃত সংযোগ কাৰ্যসূচী চলাব লাগে। ৰংগনাথে ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে হাতত লোৱা লোকমাধ্যম মনোৰঞ্জন কাৰ্যসূচীবোৰত স্থানীয় শিল্পীৰ অংশগ্ৰহণৰে এই কাৰ্যসূচীবোৰৰ মৌলিকতা তথা বৈধতা দৃঢ় কৰাৰ ওপৰত ৰংগনাথে যথেষ্ট জোৰ দিছিল। ইয়াৰ বাবে তেওঁ তলত উল্লেখ কৰা কাৰ্যবোৰৰ পৰামৰ্শ আগবঢ়াইছিল। কাৰ্যসূচী চলাবলৈ লক্ষ্য হিচাপে লোৱা সম্প্ৰদায়টোৰ পৰা লোকশিল্পী আৰু অন্য শিল্পীসকলক বাছি লোৱা, উন্নয়ন বাৰ্তা প্ৰচাৰ কৰি থকা প্ৰক্ৰিয়াটোত দৰ্শকৰ চিনাকি লোক মাধ্যমে যোগান ধৰা মনোৰঞ্জনত কোনো হেৰফেৰ নকৰা, স্থানীয় অভিকৰণ আৰু কাৰ্যসম্পাদনকাৰী সকলৰ জৰিয়তে প্ৰচাৰ আৰু সমন্বয় সাধনৰ কাৰ্যকলাপ আগবঢ়াই নিয়া আৰু এনে কাৰ্যসূচী চলাবলৈ মতামত আগবঢ়াব পৰা স্থানীয় নেতা মুখিয়ালৰ সমৰ্থন বিচৰা তথা তেওঁলোকৰ

সৈতে সুসম্পর্ক বর্তাই ৰখা। ৰংগনাথে কৈছিল যে স্থানীয় সমূহীয়া প্রেক্ষাগৃহ নাইবা নগৰ ভিত্তিক প্রচাৰ মাধ্যম যিটোৰ দ্বাৰাই লোকমাধ্যম মনোৰঞ্জনৰ কার্যকলাপ পৰিৱেশন কৰা নহওক কিয় উল্লিখিত কথাবোৰ দুয়ো ক্ষেত্রতে মানি চলিব লাগিব। ৰংগনাথে এই কথা উপলব্ধি কৰিছিল যে পৰিয়াল পৰিকল্পনা অনুশীলনৰ পৰা আৰম্ভ কৰি স্বাস্থ্য সেৱা প্রদানকাৰী ক্লিনিক ব্যৱহাৰৰ কথা কোৱা সকলোবোৰ উন্নয়ন সংযোগেই নিয়মীয়া গণমাধ্যম ছেনেলবোৰৰ জৰিয়তে গতানুগতিক তথ্য প্রচাৰ অভিযান কার্যসূচী ৰূপে চলাই নিয়াতকৈ সাধাৰণ লোকৰ পৰিচিত লোক মাধ্যমত মনোৰঞ্জনমূলক কার্যসূচী ৰূপে উপস্থাপন কৰিলে অধিক সুফল দিব। ৰংগনাথৰ অধ্যয়নৰ পৰা গম পোৱা যায় যে ভাৰত, ইণ্ডোনেচিয়া আৰু ব'টচ্ৱানাৰ দৰে দেশত এনে বহুকেইটা কৌশল ইতিমধ্যে প্রয়োগ কৰি চোৱা হৈছে। ৰংগনাথৰ কর্মৰাজিক আন্তঃৰাষ্ট্রীয় লোকমাধ্যম আন্তঃসাংস্কৃতিক লোকমাধ্যম তথা উন্নয়ন সংযোগৰ ক্ষেত্রত জড়িত পণ্ডিত-গৱেষকসকলে লোক মাধ্যম অধ্যয়নৰ প্রসংগত উল্লেখ টোকাৰূপে ব্যৱহাৰ কৰে। ইয়াৰ উপৰি তৃতীয় বিশ্বত ৰাষ্ট্রীয় উন্নয়নৰ সংযোগ সমস্যা জনাত আগ্রহীসকলকো ৰংগনাথৰ প্রকাশিত কর্মৰাজিয়ে সহায় কৰি আহিছে।

এইছ. কে. ৰংগনাথ আছিল লোক মাধ্যম বিষয়ৰ এগৰাকী UNESCO নিয়োজিত গৱেষক-পণ্ডিত। তেওঁৰ গ্রন্থ Using Folk Entertainment to Promote National Development (Population communication manuals) ১৯৮০ চনত প্রকাশিত হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ শ্যাম পার্মাৰে কোৱা গণ মাধ্যমৰ সংযোজন ধাৰণাটোৱে কি বুজায়?

.....

.....

প্রশ্ন নং ৪ঃ ৰংগনাথে তালিকাৱদ্ধ কৰা লোক মাধ্যমৰ সুবিধাবোৰ কি কি?

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

আমি তলৰ কথাকেইটাক অধ্যায়টিৰ সাৰাংশ ৰূপে কৰিব পাৰোঁ-

- গ্লোৰিয়া ফেলিচিয়ান'ই সংযোগ গৱেষণাৰ সমস্যাবোৰ বিশ্লেষণ কৰাৰ দিশত তাৎপর্যপূর্ণ

অৱদান আগবঢ়াইছে। তেওঁ এই ক্ষেত্ৰত ফিলিপাইনচ্ সন্মুখীন হোৱা সমস্যাবোৰৰ বিষয়ে উল্লেখ কৰিছিল। এই সমস্যাবোৰে গৱেষণা ক্ষেত্ৰখনৰ বিকাশ মন্থৰ কৰি তুলিছিল। তেওঁৰ অধ্যয়নত ধৰা পৰা প্ৰধান সমস্যা কেইটামান হ'ল -বৃত্তিগত প্ৰশিক্ষণ লাভ কৰা গৱেষকৰ অভাৱ, গৱেষণা কাৰ্যসূচীবোৰক সমৰ্থন কৰা বিত্তীয়, মানৱীয় আৰু ভৌতিক সুবিধাবোৰৰ অভাৱ, ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ লগতে গণমাধ্যমবোৰৰ দ্বাৰা উন্নয়ন বিষক সংযোগ গৱেষণাবোৰৰ প্ৰকৃত মূল্যক স্বীকৃতি প্ৰদান কৰোঁতে হোৱা বিলম্ব আদি।

- ৱিমল দিচানায়কে হ'ল এগৰাকী সংযোগ বিষয়ক পণ্ডিত। তেওঁ উন্নয়ন সংযোগ স্থাপন কৰাৰ বাবে লোক মাধ্যম আৰু ৰাইজগোট খোৱা স্থানৰ দৰে থলুৱা সংযোগ ছেনেল ব্যৱহাৰৰ ফলপ্ৰসূতা সম্পৰ্কীয় অধ্যয়নেৰে সংযোগ ক্ষেত্ৰখন চহকী কৰিছে।
- শ্যাম পাৰ্মাৰে সংযোগ অধ্যয়নৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানটো হ'ল লোকমাধ্যমৰ সংযোজন তত্ত্ব। তেওঁ আধুনিক গণমাধ্যমত পৰম্পৰাগত সংযোগ মাধ্যমবোৰক চামিল কৰাৰ প্ৰসংগত লোক মাধ্যমবোৰক গণ মাধ্যমৰ সৈতে সংযোজিত কৰাৰ কথা কৈছিল।
- ৰংগনাথৰ মতে লোক মাধ্যমবোৰ সমতাবাদী প্ৰকৃতিৰ। ই বৰ্তমানৰ অভিজাত ছপা মাধ্যম, কথাছবি, অনাতাঁৰ, টেলিভিছন আদি মাধ্যমতকৈ অধিক ফলপ্ৰসূভাৱে সমতাবাদী বাৰ্তা প্ৰচাৰ কৰিব পাৰে। লোক মাধ্যমবোৰৰ এটা উমৈহতীয়া বৈশিষ্ট্য আছে। গ্ৰহণযোগ্যতা, সাংস্কৃতিক প্ৰাসংগিকতা, মনোৰঞ্জনৰ মূল্য, স্থানীয় ভাষাৰ প্ৰয়োগ, বৈধতা, নমনীয়তা, বাৰ্তা পুনৰাবৃত্তিৰ ক্ষমতা, দুটা পক্ষৰ মাজত তাৎক্ষণিক সংযোগ স্থাপনৰ সুবিধা আদি দিশত এই মাধ্যমবোৰৰ মিল আছে।



১৪.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Wimal,Dissanayake (1979) Development communication. Colombo: Indika.
2. Wimal Dissanayake(1977) “New Wine in Old Bottles: Can Folk Media Convey Modern Messages?” Journal of Communication, Spring, pp. 122-124
3. H. K. Ranganath (1976)‘‘A Probe into the Traditional Media: Telling the People Tell Themselveş’’ Media Asią3:1
4. Ranganath, H.K. Folk Media and Communication. Mysore : Chintana Prakashana

5. Shyam Parmar (1975) Traditional Folk Media in India. New Delhi : Geka Books

১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃফেলিচিয়ান'ই উন্নয়নমূলক বিষয় সমস্যাবোৰৰ কথা আলোচনা কৰাত লোক মাধ্যম বোৰৰ গুৰুত্বৰ ওপৰত জোৰ দিছিল। তেঁও জ্ঞান নির্মাণ, সুনির্দিষ্ট উন্নয়ন সংযোগৰ বাবে লোক মাধ্যমবোৰৰ প্রয়োগসাধ্যতাৰ অধ্যয়ন, লোক মাধ্যমবোৰৰ গণ মাধ্যমলৈ সম্প্রসাৰণ তথা গণ মাধ্যমৰ সৈতে সংহতকৰণ আৰু উন্নয়ন সংযোগৰ বাবে লোক মাধ্যমৰ ফলপ্রসু ব্যৱহাৰ কৰিব পৰাকৈ সংযোগকর্তাসকলক প্রশিক্ষণ দিয়া আদি কার্যৰ জৰিয়তে লোক মাধ্যমবোৰৰ সম্ভাৱনীয়তাৰ পূর্ণ প্রয়োগ কৰাৰ পৰামর্শ আগবঢ়াইছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ দিচানায়কেৰ সংজ্ঞা অনুসৰি লোক মাধ্যম হ'ল এনে এক সংযোগ ব্যৱস্থা যিটো গণমাধ্যমৰ আত্মপ্রকাশ ঘটাৰ বহু আগৰেপৰাই সংস্কৃতিত প্রোথিত হৈ আছে আৰু বিভিন্ন পৰিৱর্তন ঘটা সত্ত্বেও কিছু পৰিমাণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এই লোক মাধ্যমবোৰে এতিয়াও পৃথিৱীৰ বিভিন্ন অংশত সংযোগৰ এক গুৰুত্বপূর্ণ মাধ্যম ৰূপে কাম কৰি আছে। দিচানায়কেৰ পর্যবেক্ষণ অনুসৰি লোক মাধ্যমবোৰ অতীতৰ অৱশেষ নহয়। এই মাধ্যমবোৰ বর্তমানেও সক্রিয় আৰু এইবোৰ সমাজৰ কল্যাণৰ হকে গুৰুত্বপূর্ণ অৱদান আগবঢ়াই থকা একো একোটা উচ্চ কার্যসম্পাদনকাৰী সাংস্কৃতিক অনুষ্ঠান। এনে মাধ্যমবোৰে মনোৰঞ্জন প্রদান কৰে, তথ্য বিয়পাত সহায় কৰে, সামাজিকভাৱে স্বীকৃত বিধি-বিধান তথা প্রমূল্যবোৰ মানুহৰ জীৱনত সংলগ্ন কৰে আৰু একোটা সাধাৰণ সামাজিকীকৰণ প্রকার্য সম্পাদন কৰে। নিজৰ অধ্যয়নৰ দ্বাৰা দিচানায়কে প্রমাণ কৰিছিল যে লোক কলা সমাজৰ অবিচ্ছেদ্য অংগ।

৩ নং প্রশ্নৰ উত্তৰ ঃ শ্যাম পার্মাৰে সংযোগ অধ্যয়নৰ ক্ষেত্রখনলৈ আগবঢ়োৱা গুৰুত্বপূর্ণ অৱদানটো হ'ল লোকমাধ্যমৰ সংযোজন তত্ত্ব। তেওঁ আধুনিক গণ মাধ্যমত পৰম্পৰাগত সংযোগ মাধ্যমবোৰক চামিল কৰাৰ প্রসংগত লোক মাধ্যমবোৰক গণ মাধ্যমৰ সৈতে সংযোজিত কৰাৰ কথা কৈছিল। পার্মাৰৰ মতে আধুনিক গণ মাধ্যম আৰু প্রচলিত পৰম্পৰাগত মাধ্যমৰ সংযোজনে এক আন্তঃক্রিয়ামূলক প্রক্রিয়াৰ সৃষ্টি কৰে। তেওঁ মন কৰিছিল যে "বর্তমান ভাৰতত থকা সংযোগ চাহিদাৰ মাত্রা সেই চাহিদা পূৰণ কৰিবলৈ থকা সমলবোৰতকৈ যথেষ্ট বেছি।"

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰংগনাথে লোক মাধ্যমৰ ওপৰত চলোৱা পৰীক্ষামূলক গৱেষণাৰ অন্তত লোকমাধ্যমবোৰক জনগণৰ অতি আপোন, বৈচিত্র্যতাৰে সমৃদ্ধ, কমখৰছতে সহজে উপলব্ধ, বিভিন্ন বয়স তথা লিংগৰ লোকে সমানে উপভোগ কৰিব পৰা, পৰম্পৰাগতভাৱে নানা বিষয়বস্তু উপস্থাপন কৰি অহা মাধ্যম বুলি বর্ণনা কৰিছে। লোক মাধ্যমবোৰত দর্শকক

পতিয়ন নিয়াব পৰা সংযোগ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ বহুতো সম্ভাৱনীয়তা লুকাই থাকে। ই প্ৰত্যক্ষ সংযোগ স্থাপন কৰিব আৰু তাৎক্ষণিক সঁহাৰি লাভ কৰিব পাৰে। ৰংগনাথে বিশ্বাস কৰে যে কিছুমান লোক মাধ্যমে আধুনিক বাৰ্তা ফলপ্ৰসূভাৱে বহল কৰিব পাৰে। তেওঁ পৰম্পৰাগত মাধ্যমৰ এই বৈশিষ্ট্যবোৰ উন্নয়নশীল দেশবোৰৰ সামাজিক পৰিৱৰ্তন সাধনৰ কামত ব্যৱহাৰ কৰাত জোৰ দিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ New World Information and Communication Order.

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৭ চনত



১৪.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ঃ গ্লোৰিয়া ফেলিচিয়ান' কোন?

প্ৰশ্ন ২ঃ উন্নয়ন বাৰ্তা সৃষ্টিত 'সংযোজন'-এ কেনেকৈ সহায় কৰিব পাৰে?

প্ৰশ্ন ৩ঃ আধুনিক সমাজৰ বাৰ্তা প্ৰচাৰ কৰাত লোকমাধ্যম কিমানদূৰ খাপ খাব সেই কথা সাৱধানতা সহকাৰে ভাবিবলগীয়া হয় কিয়?

(খ) চুটি প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা মান শব্দত উত্তৰ দিব)

প্ৰশ্ন ১ঃ ফেলিচিয়ান'ৰ মতে গ্ৰামাঞ্চল উন্নয়ন সংযোগত গণ মাধ্যমবোৰে সফলতা লাভ কৰিব নোৱাৰাৰ কাৰনবোৰ কি কি?

প্ৰশ্ন ২ঃ দিচানায়কেৰ অধ্যয়নত পোহৰলৈ অহা সবাতোকৈ তাৎপৰ্যপূৰ্ণ কথাবোৰ কি কি?

প্ৰশ্ন ৩ঃ শ্যাম পাৰ্মাৰৰ মতে উন্নয়নমূলক দৃষ্টিভংগীৰে লোকমাধ্যমবোৰৰ গাত কি কি সুবিধা আছে?

(গ) ৰচনা ধৰ্মী প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা মান শব্দত উত্তৰ দিব)

প্ৰশ্ন ১ঃ দিচানায়কে কিয় 'পৰম্পৰাগত শিল্পী আৰু আধুনিক সংযোগ স্থাপনকাৰীৰ অনুষ্ঠান পৰিৱেশনৰ ধাৰণাৰ মাজত বৃহৎ ব্যৱধান আছে' বুলি ভাবিছিল?

প্ৰশ্ন ২ঃ লোক মাধ্যম অধ্যয়নৰ ক্ষেত্ৰখনলৈ এইছ. কে. ৰংগনাথে আগবঢ়োৱা অৱদান বৰ্ণনা কৰি এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ১৫ ঃ লোকমাধ্যম বনাম গণমাধ্যম

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ লোক মাধ্যম বনাম গণমাধ্যম
১৫.৪ ভাৰত আৰু অসমত লোকমাধ্যমৰ ভৱিষ্যৎ- প্ৰস্তাৱিত উপায় সমূহ
১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৬ অধিক জানিবলৈ
১৫.৭ অগ্ৰগতিৰ খতিয়ান
১৫.৮ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- লোকমাধ্যম বনাম গণমাধ্যমৰ বিষয়ে জানিব পাৰিব
- প্ৰস্তাৱিত উপায় সমূহৰ সৈতে ভাৰত আৰু অসমত লোকমাধ্যমৰ ভৱিষ্যৎ সম্পৰ্কে জানিব পাৰিব।

১৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যয়টিত আমি লোকমাধ্যমৰ প্ৰসাৰ আৰু বিকাশত বিশিষ্ট ব্যক্তিসকলৰ অৱদানৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়ত আমি গণমাধ্যমৰ বিপৰীতে লোকমাধ্যমৰ আৰু লোকমাধ্যমৰ বিপৰীতে গণমাধ্যমৰ সুবিধা আৰু অসুবিধাসমূহ পৰ্যবেক্ষণ কৰিম। অসমক বিশেষভাৱে উল্লেখ কৰি ভাৰতত লোকমাধ্যমৰ ভৱিষ্যত সম্পৰ্কেও আমি আলোচনা কৰিম।

১৫.৩ লোকমাধ্যম বনাম গণমাধ্যম

লোকমাধ্যম আৰু গণমাধ্যম, দুয়োটা জনমত গঠন আৰু বিকাশৰ কাৰণে বাৰ্তা সম্প্ৰচাৰ কৰাৰ এক শক্তিশালী পন্থা। দুয়োটা প্ৰকাৰৰ মাধ্যমৰ একত্ৰীকৰণক শক্তিশালী তথ্য সম্প্ৰচাৰৰ কাৰণে ব্যৱহাৰ কৰিব পৰা যাব পাৰে কাৰণ দুয়োটা মাধ্যমৰে সবলতা আৰু দুৰ্বলতা আছে। এই মাধ্যমসমূহৰ উপভোক্তই সুবিধাবাদী আৰু কৰ্মচাৰী দুয়োটা দলকে অন্তৰ্ভূক্ত কৰে।

কৰ্মচাৰীবিলাকে উন্নয়নমূলক কৰ্মপৰিকল্পনা গঢ় দিয়াত সহায় কৰে আৰু সুবিধাবাদীবিলাকে (সকলে) উন্নয়নমূলক কৰ্ম-পৰিকল্পনাৰ ফলাফলক গ্ৰহণ কৰে আৰু অৱলম্বন কৰে। লোকমাধ্যমক অৰ্থপূৰ্ণ যোগাযোগ ব্যৱস্থা আৰু বিকাশৰ কাৰণে ব্যৱহাৰ কৰা হৈছে কাৰণ মনোভাৱ পৰিৱৰ্তন

অনাৰ কাৰণে এইবোৰ আটাইতকৈ উত্তম মাধ্যম কাৰণ, যিহেতু চাৰিত্রিক ফালৰ পৰা এইবোৰ লৌকিকতাবর্জিত আৰু গ্রাম্য জনসাধাৰণৰ মাজত এইবোৰ আটাইতকৈ বেছি ফলপ্রসূ। এইবোৰে সেইবোৰ মানুহৰ মাজত অতি সহজে তথ্য সম্প্রচাৰ কৰিব পাৰে যিবিলাকে লিখা পঢ়া নাজানে নাইবা আধুনিক যোগাযোগ ব্যৱস্থাৰ ভাষা যিবিলাক মানুহে বুজি নাপায়। লোকমাধ্যমে সমাজৰ মানুহৰ সামাজিক সাংস্কৃতিক, ধর্মীয়, নৈতিক আৰু আবেগিক প্রয়োজন বিলাকক সম্পর্কীত কৰিব পাৰে সেইখন সমাজৰ বাবে যিখন সমাজত তেওঁলোকে বাস কৰে। যিহেতু লোকমাধ্যমৰ উপাদানসমূহে তেওঁলোকৰ সংস্কৃতিৰ অবিচ্ছেদ্য অবিচ্ছেদ্য গঠন কৰে, উপভোক্তাসকলে যোগাযোগ কৰা তথ্যৰ সৈতে তেওঁলোকে নিজে অতি সহজে তেওঁলোকৰ পৰিচয় পায়। গণমাধ্যম যেনে ৰেডিঅ' (অনাতাঁৰ), টেলিভিছন (দূৰদর্শন) বাতৰিকাকত আৰু ইণ্টাৰনেটে অতি কম সময়ৰ ভিতৰত বিশাল সংখ্যক জনতাৰ মাজত অতি ক্ষীপ্রভাবে আৰু ফলপ্রসূভাৱে তথ্য সম্প্রচাৰ কৰাত সুযোগ প্রদান কৰে। সেইবোৰৰ গ্রহণত কোনো বিলম্বন নহয়। লোকমাধ্যমসমূহে তেওঁলোকৰ বিশাল সংখ্যক জনগণৰ ওচৰলৈ যাব পৰা সুবিধাৰ বাবে তথ্য স্থানান্তৰ শিক্ষা, সংস্কৃতি, স্বাস্থ্য, ৰাজনীতি মানুহৰ মাজত প্রচাৰৰ এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আছে। গণমাধ্যমৰ দ্বাৰা প্রদান কৰা বহুতো সেৱা উপভোগ কৰাৰ বাবে মাধ্যমৰ অভিগমন, কথিত ভাষাৰ প্রাথমিক বোধ আৰু একেবাৰেই কম পৰিমাণৰ প্রশিক্ষণেই যথেষ্ট। প্রযুক্তিবিদ্যাৰ অগ্রগতিৰ ফলত, গণমাধ্যমৰ মাজেৰে বিশাল ভৌগোলিক এলেকা সামৰি লোৱা একেবাৰে সহজ আৰু মিতব্যয়ী হৈ পৰিছে।

যদিওবা লোকমাধ্যমে তুলনামূলকভাবে স্বল্পসংখ্যক দর্শকক সামৰি লয় তথাপি ইয়াৰ শক্তিশালী প্রভাৱ আছে যিহেতু এইবোৰে দর্শকৰ অংশগ্রহণক জড়িত কৰে। এইক্ষেত্রত গণমাধ্যমক পিছুৱাই থকা দেখা পোৱা যায়। প্রচলিত লোকমাধ্যমসমূহ আৰু গণমাধ্যমসমূহ, দুয়োটাৰে সুবিধা আৰু অসুবিধাসমূহ তলত দিয়া হৈছে।

লোক মাধ্যমৰ সুবিধাসমূহ হৈছে ঃ

- সম্প্রদায় পর্য্যায়ৰ যোগাযোগ ব্যৱস্থাত অতিকৈ উপযোগী।
- বিশেষ প্রশিক্ষণ নাইবা প্রযুক্তিবিদ্যাৰ দৰকাৰ নপৰে।
- স্থানীয় সংস্কৃতি আৰু ঐতিহ্যত শিপাই আছে।
- দর্শকে বার্তাসমূহৰ মাজত তেওঁলোকৰ পৰিচিতি আৰু সম্পর্ক বিচাৰি পায়।
- তাৎক্ষনিক আৰু স্বতঃস্ফূর্ত প্রতিক্রিয়া।
- সামাজিক প্রয়োজনৰ ওপৰত স্থাপিত তৰল আকাৰ আৰু বিষয়বস্তু।
- লোকমাধ্যম হৈছে কম খৰচী।
- বার্তাসমূহ সহজে মনত ৰাখিব পৰা আৰু এইবোৰে ক্ষীপ্রভাবে বহল জনসাধাৰণক আকর্ষিত কৰিব পাৰে।
- বহন জনসাধাৰণে বার্তাসমূহৰ লগত নিজকে সম্পর্ক কৰিব পাৰে আৰু সংলগ্ন কৰিব পাৰে।
- প্রাথমিক আবেদন বুদ্ধিদীপ্ততাকলৈ নহৈ হৈছে আবেগকলৈ।

- বহল জনসাধাৰণৰ যোগাযোগ ব্যৱস্থাৰ প্ৰয়োজনক পুৰাবলৈ ইয়াৰ ভিন্ন আকাৰ আৰু বিষয় আছে। যিহেতু এইবোৰ হৈছে স্থানীয় আৰু পোনপটীয়া এইবোৰে দৰ্শকৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰিব পাৰে।

গণমাধ্যমৰ সুবিধাসমূহ ঃ

- এইবোৰ বিভিন্নধৰ্মী জনগণৰ মাজলৈ যাব পাৰে।
- একেবাৰে কম সময়ৰ ভিতৰত বাৰ্তা প্ৰেৰণ কৰিব পৰা যাব পাৰে।
- এটা সময়তে বিশাল সংখ্যক জনগণৰ মাজত বাৰ্তা প্ৰেৰণ কৰিব পৰা যাব পাৰে।
- মাল্টিমেডিয়াৰ ব্যৱহাৰে বিষয়বস্তু অধিক আমোদজনক কৰি তোলে।
- ভৱিষ্যত ব্যৱহাৰৰ উপযোগী কৰিবলৈ বিষয়বস্তুৰ বাণীবদ্ধ আৰু সংৰক্ষণৰ প্ৰৱল সম্ভাৱনা আছে।
- ইণ্টাৰনেটৰ গণমাধ্যম প্ৰয়োগ আন্তঃক্ৰিয়াশীল।

সীমিত প্ৰসাৰৰ সৈতে প্ৰদৰ্শিত হোৱা ঠাইৰ আবেষ্টনীত আৱদ্ধ হৈ থাকিব পৰাৰ অসুবিধাসমূহ লোকমাধ্যমৰ আছে। বৈদ্যুতিক মাধ্যমৰ ব্যৱহাৰ নকৰাকৈ অনুষ্ঠান সংৰক্ষিত কৰি ৰখাৰ পৰিসৰত সীমাৱদ্ধ ই কেৱল এক সীমিত সংখ্যক দৰ্শকৰ মাজত প্ৰচাৰ হ'ব পাৰে। (অনুষ্ঠিত হ'ব পাৰে) গণমাধ্যমৰ এইক্ষেত্ৰত অসুবিধা আছে যিহেতু এইবোৰ কমকৈ ব্যক্তিগত। দূৰদৰ্শন, অনাতাঁৰ আৰু বাতৰি কাকত এইবোৰৰ প্ৰতিক্ৰিয়া ব্যৱস্থাগনা মন্থৰ, এইবোৰ মধ্যমত বিষয়বস্তুৰ প্ৰচাৰ ব্যয়বহুল আৰু গণমাধ্যমত বাৰ্তা প্ৰচাৰৰ কাৰণে এটা বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন হয়। তেওঁলোকৰ গ্ৰাম্য এলেকাবিলাকত সীমিত অভিগমন আছে। লোকমাধ্যমৰ বেছিভাগ বিশেষজ্ঞই সেই সুবিধাসমূহ আঙুলিয়াই দিয়ে যিটো দুয়োটা মাধ্যমৰ মিশ্ৰণৰ পৰা লাভ কৰিব পৰা যাব কাৰণ গনমাধ্যমে লোকমাধ্যমৰ দ্বাৰা সাধাৰণতে সৃষ্টি কৰা প্ৰভাৱক ব্যাপকভাবে প্ৰশস্ত কৰিব, বৃদ্ধি কৰিব আৰু তীব্ৰতৰ কৰিব।

গণমাধ্যমে লোকমাধ্যমৰ পোণ পটীয়া প্ৰদৰ্শনীক প্ৰতিষ্ঠাপিত কৰিব নোৱাৰে। যি কি নহওঁক, একমাত্ৰ তেতিয়া ব্যাপক গ্ৰাম্য প্ৰসাৰতা লাভ কৰিব পৰা যায় যেতিয়া পৰ্যাপ্ত পৰিমাণৰ সম্প্ৰদায় অভিগমনৰ সুবিধা থকাকৈ জিলা পৰ্য্যায়ত বহুতো অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰ স্থাপন কৰা হ'ব। তেওঁলোকৰ অনুষ্ঠানৰ বিশাল অংশ হিচাপে লোকমাধ্যম সংৰক্ষণত গণমাধ্যমে এটা ভূমিকা পালন কৰিছে। উদাহৰণস্বৰূপে দূৰদৰ্শন (Doordarshan) আৰু অল ইণ্ডিয়া ৰেডিঅ' (All India Radio) লোক কলা আৰু লোকশিল্পীসকলৰ উন্নীতকৰণত নিয়োজিত হৈ আছে।



অগ্রগতিৰ খতিয়ান

প্ৰশ্ন নং ১। লোকমাধ্যমৰ সুবিধাসমূহ কি কি?

.....

.....

প্ৰশ্ন নং২। গণমাধ্যমৰ অসুবিধাসমূহ উল্লেখ কৰক।

.....

.....

১৫.৪ ভাৰত আৰু অসমত লোকমাধ্যমৰ ভৱিষ্যত-প্ৰস্তাৱিত প্ৰতিকাৰসমূহ

ভাৰত নিজৰ বিচিত্ৰ আৰু চহকী লোকমাধ্যমৰ কাৰণে জনপ্ৰিয়। প্ৰচলিত মাধ্যম যেনে- পুতলানাচ, নৌটংকী, কথা এই সকলোবিলাক চাৰুকলা, সঙ্গীত, ভাস্কৰ্য, চিত্ৰাংকন, অভিনয় আৰু কবিতাৰ সমাহাৰ। লোকশিল্পসমূহ অঞ্চলটোৰ ওপৰত ভিত্তি কৰি বিভিন্ন অঞ্চলত পৃথক পৃথক হয়। এই ভিন্নতাৰ ফলস্বৰূপে যিবিলাক ৰীতি-নীতিৰ ভিত্তিত এই শিল্পসমূহ গঢ় লৈছিল নাইবা সৃষ্টি হৈছিল সেইবিলাকৰ অসংগতি দেখা যায়। বলবন্ত গাৰ্গীয়ে ঠিকেই কৈছিল, "লোকমাধ্যমে মানুহক তেওঁলোকৰ সকলো অসংগতি আৰু বহুমুখী কাৰ্যপ্ৰণালীৰ সৈতে তেওঁলোকৰ প্ৰাকৃতিক বাসস্থানক প্ৰতিনিধিত্ব কৰে।

ই তেওঁলোকৰ কথা কোৱাৰ শৈলী, গীত, নৃত্য, পোছাক আৰু জ্ঞানৰ এটি সম্যক আভাস দিয়ে। ইয়াত পৌৰাণিক বীৰ, মধ্যযুগীয় ৰমন্যাস, নাইটসম্পৰ্কীয় গল্প, সামাজিক প্ৰথা, বিশ্বাস আৰু কাহিনীৰ এটা চহকী ভঁৰাল আছে। ভাৰতৰ ৰঙচঙীয়া বৈচিত্ৰ্যতা আৰু একতা বুজিবলৈ লোকমঞ্চৰ নাটকসমূহ ইয়াৰ প্ৰাকৃতিক অৱস্থানত চোৱাৰ প্ৰয়োজন আছে।"

ভাৰতীয় নাট্যশালাৰ পৰম্পৰা ঋক বেদৰ সমানে পুৰণি। উপনিষদৰ সময়তো নাট্যশালাৰ প্ৰচলন চলি থকা দেখা যায়। ভাৰতত লোকনাট্যশালাৰ প্ৰাথমিক উৎস হৈছে ৰামায়ণ আৰু মহাভাৰত মহাকাব্য দুখন। জাতকৰ সাধু (কথা), ভৰতমুনিৰ নাট্যশাস্ত্ৰ, কালিদাস আৰু অন্যান্যসকলে পুৰণি ভাৰতত লোকনাট্যশালাক প্ৰাৰ্চুৰ্য্যতা প্ৰদান কৰিছে। যুগ যুগ ধৰি ভাৰতীয় লোকসঙ্গীত আৰু লোকগীত বাৰ্তা সম্প্ৰচাৰ কৰাৰ কাৰণে ব্যৱহাৰ কৰা হৈ আহিছে। লোকসংগীতে জনজাতীয় আৰু অজনজাতীয় আদিবাসীসকলৰ সংগীত প্ৰথাক সামৰি লয় যিয়ে ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ বিভিন্নতাক প্ৰদৰ্শন কৰে। লোকসংগীত মানুহৰ দ্বাৰা সম্পূৰ্ণ স্বতঃস্ফূৰ্তভাবে শিকা হয়। যিহেতু এইবোৰৰ প্ৰদৰ্শন সমাজৰ মাজত অনুষ্ঠিত কৰা হয় আৰু শিশুকালৰে পৰাই সকলোৱে এইবোৰৰ সান্নিধ্য পায়, সেয়ে লোকসংগীত সৰলভাবে মানুহৰ মন-মগজুত আৰু আবেগ-অনুভূতিৰ মাজত দ' কৈ সোমাই পৰে। জাতি-সম্প্ৰদায়ৰ বিভিন্ন কাৰ্য য'ত লোকবাদ্যসমূহ বজোৱা হয় আৰু লোকসংগীতক প্ৰদৰ্শন কৰা হয় আৰু এই কাৰ্যৱলীসমূহ যেনে- উৎসৱ-পাৰ্বন, ধৰ্মানুষ্ঠান আৰু আন উপলক্ষ্যবোৰ সামাজিক জীৱনৰ অংশ। জন্ম আৰু মৃত্যু, বিবাহ, শস্য চপোৱা, মাটি চহোৱা

আৰু শস্য ৰোপন আৰু বিভিন্ন উদ্‌যাপনৰ নিচিনা উপলক্ষ্যবোৰত সামাজিক শিক্ষা দিবৰ বাবে যিকোনো পৰম্পৰাগত সমাজত লোকসংগীত আৰু লোকগীতৰ ব্যৱহাৰ কৰা হয়।

যাত্রা হৈছে বংগদেশৰ লোক নাট্যশালাৰ প্রদর্শনী। যি কি নহঁওক অসমত অসমীয়া মানুহৰ মাজতো যাত্রাৰ প্রদর্শন হোৱা দেখা যায় আৰু বিহাৰৰ ত্রিপুৰাৰ, উৰিষ্যাৰ আৰু আন ৰাজ্যসমূহৰ বাংলাভাষী মানুহৰ মাজত যাত্রাৰ প্রদর্শন হোৱা দেখা যায়। ভাৰতীয় বৈষ্ণৱ আন্দোলনৰ পৰাই যাত্রাৰ উৎপত্তি হৈছে আৰু ঋষি চৈতন্য প্রভূৱে বংগদেশত ইয়াৰ প্রাৰম্ভ কৰিছিল। যাত্রাৰ মঞ্চৰূপ সংগীতৰ সৈতে সংগত হৈ আছে। যাত্রাৰ প্রদর্শনীবোৰত ধর্মীয় বিষয়ৰ লগত ধর্মনিৰপেক্ষ বিষয়বস্তুৰ অৱলম্বন কৰা হৈছে। অসম ইয়াৰ ওজাপালি, ভ্রাম্যমান নাট, ভাওঁনা, সত্রীয়া নৃত্য, লোকগীত, বনগীত, বৰগীত আৰু বিহু ইত্যাদি লোকশিল্পৰ ৰূপসমূহৰ কাৰণে জনাযায়। ভাওঁনাৰ পাঁচশ বছৰতকৈ অধিক সময়ৰ পৰম্পৰাৰ আছে। ভাওঁনাৰ শৃংখলাৱদ্ধ ৰূপ মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে আৰম্ভ কৰিছিল। যিজনে লোকমঞ্চৰ জৰিয়তে জনসাধাৰণক একত্রিত কৰিবৰ লক্ষ্য কৰিছিল। অসমৰ বৈষ্ণৱ পৰম্পৰাৰ পূজাৰ কেন্দ্র নামঘৰৰ প্রাংগনত নৃত্য, লোক সংগীত আৰু লোক গীত, সংলাপ, মুখা সংস্কৃতি ইত্যাদিৰ সংগত ভাওঁনা প্রদর্শিত হৈছিল। ভাওঁনাৰ লোকনাট্য ৰূপৰ প্রদর্শনীত লোকবাদ্য যেনে খোল, দবা, তাল, ভোৰতাল আৰু নেগাৰা ইত্যাদিৰ ব্যৱহাৰ কৰা হয়। পুৰাণ, মহাভাৰত, ৰামায়ণৰ বিষয়বস্তু আৰু স্থানীয় ৰস আৰু অভিযোজনাৰে বিভিন্ন উপাখ্যান আৰু শ্রুতিকথাৰ বিষয়বস্তুসমূহ ভাওঁনাত প্রদর্শিত হৈছিল। প্রেম আৰু উদ্যমতাৰ বিষয়ৰ সৈতে আনন্দ, উল্লাস, আমোদ, স্ফুর্তি আৰু পৰিতৃপ্তি অসমৰ বিহুনৃত্যই কঢ়িয়াই আনে। বিহুনৃত্য, বিহুগীত আৰু বিহু ঢোল, তাল, টকা, গগণা, সুতুলি, পেঁপা, বাঁহী আৰু আন বাদ্যসমূহৰ তালৰ সংগত নচা হয়। বাগৰুম্বা নৃত্য বৈশাখী উৎসৱৰ সময়ত অসমত বড়ো সম্প্রদায়ে প্রদর্শন কৰা এটা ছন্দোবদ্ধ নৃত্য। দেওধনী হৈছে অসমত থকা শাক্ত ধর্মীয় লোকসকলৰ লগত জড়িত এটি নৃত্য আৰু ই বিশেষকৈ মনসা পূজা আৰু কামাখ্যাত প্রদর্শন কৰা হয়। ওজাপালি দুই ধৰণেৰ প্রদর্শিত এটা নাটকীয় প্রদর্শন- বিয়াহৰ আৰু আনটো হৈছে সুকন্নানী ওজাপালি। ঢেপা- ঢুলীয়া, ঝুমুৰ আৰু ছমাংকান ইত্যাদি অসমৰ আন কিছুমান লোকনৃত্য।

লোকমাধ্যম ভাৰতত বিশেষকৈ গ্রাম্য জনগণৰ মাজলৈ সোমাই যায় বা গ্রাম্য জনগনৰ মাজত জনপ্রিয় আৰু গণমাধ্যম বেছি পৰিমাণে চহৰীয়া জনগণৰ মাজত সীমাবদ্ধ হৈ আছে। ভাৰতত লোকমাধ্যম হৈছে আমাৰ সাংস্কৃতিক ঐতিহ্য। প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ ধাৰণা আৰু সূত্রপাতৰ সময়ত এইবোৰৰ ব্যৱহাৰ কৰা হৈছিল। আনকি তাতকৈ আগত অর্থনীতিবিদ, সমাজবিজ্ঞানী আৰু যোগা যোগ মাধ্যমৰ বিশেষজ্ঞসকলৰ দ্বাৰা বিবেচিত হৈ এইবোৰৰ ব্যৱহাৰ কৰা হৈছিল। নেতা আৰু সামাজিক যোগাযোগ বিজ্ঞানৰ গৱেষকসকল উভয়ে দ্রুত বিকাশৰ কাৰণে ফলপ্রসূ যোগাযোগ মাধ্যমৰ আৰিষ্কাৰ কৰিবলৈ বিৰামহীনভাৱে প্রচেষ্টা চলাই আছে। এই প্রচেষ্টাসমূহৰ এটা প্রয়োজনীয় গুৰুত্বপূর্ণ দৃষ্টিভংগী হৈছে লোকমাধ্যমক সংঘৱদ্ধ একত্রিত কৰা। পৰম্পৰাগতভাবে প্রদর্শিত হৈ অহা কলাসমূহৰ যোগাযোগ সামর্থ জাতীয় স্বার্থৰ বহুতো উদাহৰণৰ দ্বাৰা বাৰে বাৰে প্রমাণিত হৈছে। এই মাধ্যমৰ গুৰুত্ব আৰু ক্ষমতাক উপলব্ধি কৰি প্রথম পঞ্চবার্ষিক

পৰিকল্পনাই পদক্ষেপ লৈছিল যে গ্ৰাম্য অঞ্চলত থকা মানুহৰ ওচৰত প্ৰচাৰৰ উদ্দেশ্যে বৈদ্যুতিক মাধ্যমৰ উপৰিও পৰম্পৰাগত মাধ্যমৰ মাজেৰে অভিগমন কৰা উচিত হব। সম্প্ৰদায়সমূহে আৰু ব্যক্তি বিশেষেও স্থানীয় মেলাৰ মাধ্যম, পুতলা নাচৰ প্ৰদৰ্শনী, প্ৰসহন, লোকগীত আৰু লোকগাঁথাৰ এক বৃহৎ ক্ষেত্ৰক স্বাস্থ্যৰ কাৰণে স্থানীয় বিকাশ আৰু পৰিয়াল কল্যাণ প্ৰচাৰকার্য আৰু ৰাজনৈতিক সজাগতা সৃষ্টি কৰাৰ কাৰণেও ব্যৱহাৰ কৰিছে।

লোকমাধ্যমৰ বিশেষজ্ঞ শ্যাম পৰমাৰে পৰ্যবেক্ষন কৰে যে এতিয়া ভাৰতত যোগাযোগ ব্যৱস্থাৰ প্ৰয়োজন আমি ইয়াক পূৰণ কৰিব পৰা ব্যৱহাৰযোগ্য সম্পদতকৈ বহুত বেছি। গণমাধ্যম যেতিয়া অবিৰতভাৱে বিস্তাৰ লাভ কৰি আছে সেই সময়ত আমাৰ বিশেষ প্ৰয়োজনসমূহৰ কাৰণে পৰম্পৰাগত মাধ্যমে এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। এই অনুষ্ঠান সমূহৰ (পোনপটীয়া সম্প্ৰচাৰসমূহৰ) বাহিৰে মুখা-মুখি যোগাযোগত, লোকমাধ্যমৰ আকাৰসমূহ বৈদ্যুতিক মাধ্যমৰ অনুষ্ঠানসমূহত ব্যৱহাৰ হৈ আছে। যোগাযোগৰ উদ্দেশ্যে লোকমাধ্যমৰ চিনাক্তকৰণত ভাৰতৰ ভূমিকা সম্পূৰ্ণৰূপে ধনাত্মক। যদি এই প্ৰচেষ্টা সমূহৰ যথার্থ ফলাফল বৈজ্ঞানীক নিৰীক্ষণৰ জৰিয়তে সহজলভ্য কৰিব পৰা যায় উন্নয়নশীল আৰু উন্নত দুয়ো দেশসমূহত অভিজ্ঞতাটো নিশ্চিতভাবে তুলনামূলক ব্যৱহাৰৰ উপযোগী হব। UNESCO ৰ দ্বাৰা স্থাপিত মেকব্ৰাইড কমিশ্যনৰ (Mc Bride Commission) পৰম্পৰাগত লোকমাধ্যমৰ ৰূপসমূহ সংক্ৰান্তীয় গুৰুত্ব পূৰ্ণ পৰামর্শসমূহৰ মাজৰ এটা হৈছে ঃ " আনকি যি সময়ত আধুনিক মাধ্যমে পিছপৰা ভিতৰৰ গাওঁসমূহত বিয়পি পৰিছে, সেইসময়ত পুৰণি মাধ্যমে ইহঁতৰ বৈধতা বজাই ৰাখিছে বিশেষকৈ তেতিয়া, যেতিয়া আচৰণ মনোভাৱক প্ৰভাৱান্বিত কৰা, কার্যপ্ৰণোদিত কৰা আৰু পৰিবর্তনক উন্নীতকৰণৰ কথা আহে। বিস্তৃত অভিজ্ঞতাই এইটো প্ৰমাণ কৰে যে, পৰম্পৰাগত যোগাযোগ মাধ্যমসমূহ অন্ধবিশ্বাস, প্ৰাচীন অপ্ৰচলিত ধাৰণা আৰু অবৈজ্ঞানিক বিশ্বাসবোৰ, যিবোৰ মানুহে পৰম্পৰাৰ এটা অংশ হিচাপে বংশানুক্ৰমে লাভ কৰিছে আৰু যিবিলাক পৰিবর্তন কৰা কঠিন যদি পৰিবর্তনৰ সুফলসমূহ উদঙাই দিয়াত অসুবিধা হয়, সেইবোৰ দূৰীভূত কৰণত ফলপ্ৰসু প্ৰতিপন্ন হ'ব পাৰে। পৰম্পৰাগত মাধ্যমৰ অনুশীলনকাৰীসকলে স্থানীয়ভাবে জনপ্ৰিয় কলাৰ আকাৰসমূহৰ মাজেদি প্ৰয়োজনীয় বার্তা প্ৰেৰণৰ দ্বাৰা প্ৰত্যয় জন্মোৱাৰ এক বিচক্ষণীয় মাধ্যম ব্যৱহাৰ কৰে। যোগাযোগ মাধ্যমৰ আন কোনো আকাৰে ইয়াৰ লগত ফেৰ মাৰিব নোৱাৰে।

লোকমাধ্যমৰ পুনৰুজ্জীৱন সংৰক্ষণ আৰু প্ৰয়োগৰ ওপৰত চৰকাৰ আৰু আন্তর্জাতিক সংস্থাসমূহে বহুলভাবে উদ্যোগ লোৱাৰ ফলত এই মাধ্যমসমূহ ভৱিষ্যতে ব্যাপক প্ৰত্যাক্ষা আছে। ১৯৫৪ চনত গঠিত ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰনালয়ৰ গীত আৰু নাট বিভাগৰ প্ৰধান লক্ষ্যসমূহৰ এটা হৈছে লোক মাধ্যমসমূহ। একেদৰে, ভাৰতৰ ক্ষেত্ৰ প্ৰচাৰ অনুষ্ঠানসমূহে বহু দিনৰে পৰা ক্ষেত্ৰ প্ৰচাৰৰ কাৰণে লোকমাধ্যমৰ প্ৰয়োগ কৰি আহিছে। ১৯৪০ ৰ দশকৰ পৰাই লোকমাধ্যমসমূহ এইবোৰৰ যোগাযোগৰ মানৰ বাবে বর্দ্ধিতৰূপত আগস্থান দিয়া হৈছে। সেইসময়ৰ পৰা আগলৈ লোকমাধ্যম আৰু গণমাধ্যমৰ একত্ৰীকৰণে লোকমাধ্যমৰ যোগাযোগমূলক গুণাগুণবোৰ গণমাধ্যমৰ মাজেৰে প্ৰয়োগ কৰাৰ ওপৰত দৃষ্টিপাত কৰিছে। গণযোগাযোগৰ বাবে

লোকমাধ্যমক গণমাধ্যমৰ সৈতে একত্রীকৰণ UNESCO ৰ দ্বাৰা সূচনা আৰু পৃষ্টপোষকতা কৰা এটা আন্তর্জাতিক কার্য। গণ সংযোগ মাধ্যম হিচাপে লোকমাধ্যমক আর্ন্তজাতিক অনুমোদন জনোৱা আৰু বৈধতা প্রদান কৰা UNESCOৰ আন এটা গুৰুত্বপূর্ণ ভূমিকা তথ্য আৰু সম্প্রচাৰ মন্ত্রণালয়ৰ গীত আৰু নাট বিভাগ আৰু আন আন লোকমাধ্যমৰ গণসংযোগৰ ক্ষমতাক অতিশয় ফলপ্রসু আৰু অংশগ্রহণমূলক বুলি প্রতিপন্ন কৰাৰ ফল লাভ কৰি UNESCO ৰ উদ্যোগক ভাৰতত বিস্তাৰ কৰিছে। ভাৰতৰ পটভূমিত প্রসাদে (২০১৩) লোকমাধ্যমৰ কাৰণে তিনিটা আৱশ্যকীয়তা উল্লেখ কৰে এনেধৰণেঃ

- লোকমাধ্যমৰ সংৰক্ষণ আৰু এই মাধ্যমৰ ৰূপসমূহৰ গণমাধ্যমৰ সংস্থাসমূহৰ জৰিয়তে সংৰক্ষণ।
- পোনপটীয়া সম্প্রচাৰৰ জৰিয়তে বিকাশৰ বার্তা প্রেৰণ কৰিবলৈ লোকমাধ্যমৰ প্রয়োগ কৰা।
- গণমাধ্যমৰ সংস্থাসমূহৰ জৰিয়তে বিকাশমূলক বার্তা প্রেৰণ কৰিবলৈ লোকমাধ্যমৰ প্রয়োগ কৰা।

বিভিন্ন বিশেষজ্ঞই পৰামর্শ দিয়াৰ দৰে, লোক মাধ্যমক গণমাধ্যমলৈ ৰূপান্তৰিত কৰা অর্থাৎ গণমাধ্যমৰ প্রযুক্তি প্রয়োগেৰে লোক মাধ্যমৰ পণ্য উৎপাদন লোক মাধ্যমৰ ৰূপসমূহক ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণ কৰাৰ এটা সন্তুষ্টিজনক উপায়। সেইকাৰণে, লোকমাধ্যমৰ সৈতে বিষয়বস্তু আৰু গণমাধ্যমৰ আন ৰূপসমূহ অভিযোজ্যতাৰ সদ্ব্যৱহাৰ কৰিব পৰা যাব পাৰে। লোকমাধ্যমক গণমাধ্যমিক কৰাৰ পদ্ধতিত সংমিশ্রিত কৰিব পৰা যাব পাৰে যাৰ দ্বাৰা গণমাধ্যমৰ সংস্থা সমূহ জৰিয়তে লোকমাধ্যমৰ প্রদর্শনীয়ে সমাজৰ কাৰণে বিকাশমূলক বার্তা প্রেৰণ কৰিব বুলি আশা কৰিব পাৰি বা আশা কৰা যাব পাৰে।

আইকাতে (Aikat) মন্তব্য কৰিছিল "যোগাযোগৰ উন্নততৰ মান আৰু উমৈহতীয়া তথ্যৰ উন্নীতকৰণত পৰম্পৰাগত আৰু আধুনিক দুয়ো মাধ্যমে সহায় প্রদান কৰিব পাৰে যিয়ে বিশ্বায়নিক স্তৰত বহনক্ষম বিকাশ সম্ভৱ কৰি তোলে। সংক্ষিপ্তভাবে এটা বহনক্ষমসমাজ তথ্য সম্প্রদায় হোৱা আৱশ্যক। লোকমাধ্যম আৰু নৱ-মাধ্যমৰ প্রযুক্তি বিনোদন তথ্য আৰু শিক্ষাৰ কাৰণে ভৱিষ্যতে আৰু বহলভাবে প্রয়োগ কৰিব পৰা যাব পাৰে। গণমাধ্যমৰ প্রযুক্তিৰ দ্বাৰা লোকমাধ্যম মধ্যস্থতাক তলত দিয়াবিলাক লাভ কৰাৰ কাৰণে প্রয়োগ কৰিব পৰা যাব পাৰে ঃ

(i) লোকমাধ্যম বিশাল জনতাৰ মাজত প্রচাৰ লাভ কৰিব পাৰিব।

(ii) লোকমাধ্যমৰ সংৰক্ষণ আৰু সম্প্রচাৰত প্রযুক্তি ব্যৱহাৰ কৰিব পাৰিব।

(iii) লোক মাধ্যম আৰু গণ-মাধ্যমৰ সুবিধাসমূহ আৰু অধিক ফলপ্রসু বিকাশমূলক যোগাযোগৰ বাবে সংমিশ্রিত কৰিব পাৰিব।

(i v) লোকমাধ্যমৰ বার্তাসমূহ মাধ্যম হিচাপে অভিসাৰী মাধ্যম প্রযুক্তি বিদ্যাই অধিক বৈচিত্র্যতা প্রদান কৰে।

(v) লোকমাধ্যমে বিশ্বব্যাপী উপভোক্তাৰ মাজলৈ যাব পাৰে আৰু সেই প্রচেষ্টাত সাংস্কৃতিক ঐতিহ্যৰ সমৃদ্ধিৰ উন্নীতকৰণ কৰিব পাৰে।

সামাজিক পটভূমিত লোকমাধ্যমৰ যি সাংস্কৃতিক সমন্বয় আছে সেয়া যোগাযোগৰ এটা শক্তিশালী আহিলা হিচাপে ইয়াক বিকাশৰ কাৰণে প্ৰয়োগ কৰিব পৰা যাব পাৰে। কাৰণ ই গ্ৰাম্য জীৱনৰ বৈশিষ্ট্যক বহন কৰে আৰু বাৰ্তা প্ৰেৰণকাৰী আৰু প্ৰাপ্তকৰ্তাৰ মাজত একেই সামাজিক বিধান ব্যৱহাৰ হয়।

বংশানুক্ৰমৰ মাজত এটা স্বদেশী সমাজত উদ্ভৱ হোৱা আৰু প্ৰচাৰ লাভ কৰা তথ্যৰ দ্বাৰা গঠিত স্বদেশী জ্ঞানৰ ভাণ্ডাৰৰ লোকমাধ্যম এটা সম্প্ৰচাৰক। খাদ্য আৰু কৃষি সংস্থা (Food and Agriculture Organisation) ই সঠিকভাবে মন্তব্য কৰিছে যে, "বংশানুক্ৰমে পৰ্যবসিত হোৱা স্বদেশী জ্ঞান, অভিজ্ঞতা আৰু অভিব্যক্তি যি সাংস্কৃতিক উৎসই যোগান ধৰে পৰম্পৰাগত লোকমাধ্যম তেনেকুৱা সাংস্কৃতিক ভঁৰাল। যোজনা আৰু কবিতা গীত আৰু নৃত্য, পুতলা নাচ আৰু গল্প, লয় আৰু (স্পন্দনৰ) তালৰ মাজত মিশ্ৰিত হৈ এইবোৰ সাংস্কৃতিক পৰিচয়ৰ শক্তিশালী চেতনা হিচাপে গোথিত হৈ আছে যি বিকাশৰ কাৰণে সক্ষমশীল বল হ'ব পাৰে। বহুতো ক্ষেত্ৰত, এই মাধ্যমসমূহ স্বদেশী জ্ঞান, অভিজ্ঞতা আৰু সংস্কৃতিৰ পৰম্পৰা গত ধাৰা। সমাজত এই সাংস্কৃতিক ভঁৰালৰ সৃষ্টিশীল প্ৰয়োগ বিকাশৰ ভাৱনা আৰু বাৰ্তাক পৰিচয় কৰোৱাত এক বিচক্ষণীয় আৰু ফলপ্ৰসূ উপায় য'ত এইবোৰ জনপ্ৰিয় আৰু সুন্দৰ ভাবে প্ৰসিত।

এনেকৈ লোকমাধ্যমৰ সাংস্কৃতিক বৰ্ণনাক প্ৰত্যেক সাংস্কৃতিক পটভূমিত সামাজিক আৰু বিকাশমূলক বাৰ্তাসমূহৰ বিনোদনমূলক ৰূপদানৰ জৰিয়তে জ্ঞান আৰু তথ্যৰ বিস্তাৰ কৰিবলৈ ব্যৱহাৰ কৰিব পৰা যাব পাৰে।

যেতিয়াই লোক মাধ্যমৰ সংৰক্ষণৰ কথা আহে তেতিয়া অনাঁতাৰ আৰু দূৰদৰ্শনে এটা উপযোগী ভূমিকা পালন কৰিব পাৰে। দূৰদৰ্শনে বিশেষকৈ চহৰীয়া এলেকাবিলাকতো দৰ্শকলৈ প্ৰদৰ্শনীবিলাক পুনঃসম্প্ৰচাৰ কৰিব পাৰে। যিকি নহওঁক আধুনিক বৈদ্যুতিক মাধ্যমে বাণিজ্যিক পৰিৱেশত লোকমাধ্যমৰ প্ৰদৰ্শনী বিলাকক নাৰ্য্যতা প্ৰদান কৰিব নোৱাৰে। এই মাধ্যমসমূহ সময়ৰ প্ৰতিবন্ধকতাত ভূগে। সমালোচকসকলে অনুভৱ কৰে যে প্ৰদৰ্শনীৰ যিকোনো সংক্ষিপ্তৰূপে লোকমাধ্যমৰ প্ৰদৰ্শনীৰ প্ৰকৃত চৰিত্ৰ আৰু সাৰমৰ্মক প্ৰভাৱান্বিত কৰিব। লোকমাধ্যমৰ প্ৰদৰ্শনীৰ উন্নীতকৰণত দূৰদৰ্শনে কৰা প্ৰচেষ্টাক শলাগ ল'ব লাগিব। যেতিয়া আমি লোকসংগীতৰ কথা কওঁ তেতিয়া কেৱলমাত্ৰ চলচিত্ৰৰ সংগীতক পুনঃপুনঃ পৰিৱেশন কৰা ব্যক্তিগত চেনেলসমূহতকৈ সদৌ ভাৰত আকাশবাণীৰ স্থান বহুত ওপৰত।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ৩ঃ যাত্ৰা বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং৪ ঃ গণমাধ্যম প্রযুক্তিয়ে লোকমাধ্যমৰ মধ্যস্থতাত কি লাভ কৰাত সহায় কৰে?

.....

.....



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকমাধ্যম আৰু গণমাধ্যম, দুয়োটা জনমত গঠন আৰু বিকাশৰ কাৰণে বার্তা সম্প্রচাৰ কৰাৰ এক শক্তিশালী পন্থা।
- এই মাধ্যমসমূহৰ উপভোক্তই সুবিধাবাদী আৰু কর্মচাৰী দুয়োটা দলকে অর্ন্তভূক্ত কৰে। সামৰি লয়।

  কর্মচাৰীবিলাকে উন্নয়নমূলক কর্মপৰিকল্পনা গঢ় দিয়াত সহায় কৰে আৰু সুবিধাবাদীবিলাকে (সকলে) উন্নয়নমূলক কর্ম-পৰিকল্পনাৰ ফলাফলক গ্রহণ কৰে আৰু অৱলম্বন কৰে।
- যদিওবা লোকমাধ্যমে তুলনামূলকভাবে স্বল্পসংখ্যক দর্শকক সামৰি লয় তথাপি ইয়াৰ শক্তিশালী প্রভাৱ আছে। যিহেতু এইবোৰে দর্শকৰ অংশগ্রহণক জড়িত কৰে। এইক্ষেত্রত গণমাধ্যমক পিছুৱাই থকা দেখা পোৱা যায়।
- সীমিত প্রসাৰৰ সৈতে প্রদর্শিত হোৱা ঠাইৰ আবেষ্টনীত আৱদ্ধ হৈ থাকিব পৰাৰ অসুবিধাসমূহ লোকমাধ্যমৰ আছে। বৈদ্যুতিক মাধ্যমৰ ব্যৱহাৰ নকৰাকৈ অনুষ্ঠান সংৰক্ষিত কৰি ৰখাৰ পৰিসৰত সীমাৱদ্ধ ই কেৱল এক সীমিত সংখ্যক দর্শকৰ মাজত প্রচাৰ হ'ব পাৰে।
- "লোকমাধ্যমে মানুহক তেওঁলোকৰ সকলো অসংগতি আৰু বহুমুখী কার্যপ্রণালীৰ সৈতে তেওঁলোকৰ প্রাকৃতিক বাসস্থানক প্রতিনিধিত্ব কৰে।

  ই তেওঁলোকৰ কথা কোৱাৰ শৈলী, গীত, নৃত্য, পোছাক আৰু জ্ঞানৰ এটি সম্যক আভাস দিয়ে। ইয়াত পৌৰাণিক বীৰ, মধ্যযুগীয় ৰমন্যাস, নাইটসম্পর্কীয় গল্প, সামাজিক প্রথা, বিশ্বাস আৰু কাহিনীৰ এটা চহকী ভঁৰাল আছে। ভাৰতৰ ৰঙচঙীয়া বৈচিত্র্যতা আৰু একতা বুজিবলৈ লোকমঞ্চৰ নাটকসমূহ ইয়াৰ প্রাকৃতিক অৱস্থানত চোৱাৰ প্রয়োজন আছে।"
- ভাৰতীয় নাট্যশালাৰ প্রচলন/ প্রথা ঋক বেদৰ সমানে পুৰণি। উপনিষদৰ সময়তো নাট্যশালাৰ প্রচলন চলি থকা দেখা যায়। ভাৰতত লোকনাট্যশালাৰ প্রাথমিক উৎস হৈছে ৰামায়ণ আৰু মহাভাৰত মহাকাব্য দুখন।
- অসম ইয়াৰ ওজাপালি, ভ্রাম্যমান নাট, ভাওঁনা, সত্রীয়া নৃত্য, লোকগীত, বনগীত বৰগীত আৰু বিহু ইত্যাদি লোকশিল্পৰ ৰূপসমূহৰ কাৰণে জনাযায়।

- বিভিন্ন বিশেষজ্ঞই পৰামর্শ দিয়াৰ দৰে, লোকমধ্যমক গণমাধ্যম কৰা অর্থাৎ গণমাধ্যমৰ প্রযুক্তি প্রয়োগেৰে লোক মাধ্যমৰ পণ্য উৎপাদন লোক মাধ্যমৰ ৰূপসমূহক ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণ কৰাৰ এটা সন্তুষ্টিজনক উপায়। সেইকাৰণে, লোকমাধ্যমৰ সৈতে বিষয়বস্তু আৰু গণমাধ্যমৰ আন ৰূপসমূহ অভিযোজ্যতাৰ সদ্ব্যৱহাৰ কৰিব পৰা যাব পাৰে।



১৫.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Aikat, Debashis Deb. Traditional and Modern Media. In Journalism and Mass Communication-Vol.I.www.eolss.net/sample-chapter/c04/e6-33-02- .pdf
2. Kumar, Kewal. J. (1994),Mass Communication in India – A Critical Analysis. Vipul Prakashan.
2. Parmar, Shyam(1994),Traditional Folk Media in India. Routledge
3. Prasad, Dr. Neeru (2013). Folk Media: an active media for communication campaigns in digital era. In Commentary-1, Global Media Journal-Indian Edition, ISSN 2249-5835, Winter issue/ December 2013/Vol.4/No.2, www.caluniv.ac.in/Global media journal/ Commentary Dec.2013/Commentary1NeeruPrasad.pdf.

১৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ লোক মাধ্যমৰ সুবিধাসমূহ হৈছে ঃ

- সম্প্রদায় পর্য্যায়ৰ যোগাযোগ ব্যৱস্থাত অতিকৈ উপযোগী।
- বিশেষ প্রশিক্ষণ নাইবা প্রযুক্তিবিদ্যাৰ দৰকাৰ নপৰে।
- স্থানীয় সংস্কৃতি আৰু ঐতিহ্যত শিপাই আছে।
- দর্শকে বার্তাসমূহৰ মাজত নিজৰ /তেওঁলোকৰ পৰিচিতি আৰু সম্পর্ক বিচাৰি পায়।
- তাৎক্ষনিক আৰু স্বতঃস্ফূর্ত প্রতিক্রিয়া।
- সামাজিক প্রয়োজনৰ ওপৰত স্থাপিত তৰল আকাৰ আৰু বিষয়বস্তু।
- লোকমাধ্যম হৈছে কম খৰচী।
- বার্তাসমূহ সহজে মনত ৰাখিব পৰা আৰু এইবোৰে ক্ষীপ্রভাবে বহল জনসাধাৰণক আকর্ষিত কৰিব পাৰে।

- বহন জনসাধাৰণে বার্তাসমূহৰ লগত নিজকে সম্পর্ক কৰিব পাৰে আৰু সংলগ্ন কৰিব পাৰে।
- প্রাথমিক আবেদন বুদ্ধিদীপ্ততাকলৈ নহৈ হৈছে আবেগকলৈ।
- বহল জনসাধাৰণৰ যোগাযোগ ব্যৱস্থাৰ প্রয়োজনক পুৰাবলৈ ইয়াৰ ভিন্ন আকাৰ আৰু বিষয় আছে। যিহেতু এইবোৰ হৈছে স্থানীয় ৰু পোনপটীয়া। এইবোৰে দর্শকৰ লগত প্রত্যক্ষ সম্পর্ক স্থাপন কৰিব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ গণমাধ্যমৰ এইক্ষেত্রত অসুবিধা আছে যিহেতু এইবোৰ কমকৈ ব্যক্তিগত। দূৰদর্শন, অনাতাঁৰ আৰু বাতৰি কাকত এইবোৰৰ প্রতিক্রিয়া ব্যৱস্থাগনা মন্থৰ, এইবোৰ মধ্যমত বিষয়বস্তুৰ প্রচাৰ ব্যয়বহুল আৰু গণমাধ্যমত বার্তা প্রচাৰৰ / সম্প্রচাৰৰ কাৰণে এটা বিশেষ প্রশিক্ষণৰ প্রয়োজন হয়। তেওঁলোকৰ গ্রাম্য এলেকাবিলাকত সীমিত অভিগমন আছে। লোকমাধ্যমৰ বেছিভাগ বিশেষজ্ঞই সেই সুবিধাসমূহ আঙুলিয়াই দিয়ে যিটো দুয়োটা মাধ্যমৰ মিশ্রণৰ পৰা লাভ কৰিব পৰা যাব কাৰণ জনমাধ্যমে লোকমাধ্যমৰ দ্বাৰা সাধাৰণতে সৃষ্টি কৰা প্রভাৱক অধিকভাবে / ব্যাপকভাবে প্রশস্ত কৰিব, বৃদ্ধি কৰিব আৰু তীব্রতৰ কৰিব।

গণমাধ্যমে লোকমাধ্যমৰ পোণ পটীয়া প্রদর্শনীক প্রতিষ্ঠাপিত কৰিব নোৱাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ যাত্রা হৈছে বংগদেশৰ লোক নাট্যশালাৰ প্রদর্শনী। যি কিনহওঁক অসমত অসমীয়া মানুহৰ মাজতো যাত্রাৰ প্রদর্শন হোৱা দেখা যায় আৰু বিহাৰৰ ত্রিপুৰাৰ, উৰিষ্যাৰ আৰু আন ৰাজ্যসমূহৰ বাংলাভাষী মানুহৰ মাজত যাত্রাৰ প্রদর্শন হোৱা দেখা যায়। ভাৰতীয় বৈষ্ণৱ আন্দোলনৰ পৰাই যাত্রাৰ উৎপত্তি হৈছে আৰু ঋষি চৈতন্য প্রভূৱে বংগদেশত ইয়াৰ প্রাৰম্ভ কৰিছিল। যাত্রাৰ মঞ্চৰূপ সংগীতৰ সৈতে সংগত হৈ আছে। যাত্রাৰ প্রদশনীবোৰত ধর্মীয় বিষয়ৰ লগত ধর্মনিৰপেক্ষ বিষয়বস্তুৰ অৱলম্বন কৰা হৈছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ (i) লোকমাধ্যম বিশাল জনতাৰ মাজত প্রচাৰ লাভ কৰিব পাৰিব।

(ii) লোকমাধ্যমৰ সংৰক্ষণ আৰু সম্প্রচাৰত প্রযুক্তি ব্যৱহাৰ কৰিব পাৰিব।

(iii) লোক মাধ্যম আৰু গণ-মাধ্যমৰ সুবিধাসমূহ আৰু অধিক ফলপ্রসু বিকাশমূলক যোগাযোগৰ বাবে অধিক ফলপ্রসু বিকাশমূলক যোগাযোগৰ বাবে সংমিশ্রিত কৰিব পাৰিব।

(i v) লোকমাধ্যমৰ বার্তাসমূহ মাধ্যম বিচাপে অভিসাৰী মাধ্যম প্রযুক্তি বিদ্যাই অধিক বৈচিত্র্যতা প্রদান কৰে।

(v) লোকমাধ্যমে বিশ্বব্যাপী উপভোক্তাৰ মাজলৈ যাব পাৰে আৰু সেই প্রচেষ্টাত সাংস্কৃতিক ঐতিহ্যৰ সমৃদ্ধিৰ উন্নীতকৰণ কৰিব পাৰে।



১৫.১১ আৰ্হি প্ৰশ্ন ঃ

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ঃ লোকমাধ্যম আৰু গণমাধ্যম একত্ৰীকৰণ কেনেদৰে উপযোগী হ'ব পাৰে?

প্ৰশ্ন ২ঃ অসমৰ ভ্ৰাম্যমান থিয়েটাৰে বাৰ্তা সম্প্ৰচাৰৰ কাৰণে কি ব্যৱহাৰ কৰে?

প্ৰশ্ন ৩ঃ লোকমাধ্যমক গণমাধ্যমিক কৰাৰ অৰ্থ কি?

(খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১ঃ লোকমাধ্যম আৰু গণমাধ্যমৰ মাজৰ প্ৰভেদসমূহৰ তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ঃ ভাৰতত লোকমাধ্যমে সন্মুখীন হোৱা বাধাসমূহ কি কি?

প্ৰশ্ন ৩ঃ লোকমাধ্যমক গণমাধ্যমিক কৰাৰ পদ্ধতিৰ ওপৰত এটা চমুটোক যুগুত কৰক।

(গ) ৰচনা ধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১ঃ ভাৰতত লোকমাধ্যমৰ ভৱিষ্যত পৰিসৰৰ ওপৰত এখন চমু ৰচনা লিখক।

প্ৰশ্ন ২ঃ অসমৰ লোকমাধ্যমৰ ওপৰত এখন ৰচনা লিখক।

*** ***** ***



প্ৰসঙ্গ পুথি

ইংৰাজী গ্ৰন্থঃ

1) Bandyopadhyay, P. K. (2005) *The North East Saga* New Delhi : Publication Division.
2) Barkataki, S. N. (1970) *Tribal Folktales of Assam* Guwahati : Publication Board.
3) Kumar, Keval J. (2010).Mass Communication in India, Mumbai: Jaico Publishing House.
4) Madhusudhan, K. (2006). Traditional Media and Development Communication. New Delhi': Kanishka publishers.
5) Boeren, A.(1992) "Getting Involved" : "Communication for Participatory Development". Community Development Journal, 27 (3): 259:271.
6) Schramm W. (1963) The Science of Human Communication. New York, NY: Basic Books
7) Mukhopadyay, Durgadas (1998) "Traditional Media and Development Communication." Issues in Mass Communication: The Basic Concepts. Eds. J. S. Yadava and PradeepMathur. New Delhi: Kanishka Publishers, Distributors
8) Mohanty, Manashi, Parhi, Pritishri (2001) Folk and Traditional Media: A Powerful Tool for Rural Development . Journal of Communication, 2(1), 41-47.
9) Moyo, F. F (1997) "Drama- an appropriate tool in development support communication" African Media Review 11 (1): 94-105
10) Naskar, Reshmi (2001). The role of folk media and participatory communication in rural development: an exploratory case study of combating child marriage in Malda. Commentary Global Media Journal – Indian Edition/ISSN 2249-5835 Winter Issue / December 2011 Vol. 2/No.2
11) Srampickal, Jacob (1994) Voice to the Voiceless: The Power of People's Theatre in India. New Delhi: Manohar
12) Madhusudhan, K. (2006). Traditional Media and Development Communication, New Delhi: Kanishka Publishers.
13) Sakanta,Hiromi Loraine (1983): Music in the mind: Concepts of Music and Musicians in Afghanistan. Kent State University Press.
14) UNESCO (1999) Preservation and Promotion of Traditional/ Folk Performing Arts. Asia- Pacific Database on Intangible Cultural Heritage (ICH), by Asia- Pacific Cultural Centre for UNESCO (ACCU)

15) Wimal,Dissanayake (1979) Development communication. Colombo: Indika.
16) Wimal Dissanayake(1977) “New Wine in Old Bottles: Can Folk Media Convey Modern Messages?” Journal of Communication, Spring, pp. 122-124
17) H. K. Ranganath (1976)“A Probe into the Traditional Media: Telling the People Tell Themselvesÿ” Media Asiaÿ3:1
18) Ranganath, H.K. Folk Media and Communication. Mysore : Chintana Prakashana
19) Shyam Parmar (1975) Traditional Folk Media in India. New Delhi : Geka Books
20) Aikat, Debashis Deb. Traditional and Modern Media. In Journalism and Mass Communication-Vol.I.www.eolss.net/sample-chapter/c04/e6-33-02- .pdf
21) Kumar, Kewal. J. (1994),Mass Communication in India – A Critical Analysis. Vipul Prakashan.
22) Parmar, Shyam(1994),Traditional Folk Media in India. Routledge
23) Prasad, Dr. Neeru (2013). Folk Media: an active media for communication campaigns in digital era. In Commentary-1, Global Media Journal-Indian Edition, ISSN 2249-5835, Winter issue/ December 2013/Vol.4/No.2, www.caluniv.ac.in/Global media journal/ Commentary Dec.2013/Commentary1NeeruPrasad.pdf.

অসমীয়া গ্ৰন্থঃ

১) আমিন চাহিদ, *‘উত্তৰ ভাৰতৰ কৃষকৰ জীৱনৰ শব্দকোষ, উলিয়াম ক্ৰুক’*, ১৯৮৯, অক্সফ’ৰ্ড বিশ্ববিদ্যালয় প্ৰেছ, দিল্লী।
২) বীৰেন্দ্ৰনাথ দত্ত, নবীন চন্দ্ৰ শৰ্মা আৰু প্ৰবীণ চন্দ্ৰ দাসৰ *‘উত্তৰ ভাৰতৰ লোকসংস্কৃতিৰ হাতপুথি’*, ১৯৯৪, আনন্দৰাম বৰুৱা কলা আৰু ভাষা-সংস্কৃতি কেন্দ্ৰ, অসম।
৩) ব্ৰিন্দা ইএফ বেক্, জৱাহৰলাল হাণ্ডো, প্ৰফুল্ল দত্ত গোস্বামী, পিটাৰ জে. ক্লে’জ, *ভাৰতৰ সাধুকথা*, ১৯৮৯, মতিলাল বনৰশ্ৰীদাস, নতুন দিল্লী।
৪) হাণ্ডো জৱাহৰলাল। *আধুনিক ভাৰতৰ লোকসংস্কৃতি*, ১৯৯৮, মহীশূৰ, ভাৰতীয় ভাষাসমূহৰ কেন্দ্ৰীয় প্ৰতিষ্ঠান।
৫) পাটনায়ক নিত্যানন্দ, *জনজাতীয় সম্প্ৰদায়ৰ লোকসংস্কৃতি*। ২০০২, জ্ঞান পাব্লিচিং হাউছ, দিল্লী।
৬) শৰ্মা, ড° সত্যেন্দ্ৰনাথ। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।
৭) নাথ, ড°নবীন চন্দ্ৰ (সম্পাদিত)। *অসমৰ সংস্কৃতি-সমীক্ষা*। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৮) গগৈ, ড° লীলা (১৯৮৬)। *অসমৰ সংস্কৃতি*। গুৱাহাটী ঃ বনলতা।
৯। ড° ভূপেন হাজৰিকা ৰচনাৱলী (২০০৮)। দ্বিতীয় খণ্ড এছ এইচ শৈক্ষিক ন্যাসৰ দ্বাৰা প্ৰকাশিত।